মুখামুখি

শৈলধৰ পাঠক

আধাৰ
গুৱাহাটী-১১

MUKHAMUKHI
a collection of short stories
written by Sailadhar Pathak
and published by Apurba Saikia,
General Secretary, on behalf of
'**Adhar**', *a socio-literary organisation of*
Assam, Guwahati-19

First Publication : 27th December, 2009
Price Rs 60.00

শৈলধৰ পাঠকৰ গল্প

মুখামুখি

প্ৰকাশ কাল ঃ

২৭ ডিচেম্বৰ, ২০০৯

প্ৰকাশক ঃ

আধাৰ

গুৱাহাটী-১৯

প্ৰচ্ছদ অংকন ঃ

উদয়ন বিশ্বাস

অক্ষৰ-বিন্যাস ঃ

নিৰ্জু

মুদ্ৰণ ঃ

মেৰিডিয়ান অফচেট্ প্ৰিন্টাৰ্চ

ভঙাগড়, গুৱাহাটী-৫

মূল্য ঃ

৬০.০০ টকা

GOVT O SSAM
UP LIB

উৎসৰ্গা

যিসকলৰ সান্নিধ্য আৰু
সহৃদয়তা, মোৰ অনুপ্ৰেৰণাৰ উৎস,
সেইসকলৰ হাতত ... ...

এখন্তেক

সৰুতে জেঠীৰ মুখত ৰাতি সাধুকথা শুনাৰ আমেজ এতিয়াও হৈ আছে সজীৱ।
জেঠীৰ পঢ়া-শুনা নাছিল। অবাক হৈ সুধিছিলোঁ এদিন—
ঃ ইমান ধুনীয়াকৈ তুমি কেনেকৈ কোৱা সাধুকথাবোৰ!
জেঠীয়ে কৈছিল—
ঃ ভাবি ভাবি ...
মই ভাবিবলৈ আৰম্ভ কৰিছিলোঁ।

যদিওবা জনা নাছিলোঁ তেতিয়া, ভবাৰ আনন্দও আছে, যন্ত্ৰণাও আছে।
তাৰেই সমাহাৰত মোৰ ধূসৰ দৃশ্যপট্ লাহে লাহে সলনি হ'বলৈ ধৰিলে।
মোৰ চৌদিশৰ পৰিবেশ, মোৰ প্ৰতিবেশী-দেশ-পৃথিৱী সকলো যেন সোমাই আহিল মোৰ বুকুৰ মাজলৈ। সেয়াই আছিল মোৰ প্ৰতীতি।

জেঠী আজি আৰু নাই। নাই সাধুকথাৰ সেই দৃশ্যপট্। সময়ৰ সন্ধিক্ষণত চৌদিশে অস্থিৰতা। প্ৰাত্যহিকতা আৰু আত্মকেন্দ্ৰিকতাত বন্দী মন। নেতিবাচক চিন্তা-ভাৱনাৰ পৰিসীমাত জীৱন যেন যন্ত্ৰণাৰেই নামান্তৰ। অথবা অৱনমিত হৈছোঁ আমি ক্ৰমশঃ আমাৰেই পৰিপন্থী ভয়ংকৰ এক প্ৰজাতিলৈ। নাজানো, অনাগত দিনৰ দুৰ্ভাৱনাৰে কেনেকৈ অনুপ্ৰাণিত হ'ম আমি, আমাৰ ভৱিষ্যতৰ বাবে! লগ পোৱা প্ৰতিজনৰ সুখ-দুখ, আনন্দ-যন্ত্ৰণাৰ সমভাগী হৈ প্ৰক্ষেপিত ছাঁ-পোহৰত নিজৰ স'তেই মুখামুখি হওঁ মই। অনুভৱ কৰোঁ। আৰু অধিক যন্ত্ৰণা। তথাপিও অন্বেষণ কৰোঁ, নতুন সম্ভাৱনাৰ। তেনেকৈয়ে লেখোঁ।

মোৰ বন্ধু কুমুদ ৰঞ্জন দাসৰ আন্তৰিকতা আৰু উদ্যোগ অবিহনে 'অসমীয়া খবৰ', 'আজিৰ অসম', 'অগ্ৰদূত'ৰ পাততে আবদ্ধ হৈ থাকিলে হয় এই গল্পবোৰ। মোৰ আজন্ম শুভাকাংক্ষী উদয়নদাই আগ্ৰহেৰে বেটুপাত অংকন কৰি দিয়াৰ বাবে মই অতি কৃতজ্ঞ। আকৌ গ্ৰন্থ প্ৰকাশনা যিসকলৰ বাবে ব্যৱসায়ৰ ঊৰ্ধত, এক অনন্য অনুৰাগ, মই কৃতজ্ঞ তেখেতসকলৰ প্ৰতিও। 'মুখামুখি'ৰ প্ৰকাশৰ স'তে জড়িত সকলোকে মই মোৰ কৃতজ্ঞতা যাচিছোঁ।

শৈলধৰ পাঠক

সূচীপত্ৰ

ক'ত সেই সাগৰ	...	৭
কালচক্ৰ	...	১০
মুখামুখি	...	১৬
আইনাত এটোপাল তেজ	...	৩০
ধৰ্ষণ	...	৪০
সাইলাখ সেই মাত	...	৬২
ঢাক	...	৭১
কৃষ্ণচূড়া আৰু আকাশ	...	৭৯
প্ৰস্থান	...	৯১
ৰ'দ	...	১০৬
যাত্ৰা	...	১২৬
পৃথিৱী	...	১২৯
বিজ্ঞাপন	...	১৩১
আইতা	...	১৩৪
সন্ধিক্ষণ	...	১৩৭
প্লাৱন	...	১৪০

ক'ত সেই সাগৰ

শ্ৰীমতীৰ অসুখ দেখুৱাবলৈ চেন্নাইলৈ গৈ এপ'লোৰ ওচৰ-পাঁজৰে থকা হোটেলবোৰত ভিৰ দেখি এগমোৰৰ হোটেল এখন ঠিক কৰিলোঁ। তাৰ পৰা এপ'লোলৈ অট'ভাৰা পোন্ধৰ টকা। এপ'লোত নামটো ভৰ্তি কৰাৰ পিছত গম পালোঁ ডাঃ পাজানী আবেলিহে আহিব। এতিয়া দহটা বাজিছেহে। হোটেললৈ আহিবলৈ আৰু মন নগ'ল। খোৱা বস্তু অলপ লগত লৈ সাগৰৰ পাৰ পালোঁ। অট'খনৰ পৰা নামি ভালেখিনি ঠাই তপত বালিৰ ওপৰেৰে খোজকাঢ়ি যোৱা কাৰণে যথেষ্ট অস্বস্তি লাগিলেও সাগৰ দেখা পাই সেই অস্থিৰতা ক'ৰবালৈ উটি যোৱা যেন লাগিল। সাগৰ বুলি ক'লেই কিয় জানো প্ৰথমতে দেৱকান্ত বৰুৱাৰ কবিতাটোলৈ মনত পৰে। কবিতাটো বাৰে বাৰে আবৃত্তি কৰি অদ্ভুত এক আনন্দ পাইছিলোঁ। তেতিয়া কিন্তু সাগৰৰ স'তে মুখামুখি হোৱা নাছিলোঁ। মাথোঁ অনুমান কৰিছিলোঁ। তাৰ পাছত হেমিংৱেৰ 'বুঢ়া আৰু সাগৰখন' পঢ়ি অপেক্ষা কৰিছিলোঁ সাগৰ ক'ত! সাগৰ সঁচাকৈয়ে সাগৰ। ভৰাতকৈ বেছি বিশাল, বেছি গভীৰ সাগৰ। অনুপ্ৰেৰণাৰ উৎস সাগৰ জীৱনৰেই উৰ্মিমালা। সাগৰৰ পাৰত বহি সকলো সীমাৰ পৰিধি ভাঙি অসীমত নিজকে যেন দ্ৰবীভূত কৰিব পাৰি। দুখ-অসুখৰ কথা পাহৰি গ'লোঁ যেন। উঠি আহিবৰ মন নাছিল যদিও ঘড়ীটোলৈ চাই উভতি আহিলোঁ।

ডাঃ পাজানীৰ পৰামৰ্শ অনুযায়ী শ্ৰীমতীৰ ইটো-সিটো পৰীক্ষাৰ প্ৰতিবেদনবোৰ লৈ তেওঁৰ স'তে আকৌ আলোচনা কৰি ঔষধ-পাতি লওঁতে দুদিন পাৰ হৈ গ'ল। তেওঁ ছয়মাহ পিছত আকৌ আহিবলৈ ক'লে। মই এসপ্তাহমান ইয়াতেই থাকিব লাগিব বুলি অনুমান কৰি তেনেকৈয়ে ব্যক্তিগত বিমান-সেৱাত দুমাহমান আগতেই উভতি অহাৰ টিকট কৰিছিলোঁ। গতিকে চাৰিদিন আৰু কটাব লাগিব চেন্নাইত।

বাতি কাষৰ কোঠালিটোৰ পৰা অসমীয়া মাত-কথা ভাহি অহা শুনি গম পালোঁ, অসমৰ পৰা কোনোবা আহিছে। বাতি আৰু চিনাকি হ'বৰ মন নগ'ল। বাতিপুৱা লগ পালোঁ। প্ৰশান্ত বৰুৱা, গুৱাহাটীৰেই। ঘৈণীয়েকৰ কিবা অসুখ। যোৱা এবছৰ ধৰি

গুৱাহাটীতেই চিকিৎসা কৰি আছে। সুফল পোৱা নাই। ৰোগ সম্বন্ধে নিশ্চিত হোৱাতকৈ বিবুদ্ধি হৈছে বেছি। সেইবাবেই চেন্নাইলৈ লৈ আহিছে ঘৈণীয়েকক। ইয়াত এপলো'ত দেখিছোঁ পশ্চিমবংগ আৰু উত্তৰ পূৰ্বাঞ্চলৰ পৰা অহা লোকৰ সংখ্যাই সৰহ। স্থানীয় মানুহে চাগে' তেনেকৈ ইয়ালৈ নাহে।

এই কেইদিন কি কৰোঁ বুলি হোটেলৰ কোনোবা এজনৰ হতুৱাই ভাড়াৰ টেক্সি এখন ঠিক কৰিলোঁ, ইফালে-সিফালে ঘূৰিম বুলি। টেক্সি লৈ অহা মানুহজনৰ নাম কুমাৰ। আদবয়সীয়া। হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাই ভালকৈ ক'ব পাৰে। গম পালোঁ চেন্নাইৰ বুৰঞ্জী তাৰ নখ দৰ্পণত। তাক পাই ভালেই লাগিল। অচিনাকি এখন ঠাইত আপোন যেন লগা কোনোবা এজনক পোৱাটো কম আনন্দৰ কথা নহয়। ক'লৈ যাম, ক'ত খাম সকলো তাৰ ওপৰতেই এৰি দিলোঁ। শেষৰ দুদিন প্ৰশান্ত বৰুৱা আৰু শ্ৰীমতী বৰুৱাও আমাৰ স'তে লগ হ'ল। চেন্নাইৰ বিভিন্ন মন্দিৰবোৰ দৰ্শন কৰি এদিন গোল্ডেন বীচতেই কটালোঁ। এইখন উপকূল বৰ ভাল লগা। অহাৰ আগদিনা ৰাতিপুৱাই ওলালোঁ পণ্ডিচেৰীলৈ বুলি। চহৰখন সৰু কিন্তু পৰিপাটি। তাতে অৰবিন্দ আশ্ৰমত সোমাই ক্ষন্তেক নীৰৱতাৰে সকলো চাপ যেন পাহৰি গ'লোঁ। তাৰ পৰা ওলাই সাগৰৰ পাৰত কিছু সময় কটালোঁ। কিছু ফৰাচী মানুহ দেখিলোঁ এতিয়াও আছে ইয়াত। আগতে এইখন ফৰাচীৰ উপনিৱেশ আছিল।

চেন্নাইৰ পৰা যিফাললৈ গৈছোঁ — সাগৰ সন্নিহিত। দেখিলোঁ মোৰ স'তে প্ৰশান্ত বৰুৱাও উৎসাহিত হৈ পৰিছে। শ্ৰীমতীৰ স'তে শ্ৰীমতী বৰুৱাৰ কথা-বতৰাৰ পৰা অনুমান কৰিলোঁ, দুয়োৰে মুখত সাগৰৰ প্ৰভাৱ পৰিছে। সাগৰৰ যাদু আছে নেকি?

কুমাৰে কৈছিল — সাগৰৰ যাদু আছে। কোনেও নেদেখাকৈ সাগৰৰ পৰা এবটল পানী লৈ যাব আৰু কোনেও নেদেখাকৈ দোকমোকালিতে আপোনাৰ ঘৰৰ চাৰিওফালে ছটিয়াই দিব। সকলো অপায়-অমংগল দূৰতে থাকিব। কোনো অপদেৱতা আপোনাৰ ঘৰৰ চৌহদত আৰু প্ৰৱেশ কৰিব নোৱাৰিব। আপোনাৰ মনত কোনো চাপ, কোনো উদ্বিগ্নতা নাথাকিব। মোৰ মনে কুমাৰৰ এই কথা মানি নল'লেও সাগৰৰ প্ৰভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰিলে। সিদিনা ৰাতি বৰুৱাৰ স'তে আমি একেলগে আহাৰ গ্ৰহণ কৰিলোঁ। বিভিন্ন কথা-বতৰাৰ মাজেৰে সময় যে কেনেকৈ অতিবাহিত হ'ল গমেই নাপালোঁ। শুভৰাত্ৰি জনোৱাৰ আগতে মই বৰুৱাক ক'লোঁ — আপোনালোকক লগ পাই বৰ ভাল লাগিল। বহুদিন এনেকৈ কাৰো স'তে কথা পতা নাই। গুৱাহাটীত নিশ্চয় আপোনালোকক লগ পাম। আপোনাৰ ঠিকনাটো..........?

বৰুৱাই অতি উৎসাহিত হৈ ক'লে — ময়ো তাকেই সুধিবলৈ ওলাইছিলোঁ।

মোৰ ঠিকনা হ'ল— আলোক এপাৰ্টমেণ্ট ....,

আলোক এপাৰ্টমেণ্ট! ছয়মাইলত নহয়নে? মই উৎকণ্ঠিত হৈ সুধিলোঁ।

অ'! আপুনি গৈছিল নেকি কেতিয়াবা সেইফালে?

গৈছিলোঁ মানে, যোৱা এবছৰ ধৰি আমি তাতেই আছোঁ, দ্বিতীয় মহলাত।

আৰু মই পঞ্চম মহলাত, মাই গড! বৰুৱাই আচৰিত হৈ ক'লে।

যোৱা এটা বছৰে আমি একেটা এপাৰ্টমেণ্টতেই আছোঁ, অথচ দুয়ো দুয়োৰে অচিনাকি!

প্ৰাত্যহিকতা আৰু আত্মকেন্দ্ৰিকতাৰ অজুহাতত আমাৰ জীৱনত যি ব্যাধি সোমাইছে তাৰ নিৰাময়ৰ অৰ্থে আমি বাৰু কৈলৈ যাম! আজিকালি এমুঠি ৰ'দ, এমুঠি জোনাক আমাৰ বাবে ক্ৰমশঃ দুঃস্বপ্ন হৈ পৰিছে নেকি? নে আমাৰ জীৱনৰ প্ৰস্থানৰ সময় সমাগত।

বৰ কষ্ট কৰি শ্যেলীৰ কবিতা এফাকি মনৰ মাজলৈ টানি আনিলোঁ—

And the sunlight claps the earth
And the moonbeams kiss the see
What is all this sweet work worth
If thou kiss not me.

যদি সাগৰে কেনেবাকৈ জানে এই কথা, আমি ক'ত মুখ লুকুৱাম? ❖

কালচক্র

অফিচৰ পৰা আহিয়েই আকৌ ওলাবলগীয়া হ'লে খং উঠে। তাতে হিচাপত নথকা দুই এটা কামৰ অনাধিকাৰ প্ৰৱেশ ঘটিলে শংকিত হৈ পৰোঁ মই। আজিকালি অফিচতো শংকা! চাকৰিৰ নিৰাপত্তা নিশ্চিত নহয়। ল'ৰাটোক স্কুললৈ থ'বলৈ যাওঁতে পোনে পোনে অফিচ পাওঁ। যাবই লাগিব যেতিয়া আগে-ভাগে গৈ থকাই ভাল। নহ'লে ৰাস্তাত যান-বাহনৰ যিহে অশালীন উৎপাত, অফিচ নোপোৱালৈকে শংকিত হৈ থাকোঁ। তাতে মাজবাটত আমাৰ ভাগ্য-বিধাতাসৱৰ আৱিৰ্ভাৱ হ'বলৈ হ'লে হ'ল আৰু! যুদ্ধকালীন ব্যস্ততাৰে কনিষ্টবলৰ দৌৰা-দৌৰি, হুইছেল। প্ৰায়ই অন্তহীন অপেক্ষাত হাতৰ মুঠিৰ পৰা ওলাই যায় সময়।

বজাৰখন আকৌ ৰাস্তাটোৰ সিটো পাৰে। ৰাস্তা পাৰ হ'বলৈ আজিকালি বৰ অসুবিধা হয়। পাৰ হওঁ হওঁ বুলি ভাবি থাকোঁতেই ইফালৰ পিছত সিফালৰ গাড়ী আহি থাকে। ৰাস্তাটো আধা পাৰ হৈ ডিভাইডাৰটোৰ ওপৰত থিয় দি থাকোঁ সুযোগৰ অপেক্ষাত। আকৌ গাড়ীবোৰ যেনেকৈ আহে, ডিভাইডাৰটোৰ ওপৰেৰে উঠি যাব বুলিও ভয় হয়! চিটিবাছেৰে যাওঁতে প্ৰায়েই দেখোঁ, দুই এটা লাইটৰ পোষ্ট নিতৌ ধুমুহা বতাহত উভলা গছৰ দৰে পৰি থকা। আজিকালি মানুহবোৰো দেখিছোঁ কম বেছি পৰিমাণে বেপৰোৱা। জীৱনৰ প্ৰতি যেন বীতশ্ৰদ্ধ। অথবা মানুহবোৰ, কাফ্‌কাৰ গল্পৰ নায়কৰ দৰেই ক্ৰমশঃ পৰিৱৰ্তিত হ'ব ধৰিছে দুঃসময়ৰ স'তে। জীৱনৰ প্ৰতি সজাগতাতকৈ উদাসীনতা বেছি। যান্ত্ৰিকতাত হেৰুৱাইছে জীৱনৰ সপোন। জীৱনৰ স'তে দৰ-দাম কৰি প্ৰাত্যহিকতাত কিম্বা নএৰ্থক চিন্তা-ভাৱনাত, জীৱন যেন অৱক্ষয়ৰ নামান্তৰ। সম্পূৰ্ণতা এতিয়া অপ্ৰাসংগিক কথা! গভীৰ দৰ্শন, প্ৰত্যাহ্বান, এতিয়া আৰু জীৱনৰ পাথেয় নহয়। অধ্যয়ন আৰু অনুশীলন সময়ৰ অপচয়! জীৱনৰ ভৱিষ্যতৰ হিচাপ-নিকাচতকৈ পোৱা সময়খিনি উপভোগ্য কৰি তোলাৰ দুৰ্বলতাই আজিকালিৰ দ্ৰুত সংস্কৃতি! যেন ক'ৰবাত এটা প্ৰতিযোগিতা হৈছে আৰু এই প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ নিজৰ আৱেগ-অনুভূতিক বিসৰ্জন দি যেনেকৈয়ে নহওক নিৰূপিত পথত গতিশীল হৈ থাকিব লাগিব। হয়তো এয়াই জীৱনৰ ছন্দ!

বস্তুৰ যিহে জুই-ছাই দাম, বজাৰলৈ যাবলৈ সাহস নহয়। ততাতৈয়াকৈ দুই এপদ পাচলি কিনি ৰাস্তাটো পাৰ হ'বলৈ একেই দুঃচিন্তা। কোনোমতে ৰাস্তাটোৰ আধা পাৰ হৈ ডিভাইডাৰ টোৰ ওপৰতে থিয় দি থাকিলোঁ। এনেতে পলিথিনৰ বেগটো ফাটি পাচলিবোৰ সিঁচৰতি হৈ পৰিল। যোৱা কেইদিনমান ধৰি কঁকালৰ বিষটো তেনেকৈয়ে আছে। পাচলিখিনি তেনেকৈ এৰি যাবলৈও সত নগ'ল। বিপাঙত মৰিলোঁ বুলি ভাবি থাকোঁতেই ক'ৰবাৰ পৰা ল'ৰা এটা আহি ওলাল সহায়ৰ কাৰণে। মই ল'ৰাটোক ধন্যবাদ জনালোঁ। আজিকালি এইকণ সহায়ো তেনেই আপুৰুগীয়া!

চিটিবাছৰ পৰা নামিয়েই দেখিলোঁ অন্ধকাৰ! বিজুলী নাই। আজিকালি বিজুলীও অসম বন্ধৰ দৰেই। কেতিয়া যে ক'ত থাকে কোনেও নাজানে। ইনভাৰটাৰ এটা লওঁ লওঁ বুলি লোৱা আৰু নহ'ল। চাৰ্জাৰ এটা আছে। প্ৰয়োজনৰ সময়ত তাৰো সমানেই গাফিলতি। শেষ ভৰসা মমবাতি। এই সময়ত ঘৰত মমবাতি আছে নে নাই মনত পেলাব নোৱাৰিলোঁ। নাথাকিলে নাই! ৰাস্তাটো পাৰ হৈ আৰু মমবাতি আনিবলৈ যাব নোৱাৰি। অন্ধকাৰ হ'লেও চিনাকি বাস্তা এটাৰে অহা-যোৱা কৰিবলৈ সিমান অসুবিধা নহয়। নেদেখিলেও অনুমান কৰিব পাৰি ৰাস্তাটো। তেনেকৈয়ে গৈ থাকিলোঁ। এনেতে কোনোবাই পিছফালৰ পৰা মাতিলে, খুৰা অফিচৰ পৰা?'

মাতটো ঠিক ধৰিব নোৱাৰিলোঁ। একেবাৰে অচিনাকি যেনো নালাগিল। চকু দুটা মুদি আকৌ অনুমান কৰিবলৈ যত্ন কৰিলোঁ। হয়, সিদিনাৰ সেই ল'ৰাটোৱেই হ'ব! কিন্তু মোৰ পিছে পিছে সাৰ-সুৰ নোহোৱাকৈ সি বাৰু কিয় আহি আছিল।

ঃ অ তুমি, কোৱাচোন।

ঃ আপুনি ইয়াতেই থাকে?

ঃ অ'।

ঃ ফ্লেটটো নিজৰ নিশ্চয়?

ঃ নিজৰ নহয়, আমাৰ অফিচৰ। গুৱাহাটীত ঘৰ-মাটি এতিয়া নেদেখিবলগীয়া সপোন। এই সপোনৰ বাবেই শ্ৰীমতীৰ স'তে মোৰ প্ৰতিনিয়ত অশান্তি। পৃথিৱীত সকলো অভাৱ পূৰণ কৰিব নোৱাৰি। অভাৱৰ কথা থাকক এতিয়া কোৱাচোন, তুমি কাৰোবাক বিচাৰি আহিছা নেকি?

ঃ নাই অহা, আচলতে মই আহিছিলোঁ ম'বাইলৰ কাৰণে।

ঃ ম'বাইলৰ কাৰণে! মই আচৰিত হৈ সুধিলোঁ।

ঘৰত এটা লেণ্ডলাইন আছে। কেতিয়াবা ইমান বিৰক্ত হওঁ, এইটোৰ ওপৰত, আফলিয়াই দিবলৈ মন যায়। কিবা নহয় কিবা বিজুতি থাকিবই। অভিযোগ কৰিলেও নিৰ্দিষ্ট সময়ৰ ভিতৰত কেতিয়াও ঠিক নহয়। যেতিয়া ঠিকে থাকে, শ্ৰীমতীয়ে অন্তহীন কথাৰে যিটো আৰম্ভণি কৰে সেয়া আৰু শেষ নহয়। বিলখন অহাৰ সময়ত চিৰিয়াখানাৰ বাঘৰ দৰে গোজৰা দি কওঁ, অহা মাহৰ পৰা বিল তুমি দিবা, নহ'লে দূৰভাষ বিদায়। তেনেকৈয়ে চলি আছে। এনে পৰিস্থিতিত ম'বাইলৰ কথা ভবাই নাই। আজিকালি অৱশ্যে সকলোৰে হাতে হাতে ম'বাইল। ম'বাইলটো লৈ বাটে-ঘাটে এনেকুৱা অংগি-ভংগি দেখুৱাই কথা পাতে, ভাব হয়, তেওঁ যেন বিল গেট, মিট্টাল অথবা আম্বানী। সিদিনাখন পেপাৰত পঢ়িছিলোঁ, কলিকতাৰ পৰা দূৰত কোনোবা এখন ঠাইত তথ্যচিত্ৰ এখনৰ দৃশ্য গ্ৰহণ চলি আছিল। এনেতে পৰিচালকৰ ম'বাইল বাজি উঠিল। কথাত মগ্ন হৈ আগুৱাই আহি আহি ৰে'ল লাইন পালেহি পৰিচালক। ট্ৰেইন আহিল, খবৰ নাই। মহতিয়াই লৈ গ'ল পৰিচালকক। ছিটিকি পৰিল তেজ ম'বাইলৰ ওপৰত। তথাপি ম'বাইল হাতত লৈ চৌদিশে মানুহবোৰৰ অসম্ভৱ ব্যস্ততা। ইমান ব্যস্ততা আমাৰ নাই। দিবলৈ অথবা ল'বলৈ আমাৰ খবৰেই বা আছে কিমান। ইমানবোৰ কথাৰ ভৰত ল'বাটো লেবেজান হ'ব বুলি ভাবিলোঁ যদিও একো নক'লোঁ ল'বাটোক। মাথোঁ সুধিলোঁ —

ঃ তুমি হ'বলা ম'বাইলৰ দোকান খুলিছা?

ঃ নাই খোলা খুৰা।

ঃ তেনেহ'লে।

ঃ আচলতে খুৰা, ছোৱালী এজনীয়ে ম'বাইল ছাৰ্ভিচ চেণ্টাৰ এটাত কাম কৰে। জানেইতো, ব্যক্তিগত এই প্ৰতিষ্ঠানবোৰত চাকৰি সহজতে স্থায়ী নহয়। আকৌ ব্যৱসায় বঢ়াব নোৱাৰিলে দৰমহাও নাবাঢ়ে, পদোন্নতিৰ লাইনো হৈ পৰে মৃত। ছোৱালীজনী লাইনত নতুন। ব্যৱসায়ৰ বুদ্ধি তেনেকৈ হোৱা নাই। কিন্তু ভাল ছোৱালী। সেই কাৰণে অলপ সহায় কৰিব খুজিছোঁ। আচলতে তাতে আৰু কেইজনীমান ছোৱালী আছে। তাইতকৈ পিছত অহা। কিন্তু কম সময়তে সকলো কথা শিকি পেলাইছে।

ঃ ম'বাইল ছাৰ্ভিচ চেণ্টাৰ এটাত শিকিবলৈনো আছে কি?

ঃ আছে খুৰা, সেইবোৰ বহুত কথা। ব্যৱসায়ৰ স্বাৰ্থত মানুহে আজিকালি নিজকেই বিক্ৰী কৰিবলৈ কুণ্ঠাবোধ নকৰে। মানুহ এতিয়া পণ্য। নিজৰ দৰ-দাম ঠিক কৰিবলৈ বজাৰত হেতা-ওপৰা লগাইছে। ভালকৈ চালে দেখিব গোটেই গুৱাহাটীখনেই গেলিবলৈ আৰম্ভ কৰিছে।

ঃ তোমাৰ কথাবোৰ মিছা বুলি নকওঁ। কিন্তু তুমি কথাবোৰ তোমাৰ দৃষ্টিকোণৰ পৰা ভাবিছা। তোমাৰ মনত সকলো কথাই নঞৰ্থক। গুৱাহাটীত বহুত মানুহ আছে। অভাব আছে, কিন্তু স্বভাৱৰ পৰিৱৰ্তন হোৱা নাই। গোটেই দিনটো হাড়ভঙা পৰিশ্ৰম কৰি জীয়াই আছে, ৰ'দ-বৰষুণ মূৰ পাতি লৈ— পথভ্ৰষ্ট হোৱা নাই। সতীত্ব বিক্ৰী কৰা নাই বজাৰত। জীৱনৰ পৰা অধিক বিচৰাৰ লোভত তুমি যদি নিজকে পণ্যলৈ পৰিণত কৰিব খোজা, সেয়া অজুহাত হ'ব নোৱাৰে। মোৰ বোধেৰে ছোৱালীজনীৰ কথা ভবাতকৈ তুমি তোমাৰ নিজৰ কথা ভাবা। তুমি যেনেকৈ ভাবিছা, ছোৱালীজনীয়ে তোমাৰ কথা তেনেকৈ নাভাবিবও পাৰে। এক কোনোবাই যদি দেহা দেখুৱাই বেহা বঢ়াব খোজে, তোমাৰ অভিমতেই শেষ কথা হ'ব জানো। ছোৱালীজনীৰ প্ৰতি তোমাৰ কি দুৰ্বলতা আছে ? আজিকালি কিন্তু হিচাপ-নিকাচ কৰিহে বুদ্ধিমতী ছোৱালীয়ে প্ৰেমত পৰে। দুদিন পিছত তাই বহুত ওপৰলৈ উঠিব, তাই হ'ব তৰা, তুমি হ'বা বাওনা।

ঃ তাই তেনে ছোৱালী নহয় খুৰা। আপুনি সময় দিয়ক, তাইক আপোনাৰ ঘৰলৈ পঠিয়াই দিম। কথা পাতিলেই সকলো গম পাই যাব আপুনি।

অন্ধকাৰতে মই তাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চালোঁ। একো ধৰিব নোৱাৰিলোঁ। কিন্তু তাৰ কথাবোৰ মোৰ মাজত চাকনৈয়া হৈ ঘূৰিবলৈ ধৰিলে। খং উঠিল। সঁচাকৈয়ে মোৰ খং উঠিল!

ৰমেনৰ কথা মনত পৰিল মোৰ। ৰমেন মোৰ ভাইটিৰ দৰে। ভঙাগড়ত তাৰ দোকান। সেইফালে গ'লে প্ৰায়েই তাতে অলপ বহোঁ। ইটো সিটো কথা পাতোঁ। এদিন ৰমেনে ক'লে—

ঃ দাদা, যোৱাকালি সাংঘাতিক ঘটনা এটা হ'ল।

ঃ কি? মই সুধিলোঁ।

ঃ ছোৱালী এজনী, ল'ৰা এটাৰ লগত। ল'ৰাটোক ভালকৈ নাজানোঁ। আমাৰ দোকানলৈ আহে কেতিয়াবা। কালি ছোৱালীজনীক দোকানতেই অলপ বহিবলৈ কৈ মই আহি আছোঁ বুলি খৰখেদাকৈ ওলাই গ'ল। ছোৱালীজনী বহি থাকিল। ৰাতি দহ বাজিল। ল'ৰাটো নাই। বন্ধ কৰিম বুলিও দোকানখন বন্ধ কৰিব পৰা নাই। ছোৱালীজনীৰ ঘৰ আকৌ গুৱাহাটীত নহয়। ল'ৰাটোৰ ঘৰো চিনি নাপাওঁ তাই। যোগাযোগৰ নাম্বাৰ এটা ছোৱালীজনীয়ে দিলে যদিও কামত নাহিল। এঘাৰটা বাজিল।

কোনোবাই ক'লে — পুলিচক জনোৱা, এজনে আকৌ ক'লে, পুলিচ মানেই

লেঠা। উপায়ান্তৰ নেদেখি ছোৱালীজনীক লৈ ঘৰ পালোঁ। ঘৰৰ মানুহজনীয়ে মোৰ বিৱৰণ শুনি সন্তুষ্ট নহ'ল। তাই কান্দিবলৈ ধৰিলে। মোৰো ভাত খোৱা নহ'ল। টোপনিও নাহিল। ছোৱালীজনীৰ মাজত উদ্বিগ্নতা নেদেখিলোঁ। ভাত-পানী খাই নাক বজাই শুই থাকিল। ৰাতিপুৱা দেখিলোঁ, বেগখনৰ পৰা টুথ ব্ৰাছ এডাল উলিয়াই দাঁত ঘঁহিবলৈ ধৰিলে তাই। তাৰ পিছত হাত-মুখ ধুলে। ওঁঠত লিপিষ্টিক লগালে। মই দিয়া চাহ পিয়লা খাই হাঁহি এটা মাৰি ক'লে তাই, দাদা আহোঁ!

মই তাইৰ স'তে দুৱাৰমুখলৈ আগবাঢ়ি আহিলোঁ। কিবা ভাবি টকা পঞ্চাশটা দিওঁ বুলি উলিয়াইছিলোঁ। আকৌ হাঁহি এটা মাৰি তাই ক'লে — টকা আছে মোৰ লগত।

গেটখন খুলি তাই একেবাৰে নিজৰ ঘৰৰ পৰা ওলাই যোৱাৰ দৰে ওলাই গ'ল। মই দীঘলকৈ উশাহ এটা ল'লোঁ।

এনেতে দেখিলোঁ তাই আকৌ উভতি আহিছে। মোক ক'লে, দাদা, আপোনাৰ ম'বাইল নম্বৰটো লোৱা ন'হল। মোৰ নাম্বাৰটো......, কেতিয়াবা যদি প্ৰয়োজন হয়.....! লগে লগে মই ক'লোঁ। মোৰ ম'বাইল নাই। আৰু তোমাৰ নাম্বাৰটো চাগে' কালি তোমাক এৰি থৈ যোৱা ল'ৰাটোৰ লগতো আছিল।

অনুশোচনাৰ সলনি তাইৰ মুখত ফুটি উঠিল সন্তীয়া এটা হাঁহি। প্ৰচণ্ড জোৰেৰে তাইক চৰ এটা মৰাৰ প্ৰৱণতাক বৰ কষ্ট কৰি দমন কৰি মই চাগে' ৰঙা-চিঙা পৰি গৈছিলোঁ।

ৰমেনৰ কথাৰ পৰাই অনুমান কৰিছিলোঁ, সিদিনাখনৰ ৰমেনৰ শহুৰ পৰিসৰ। ৰমেনৰ এই ঘটনাৰ নায়ক যে, মোৰ সন্মুখত এতিয়া থিয় দি থকা ল'ৰাটো নহয়, সেই বিষয়ে নিশ্চিত হ'লেও কিবা এক প্ৰতিশোধ পৰায়ণতাই ভিতৰি ভিতৰি অৱশ কৰি পেলালে মোক। তাৰ কথাবাৰ বজ্ৰকণ্ঠৰ দৰেই নিনাদিত হ'বলৈ ধৰিলে চৌদিশে। 'আপুনি সময় দিয়ক, তাইক আপোনাৰ ঘৰলৈ পঠিয়াই দিম। কথা পাতিলেই সকলো কথা গম পাই যাব আপুনি।'

সঁচাকৈয়ে খং উঠিল মোৰ। ছোৱালীজনী মোৰ ঘৰলৈ কিয় আহিব লাগে। কি ভাবিছে সি। মোৰ এই বয়সত ছোৱালী এজনী আহি দেহা দেখুৱাব আৰু মই ম'বাইল হৈ যাম। তেনে গতি মোক নেলাগে। চৌধুৰীয়ে ঠিকেই কৈছিল ঃ আজিকালি কাৰ কি ব্যৱসায় চালেই ধৰিব নোৱাৰি। আগতে মানুহৰ চেহেৰা দেখিয়েই ধৰিব পৰা গৈছিল তাৰ কৰ্মৰ পৰিসৰ।

অতি আধুনিকতাৰ মাজত থকা মানুহৰ আচল চেহেৰাটো আজিকালি আৰু ধৰিব নোৱাৰি। ল'ৰাটোক সাধাৰণ দালাল বুলিয়েই ভাব হ'ল মোৰ। খঙতে ক'লোঁ—

ঃ চোৱা তুমি ভৱাৰ দৰে মই সিমান ম'ৰাইল নহওঁ। তুমি অইন ঠাইত চেষ্টা কৰা। আৰু এটা কথা, ছোৱালীজনীৰ পিছত যে এনেকৈ সময় খৰচ কৰিছা, মা-দেউতাৰ প্ৰতি তোমাৰ কোনো দায়িত্ববোধ নাই নেকি?

ল'ৰাজনৰ নীৰৱতাই মোক দুগুণে অস্থিৰ কৰি তুলিলে। মই চিঞৰি ক'লোঁ—

ঃ তুমি মনে মনে থকিলা যে।

ঃ মনে মনে মানে, সৰুতেই মা মৰিল। মাৰ টান অসুখ হৈছিল। চিকিৎসাৰ কাৰণে পইচাও নাছিল। দেউতা আছিল আমাৰ গাওঁৰ স্কুলখনৰ সহকাৰী প্ৰধান শিক্ষক। স্কুল সমিতিৰ তৰুণ, প্ৰফুল্লহঁতে উন্নয়নৰ নামত অহা টকা আত্মসাৎ কৰিলে আৰু বদনামৰ ভাগী হ'ল দেউতা। দৰিদ্ৰ হ'লেও আত্মসন্মান আছিল তেওঁৰ কাৰণে ভাঙন কথা। সহিব নোৱাৰিলে। চিপজৰী ল'লে দেউতাই। বাকী থাকিলোঁ মই আৰু তাই।

উৎকণ্ঠিত নহ'লেও অজানিতে মোৰ মুখৰ পৰা ওলাল ঃ তাই কোন?

ঃ মোৰ ভণ্টি, ইমান সময়ে তাইৰ কথাকেই মই কৈ আছিলোঁ।

তাৰ কণ্ঠস্বৰ সেমেকা। কিবা এটা কওঁ বুলি মই অনুভৱ কৰিলোঁ মোৰ মাজত এক শূন্যতা। শব্দবোৰে যেন অৰ্থ হেৰুৱাই অন্ধকাৰৰ মাজতেই বিলীন হৈ গ'ল। বিজুলী অহা নাছিল তেতিয়াও। চৌদিশে অন্ধকাৰ!

কিয় জানো ভাব হ'ল, আৰু কিছু সময়ৰ কাৰণে বিজুলী নাহিলেই ভাল আছিল। মোৰ অৱচেতনাত যেন নিথৰ হৈ পৰি ৰ'ল মোৰেই স্মৃতি। নিজৰ স'তে নিজেই ছটফটাই থাকিলোঁ মই। কিবা এক অৱসাদে ক্ৰমশঃ আচ্ছন্ন কৰি ৰাখিছে যেন মোৰ মাজত সাঁচি থোৱা বুলি ভবা একেবেগা ৰ'দ, এমুঠি জোনাক। ক'ত লুকাই থওঁ নিজকে মই! আৰু ঠিক তেনেতেই উদ্ভাসিত হৈ উঠা ষ্ট্ৰীট লাইটৰ পোহৰত যদিওবা ল'ৰাটোৰ মুখলৈ চোৱাৰ সাহস মোৰ বাবে আছিল কষ্টকৰ, সেই প্ৰৱণতাৰ বিৰুদ্ধে এজন অপৰাধীৰ দৰেই মই চালোঁ তাৰ ফালে। তাৰ দুচকু সেমেকি উঠিছে।

সেয়া চকুলো হৈ নামি অহাৰ আগতে খৰখেদাকৈ ল'ৰাটোৰ সমুখৰ পৰা আঁতৰি আহিলোঁ যদিও আন্ধাৰতো অনুমান কৰিব পৰা মোৰ চিনাকি ৰাস্তাটোৰ ওপৰতেই মই যেন বৈ থাকিলোঁ নিৰালম্ব হৈ। ❖

মুখামুখি

এসাঁজ ভাত হ'ল গল্পটোৰ মূল কথা। এসাঁজ ভাত অকল গল্পটোৰেই কিয়, জীয়াই থকা যি কোনো মানুহ এজনৰ বাবে মূল কথা। কিমান হ'ব পাৰে এসাঁজ ভাতৰ মূল্য। এটা ফুটপাথ অথবা এটা পাঁচ তাৰকাযুক্ত হোটেল — ইণ্ডিয়া গেটৰ কাষত, নাৰিমন পইণ্টত, সাগৰৰ পাৰত।

সাগৰ দেখিছা? নাই দেখা?

দৰকাৰ নাই চোৱাৰ। শুনিলেই হ'ব। সাগৰৰ লুণীয়া পানীৰে পিয়াহ নপলায়। কিন্তু সাগৰ উদাৰতাৰ প্ৰতীক কিয়?

সাগৰে বৃদ্ধ চাণ্টিয়াগোক জীয়াই থকাৰ সপোন দিছিল।

কোন চাণ্টিয়াগো?

হেমিংৱেৰ বুঢ়া আৰু সাগৰৰ নায়ক।

কিন্তু সপোনেৰে জানো জীয়াই থাকিব পাৰি?

নঞৰ্থক ৰমন্যাসবাদ। ক্ষুধা হ'ল আচল কথা, আচল কবিতা।

আকালৰ আঁৰ-বেৰ নাই, আকাশ ক্ষুধাগ্ৰস্ত।
এসাঁজ ভাত, বিনিময়ত তোমাৰ সতীত্ব'।।

পেটত ভোক লৈ একো নহয় এই পৃথিবীত। এসাঁজ ভাত, এসাঁজ ভাতেই হ'ল মূল কথা। কোনোবা এখন হোটেলৰ ৰান্ধনি ঘৰত, ক'লা টেবিল এখনৰ ওপৰত এসাঁজ ভাত, অন্য এখন কাঁহীৰে ঢাকি থোৱা আছে। হোটেলত কাম কৰা ল'ৰা পাঁচজন আৰু এজন সৰু ল'ৰাই ভাত সাঁজলৈ চাই চাই ভোকটো বেছিকৈ অনুভৱ কৰিছে। ইচ্ছা কৰিলে ভাত সাঁজ খাই পেলাব পাৰে সিহঁতে। কিন্তু পৰা নাই। চিৰিয়াখানাৰ বাঘৰ গোজৰণিয়েই সাৰ। কিন্তু ভাত সাঁজ কাৰ? নিশ্চয় কোনোবা এজন বোৰ্ডাৰৰ। ক'লৈ যাব পাৰে মানুহজন? জেপত পইচা থাকিলে যোৱা ঠাইৰ অভাব নহয়। হয়তো ক'ৰবাত বহি এচুমুক, এটা মিচিকিয়া হাঁহিৰ স'তে ... অন্য এক ব্যৱসায়ৰ সূচনা।

সেই কথা থাওক। মই য'ত গুৰুত্ব দিব খুজিছোঁ, সেয়া হ'ল সক ল'ৰাটো। সক ল'ৰাটো কোন? নিশ্চয় হোটেলত কাম কৰা কোনোবা এজন যৰবলৈ যাওঁতে ৰাজধানীখন চাওঁ বুলি সি ককায়েকৰ লগত ওলাই আহিল। গাড়ীত আহোঁতে ককায়েকে দেখুৱাই দিয়া শৰাইঘাট দলংখন আচৰিত হৈ চালে সি। আদাবাৰীৰ পৰা আহোঁতে চিটি বাছৰ ভিতৰত, কামাখ্যা মন্দিৰটো কোনফালে আঙুলিয়াই দেখুৱালে ককায়েকে, এতিয়া তাৰ চাগে মনত নাই। তাৰ পাছত হয়তো হোটেলত দুই-তিনিদিন পাৰ হৈ গৈছে। তাৰ আৰু বাহিৰলৈ নিব পৰা নাই। দেওবাৰে চিৰিয়াখানাখন দেখুৱাম বুলি ভাবি ককায়েকে মেনেজাৰৰ ওচৰত এবাৰ মুৰ খজুৱাইছিল। মেনেজাৰে অদ্ভুত ভংগীৰে চিৰিয়াখানা চাবলৈ যোৱা মানুহবোৰে চিম্পাঞ্জীটোলৈ চোৱাৰ দৰে তালৈ চালে আৰু মুখখন বান্দৰৰ দৰে কৰি ক'লে —

ঃ কেলেই লগত অনা পোৱালি বান্দৰটো চিৰিয়াখানাত থ'ম বুলি ভাবিছ নেকি?

মেনেজাৰ এটা অদ্ভুত চৰিত্ৰ। তাক দেখিলে, বিৱৰ্তনৰ ধাৰাটোৱেই উলটি যোৱা যেন লাগে। যেন মানুহৰ পৰা ক্ৰমশঃ সি বান্দৰলৈ ৰূপান্তৰিত হ'ব ধৰিছে। হোটেললৈ অহা বিভিন্ন মানুহৰ সংস্পৰ্শই তাৰ এই ৰূপান্তৰক পূৰ্ণাংগ ৰূপ দিবলৈ ওলাইছে যেন। সেই কাৰণেই চাগে' সক ল'ৰাটো তাৰ কাৰণে বান্দৰৰ পোৱালি। অকণমান ল'ৰাটোৱে যদি গম পায় এই কথা। সি বাৰু কেনে ধৰণে তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব। অথবা প্ৰতিক্ৰিয়াৰ বয়স তাৰ হোৱাই নাই। অথবা আজিকালি প্ৰতিক্ৰিয়া কিম্বা জীয়াই থকাৰ প্ৰথম চৰ্ত হ'ল উদাসীনতা। এই উদাসীনতা আনৰ কাৰণে কৰিব লগা সম্ভাব্য কষ্টৰ সহজ আপেক্ষিক প্ৰতিবোধ। এটুকুৰা কাপোৰৰ প্ৰয়োজন হয়, থকা দিনকেইটা কটাবলৈ, কমচে কম মুৰৰ ওপৰত কিবা এখন লাগে বুলি ভাব হয়। কিন্তু স্বাধীনতাৰ ইমান বছৰৰ পাছতো কোনে কৈছিল জানো, গতিশীল পৃথিবীত কোনেও স্থিতিশীল হৈ থাকিব নোৱাৰে, এই ভ্ৰান্ত ধাৰণা যেন ধূলিসাৎ হৈ যায় ক্ৰমশঃ। পেটত ভোক লৈ বেছি দূৰ যাব নোৱাৰি। তুমি ৰ'ব লাগিব থমকি আৰু সহায়ৰ কাৰণে মৰা চিঞৰটো তোমাৰ বুকুৰ ভিতৰতেই ধ্বনিত প্ৰতিধ্বনিত হৈ বিদীৰ্ণ কৰি পেলাব তোমাৰেই বুকু। শেষ মুহূৰ্তত সান্ত্বনাৰ সকলো আশা, সপোনৰ সকলো ভাষা বন্দী হৈ ৰ'ব মাথোঁ এটা শব্দত 'পানী'।

এটা ৰাম মন্দিৰ, এটা বাবৰি মচজিদ — পিয়াহৰ এটোপাল পানীতকৈ, ভোকৰ এসাঁজ ভাততকৈ ডাঙৰ হ'ব নোৱাৰে। অথচ তেজৰ তৃষ্ণা কিয় ইমান বেছি। আদিম বন্য চেতনাৰ প্ৰকাশ। বিৱৰ্তনৰ বিপৰীত সূত্ৰ। মানুহৰ পৰা বান্দৰ, অথবা প্ৰভুভক্ত কুকুৰ। কোনে কৈছিল — লৰেন্স ... ডেভিদ হাৰ্বাৰ্ট লৰেন্স ... মৃত সিংহ এটা হোৱাতকৈ জীৱিত কুকুৰ এটা হোৱা বহু গুণে ভাল।

হোটেলৰ মেনেজাৰজন কিন্তু যেনেকৈ আছে তেনেকৈয়ে সুখী। কাম কৰা ল'ৰাকেইটাৰ সুবিধা-অসুবিধাৰ প্ৰতি সম্পূৰ্ণ উদাসীনতা তাৰ চৰিত্ৰৰ স্বভাৱজাত লক্ষণ। হোটেল মালিকৰ এই বৈশিষ্ট্যৰ প্ৰতিনিয়ত প্ৰতিফলন তাৰ ওপৰত হোৱা হেতুকেই এই গুণটো সহজে আয়ত্ত কৰি লোৱাত তাৰ কোনো ধৰণৰ অসুবিধা হোৱা নাই। তাৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য হ'ল, দিনটোৰ হিচাপ অতি সাৱধানে মালিকৰ আগত লিখিত ৰূপত দাঙি ধৰা। আৰু অকল এই সময়খিনিতেই তাক নিৰ্বোধ, নিবোকা যেন লাগে। মালিক যোৱাৰ পাছত তাৰ ভাব হয়, ইচ্ছা কৰা হ'লে, সি এজন ভাল অভিনেতা হিচাপে শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰতিখন মঞ্চতেই আলোড়নৰ সৃষ্টি কৰি বৃদ্ধ বয়সত শিল্পী পেন্সন এটাৰ সৈতে, তাৰ দেউতাকৰ দৰে সম্মানপূৰ্বক জীৱন এটাৰে সমাজত আনৰ ঈৰ্ষাৰ পাত্ৰ হ'ব পাৰিলে হয়। মুক্তিযুঁজাৰু হোৱাৰ বাবে তাৰ দেউতাকে কৰাদি সিও যদি কঠোৰ অনুশীলন কৰিলে হয়!

মেনেজাৰৰ দৰে মেনেজাৰৰ দেউতাকো আছিল অদ্ভুত চৰিত্ৰৰ মানুহ। দিনতকৈ ৰাতি কষ্ট কৰিছিল বেছি। আনকি ৰাতিৰ গভীৰতাতো সঠিকভাৱে ক'ব পাৰিছিল, ক'ত থান্দিলে স্বাধীনতা পোৱা যাব। এই অত্যুৎসাহৰ বাবেই, যৌৱনৰ বেছিভাগ সময় তেওঁ কটাব লগা হৈছিল হাজোতত। অৱশ্যে পৰাধীনতাৰ আশীৰ্বাদ নতশিৰে লৈ, তেতিয়াৰ স্বাধীনতাৰ ৰণত এজন অগ্ৰণী সৈনিক হিচাপে অৰ্জন কৰা ব্যাপক অভিজ্ঞতাক আওকাণ কৰিব পৰা মানুহ সেই অঞ্চলত দ্বিতীয়জন আৰু নাছিল। সেয়েহে স্বাধীনতাৰ পাছৰ প্ৰতিটো পোন্ধৰ আগষ্টতেই তেওঁ গাঁৱৰ পুখিভঁড়াল প্ৰাংগণত জাতীয় পতাকা উত্তোলন কৰিবই লাগিব। পতাকা উত্তোলন কৰিয়েই তেওঁ গদ গদ স্বৰে ক'ব :

আজি কি? আজি পোন্ধৰ আগষ্ট।

আজি কিয় পোন্ধৰ আগষ্ট?

যোৱাকালি চৈধ্য আগষ্ট আছিল, সেয়েহে। ৰাইজৰ নীৰৱতা ভেদ কৰি তেওঁৰ দৃপ্ত কণ্ঠ বজ্ৰ নিনাদেৰে নিনাদিত হৈ উঠে। হাত চাপৰিৰে ৰাইজে জনাই যায় চৌদিশ। আৰু এইটো সুযোগতে তেওঁ টেবিলত সজাই থোৱা পানী গিলাচ ঢালি দিয়ে উত্তপ্ত কণ্ঠনলীৰ স্বাভাৱিক উষ্ণতাৰ বাবে।

কিন্তু মেনেজাৰ আৰু মেনেজাৰৰ পিতৃ পৰিচিতৰ বাবে আমি ইমান সময় খৰচ কৰিছোঁ কিয়? সি আমাৰ কেন্দ্ৰবিন্দু নহয়। আমাৰ কেন্দ্ৰ বিন্দু হ'ল — এসাঁজ ভাত। আৰু আচৰিত কথা— কথাটো হ'ল, সকলোকে খুৱাই-বুৱাই সিহঁতৰ খাবলৈ নাই।

মেনেজাৰৰ ইচ্ছাকৃত অমনোযোগিতা হ'ব পাৰে। বাতি কিমান হ'ল এতিয়া। হ'লেও কোনোবা দোকান এখনত ঢকিয়াই চাউলকেইটা আনিব পৰা গ'ল হয়! মেনেজাৰক টকাৰ কথা ক'লে ক'ব ... মালিকে হিচাপ লৈ গুচি গ'ল ... আগতেই ক'ব লাগিছিল।

কালিয়েই কোৱা হৈছিল।

কালি! ইমান আগতে ক'লে কেনেকৈ মনত থাকিব? সময়ত ক'ব লাগিছিল, সময়ত।

সময় কি? হয়তো নএরথক মনৰ উপলক্ষ! ক'ৰবালৈ যাবলৈ মন নথকিলে, কিম্বা এটা কৰিবলৈ মন নগ'লে, হেজাৰটা কাৰণৰ জন্ম হয়। আকৌ এটা কাৰণক সমৰ্থন দিবলৈ, অন্য এটা কাৰণৰ উদ্ভাৱন হয়। তাৰ পাছত ... কণী নে কুকুৰা, কুকুৰা নে কণী, গছ নে গুটি, গুটি নে গছ ..!

কথাবে পেট নভৰে। বক্ষ লৰাটোৱে ভোকত কলমলাইছে। সি চকু দুটা মুদি নিজকে এবাৰ গাঁৱৰ ঘৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিলে। মাঁহুয়া। ককায়েকে ভাত খাইছে। পীৰাত বহি খোৱা অভ্যাসটো নাইকিয়া হৈ অহা কাৰণেই নেকি এবাৰ পীৰাটো ইফালে পাৰি এবাৰ আনফালে পাৰি অস্বস্তিৰে ভাতকেইটা খাই শেষ কৰিলে। মাকে তাৰ কাষতে বহি বিচনীখনেৰে বা দি জোৰজোৰকৈ আছে।

ঃ ভাতকেইটা কেনেকৈ খোৱা ক'ৰ। পেটৰ বক্ষা খাই খাই তোৰ চাগে' এইবোৰ মুখতেই নালাগে। ভাত চাগে' সদায় মাছ ...

কণবাপুই অৰ্থাৎ ককায়েকৰ কাষতে বহে। মাকে পুনৰ আৰম্ভ কৰে : আমাৰ ইয়াতো মাছ কিছু দেখিবলৈই নোপোৱা হ'ল। বৰ্ষাৰ কৰ্ণফুলাটোও পাৰি মানুহে আজিকালি বজাৰলৈ লৈ যায়।

কৰ্ণফুলিৰ দৰে, নিজকেই বিক্ৰী কৰিবলৈ এতিয়া কাৰো অকণো আক্ষেপ নাই এতিয়া মানুহেই হ'ল মানুহৰ আটাইতকৈ ডাঙৰ ক্ৰেতা। কোনোৱে পদোন্নতিৰ বাবে, কোনোৱে আৰু অধিক উপাৰ্জনৰ বাবে, কোনোৱে কেৱল পেটৰ ভাতমুঠিৰ বাবে সতীত্বৰ বিনিময়ত নিজকে ক্ৰমশঃ বিক্ৰী কৰি গৈছে। সেইবাবেই বাতিও ইমান ডাঙৰ। আৰু এই বিক্ৰীৰ মাজত মহৎ কৰিব খুজিলে কেতিয়াবা পৰে হাস্যকৰ ঘটনা :

অচিনাকি বন্ধু মোৰ, কেতিয়াবা যদি লগ পোৱা
বাটৰ মাজত
আৰু যদি মন যায়, কথা পাতিবলৈ,
কিয় নাপাতিবা, মযো কিয় নাপাতিম, তোমাৰ লগত।

কোনে কাৰ খবৰ লয়, এতিয়া?

এইবোৰ কথা যদি মাকক কয় সি, মাকে ভাবিব, তাৰ কিবা এটা হৈছে। যথা ধৰ্ম তথা জয়ত বিশ্বাসী মাকৰ তুলসী তলত জ্বলোৱা চাকিয়ে যেতিয়া নিজৰ ঘৰখনকেই পোহৰাব নোৱাৰে, গাঁওখন কিম্বা দেশখন উদ্ভাসিত কৰাৰ কথা ভবাটো আৰু অবাস্তৱ।

কণবাপুক আনিবলৈ সি অকণ হেঁহো-নেহো কৰিছিল। কিন্তু তাৰ দুচকুলৈ চাই ... তাক নিনিও বুলি ক'বৰ সত নগ'ল তাৰ। তাৰ সৰু সপোনটো ভাঙি দিব নুখুজিলে সি। সপোনৰ সীমা নাই! কিন্তু সিহঁতৰ সৰু সৰু সপোনবোৰ দিঠকলৈ অহাৰ বাটত কিয় বাৰু বাৰে বাৰে উজুটি খায়। সি শুনিছিল ... সপোনৰ ডেউকা আছে। উৰিব পাৰে! ডেউকা কিয়, সপোনৰ আনকি দুখন ভৰিও নাই, খোজ কাঢ়িবলৈ। ভোকৰ এসাঁজ ভাত কেতিয়াও সপোন হ'ব নোৱাৰে।

অথচ এই মুহূৰ্তত ভাত সাঁজ সিহঁতৰ কাৰণে এক সপোন। আৰু এই সপোনৰ যন্ত্ৰণাত ৰাতিটো যিমানেই গভীৰ হৈ আহিব, সিমানেই স্পষ্ট হৈ উঠিব তাৰ নগ্ন ৰূপ! কণবাপুৰ মুখলৈ চোৱাৰ সাহস হেৰাই গৈছে যেন তাৰ। ধৈৰ্য আৰু সহ্যৰ বান্ধি দিয়া সীমা অতিক্ৰম কৰাৰ বয়স কণবাপুৰ হোৱা নাই এতিয়া। কেতিয়া হ'ব? যোৱা ষাঠি বছৰ ধৰি— ষাঠি বছৰ কিয়, তাৰ আগৰ পৰাই নীতিশিক্ষাৰ নিয়াৰিত আমাক নিৰ্দিষ্ট আকাৰ দিয়া হৈছে। ধৈৰ্য ধৰা, সহ্য কৰা! প্ৰত্যুত্তৰৰ সলনি, ডেটল পানীৰে গালখন তিয়াই শুকুৱাই মেলি সাজু কৰি থোৱা, যাতে যিজনে চৰটো মাৰিব তাৰ হাতত যেন বীজাণু নালাগে! বীজাণুৰ কথা ক'লেই, তাৰ গাঁৱৰ বিজন ডাক্তৰৰ কথা মনত পৰে। আচলতে মনত পৰে বুলি ক'ব নোৱাৰি কথাটো। পাহৰি গ'লেহে কথা এটা মনত পৰিব পাৰে। কিন্তু সেই ঘটনাটো সি কেতিয়াও পাহৰিব পৰা নাই।

গভীৰ ৰাতি। দেউতাকে চাটি-ফুটি কৰিছে যন্ত্ৰণাত। মাকৰ চকুত পানী। দেউতাকৰ মাত-কথা অস্পষ্ট হৈ আহিল ক্ৰমশঃ। সি আৰু ৰ'ব নোৱাৰিলে দৌৰি গ'ল বিজন ডাক্তৰৰ ঘৰলৈ। সি সিদিনাখনেই জীৱনত প্ৰথমবাৰৰ বাবে অনুৰোধ কৰিছিল, প্ৰাৰ্থনা কৰিছিল ...! আৰু সিদিনাখনেই যেন বুজি পাইছিল, কিয় কোৱা হয় মানুহক পৰ্বতৰ দৰে অচল-অটল স্থিৰ, সাগৰৰ দৰে গম্ভীৰ! বিজন ডাক্তৰ নাহিল। মানুহে আলোচনা কৰিলে — ডাক্তৰ অহা হ'লে হয়তো মাক বিধৱা নহ'ল হয়। সেই কথা শুনি ডাক্তৰে হাঁহিছিল।

: মই গ'লেই যে বাচিব, তেনে কথা হ'বই নোৱাৰে। মানুহ মৰণশীল, মৰিবই। মানুহ ইয়াতো মৰে, দিছপুৰতো মৰে, দিল্লীতো মৰে, নিউইয়ৰ্কতো মৰে।

নিজৰ অপৰাধ প্ৰৱণতাক ঢাকিবৰ কাৰণে ডাক্তৰৰ এই অদ্ভুত আত্মসন্তুষ্টি সঁচাকৈ

ভয়ংকৰ। এয়াও এক ধৰণৰ বীজাণু। এই বীজাণু সৰ্বশক্তিমান, কেতিয়াবা ধৰা দিয়ে, কেতিয়াবা নিদিয়ে। ধৰা দিলে দোমোজাত পৰি বয় জন-গণ-মন ...।

সদ্যহতে আমি ৰাষ্ট্ৰীয় সংগীত নাগাওঁ। আজি পোন্ধৰ আগষ্ট নহয়। আজি গোটেই পৃথিৱীত থকা আনবোৰ দেশতকৈ ভাৰতখন সুন্দৰ নহয়। ৰাতিটো এইদৰে এসাঁজ ভাত চকুৰ আগত লৈ পাঁচটা ল'ৰা আৰু এই অকমান ল'ৰাটো! সিহঁতৰ পেটত ভোকৰ বেগ বাঢ়িছে, অথচ সিহঁত নিথৰ। ৰামলীলা ময়দানৰ কুচ-কাৱাজৰ তালে তালে তেজোদ্দীপ্ত খোজৰ ভৰত সিহঁতে পৃথিৱী কঁপাব নোৱাৰে এতিয়া।

এক মিনিট , এইমাত্ৰ কথাটো মূৰত সোমাইছে। ধৰি ল'লোঁ আজি পোন্ধৰ আগষ্ট। মেনেজাৰে খোৱা-লোৱা সামৰি ৰাতিৰ দূৰদৰ্শনত পুৱাৰ স্বাধীনতা উৎসৱ উদ্‌যাপন কৰি আছে। এনেতে সেমেনা-সেমেনিকৈ কাম কৰা ল'ৰা এটা সোমাই আহিল আৰু মেনেজাৰক ক'লে ঃ সিহঁতৰ খাবলৈ নাই।

ঃ নাই খোৱা যদি তহঁতেই হ'লি দেশৰ খাটি নাগৰিক। নোখোৱাকৈ স্বাধীনতাৰ ব্ৰত পালন কৰা মহান নাগৰিক আন দেশত পাবলৈ নাই। আমি নোখোৱাকৈ জীয়াই থাকিব পাৰো কাৰণেই চালত ইমানবোৰ কোমোৰা, লাউ, জিকা-ভোল, ভঁৰালত জহা ধান ... আমি প্ৰাৰ্থনা কৰোঁহক, আমাৰ পতাকাৰ তলত মৰিলেও মোৰ দুখীয়া দেশতে লওঁ যেন পুনৰ জনম।

এখন পতাকা উৰুৱাই পৰাধীনতাৰ কালত আনে দিয়া গ্লানি, দুখ-যাতনা, লঘু-লাঞ্ছনা স্বাধীনতাৰ পাছত নিজৰ বুলি গ্ৰহণ কৰাৰ স্বাধীনতা আমাৰ আছে নিঃসন্দেহে। কিন্তু, স্বাধীনতাৰ কথা লৈ আমি ইমান মূৰ ঘমাইছো কিয়। সেয়া আমি তিনি কুৰি বছৰ আগতেই পালোঁ। কিন্তু পৰাধীনতা আমাৰ ইমান মজ্জাগত যে স্বাধীনতাৰ সৈতে তাৰ সহবাস অসম্ভৱ একো নহয়। ... ৰাতি আছে কাৰণেই দিন আছে। ৰাতি যিমানেই গভীৰ হ'ব ..., প্ৰভাত সিমানেই মধুৰ হ'ব। পৰাধীনতা যিমানেই গভীৰ হ'ব, স্বাধীনতা সিমানেই সুন্দৰ হ'ব। কিমান সুন্দৰ বাৰু! ঠিক বুকুত গুজি লোৱা এপাহ ৰঙা গোলাপৰ দৰেই!

এপাহ গোলাপ গুজি ল'লে জানো আমোলমোলাই যাব দেশ? সৰ্বাংগসুন্দৰ হ'ব সকলো! মানুহে পাহৰি যাব পেটৰ ভোক! দুসাঁজ নোখোৱাকৈ থাকা, তেতিয়া বুজিবা, কি লাগে তোমাক, এপাহ গোলাপ নে এসাঁজ ভাত।

ভাত সাঁজ আগত লৈ তেনেকৈয়ে বৈ আছে সিহঁত। অসম্ভৱ কিবা এটা ঘটিব আৰু সিহঁতৰ ভোকটো নোহোৱা হৈ যাব, তাৰ আশা সিহঁতৰ দৃঢ়কৃত

নাই। তথাপি মানুহজন যদি নাহে, যদি তেওঁৰ কিবা এটা দুৰ্ঘটনা হৈছে, হয়তো গাড়ীয়ে খুন্দিয়াইছে ..., অথবা ক'ৰবাৰ পৰা বুলেট এটা আহি তেওঁৰ মৃত ... হ'ব পাৰে, অসম্ভৱ একো নহয়। কোনেও ক'ব নোৱাৰে — ৰাতিপুৱা ওলাই আহোঁতে তেওঁ যে পুনৰ ঘূৰি যাব পাৰিব, একেদৰে।

কিন্তু, মানুহজন ঘূৰি অহাৰ সম্ভাৱনা আৰু দুৰ্ভাৱনাৰ দোমোজাত ভিতৰি ভিতৰি উৎকণ্ঠিত হৈ থকা সিহঁতৰ মুখবোৰ অভিব্যক্তিবিহীন। অনীহা সত্ত্বেও সিহঁতে চকু দি আছে দীঘল কৰিড'ৰটোৰ ফালে। এনেতে প্ৰত্যাশিত অথচ অপ্ৰত্যাশিত এটা খোজৰ শব্দত সচকিত হৈ পৰিল সিহঁত। কিবা এটা যেন আগুৱাই আহিব ধৰিছে সিহঁতৰ ফালে। ৰাতিৰ নীৰৱতাত, অথবা অন্তিম অপেক্ষাৰ আশা ভংগৰ বেদনাত আগন্তুকৰ খোজৰ শব্দটো, সিহঁতৰ বুকুত নামঘৰত বাজি উঠা ডবাটোৰ দৰেই বাজি উঠিবলৈ ধৰিলে। কৰিড'ৰটো যেন চুটি হৈ গ'ল নিমিষতে। আৰু মানুহজন আহি সিহঁতৰ সন্মুখত ৰ'লহি। সিহঁতৰ নিথৰ দৃষ্টি মানুহজনৰ ওপৰত। সেয়েহে মুখখন আৰু বিকৃত কৰি মানুহজনে চিঞৰি উঠিল —

ঃ মোৰ ভাত? মোৰ ভাত কমত নাই কিয়? মোৰ টেবিলত ভাত থোৱা নাই কিয়?

ঃ চাবিপাত থৈ যোৱা নাছিল আপুনি।

ঃ ডুপ্লিকেট?

ঃ বিচাৰিছিলোঁ, নাপালোঁ।

ঃ ডুপ্লিকেট বিচাৰি নোপোৱা মানুহ জীৱনত এই প্ৰথম দেখিলোঁ।

সি টেবিলখনৰ কাষত থিয় হৈ ভাত সাঁজ ঢাকি থোৱা কাঁহীখন গুচাই চালে; তাৰ দুচকু উজলি উঠিল।

কণবাপুই ভয়ে ভয়ে এবাৰ তাৰ মুখলৈ চালে। ভাত সাঁজৰ ফালে চাবলৈ সি যেন পাহৰি গ'ল। এনেতে ইচ্ছা কৰিয়েই মানুহজনে ঢাকি থোৱা কাঁহীখন মজিয়াৰ ওপৰত পেলাই দিলে। ৰজনজনাই এটা শব্দ হ'ল। কণবাপু উচপ খাই উঠিল। কণবাপুৰ কক্কায়েকে মানুহজনৰ ফালে চাই ক'লে —

ঃ ছাৰ, আপুনি কমলৈ যাওক, ভাত সাঁজ মই দি আহিম।

লগে লগে মানুহজনে ভাত সাঁজ খামোচ মাৰি ধৰিলে আৰু চিঞৰি উঠিল —

ঃ নালাগে। মই লৈ যাম। মোৰ ভাত মই লৈ যাম। কি ভাবিছ তইঁতে। মোৰ

নিচা হৈছে, মই ভাত সাঁজো লৈ যাব নোৱাৰিম, এটা বান্দৰে যদি পাহাৰ এখন দাঙি নিব পাৰে, মই এসাঁজ ভাত দাঙি নিব নোৱাৰিম নে?

ভাত সাঁজ লৈ মানুহজন আগবাঢ়িল। তাৰ খোজ থৰক-বৰক, অথবা কৰিড'ৰটোৱে নিজেই উঠা-নমা কৰিছে যেন। হয়তো এসাঁজ ভাত এখন পৰ্বততকৈ ডাঙৰ, গধুৰ। মানুহজনে চম্ভালিব নোৱাৰিলে। ভাত সাঁজ তাৰ হাতৰ পৰা তললৈ সৰি পৰিল আৰু কাঁহীখন কৰিড'ৰটোত ভাতখিনি সিঁচৰতি কৰি, ঘূৰি ঘূৰি উদং গাৰে দুৱাৰমুখত বৈ থকা সিহঁতৰ সন্মুখত নিশ্চল হৈ পৰি ৰ'ল।

গল্পটো ইয়াতেই শেষ অথবা গদাৰৰ এণ্ড অব দ্যা বিগিনিং।

ঃ বিকাশ ক'ত, বিকাশ?

ক'ৰবাৰ পৰা দৌৰি আহিল বিকাশ।

ঃ বিকাশ শুনা, মই হলিউড-বলিউডৰ চকচকীয়া পোহৰ পছন্দ নকৰোঁ। কিন্তু ছাঁ-পোহৰৰ খেলা মোৰ প্ৰিয়। মোৰ পোহৰৰ উৎসে ... ধৰা ... যাঠি বাটৰ এটা বাল্ব। ল'ৰাটোৰ মুখত আধা পোহৰ আধা আন্ধাৰ ... চাৰ্কুলাৰ ট্ৰেকটো বহুৱাব লাগিব। আৰু শুনা, কেমেৰাৰ লগত ট্ৰলিত তুমিও উঠিব লাগিব — লাইট তোমাৰ হাতত থাকিব, কেমেৰাৰ সৈতে পেন কৰিব ... সাৱধানে ধৰিবা ... মই জাৰ্ক ভাল নেপাওঁ। শুনা, শুনা আমাৰ প্ৰডাকচন বয়, ক'ত সি, তাক কোৱা মোক একাপ বগা চাহ লাগে, উইথ লেমন ...।

যুদ্ধকালীন ক্ষিপ্ৰতাৰে আৰম্ভ হৈ গ'ল সকলো কাম-কাজ। কিন্তু কনবাপু ক'ত।

মুখ্য সহকাৰী পৰিচালক দিগন্ত আহিল।

ঃ কনবাপু ক'ত?

কনবাপু।

ঃ অ' কনবাপু, বিকি, বিকি।

বিকি এতিয়া গল্পটোৰ কনবাপু। বিকি ল'ৰাটো ক্ষয়ম লগা। চকু দুটা ধূনীয়া। দৰিদ্ৰতাৰ চিন মোকাম তাৰ মুখত নাই। নহ'লেও উপায় নাই। প্ৰযোজকৰ ল'ৰা।

প্ৰযোজকৰ ঘৰলৈ যাওঁতে বিকিক প্ৰথম লগ পাইছিলোঁ। তাক সুধিছিলোঁ।

ঃ তোমাৰ কেতিয়াবা ভোক লাগেনে?

ঃ ভোক লগাৰ আগতেই মাম্মীয়ে মোক খাবলৈ দিয়ে।

ঃ কেতিয়াবা নোখোৱাকৈ আছানে?

ঃ মানুহে নোখোৱাকৈ থাকে জানো?

ঃ তোমাৰ কাপোৰ-কানি?

ষ্টোৰবেলটো খুলি দেখুৱাইছিল সি। তাৰ দুচকুত তৃপ্তি।

ঃ বেয়া কাপোৰ নাই তোমাৰ ... পুৰণি কাপোৰ?

ঃ নাই। মোৰ পুৰণি আৰু পিন্ধিবলৈ মন নোযোৱা কাপোৰবোৰ মাম্মীয়ে আমাৰ ঘৰত কাম কৰিবলৈ অহা তিৰোতাজনীৰ ল'ৰাটোক দিয়ে।

ঃ আহ্হা তোমাৰ মাম্মী ইমান ভাল।

ঃ আই লাভ মাই মম।

ঃ আৰু কি ভাল পোৱা তুমি?

ঃ কম্পিউটাৰ গেমছ্।

বিকিৰ মাজত কণবাপু হেৰাই যোৱাৰ সম্ভাৱনা প্ৰকট যদিও প্ৰযোজকৰ নিৰাপত্তা এতিয়া আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। তেওঁৰ হা-নাৰ ওপৰত নিয়োজিত সৃষ্টিৰ ভৱিষ্যৎ। অথচ তেওঁ এদিন আছিল কি! দুই এটা সৰু-সুৰা ঠিকা ক'ৰবাত কেতিয়াবা, দুই এপদ বস্তুৰ যোগান ...! শেষত দলং মেৰামতি নোহোৱাকৈ বিলৰ অনুমোদন। কাৰ্যালয়ত বস্তুৰ যোগান নধৰাকৈয়ে বিলৰ পইচা নিজৰ জেপত ...। ভগৱানে মুৰ তুলি চালে আৰুনো লাগিছে কি? সেইবাবেই তেওঁৰ ঘৰখন বিভিন্ন পূজা-পাতলেৰে মন্দিৰৰ দৰে হৈ থাকে। এই মন্দিৰ দৰ্শনৰ বাবে বিভিন্নজনৰ সমাগমেৰে সদায় উখল-মাখল তেওঁৰ ঘৰ। এই সমাগমেই অনুপ্ৰাণিত কৰিছে তেওঁক শিল্প-সংস্কৃতিৰ সাধক হ'বলৈ। সেয়েহে 'বিশ্ব প্ৰযোজনা'। প্ৰথমতে ভাবিছিলোঁ — গোটেই বিশ্বৰ কথা ভাবিয়েই তেওঁ এই প্ৰযোজনাৰ জন্ম দিছে, কিন্তু নহয়, তেওঁৰ মৃত দেউতাকৰ নাম বিশ্ব বৰুৱা। জীৱিত কালত বিশ্ব বৰুৱাই হাত দুৰবেই কথা, শিল্প-সংস্কৃতিৰ বৰপথাৰত আনকি ভৰিও দিয়া নাছিল। তাৰ প্ৰায়শ্চিত্ত তেওঁৰ সুযোগ্য পুত্ৰ দৰ্প বৰুৱাই এতিয়া কৰিবলৈ ওলাইছে। অলপতে চেন্নাইলৈ গৈ তেওঁৰ উৰ্বৰ মস্তিষ্কৰ প্ৰমাণ দাঙি ধৰিবলৈ নিজাববীয়াকৈ বনাই আনিছে এখন এক মিনিটৰ ছবি।

পৰিকল্পনা তেওঁৰ নিজৰ। বেকগ্ৰাউণ্ডত দেখা যায় অস্পষ্ট কিবা এটা যেন আগবাঢ়ি আহি আছে। এনে লাগে যেন আন গ্ৰহৰ পৰা কিবা এটা আহি আছে। আগুৱাই অহাৰ লগে লগে অস্পষ্ট বস্তুটো ঘূৰিও আছে একেবাহে। লাহে লাহে

সেইটো স্পষ্ট হৈ আহিল — আৰু দেখা গ'ল এখন পৃথিৱী। পৃথিৱীৰ বুকুত বিশ্ব বৰুৱাৰ এখন ফটো ক'ৰবাৰ পৰা উৰি আহি পৰিল। তাৰ পাছত পৃথিৱীখনৰ চাৰিওফালে কেইটামান পখিলা উৰি উৰি পৃথিৱীখনৰ তলত আখৰ হৈ জিলিকি উঠিল — 'বিশ্ব প্ৰযোজনা'। নেপথ্যত বাজি উঠিল কেইখনমান ঢেতাৰ।

এতিয়া ধাৰাবাহিকখনত কি থাকে নাথাকে সেয়া স্বৰ্ণ বৰুৱাৰ মূৰৰ বিষ নহয়, কিন্তু ধাৰাবাহিকখনৰ প্ৰতিটো খণ্ড আৰম্ভ হোৱাৰ আগতে এই ছবিখন থাকিবই লাগিব। দ্বিতীয়তে তেওঁৰ ভাব হৈছে শিল্প-সংস্কৃতিৰ জগতখনত প্ৰৱেশ কৰোঁতে তেওঁৰ যথেষ্ট পলম হৈছে। সেয়েহে তাৰ ক্ষতি পূৰণাৰ্থে স্বৰ্ণ বৰুৱাই বিকিৰ ভৱিষ্যৎ এতিয়াৰ পৰাই গঢ় দিব খুজিছে।

সেইবাবেই বিকি এতিয়া ব্যস্ত বাপু।

কিন্তু ক'ত সি?

মুখ্য সহকাৰী পৰিচালক দিগন্ত দৌৰি আহিল বিকিৰ সৈতে।

: ক'ত আছিলা তুমি?

: আমাৰ গাড়ীৰ ভিতৰত।

: কিয়?

: ইয়াত ইমান গৰম।

: কি কৰি আছিলা ইমান সময়ে?

: গান শুনিছিলোঁ — ৰক এণ্ড পপ।

: মই তোমাক কি কৈছিলোঁ?

: কমটোত সোমাই থাকিবলৈ কৈছিল।

: আৰু?

: ভাবিবলৈ কৈছিল মই ৰাতিপুৱাৰ পৰা একো খোৱা নাই। মোৰ ভোক লাগিছে। মে'ৰ কাষতেই এসাঁজ ভাত আছে, কিন্তু ভাত সাঁজ মোৰ নহয়। মই চাই আছোঁ ভাত সাঁজলৈ। মোৰ ভোকটো বেছিকৈ লাগিছে ...।

: তোমাৰ পেটত ভোক আৰু তুমি ওচি গ'লা ৰক এণ্ড পপ শুনিবলৈ।

: অকলে বহি বহি মই ব'ৰ হৈ গৈছিলোঁ। তাতে ভাত সাঁজৰ কথা ভাবিবলৈ গৈ মাম্মীয়ে দিয়া টিফিনটো খাই ল'লোঁ। তাৰ পাছত মই সঁচাকৈয়ে ব'ৰ হৈ গ'লোঁ।

পাপ্পাই কৈছিল — মই কালকিন অথবা ডেনিছ দা মিনেছৰ দৰে অভিনয় কৰিব লাগিব।

ঃ দিগন্ত, স্বপনে এযোৰ কাপোৰ আনি থৈছে কণবাপুৰ কাৰণে, সেইযোৰ সোনকালে লৈ আহা।

ঃ আংকল, মই মোৰ কাপোৰ আনিছোঁ।

ঃ এতিয়া নালাগে সেইবোৰ পাছত লাগিব।

ঃ কেতিয়া ?

ঃ আমি যেতিয়া লিটল প্ৰিন্স কৰিম, তেতিয়া।

ঃ প্ৰথমতে সেইখনকেই নকৰিলে কিয় আংকল ?

ঃ দিগন্ত!

দিগন্ত দৌৰি আহে কাপোৰযোৰ লৈ। ৰিকিয়ে নাক-মুখ কোঁচাই কাপোৰযোৰ দেখি।

ঃ ইমান বেয়া কাপোৰ মই কেতিয়াও পিন্ধা নাই। এইযোৰ পিন্ধিলে মোৰ ইনফেক্চন হ'ব।

কাপোৰযোৰ পিন্ধাৰ পাছত ৰিকিৰ মুখৰ উজ্জ্বলতা যেন হেৰাই গ'ল। তাৰ মুখত এতিয়া খং আৰু অভিমানৰ মিশ্ৰিত প্ৰকাশ। তাক এটা গোবাৰৰ দৰে লাগিছে। ভাত সাঁজ থোৱা টেবিলখনৰ কাষত দিগন্তই তাক থিয় কৰাই দিলে।

ঃ বিকাশ, লাইটছ। মণিটৰত মই ফ্ৰেমটো চাই লওঁ এবাৰ।

লাইট জ্বলি উঠিল। মণিটৰত দেখা গ'ল ৰিকিৰ মুখ। সি ভাত সাঁজৰ ফালে চাই আছে। ভোক নহয়, তাৰ দুচকুত ঘৃণা।

ঃ ৰিকি বাবা, তুমি পাহৰি গৈছা — তোমাৰ ভোক লাগিছে, ভাত সাঁজ খাবলৈ তোমাৰ মন, অথচ তুমি খাব নোৱাৰা।

এনে লাগিল, ৰিকিয়ে মন দি শুনা নাই।

ঃ তুমি কি ভাবি আছা ?

ঃ মই ভাবিছোঁ টেবিলখন ইমান লেতেৰা। আৰু মই যদি সঁচাকৈয়ে এই সাঁজ খাব লাগে, বমি কৰিম নিশ্চয়।

: লাইটছ্ অফ। দিও।

দিগন্ত দৌৰি আহিল।

মই আগতেই কৈছিলোঁ — সকলো কাম সকলোৱে কৰা সম্ভৱ নহয়। বিখন ঘৰৰ মানুহে ভোক কি বুজি নাপায়, দৰিদ্ৰতা কি নাজানে, সেইখন ঘৰৰ কোনোবা এজনক লৈ মই দৰ্শকক কণবাপুৰ দুখৰ সমভাগী কেনেকৈ কৰিম? তাতকৈ ফুটপাথত শুই থকা কোনোবা এজনক উঠাই আনিলেই ভাল হ'ব। কাৰণ ভোক লগাটো সিহঁতৰ কাৰণে অভিনয় নহয়। সেয়া বাস্তৱ। জন্মিৰৰ দিন ধৰি দুখবোৰো সিহঁতৰ সৈতে ডাঙৰ হয়। তাৰ অভিব্যক্তিও সেয়েহে স্বাভাৱিক। ভিটাৰিও ডি ছিকাৰ 'বাইচাইকেল থীফ'ৰ প্ৰধান চৰিত্ৰ লাৰ্ম্বেৰ্টো মাজোৰাণি আছিল এজন সাধাৰণ শ্ৰমিক আৰু চিনেমাৰ কাম শেষ হোৱাৰ পাছত, ৰূপালী নায়ক হোৱাৰ কোনো সপোন নেদেখি উভতি গৈছিল পুনৰ নিজৰ কৰ্মক্ষেত্ৰলৈ। কিন্তু বিকি, মাজোৰাণি নহয়। বিকি হ'ল বিকি। আৰু এই মুহূৰ্তত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল — প্ৰযোজকৰ ইচ্ছাৰ বিৰুদ্ধে আমি একো কৰিব নোৱাৰোঁ। তেখেতেই সৃষ্টি কৰিছে আমাৰ চৰিত্ৰ। আমি সেই মতেই অভিব্যক্তি দেখুৱাব লাগিব। প্ৰযোজকে ছেক্সপীয়েৰকেই এৰি দিয়া নাছিল — কৈছিল এইবোৰৰে নহ'ব, ৰাইট মি এ ড্ৰামা উইথ এ ব্ৰাডি মাডাৰ ইন ইট ... ছেক্সপীয়েৰে 'হেমলেট' লিখিবলৈ বাধ্য হৈছিল।

মই ছেক্সপীয়েৰ নহয়।

সেইকাৰণেই মানি লোৱাটো আমাৰ কাৰণে সহজ কথা হোৱা উচিত। গোটেই ঘটনাটো বিকিৰ মূৰত সোমাই দিলোঁ ... এৰ প্ৰতিক্ৰিয়া হ'ব, কণবাপুৰ সৈতে সি একীভূত হৈ যাব, নিজকে সি কণবাপুলৈ ৰূপান্তৰিত কৰিব ... এই কম সময়ৰ ভিতৰতে তাক আশা কৰাটো নিতান্তই অবাস্তৱ। বৰং তাক পুতলাৰ দৰে ব্যৱহাৰ কৰিব লাগিব। পথেৰ পাঁচালিতো অপুক ব্যৱহাৰ কৰা হৈছিল। আমিও বিকিক ব্যৱহাৰ কৰিব লাগিব। এইটো কৰা — সেইটো কৰা ...। তাৰ পাছত সম্পাদনাৰ টেবিলত আমি সেইবোৰ ব্যৱহাৰ কৰিম, আমাৰ প্ৰয়োজন সাপেক্ষে।

তাৰমানে, সুখ-দুখৰ যিকোনো অনুভূতি, ঘটনা প্ৰবাহৰ সৈতে একীভূত নোহোৱাকৈ, কোনোধৰণৰ সংগতি নৰখাকৈয়ে ক্যেমেৰাৰ সন্তুষ্টিৰ কাৰণে দিয়া এটা অভিব্যক্তি বিয়ে দৰ্শকক প্ৰতাৰণা কৰে। দৰ্শকে কেনেকৈ কৰে তাৰ ওপৰত গুৰুত্ব নিদিয়ে, কি দেখুৱাও তাৰ ওপৰতহে গুৰুত্ব দিয়ে কিম্বা প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

আচলতে কোনো কথাৰে এতিয়া গুৰুত্বপূৰ্ণ নহয়, গতিকে প্ৰতিক্ৰিয়াও গুণগত দিশত ধনাত্মক সঁহাৰি নহয়। সকলো কৰা হৈছে, শিকা হৈছে। এতিয়ালৈকে উদাৰতা,

মানৱতা, ভাতৃত্ববোধক লৈ ৰচিত হোৱা কালজয়ী মহৎ সাহিত্য অথবা কালজয়ী কথাছবিৰ প্ৰতিক্ৰিয়াই মানুহক মহান কৰি তোলাৰ বিপৰীতে কিয় বাৰু সংকীৰ্ণতা আৰু সীমাবদ্ধতাৰ শিকলিৰে বান্ধি চৌদিশে শংকা আৰু সংশয়ৰ বীজ সিঁচি দিছে। একেখন আকাশৰ তলত, একেখন পৃথিৱীতেই কিয় ইমান তেজৰ তৃষ্ণা। কিয় বাৰু পৃথিৱীৰ ভৱিষ্যতৰ বাবে আমি এতিয়া আটাইতকৈ ভয়ংকৰ প্ৰজাতিলৈ অৱনমিত হৈছোঁ।

এই প্ৰেক্ষাপটত এক শূন্যতাৰ উপলব্ধিয়ে প্ৰতি মুহূৰ্ত্ততে বিচলিত কৰাৰ সম্ভাৱনাই প্ৰকট যদিও জীয়াই থকাৰ প্ৰয়োজনত, মানুহক ভালপোৱাৰ বিপৰীতে, অসহনীয় এই উদাসীনতা, আন অৰ্থত সৃষ্টিৰ পৰাধীনতা। তথাপিও এসাঁজ ভাতক লৈ, এই গল্পটোৰ সৈতে মোৰ উৎসাহ, উৎকণ্ঠা — তাক দৃশ্যায়িত কৰিবলৈ যেনেকৈ মই কঁহিয়াই চাব খুজিছিলোঁ, গল্পটোৰ সকলো দিশ নিশ্চিত কৰিব খুজিছিলোঁ— দৰ্শকৰ অংশগ্ৰহণ, প্ৰতিক্ৰিয়া, নিমিষতে যেন তাৰ চোক কমি গ'ল। থমকি বৈছে মোৰ উৎসাহ। কেমেৰা সঞ্চালন, চৰিত্ৰৰ সঁচা অভিব্যক্তি, ছাঁ-পোহৰৰ খেল, আবহ সংগীত, শব্দৰ বুদ্ধিদীপ্ত ব্যৱহাৰ, সম্পাদনাৰ উষ্মা, সকলোবোৰ যেন মোৰ মগজুৰ ভিতৰত পাকঘূৰণি খাই, অসহনীয় বোজা এটা হৈ মোক নমাই আনিব ধৰিছে ক্ৰমশঃ তললৈ। আৱস্তণিৰ প্ৰাক্ মুহূৰ্ত্তত এনেদৰে অনিশ্চয়তাৰ মাজত, মই হেৰুৱাব ধৰিছোঁ সকলো আঁত, মোৰ পৰা মোলৈ।

ঠিক এই মুহূৰ্ত্তত, গল্পটো দৃশ্যায়িত কৰিবলৈ মই কোনো ধৰণৰ দায়বদ্ধতা অনুভৱ কৰা নাই। যদিও কাষ্ট্ৰৰ কেইটামান শাৰী মোৰ ভিতৰত ঘূৰি আছে... 'যি শিল্প-সংস্কৃতিয়ে মানুহক আৰু বেছি মুক্ত আৰু সমৃদ্ধিশালী কৰি নোতোলে, সেই শিল্প সংস্কৃতিৰ কোনো ধৰণৰ নান্দনিক মূল্যও থাকিব নোৱাৰে'। পৃথিৱীত প্ৰতিদিনে প্ৰায় ২০ কোটি মানুহে চিনেমা চায়। এই মানুহবোৰৰ প্ৰতিক্ৰিয়া কি, ভূমিকা কি?

হয়তো মই বিপাঙত পৰিছোঁ। মই হয়তো এই গল্পটো দৃশ্যায়িত কৰিব নোৱাৰিম। কিন্তু কিবা এটা কৰিবই লাগিব। গল্পটো মই লিখিব পাৰোঁ। যদি লিখোঁ, কেনেকৈ লিখিম। ইতিমধ্যে গল্পটোৰ আভাস দিওঁতে, ছেগা-চোৰোকাকৈ মই মোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছোৱেই। কিন্তু গল্পটোৰ সৈতে মই মোৰ এতিয়াৰ উপলব্ধিখিনিও যোগ দিব খোজোঁ। নহ'লে মোৰ যন্ত্ৰণা বাঢ়িব। বাত্তিটোৱে টোপনি হেৰুৱাই চটফটাই থাকিব মোৰ বুকুৰ মাজত।

এই সম্ভাব্য যন্ত্ৰণাৰ উপলব্ধিত মই মনেই কৰা নাছিলোঁ — সোণা আহি বহু সময় ধৰি মোৰ কাষত থিয় দি আছে কিবা ক'বলৈ। মই নিঃসন্দেহে অনুমান কৰিছোঁ।

সোণাই কি ক'ব। বোধহয় আখল উদং। প্ৰযোজকে পইচা দি যোৱা নাই। গধূলিয়েই দি যোৱাৰ কথা আছিল।

মই জানোঁ, প্ৰযোজক এতিয়া ক'ত আছে। চহৰৰ আটাইতকৈ নামী-দামী হোটেল আটলাণ্টাত তেওঁ এটা পাৰ্টি দিছে। ভাগ্য অধিক সুপ্ৰসন্ন হোৱা কাৰণে তেওঁ দুটা ডাঙৰ কাম পাইছে। সেয়েহে বিভাগীয় সঞ্চালক, মন্ত্ৰীকে আদি কৰি কিছু দেৱতাগণৰ সন্তুষ্টি তথা সেৱাৰ অৰ্থে এই পাৰ্টি। আমাৰ প্ৰযোজনা নিয়ন্ত্ৰক শ্ৰীমান চৌধুৰী আটলাণ্টালৈ গৈ নিশ্চয় বিপাঙত পৰিছে। তেওঁৰ অবাঞ্ছিত উপস্থিতিয়ে দৰ্প বৰুৱাক ক্ষুণ্ণ কৰিব পাৰে বুলি শ্ৰীমান চৌধুৰীয়ে আটলাণ্টাৰ বাহিৰতে ইফালে-সিফালে দুটা পাক মাৰি নিশ্চয় উভতি আহিব। আৰু ৰাতিটোৰ বাবে আমাৰ ভাগ্য নিৰ্ধাৰিত হৈ যাব। ৰাতিটো আমি আটায়ে কলবাপুৰ যন্ত্ৰণা অনুভৱ কৰিব লাগিব। অথচ সেই একে সময়তে আটলাণ্টাত পূৰ্ণোদ্যমে চলিব পাৰ্টি। আলোচনা হ'ব বিভিন্ন কথা ... সন্ত্ৰাসবাদ, ৰাজনীতি, শিল্প-সংস্কৃতি, হয়তো বিভাগীয় সঞ্চালকে তাৰ মাজতে দৰ্প বৰুৱাক প্ৰতিশ্ৰুতি দিব ... তেওঁক বিভাগীয় তথ্যচিত্ৰ দুখনৰ নিৰ্মাণৰ ভাৰ বিশ্ব প্ৰযোজনাৰ। দৰ্প বৰুৱাই কৃতজ্ঞচিত্তে আৰু সাৱধানভাৱে দাড়ি ধৰিব আৰু অন্যান্য আঁচনিৰ বিবৰণ আৰু আদায় কৰি ল'ব তাৰ বাস্তবায়নৰ প্ৰতিশ্ৰুতি। তাৰ মাজত কলবাপুৰ — আমাৰ ভোকৰ এসাঁজ ভাত, নিতান্তই অপ্ৰাসংগিক, অবাস্তৱ কথা।

সময় সঁচাকৈয়ে আচৰিত। একালে প্ৰাচুৰ্য আনফালে অনাটন। একালে বিশ্ব ভাতৃত্বৰ কথা আনফালে ভাতৃ হত্যা, একালে সতীত্ব আনফালে বেশ্যাবৃত্তি। পৃথিৱীৰ সংজ্ঞা কি!

পৃথিৱী এতিয়া নিজেই বেৰ'লৰ মাজত চটফটাই আছে। আৰু নিৰ্বিবাদে আমি তাকেই উপভোগ কৰি আছোঁ। অভ্যস্ত নেতিবাচক উদাসীনতাৰ মাজত ক্ৰমশঃ আমি হেৰুৱাইছোঁ আমাৰ ইতিবাচক প্ৰতিক্ৰিয়া। মায়াময় সপোনৰ ছলনাত পাহৰি গৈছোঁ আমাৰ অভাৱ, আমাৰ অনাটনৰ কথা। কিন্তু জানো বাৰে বাৰে গদাধৰ লাইনটো মোৰ মনলৈ আহিছে ... হাও মেনি আবাবচ এ ষ্টাৰ্ভিং আফ্ৰিকান কুড চাৰভাইভ ওৱাচিং ভিডিঅ'?

যদিও নিশ্চিত নহওঁ, ইয়াতেই ক'ৰবাত মই মোৰ গল্পটো শেষ কৰিব খুজিছোঁ।

আইনাত এটোপাল তেজ

সময়ে যেন তাৰ স্বাভাৱিকতা হেৰুৱাই ত্ৰিনয়ন দত্তৰ অনুভৱত ক্ৰমশঃ দৃশ্যমান হৈ উঠিব ধৰিছে। ভবাতকৈ যেন অধিক দ্ৰুত গতিৰে পাৰ হৈ যাব ধৰিছে সময় আৰু তাৰ আপেক্ষিকভাৱে ত্ৰিনয়ন দত্তৰ স্থবিৰতা যেন হৈ পৰে অধিক প্ৰকট। ইয়াৰ মাজত নিজৰ অৱস্থিতি সম্বন্ধে তেওঁ নিজেই সন্দিহান হৈ পৰে। সুস্থিৰতাৰ সলনি সময়ে যেন ত্ৰিনয়ন দত্তক দিয়ে বিষণ্ণ এক অস্থিৰতা। অস্থিৰতাৰ ফলশ্ৰুতি দীঘল ৰাতি। তাতে বয়স বাঢ়ি অহাৰ লগে লগে ৰাতিবোৰো যেন বেছি দীঘল হৈ যাব ধৰিছে। তাৰ মাজতেই টোপনি অহা সময়কণ ইমান কম যে তাত এটা সপোনো নোজোৰে। সাৰ পোৱাৰ পাছত আৰু এটা ছেকেণ্ডৰ কাৰণেও ত্ৰিনয়ন দত্তই বিছনাত পৰি থাকিব নোৱাৰে। উঠি আহে বাতৰি কাকতখন অহা পৰলৈকে ইটো-সিটো কামৰ সৈতে নিজকে ব্যস্ত ৰাখিব খোজে ত্ৰিনয়ন দত্তই। তাৰ পাছত বোৱাৰীয়েকে চাহ পিয়লা লৈ অহাৰ সময়তে বাতৰি কাকতখন যেন আকাশৰ পৰা চোতালত থেকেচা খাই পৰে। ত্ৰিনয়ন দত্তই আথে-বেথে বাতৰি কাকতখন লৈ আহে চোতালৰ পৰা। পাৰিলে তাতেই থিয় দি হেডলাইনবোৰ পঢ়ি, কোনটো খবৰ পাছলৈ মন দি পঢ়িব তাৰ প্ৰাথমিক হিচাপ এটা কৰি লয়। আৰু ঠিক সেই মুহূৰ্ততে বোৱাৰীয়েকৰ মাতটো ভাহি আহে— চাহ ঠাণ্ডা হৈ যাব দেউতা! উভতি আহি চাহৰ পিয়লাত চুমুক দি ত্ৰিনয়ন দত্তই চকু ফুৰাই যায়, বাতৰি কাকতখনৰ ওপৰত। ... সেই একেই খবৰ, একেই কথা। সকলোৰে নিজৰ ভিতৰতেই খোৱা-কামোৰা কৰি মৰিব ধৰিছে আৰু ডাঙৰবোৰে দুষ্প্ৰবৃত্তিৰে সেই সুযোগতে নিজৰ জেপ গধুৰ কৰি নিৰ্বিবাদে বাতৰি কাকতৰ পৃষ্ঠা শুৱনি কৰি মিচিকিয়া প্ৰতিশ্ৰুতি দিছে দেশৰ জনগণৰ বাবে। বাতৰি কাকতখন হাতত ল'লে প্ৰায়েই বিতৃষ্ণাৰে ভৰি পৰে ত্ৰিনয়ন দত্তৰ মনটো। তথাপিও বাতৰি কাকতখন নহালৈকে অধীৰ আগ্ৰহেৰে বৈ থাকে ত্ৰিনয়ন দত্ত পদূলি মুখলৈ চাই চাই।

এই তৃষ্ণা আৰু বিতৃষ্ণাৰ মাজত কি থাকে বাৰু? প্ৰায়েই ভাবে ত্ৰিনয়ন দত্তই, আৰু কিবা এটা ভাবিলেই কিয় জানো অজানিতে সেমেকি উঠে মনটো। প্ৰতিবেশী

যোগানন্দ বৰুৱাৰ উপস্থিতি যদিওবা উৎসাহজনক নহয়, তথাপি তেওঁ আহিলে ত্রিনয়ন দত্তই ভিতৰতে উকমুকাই থকা কথাবোৰ উলিয়াই দিব পাৰিব বুলি কিবা এটা সকাহ অনুভব কৰে। কিন্তু যোগানন্দ বৰুৱাৰ সঁহাৰিয়ে কেতিয়াও তেওঁক পৰিতৃপ্ত কৰিব নোৱাৰে। কিয়নো দুয়োৰে অনুভূতিৰ উত্থাৰ মাজত আকাশ আৰু পাতালৰ প্রভেদ। তথাপিও ত্রিনয়ন দত্তই বৰুৱাৰ আগমনলৈ বাট চাই থাকে হেঁপাহেৰে। আৰু বৰুৱাক দেখাৰ লগে লগেই অম্লমধুৰ হাঁহি এটা বিয়পি পৰে তেওঁৰ মুখত।

ঃ আহক আহক বৰুৱা, আজি কিন্তু মই এটা অদ্ভুত কথা ভাবিছোঁ।

ঃ আপোনাৰ সকলো কথায়ে অদ্ভুত। নির্বিকাৰভাৱে বৰুৱাই কয়।

ঃ মই ভাবিছোঁ, যদি দুমাহমান বাতৰি কাকতবোৰ বন্ধ কৰি দিয়া যায়!

ঃ কিয় দত্ত কিয়? যোগানন্দ বৰুৱাই চিঞৰি উঠে।

ঃ চাওক বৰুৱা, পুৱাই মনটো নষ্ট হৈ যায়, সেই একেই কথা — ধর্ষণ, হত্যা, অপহৰণ, বিস্ফোৰণ। বাটত খোজ দিবলৈ ভয় লাগে — আপুনি একো অপৰাধ নকৰিলেও চৰকাৰী অথবা বেচৰকাৰী এটা বুলেটে নিমিষতে আপোনাক শেষ কৰি থৈ যাব পাৰে। আপুনি বজাৰ কৰা কেলখন অথবা চিলিণ্ডাৰটো লৈ আৰু ঘৰ আহি নাপাবও পাৰে। এই যন্ত্রণাৰ স'তে জীয়াই থকাটো মৃত্যুতকৈ ভয়ংকৰ কথা। অথচ বাতৰি কাকতবোৰত তাৰেই প্রচাৰ। আজিকালি কথা-বতৰাবোৰ প্রায়েই নএৰ্থক, জীৱনৰ কথা নাই তাত, 'সবাৰ ওপৰে মানুষ সত্য' আৰু নহয়। বন্ধও এতিয়া বাতৰি কাকতৰেই অৱদান। বন্ধৰ উদ্যোক্তাসকলে শনিবাৰ বা সোমবাৰ একোটা চাই বন্ধৰ সপক্ষে কাকতত বিবৃতি এটা দিলেই কাম শেষ। এই বিবৃতিবোৰ বাতৰি কাকতত প্রকাশ হয় কিয়? দুমাহ কিয়, বাতৰি কাকতবোৰ চিৰদিনৰ কাৰণে বন্ধ হৈ গ'লেও কাৰো একো ক্ষতি নহয়। — ত্রিনয়ন দত্ত সঁচাকৈয়ে উত্তেজিত হৈ উঠে।

ঃ কথাবোৰ ঠিকেই দত্ত, কিন্তু বাতৰি কাকতখন নহ'লে দিনটো কিবা আৰম্ভ নোহোৱা যেন লাগে।

ঃ কিন্তু বৰুৱা, দিনবোৰ বাতৰি হোৱাৰ আগতেই আৰম্ভ হয় আৰু দিনটো যেনেকৈ আমি আৰম্ভ কৰোঁ, বাতৰিবোৰো তেনেকৈ সাজি-কাচি ওলাই আহে নিজৰ নিজৰ বজাৰ দখল কৰিবলৈ। তথাপি আমাৰ ক্রিয়া-প্রতিক্রিয়া নাই। নোহোৱাটোৱেই স্বাভাৱিক। সৰুতে যেতিয়া আমি পাঠ্যপুথি পঢ়িছিলোঁ, পৰীক্ষা দিছিলোঁ, পঢ়িব লাগে কাৰণেই পঢ়িছিলোঁ, পৰীক্ষা দিব লাগে কাৰণেই দিছিলোঁ। মানুহৰ কামত আহিব

পৰাকে এই শিক্ষাৰ ভবিষ্যতে কেতিয়াও নিজকে প্ৰস্তুত কৰা নাছিলোঁ অথবা তেনে প্ৰস্তুতিৰ কাৰণে কোনেও কেতিয়াও আমাক উপদেশো দিয়া নাছিল।

এনেধৰণৰ কথা-বতৰাৰ মাজেৰেই যোগানন্দ বৰুৱা আহিলে আবেলিটো পাৰ হৈ যায় ত্ৰিনয়ন দত্তৰ। কেতিয়াবা কথা পাতি থকাৰ মাজতেই ভাব হয় ত্ৰিনয়ন দত্তৰ, কিনো হ'ব এইবোৰ কথা পাতি, একো নতুন কথা নহয় ...। তেনেকৈ ভাবিলেও যোগানন্দ বৰুৱা আহিলে কিবা নহয় কিবা এটা ওলাবই, আৰু এটা কথা ওলালেই তাৰ আঁত ধৰি অহা আন এটা কথাৰ অব্যৰ্থ আগমনক আৰু কোনেও বোধ কৰিব নোৱাৰে। অনৰ্গল ওলাবই। তেনেধৰণৰ কথা নাতিনীয়েক মণি অথবা বোৱাৰীয়েকৰ আগত মন গ'লেও ত্ৰিনয়ন দত্তই উলিয়াব নোৱাৰে। সিহঁতে হয়তো আগতেই তাৰ উমান পায়। মণিয়ে হোমৱৰ্ক থকা বুলি ওলাই যোৱাৰ লগে লগে বোৱাৰীয়েকেও কিবা এটা অজুহাত দেখুৱাই আঁতৰলে খোজ লয়। তেতিয়া ত্ৰিনয়ন দত্তৰ বাৰাণ্ডাত বহি স্বগোতোক্তি কৰাৰ বাহিৰে বিকল্প আৰু নাই । আকৌ স্বগোতোক্তি হ'ব লাগিব নিঃশব্দ। ত্ৰিনয়ন দত্ত নিজেই হ'ব লাগিব দৰ্শক, নিজেই হ'ব লাগিব অভিনেতা। নিজৰ মঞ্চত নিজেই থিয় দিব লাগিব। আখৰাৰ আৰু দৰকাৰ নাই। প্ৰক্ষেপিত ছাঁ আৰু পোহৰত বিভিন্ন দৃষ্টিকোণৰ পৰা ত্ৰিনয়ন দত্তই নিজকে চাই লয়। অৱশ্যে স্বাধীনভাবে নিজকে এনেকৈ চোৱাৰ সুবিধাও কিন্তু বৰ আনন্দৰ কথা নহয়। প্ৰেক্ষাপটত স্মৃতিৰ মৌন বাগে চৰিত্ৰক আনুষঙ্গিক ব্যঞ্জনা দিবই আৰু ঠিক তেতিয়াই ত্ৰিনয়ন দত্তৰ অনুভৱত কলিজাটো যেন দোকল খাই পৰে। যেন বুকুৰ মাজত কিবা এক শূন্যতাৰ সৃষ্টি হয়। ধৰফৰাই নামি আহে ত্ৰিনয়ন দত্ত মঞ্চৰ পৰা। ভাব হয় যেন ক'ৰবালৈ গুচি যাব। কিন্তু ক'লৈ যাব? থকা দিনকেইটা তেওঁলৈ নিৰ্দিষ্ট হৈ থকা ভূমিকা, যৱনিকা নামি নহালৈকে ত্ৰিনয়ন দত্তই পালন কৰিবই লাগিব। তাৰ কোনো বিকল্প নাই।

আজি তিনিকুৰি বছৰৰ পাছত ত্ৰিনয়ন দত্তৰ ভাব হৈছে, যেন ইমানদিনে তেওঁ এটা কাল্পনিক চৰিত্ৰৰ আখৰা কৰি আছে আৰু বাস্তৱতাৰ স'তে তাৰ অনিবাৰ্য সংঘাতৰ ফলত বাৰে বাৰে কৰ্ফালি খাই পৰিছে অন্য এখন পৃথিবীত। কিবা এক অভিকেন্দ্ৰিক শক্তিয়ে তেওঁক যেন অন্তহীন বৃত্ত এটাৰ ফালে টানি লৈ যাবলৈ ধৰিছে। অথচ নিয়তিৰ অমোঘ পৰিণতি বুলি তাক মানি ল'বও পৰা নাই ত্ৰিনয়ন দত্তই।

যোগানন্দ বৰুৱাৰ ক্ষেত্ৰত কথাটো কিন্তু সুকীয়া। তেওঁ চিন্তাৰ গভীৰতাত তেনেকৈ ডুব নিদিয়ে। সেইকাৰণে আত্মোপলব্ধিৰ যন্ত্ৰণাত প্ৰতিটো মুহূৰ্ত তেওঁৰ কাৰণে অসহনীয় কিম্বা কষ্টকৰ হৈ নুঠে। ফলত আছে ত্ৰিনয়ন দত্তৰ, এবাৰ যোগানন্দ

বৰুৱাৰ সৈতে একেলগে নাটক এখন চাইছিল। নাটকৰ খলনায়কে যেতিয়া নাটকৰ শেষৰফালে নায়কৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল— উত্ৰাৱল দৰ্শকে হাত চাপৰিৰে ৰজনজনাই তুলিলে চৌদিশ। ত্ৰিনয়ন দত্তই আচৰিত হৈ যোগানন্দ বৰুৱাৰ ফালে চালে। বৰুৱাই আনন্দত আত্মহাৰা হৈ হাত চাপৰি মাৰি আছে। নাটকখন চাই থাকোঁতেই ত্ৰিনয়ন দত্তৰ ভাব হৈছিল — নাটকৰ খলনায়ক সাইলাখ যোগানন্দ বৰুৱা। ত্ৰিনয়ন দত্ত নিশ্চিত আছিল যোগানন্দ বৰুৱাই লাজ পাব আৰু তেওঁক ক'ব — ব'লকহে দত্ত যাওঁ, টোপনি ধৰিছে। কিন্তু সেয়া নহ'ল।

বৰং আন দহজনতকৈ যোগানন্দ বৰুৱাই বেছি উৎসাহেৰে উপভোগ কৰিলে নাটকখন। ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ উৰ্দ্ধত নিৰ্বিবাদে বিচৰণ কৰিব পৰা যোগানন্দ বৰুৱাৰ প্ৰতি স্বাভাৱিকতেই ঈৰ্ষা হৈছিল ত্ৰিনয়ন দত্তৰ আৰু সেইকাৰণে ইচ্ছা কৰিয়েই সুধিছিল যোগানন্দ বৰুৱাক।

ঃ বৰুৱা, হাত চাপৰি মাৰিলে হয়, 'কাৰ সপক্ষে'?

ঃ কিয়, নায়কৰ সপক্ষে আৰু খলনায়কৰ বিপক্ষে। বৰুৱাই স্বাভাৱিক উত্মাৰে ক'লে।

ঃ মই সুধিছোঁ — নিজৰ সপক্ষে নে নিজৰ বিপক্ষে?

সামান্য আচৰিত হৈ যোগানন্দ বৰুৱাই সুধিলে ঃ কিয়?

ঃ খলনায়কৰ চৰিত্ৰটো আপোনাৰ চিনাকি নহয়নে? উৎসাহেৰে আকৌ সুধিলে দত্তই।

ঃ চিনাকি, এশ ভাগেই চিনাকি। বৰুৱাই উৎসাহেৰে ক'লে।

ঃ তেনেহ'লে বৰুৱা, আপুনি আপোনাৰ বিৰুদ্ধেই হাত চাপৰি নামাৰিলেনে?

ঃ নাই মৰা, মই এতিয়া এজন দৰ্শক। নাটক শেষ নোহোৱালৈকে মোৰ আৰু আন কোনো পৰিচয় নাই, মই এজন দৰ্শক।

ঃ তাৰ পাছত আপুনি যেতিয়া ঘৰলৈ যাব?

ঃ তেতিয়া মই যোগানন্দ বৰুৱা।

ঃ আৰু সঁচাকৈয়ে আপোনাৰ ঘৰত যদি নায়কৰ আবিৰ্ভাব হয়।

ঃ জীৱনটো নাটক নহয় দত্ত।

কথাবোৰ কিবা খেলি-মেলি হৈ যোৱা যেন লাগে ত্ৰিনয়ন দত্তৰ। তেওঁৰ অনুভূতিবোৰ যেন পাৰ হৈ যায় খলা-বমা এটা ৰাস্তাৰ ওপৰেৰে আৰু প্ৰতিটো জোকাৰণিতেই অতিষ্ঠ হৈ উঠে ত্ৰিনয়ন দত্ত। তথাপিও ত্ৰিনয়ন দত্তই নাজানে, থেকেচা খায়ো অনুভূতিবোৰ কিয় বাৰু নিথৰ হৈ নাথাকে। ... আকৌ মূৰ্ত হৈ উঠে অনুভূতিবোৰ ... খলনায়ক আৰু যোগানন্দ বৰুৱা যদি একেজন মানুহ নহয়, আনজন কোন তেনেহ'লে। নে এখন মুখ, আনখন মুখা। প্ৰতিজন মানুহৰেই এখন মুখ থাকে আৰু এখন মুখা। সময় সাপেক্ষে কেতিয়াবা সেইখন মুখ আৰু কেতিয়াবা মুখা। নিজৰখন বাৰু মুখ নে মুখা!

মনত আছে ত্ৰিনয়ন দত্তৰ, এবাৰ বেণু তেতিয়া সৰু, গাঁৱত কিবা এখন মেলা হৈছিল। বেণুক লগত লৈ দত্ত গৈছিল মেলা চাবলৈ। মেলালৈ গৈ বেণুৰ চকুত পৰিল প্লাষ্টিকেৰে বনোৱা কেইখনমান মুখাৰ ওপৰত। তাক এখন লাগিবই। ত্ৰিনয়ন দত্তই দেখিলে মুখাবোৰৰ প্ৰায়ভাগেই হিংস্ৰ জন্তুৰ, দৈত্যাকৃতিৰ, দেখিবলৈ কিম্ভুত কিমাকাৰ। যোগানন্দ বৰুৱাৰ মুখাখনৰ দৰে নহয়। কিন্তু ফুলকোমলীয়া বেণুৰ হঠাতে মুখা এখন পিন্ধিবলৈ কিয় মন গ'ল ত্ৰিনয়ন দত্তই ভাবি উলিয়াব নোৱাৰিলে। ত্ৰিনয়ন দত্তই বেণুক সুধিছিল।

ঃ কি কৰিবা তুমি মুখা এখন লৈ?

ঃ ভয় দেখুৱাম দেউতা।

ঃ কিয়?

ঃ এনেয়ে।

আচৰিত হৈছিল ত্ৰিনয়ন দত্ত। কিয় তাৰ এই মানসিকতা। মুখা এখন পিন্ধি সি বাৰু কিয় ভয় দেখুৱাব লাগে!

মুখাখন কিনি দিয়াৰ অকণো ইচ্ছা নাছিল যদিও বেণুই ঠেহ পতা দেখি অৱশেষত মুখাখন কিনিবলৈ বাধ্য হৈছিল ত্ৰিনয়ন দত্ত। মুখাখন পাই বেণু একেবাৰে আনন্দত আত্মহাৰা। সেইখন পিন্ধি সি সঁচাকৈয়ে ভয় দেখুৱাইছিল সকলোকে। তাক উৎসাহ দিবলৈ মানুহবোৰে হয়তো বেছিকৈয়ে ভয় খোৱা যেন দেখুৱাইছিল। যেন প্ৰাণৰ ভয়ত ইফালে-সিফালে দৌৰি ফুৰিছিল নিৰালম্ব হৈ। বেণুৱে তেতিয়া বিজয়ৰ হাঁহি মাৰিছিল। কিন্তু লাহে লাহে তাৰ সেই উৎসাহ নোহোৱা হৈ আহিল আৰু এদিন মুখাখন ক'ৰবাত হেৰাই থাকিল নে কি হ'ল ত্ৰিনয়ন দত্তৰ আৰু মনত নাই।

* * * * *

বেণু এতিয়া ইটানগৰত থাকে। সি ইমান কমকৈ ঘৰলৈ আহে, তাৰ মুখখন পাহৰি যাব বুলি ভয় হয় ত্ৰিনয়ন দত্তৰ। তাত থকা-মেলাৰ সিমান এটা সুবিধা নাই বুলি নাতিনীয়েক মণি আৰু বোৱাৰীয়েককো লৈ যোৱা নাই সি। মণিজনীও লাহে লাহে ডাঙৰ হৈ আহিব ধৰিছে। বেণুৱে বা কি ভাবি আছে ত্ৰিনয়ন দত্তই নাজানে। আকৌ বহুত দিনৰ মূৰত বেণু ঘৰলৈ আহিলে এনে লাগে সি যেন আহো বুলি অহা নাই, যাওঁ বুলিহে আহিছে। ব্যস্ততাৰ বাবে নেকি ত্ৰিনয়ন দত্তই নাজানে তাৰ যেন অনন্ত ভাগৰ। বৰ মন যায় ত্ৰিনয়ন দত্তৰ এখন্তেক তাৰ সৈতে বহিব, সুখ-দুখৰ কথা পাতিব ... আৰু তেনেকৈ ভাবি থাকোঁতেই বেণুৰ যাবৰ হয়। আচৰিত হৈ ত্ৰিনয়ন দত্তই বোৱাৰীয়েকক সোধে ঃ সি গ'লেইনে বোৱাৰী?

ঃ গ'লগৈ।

নিৰ্বিকাৰ সহজ উত্তৰ এটাৰে বোৱাৰীয়েক আঁতৰি যায়। তেতিয়া ত্ৰিনয়ন দত্তৰ আৰু একো সুধিবৰ মন নাযায়। ত্ৰিনয়ন দত্তই লক্ষ্য কৰিছে মণিজনীও বোৱাৰীয়েকৰ দৰেই হ'ব ধৰিছে। দেউতাক আছিল নে গ'ল সেই ভাবাবেগত বন্দী হৈ থাকিব নোখোজে তাই। ত্ৰিনয়ন দত্তই কিন্তু নোৱাৰে। নভবাকৈ তেওঁ থাকিব নোৱাৰে। অনুভূতিয়ে ব্যতিব্যস্ত কৰি তোলে ত্ৰিনয়ন দত্তক। ইহঁতে সঁচাকৈয়ে এনেকৈ থাকি ভাল পায়নে? সুখ-দুখৰ কোনো অনুভূতি নাইনে ইহঁতৰ। বেণুৰ। কণমানি ছোৱালীজনীক এৰি সি এনেকৈ থাকিব পাৰেনে? পাৰে চাগে'। আমাৰ স্বাভাৱিক অভিব্যক্তিবোৰ আমি চাগে' হেৰুৱাব ধৰিছোঁ। নিজকে ঢাকিবলৈ এখন মুখা কিনিব নালাগে আজিকালি। সঁচাকৈয়ে সলনি হৈছে সময় অথবা সময়ৰ নিষ্ঠুৰতাত আমি।

বাৰাণ্ডাত বহি বাতৰি কাকতখন হাতত লৈ কিবা এক যন্ত্ৰণাত আতংকিত হৈ উঠে ত্ৰিনয়ন দত্ত। বাতৰি কাকতখন পঢ়ি চাবলৈ ভয় লাগে তেওঁৰ। কি এক উদ্বেগ তেওঁৰ বুকুৰ মাজত ক্ৰমশঃ বাঢ়ি যাব ধৰিছে ... তেওঁৰ অস্থিৰতাক আৰু অস্থিৰ কৰি। ... এই কণমানি বেণুটো, সিদিনাখন সি ত্ৰিনয়ন দত্তৰ বুকুৰ মাজত শুইছিল, কান্দিছিল, হাঁহিছিল— দেউতা দেউতা বুলি ত্ৰিনয়ন দত্তক গৃহবন্দী কৰি ৰাখিছিল। কেনেবাকৈ ওলাই গ'লেও পলকতে উভতি আহিছিল তাৰ মৰমতেই। এতিয়া সন্দেহ হয় ত্ৰিনয়ন দত্তৰ, সেইজন বেণু আৰু এইজন বেণু হয়নে? মণিজনীও ডাঙৰ হৈ আহিছে, তায়ো এদিন গুচি যাব। তাই আৰু তাই হৈ নাথাকিব। কি হ'ব আৰু তাই, ক'লৈ বা গুচি যাব? মানুহবোৰ একেখন পৃথিৱীতেই থাকে অথচ যায় ক'লৈ! নিৰলে ভাবি যায় ত্ৰিনয়ন দত্তই। প্ৰশ্নবোৰ সহজ, কিন্তু উত্তৰবোৰ?

মনত আছে ত্রিনয়ন দত্তৰ, স্কুলত তেওঁ প্ৰায়েই কৈছিল — যিমানেই প্ৰশ্ন কৰিবা, সিমানেই জানিবা কথাবোৰ। এতিয়া আৰু নকয়। এতিয়া প্ৰশ্নবোৰৰ সঠিক উত্তৰৰ সম্ভাৱনা হয়তো হ'ব পাৰে আৰু অধিক যন্ত্ৰণাৰেই নামান্তৰ।

যোৱাবাৰ বিহুতো বেণু নাহিল। সি আহিব আহিব বুলি বাট চাই থাকোঁতেই বিহুৰ দিনকেইটা যেতিয়া পাৰ হৈ যায়, বৰ বেয়া লাগে ত্রিনয়ন দত্তৰ। কিন্তু বোৱাৰীয়েকৰ কোনো ভাবান্তৰ নাই। তথাপি ত্রিনয়ন দত্তই বোৱাৰীয়েকক নোসোধাকৈ থাকিব নোৱাৰিলে।

ঃ বোৱাৰী, সি আহিবনে এইবাৰ?

ঃ জানো!

ঃ মণিয়ে কালে চিঠি এখন দিছে হেনো তাই।

ঃ মণিৰ লগতেই আছে তেনেহ'লে

ঃ তুমি পঢ়া নাই।

ঃ নাই।

আচৰিত হৈ যায় ত্রিনয়ন দত্তই। মনত আছে ত্রিনয়ন দত্তৰ, [illegible] তেওঁ কৈছিল — তোমালৈ অহা চিঠি এখন তুমি যিমান সময় নপঢ়াকৈ থাকিব [illegible] সেয়াই হ'ল তোমাৰ ধৈৰ্য।

বোৱাৰীয়েকৰ ধৈৰ্য হয়তো তাতকৈ বেছি। কিবা এটা সুধিলে সংক্ষেপৰ চুটি উত্তৰটো দি এনেকৈ আঁতৰি যায়, ত্রিনয়ন দত্তৰ সকলো উৎসাহ যেন নিমিষতে হেৰাই যায়।

* * * * *

তথাপি ত্রিনয়ন দত্তই আশা কৰিছিল বেণু আহিব এইবাৰ। তাৰ মুখখন দেখা পাব এবাৰ। দূৰে দূৰে থকাবোৰক যদি উৎসৱ-পৰ্বই লগ পোৱা নাযায়, কেলেইনো লাগিছে এইবোৰ। লাডু-পিঠা আজিকালি বজাৰতো পোৱা যায়। মেজি পোৱাৰ কথাই নাই। নিতৌ গৃহদাহ হৈয়েই আছে। মেজি পোৰোতে হোৱা বাঁহৰ শব্দতকৈ কেইবা হেজাৰ গুণ ডাঙৰ শব্দৰে যেতিয়াই তেতিয়াই যিকোনো মুহূৰ্তত বোমা ফুটিব পাৰে — চিনি নোপোৱাকৈ ছিন্ন-ভিন্ন হ'ব পাৰে একোটা সুকোমল শৰীৰ। সেই শৰীৰটো — ত্রিনয়ন দত্তৰো হ'ব পাৰে, বেণুৰো হ'ব পাৰে ... বোৱাৰীয়েক অথবা

মণিৰো হ'ব পাৰে। সযতনে, উৎকণ্ঠাৰে মাতৃয়ে বহন কৰা এই শৰীৰটো পৃথিৱীলৈ অহাৰ পাছত, আঁঠু কাঢ়ি, দৌৰি ফুৰি, কথা ক'ব পৰা হোৱালৈকে কিমান যে যত্ন আৰু সুন্দৰ সপোনৰ কিযে অভিনৱ লয়লাস ছন্দ। অথচ এটা মুহূৰ্তত, সেই উৎকণ্ঠা, সেই সপোন চূৰমাৰ হৈ যাব পাৰে অজানিতে, অকাৰণতে। এই যন্ত্ৰণাৰ অনুভূতিত মানুহৰ হৃৎপিণ্ডৰ স্পন্দন কিয় বন্ধ হৈ নাযায়, ত্ৰিনয়ন দত্তই নাজানে। হয়তো এয়াও মানুহৰ স্বাভাৱিক পৰিণতি। তেনেহ'লে বেণু নহাটো নিতান্তই সাধাৰণ কথা। আৰু এটা সাধাৰণ কথাৰ বাবে এই অসাধাৰণ অনুভূতিৰ কি প্ৰয়োজন? হয়তো সমান্তৰালভাৱে অহা প্ৰতিটো কথাৰ আনুষঙ্গিকতাই অতিষ্ঠ কৰি তোলে ত্ৰিনয়ন দত্তক। তেতিয়াই ক'ৰবালৈ ওলাই যাবৰ মন যায় ত্ৰিনয়ন দত্তৰ। কিন্তু তেওঁ ভালকৈয়ে জানে অনুভূতিবোৰ ক'ৰবাত থৈ তেওঁ কেতিয়াও বাহিৰলৈ ওলাই যাব নোৱাৰে।

আজিকালি বাহিৰত বেছি সময় থাকিলে অকণ চিন্তাও হয় ত্ৰিনয়ন দত্তৰ। ঘৰখনত অকল বোৱাৰীয়েক আৰু মণিহে। চিন্তিত হোৱাৰ তেনে কাৰণ নাই যদিও নিৰাপত্তাহীনতাৰ অভাৱে আজিকালি প্ৰায়েই শংকিত কৰি তোলে ত্ৰিনয়ন দত্তৰ মন। এতিয়া ত্ৰিনয়ন দত্তৰ বাবে নিৰাপত্তা শব্দৰ অৰ্থ হয়তো ঠিক এই মুহূৰ্ত্তলৈকে যেনেকৈয়ে নহওক জীয়াই থকা। অৱশ্যে তাৰ বিনিময়ত যোগানন্দ বৰুৱাৰ দৰে সৰ্বস্ব এৰি দিবলৈ তেওঁ ৰাজী নহয়।

কিবা ভাবি হঠাতে ঘপহকৰে উঠিল ত্ৰিনয়ন দত্ত আৰু দুৱাৰখনৰ ফালে আগুৱাই পদাখন দাঙি বাহিৰলৈ চালে। যোগানন্দ বৰুৱাই অকণমান আচৰিত হৈ দত্তৰ ফালে চালে।

ঃ দত্ত, উঠিলে যে!

ঃ মই আহোঁ বৰুৱা।

বৰুৱাই নুশুনাৰ ভাও ধৰি অন্য এক প্ৰসংগ উলিয়াব খুজিলে। ত্ৰিনয়ন দত্তই লগে লগে মুৰ জোকাৰি অস্বস্তিৰে ক'লে—

ঃ নাই, নাই, মই এতিয়া ঘৰলৈ যাব লাগে।

ঃ একাপ চাহ খাই যোৱাত একো আপত্তি নাই নিশ্চয়।

ঃ আপত্তি থকা নথকাৰ কথা নহয়, মই যাওঁ।

খৰখেদাকৈ খোজ ল'লে দত্তই ঘৰলৈ বুলি। উভতি যোৱাৰ বাটত নিজৰ ওপৰতেই খং উঠিল তেওঁৰ। অহাৰ সময়ত প্ৰায়েই ভাবে ত্ৰিনয়ন দত্তই বেছিকৈ কথা নাপাতো

— যাম আৰু আহিম। কিন্তু লগ পোৱাৰ পাছত কথা আৰু শেষ নহয়। অন্তহীন কথাৰ চাকনৈয়াত সকলো সময় যেন হেৰাই যায় ত্ৰিনয়ন দত্তৰ।

যাৰাণ্ডাত থিয় দিয়েই সচকিত হৈ উঠিল ত্ৰিনয়ন দত্ত। কোনোবা আহিছে নেকি? বোৱাৰীয়েক আৰু মণিৰ লগত কথা পাতিবলৈ এই সময়ত কোন আহিব পাৰে ত্ৰিনয়ন দত্তই অনুমান কৰিব নোৱাৰিলে। এবাৰ ভাবিলে বিহু বুলি অৱশেষত বেণু আহিলেই বা কিজানি। কিন্তু মাতটো বেণুৰ যেন নালাগিল ত্ৰিনয়ন দত্তৰ।

ঘৰৰ ভিতৰত চতুৰ্থ ব্যক্তিৰ সলনি ত্ৰিনয়ন দত্তই আৱিষ্কাৰ কৰিলে সৰু টিভি এটা, ক'লা-বগা। মণি আৰু বোৱাৰীয়েকে টিভিৰ সন্মুখত বহি আছে। কিন্তু টিভিটো হঠাতে আহিল ক'ৰ পৰা? তেওঁ অলপ আগতে ওলাই যোৱাৰ সময়তো ঘৰখনত টিভি এটা নাছিল। ত্ৰিনয়ন দত্তৰ মনত আছে আগতে ৰেডিঅ' এটা আছিল ঘৰখনত। বেয়া হোৱাৰ পাছত বহুত দিন তেনেকৈয়ে পৰি আছিল ৰেডিঅ'টো। তাৰপাছত বেণু এবাৰ আহোঁতে ক'ৰবাত ভাল কৰিবলৈ দিম বুলি লৈ গৈছিল ৰেডিঅ'টো। তাৰ পাছত সেইটো আৰু ঘূৰি নাহিল। সোধো সোধো বুলি ত্ৰিনয়ন দত্তই বেণুক আৰু সুধিব নোৱাৰিলে কথাটো।

ত্ৰিনয়ন দত্তই নিঃশব্দে মণিৰ কাষতে থকা চকীখনত বহি আচৰিত হৈ টিভিটোলৈ চালে। মণিয়ে ইমান সময়ে ত্ৰিনয়ন দত্তৰ প্ৰতিক্ৰিয়াকেই লক্ষ্য কৰি আছিল। তাই আৰু মনে মনে থাকিব নোৱাৰিলে।

ঃ কমল খুৰা আহিছিল, সেইতাই টিভিটো দি পঠিয়াইছে আৰু তুমি যে আগতে পোন্ধৰ আগষ্টৰ দিনাখন পতাকা উৰুৱাইছিলা — সেই বাঁহডালতে খুৰাই এণ্টেনাডাল লগাই দিছে।

একেই নিঃশব্দতাৰে ত্ৰিনয়ন দত্তই মণিয়ে সহজভাৱে কোৱা কথাবাৰৰ অন্য এটা দৃশ্যৰূপ কল্পনা কৰি চালে। প্ৰতিটো ঘৰতেই পতাকাৰ সলনি এণ্টেনা উৰিব ধৰিছে। দুৱাৰ-খিড়িকী বন্ধ কৰি সৰু কোঠালি এটাত মানুহবোৰে অনুভৱ কৰিছে স্বাধীনতাৰ পৰম্পৰা। অন্য এক স্বাধীনতা।

যোৱা কেইবছৰমানলৈকে, পৰম উৎসাহেৰে ২৬ জানুৱাৰী অথবা ১৫ আগষ্টৰ দিনাখন পতাকাখন উৰুৱাই এক অদ্ভুত আনন্দ পাইছিল ত্ৰিনয়ন দত্তই। ফুলৰ পাহিবোৰ পতাকাখনৰ ভাঁজে ভাঁজে সুমুৱাই দি বুকুত অনুভৱ কৰিছিল তাৰ সুবাস। পতাকাখন

উত্তোলন কৰাৰ সময়ত বেণুটো ক'ৰবাৰ পৰা দৌৰি আহি পতাকাখনৰ তলত হাজিৰ হৈয়েই উদাত্ত কণ্ঠেৰে আবৃত্তি কৰিছিল ... জন গণ মন অধিনায়ক জয় হে ...। মাজৰ শাৰীবোৰ প্ৰায়েই কেনা লাগিছিল তাৰ। তথাপিও সামৰণিটো কিন্তু সি সুন্দৰভাৱেই শেষ হোৱাৰ আগতেই গাই শেষ কৰিছিল। তাৰ পাছত উৎসাহেৰে দেউতাকৰ ফালে চাই চিঞৰি উঠিছিল।

ঃ দেউতা, মিঠাই ক'ত?

ঃ মিঠাই কিয়?

ঃ বাহ্ স্বাধীনতাৰ মিঠাই।

বৰ ভাল পাইছিল বেণুৱে মিঠাই খাবলৈ, লাড়ু-পিঠা খাবলৈ। বিহুৰ সময়ত ব'দজাক পিঠিত লৈ তেল-নিমখ সনা এবাটি মাহ-কড়াই শেষ নোহোৱালৈকে সি আৰু একো কথাই ভাবিব পৰা নাছিল।

ঃ কমল বাৰু যাওঁতে সোমাই যাব নে বোৱাৰী?

ঃ মই সোধা নাই।

ঃ কিয় সোধা নাই? দুটামান লাড়ু, দুখনমান পিঠা, কেইটামান মাহ-কড়াই তাৰ হাততেই বেণুলৈ পঠিয়াই দিব পাৰিলা হয়।

ঃ পঠিয়াই দিবলৈ আছেনো কিমান?

ত্ৰিনয়ন দত্তই একো নক'লে। মনে মনে থাকিল। বোৱাৰীয়েকৰ উত্তৰবোৰ আজিকালি যিমানেই চুটি হৈ যাব ধৰিছে, সিমানেই তাৰ চোক যেন বাঢ়ি গৈছে। ত্ৰিনয়ন দত্তই অনুভৱ নকৰাকৈ নাথাকিল। আৰু লগে লগে কিবা এক অনিশ্চয়তাৰ আশংকাত ত্ৰিনয়ন দত্ত যেন অৱশ হৈ পৰিল। চুটি হৈ হৈ এদিন চাগে' বোৱাৰীয়েকৰ উত্তৰবোৰ নোহোৱা হৈ যাব। হয়তো মণি মণি বুলি চিঞৰি থাকিলেও ত্ৰিনয়ন দত্তৰ চিঞৰ মণিয়ে আৰু নুশুনিব। পৃথিৱীত বাঢ়ি যাব তাৰ নঞাৰ্থক প্ৰতিক্ৰিয়া। তেতিয়া বাৰু কি কৰিব মানুহবোৰে! কাৰ লগত কথা পাতিব, কাৰ লগত হাঁহি এটা মাৰিব, কাৰ দুখত শোকাভিভূত হৈ চকুপানী টুকিব! চাগে' পৃথিৱীৰ সকলো মানুহ এদিন টি ভিৰ ভিতৰলৈ সোমাই যাব আৰু কাৰোবাৰ নিৰ্দেশত, কোনো ধৰণৰ নিবিড়তা, অন্তৰংগতা অনুভৱ নকৰাকৈয়ে কাল্পনিক সময় আৰু সীমিত পৰিসৰৰ মাজত পৰাধীন কৰিব নিজস্ব অনুভূতিবোৰ। এয়াই হ'ব পৃথিৱীৰ ভৱিষ্যৎ।

বেণু নাহিলেও, বেণুৱে পঠিয়াই দিয়া সৰু টিভিটোৰ পৰ্দাখনৰ মাজতেই বেণুক দেখা পাব বুলি আকৌ এবাৰ শংকিত হৈ উঠিল ত্ৰিনয়ন দত্ত। ✤

ধৰ্ষণ

It is one of those nights tonight when life turned loose, runs naked crying in the inhuman wilderness ...

– Nocturne / Patrick Morgan.

এতিয়া অমানিশা! নাই জোনাক!

মোক নুসুধিবা, সঠিক নাজানোঁ মই, এতিয়া দিন নে ৰাতি! অথবা, দিনটো ৰাতি, নে ৰাতিটো দিন! মনত আছেনে ছেক্সপীয়েৰৰ অথেলোৰ কথা! অথেলোই যেনেকৈ ভাবিছিল ইয়াগোৰ কথা!

I think, thou art just
I think, thou art not.
যদি ময়ো ভাবোঁ এনেকৈ!
এয়া দিন, এয়া দিন নহয়।
এয়া ৰাতি, এয়া ৰাতি নহয়।
কিয় এই বিভ্ৰান্তি!

ক'ত হেৰাল আমাৰ পৃথিৱী, আমাৰ প্ৰেম, আমাৰ মানৱতা, আমাৰ অভীপ্সা! তুমি দেখোন কৈছিলা :

'প্ৰেমত ঘূৰে ভূমণ্ডল
প্ৰেমত ফুলে শতদল!'

চমাৰচেট মমৰ অফ হিউমেন বন্দেজ পঢ়াৰ পাছত মমৰ দৰেই ভাবিছোঁ মই — প্ৰেমত নহয়, অৰ্থ-ঐশ্বৰ্যৰ বাবে ঘূৰে ভূমণ্ডল। অৰ্থ হ'ল ষষ্ঠ ইন্দ্ৰিয়, যাৰ অবিহনে আমি আমাৰ আন ইন্দ্ৰিয়বোৰক অধীনত ৰাখিব নোৱাৰোঁ। অৰ্থৰ বাবেই আছে পৃথিৱীৰ গতি, শক্তি, পৰম শক্তি।

পৰম শক্তিৰ অধীনত এখন পৃথিৱী। চিনাকি নহয় অচিনাকি।

বি হেৰাল, তাৰ বাবে নুটুকিবা চকুপানী। চকুপানীয়ে লেউজীয়া কৰিব নোৱাৰে তোমাৰ জীৱনৰ সপোন।

কোনোবাই ৰাখিছেনে তাৰ খবৰ?

খবৰ মাথোঁ খবৰ।

ক্রিয়া-প্রতিক্রিয়াৰ ঊৰ্দ্ধত জীৱনটো যেন এটা খবৰ। অথবা চাইমন পটাৰ আৰু গেৰিফাংকেলৰ গানৰ দৰে, জীৱনটো এটা চিগাৰেটৰ দৰে ...

মোৰ মনত আছে ক'ৰবাত পঢ়া— পাতৰ সময় আছে সৰি পৰাৰ।

কিন্তু অসময়তে যদি সৰি পৰে? তুমি ক'বা নেকি কৰ্মফল বুলি!

ধৰ্ষণ, হত্যা, লুণ্ঠন, অপহৰণ এতিয়া পৃথিৱীৰ প্ৰাত্যহিকতা।

ধৰ্মৰ ধ্বজা উৰুৱাই ক'ত তোমাৰ অৱতাৰ?

ধৰ্ম? সুবিধাবাদৰ ৰাজনীতি। ৰাজনীতি মানে নাক-মুখ কোচোৱা কথা নহয়। ৰাজনীতি জীৱনৰ স'তে একত্ৰিত। একো নজনা ভাও ধৰি, দুচকু মুদি কাউৰীৰ বাহত গোটেই জীৱন কটাব নোৱাৰি। চকু মেলি চাব লাগিব।

কিন্তু চালেই জানো ধৰিব পাৰি দিন নে ৰাতি? ৰাতি নে দিন?

দুৰ্ঘটনাত পতিত হোৱা ট্ৰেইনখনত যদি তোমাৰ কোনো আত্মীয় নাথাকে, তুমি উদ্বিগ্ন নোহোৱা। সুঠাম, পাহোৱাল ডেকা এজন চৰকাৰী অথবা বেচৰকাৰী বুলেট এটাৰ চিকাৰ হ'লে তুমি উদ্বিগ্ন নোহোৱা, কিয়নো তেওঁ তোমাৰ তেজ-মঙহৰ কোনো নহয়। কোনোবা এজনী ধৰ্ষিতা হ'লে, তুমি উদ্বিগ্ন নোহোৱা, কিয়নো তাই তোমাৰ দুহিতা, মাতৃ অথবা ভগ্নী নহয়। যদি সেই ট্ৰেইনখনত তুমি থাকা। যদি সেই বুলেটৰ লক্ষ্য তুমি হোৱা! যদি ধৰ্ষিতাজনী তোমাৰ দুহিতা, মাতৃ অথবা ভগ্নী হয়। অৱশ্যে তেতিয়াহে তোমাৰ মূৰত পৃথিৱীখন ভাগি পৰিবনে? তেতিয়াহে তুমি চিঞৰিবানে? আনৰ চিঞৰ শুনিছানে কেতিয়াবা?

পাবলো নেৰুডাৰ কবিতা পঢ়িছানে কেতিয়াবা? 'আৰু কোনো থকা নাই জীয়াই এই কাৰখানাত ...' আন্ধাৰৰ স'তে সহ অৱস্থান কৰি, পোহৰ ভালপোৱা মানুহক ইতিকিং কৰা।

তোমাৰ জীৱন মৃত্যুৰেই নামান্তৰ।

তোমাৰ বাবে নদী নহয় নিৰৱধি। দিন নে ৰাতি তোমাৰ বাবে অনৰ্থক প্ৰশ্ন।

হয়তো বেছিভাগেই এনে মানুহ।

ময়ো সিহঁতৰেই এজন নেকি? উন্মত্ত উন্মাদ নঞাৰ্থক মানুহৰ সমাৱেশত মুখ বহুতো থাকে, কিন্তু মগজ কম — ক'ৰবাত পঢ়িছিলোঁ। এনে সমাৱেশত জানো লুকাই থাকে শিল্পী, জনতাৰ প্ৰাণে প্ৰাণে ...।

সাৰে শুই থকা মানুহক তুমি কেনেকৈ কৰিবা আহ্বান — জননীৰ সন্তান জাগা।

কাউৰীৰ বাহত শুই আছে কুলি চৰাইৰ দৰে এই মানুহবোৰ, দিন-ৰাতিৰ উৰ্ধ্বত বিচৰণ কৰি। সেইবাবেই এই সন্দেহ। এই মানুহবোৰ জীৱিত নে মৃত।

জীৱন আৰু মৃত্যুৰ সীমাৰেখা ক'ত?

জীৱন কি? সম্ভাৱনা — আশা।

তেনেহ'লে মৃত্যু।

মৃত্যু পৰিসমাপ্তি। সপোনহীন অমানিশা। নিথৰ এটা পখিলা। শেঁতা এখন ৰামধনু।

বৃত্তিত মই সাংবাদিক। সাংবাদিকৰ সামাজিক দায়বদ্ধতাৰ কথা পঢ়িছোঁ। মোৰ মাজত তাৰ অভাৱৰ কথাও অনুভৱ কৰিছোঁ। ইচ্ছাকৃত অনীহাৰ বাবে যন্ত্ৰণাৰ কৰাটি শিলত নিজকে পৰীক্ষা কৰি চোৱা নাই কেতিয়াও।

আগতে খবৰ বিচাৰি ফুৰিছিলোঁ। এতিয়া খবৰে মোক বিচাৰি ফুৰে।

ঠিক ধৰিছে, সেইবাবেই আধা সঁচা, আধা মিছা কথাৰে ত্ৰিলকে তাল কৰাৰ সাধু কথা — সাধু কথা সাধু কথা কতনা কথা। গৰমে গৰমে পৰিৱেশন কৰোঁ সকলো কথা। বাতানুকুল কোঠালিত বহি লেখোঁ, তোমাৰ ঘামৰ টোপালৰ কথা। আলকতৰাত লাগি ধৰা তোমাৰ খোজৰ কথা, জীৱনৰ স্থিতিস্থাপকতা।

দেউতাই ভাবিছিল — মই চিকিৎসক হ'ম।

মই বিজ্ঞানৰ ছাত্ৰ আছিলোঁ। তাৰ পাছত এদিন দেউতাৰ ইচ্ছাৰ বিপৰীতে ইংৰাজীত সন্মানসহ মই স্নাতক মহলাত নাম ভৰ্তি কৰিলোঁ। দেউতাই ক'লে ঃ তাৰ মুখটো কোনে খালে।

চিকিৎসক অথবা ইঞ্জিনীয়াৰ, তাৰ উৰ্ধ্বত দেউতা তথা আমাৰ অভিভাৱকৰ চিন্তাৰ তৰংগ তেনেই ক্ষীণ। চিনাকি পৰিসীমাৰ ভিতৰতেই তেখেতসকলৰ চিন্তা-ভাৱনা গুজৰি-গুমৰি উঠে। যেন চিৰিয়াখানাৰ বাঘ।

চিকিৎসক হোৱা, ইঞ্জিনীয়াৰ হোৱা, কিন্তু কোৱা শুনা নাই কেতিয়াও, তুমি মানুহ এজন হোৱা। ভাবিছিলোঁ, এই দৈন্যতাৰ কথাকেই কম প্ৰচাৰ মাধ্যমত। কিন্তু কোৱা নাই।

আচলতে মই নিজকে যিমান সাহসী বুলি ভাবিছিলোঁ, সিমান নহয়।

তেনেহ'লে মই কাপুৰুষ?

এতিয়ালৈকে কিমান বাৰ মৃত্যু হৈছে মোৰ? 'মৃত্যু ইয়াত, মৃত্যু তাত, মৃত্যু সৰ্বত্ৰ'?

কিন্তু তুমিতো কৈছিলা— মানুহ মৰিব পাৰে, কিন্তু পৰাস্ত হ'ব নোৱাৰে।

পৃথিৱীত ইমান মানুহ ..., মৰিছে সে পৰাস্ত হৈছে। হিৰোচিমা, নাগাচাকি, ইৰাক-আফগানিস্থান সকলোতে মৃত্যুৰ প্ৰতিচ্ছবি। চৌদিশে অহেতুক ৰণ উন্মাদনা। ৰাষ্ট্ৰ সংঘৰ মজিয়াত ঐয়াহেৰা। পৃথিৱী পক্ষাঘাতগ্ৰস্তা।

সেই যন্ত্ৰণাক আওকাণ কৰি সৰ্বত্ৰ এতিয়া ওখ ওখ ইমাৰত।

ইমাৰতবোৰ ইটোতকৈ সিটো ওখ। পৰম শক্তিৰ প্ৰতিযোগিতা। মাটিৰ পৰা কোনে কিমান দূৰত থাকিব পাৰে। ধুনীয়া ধুনীয়া ইমাৰতবোৰ কৃষ্ণচূড়াৰ দৰে। মাটিৰ গভীৰলৈ নাযায় তাৰ শিপা। শিল্প বাণিজ্য সহৰৰ কেন্দ্ৰস্থল সেয়েহে ভৰি পৰে ধূই, ধূই, ধোঁৱাৰে। বাতানুকুল কোঠালিৰ মিঠা মাদকতা, মায়াময় এটা সন্ধিয়া পলকতে হয় তেজে তুমবলি। কঢ়াল লাগি শুকাই যোৱা তেজত এতিয়া বাটৰ ধূলি।

চোৱা, এয়া তুমি, তোমাৰ কবৰস্থান।

তোমাৰ কণ্ঠ নিস্তেজ। তুমি আৰু নাগাবা পল ৰবচনৰ গান— 'আমি হ'ম হ'মেই সফল ...

চকুপানীৰে মচিব নোৱাৰি তেজৰ দাগ। মচি লোৱা তোমাৰ চকুপানী। নহ'লে হাঁহিব ঘঁৰিয়ালে।

নিৰুদ্বিগ্ন বিশ্ববাসী। ইৰাকত বোমা বৰ্ষণ। আৰু একে সময়তে দক্ষিণ আফ্ৰিকাত ক্ৰিকেটৰ উন্মাদনা।

মানৱতাৰ কথা আৰু নক'বা। যি মন যায় তোমাৰ, তেনেকৈয়ে ভাবা। ক'ৰবাত ক্ৰিকেট, ক'ৰবাত মৃত্যু। চৌদিশে মাথোঁ খেলা। খেলাৰ ছলেৰে কোৱা: তেজ নহয় তেলৰ দাম অধিক। জীৱন নহয় মৃত্যুৰ প্ৰয়োজন বেছি।

দিন নহয় এতিয়া ৰাতি। চোপনি হেৰুৱাই কুকুৰ ভিতৰতে চটফটাই আছে ৰাতিটো।

খবৰবোৰে মোক খেদি আহিছে। কলমৰ ভিতৰলৈ সোমাই আহিছে তাৰ আৰাও। কেনেকৈ শান্ত কৰোঁ মই সিহঁতক। কেনেকৈ দিওঁ অশ্বত্থামাৰ মৃত্যুৰ বতৰা। কেনেকৈ কওঁ তোমাক পৰস্পৰে পৰস্পৰৰ প্ৰতি কৰা ষড়যন্ত্ৰৰ কথা। কেনেকৈ দিওঁ তোমাক দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ বতৰা।

মই জানোঁ — তুমিয়েই কৰিছা দ্ৰৌপদীক বিবস্ত্ৰা। তুমিয়েই হত্যা কৰিছা অভিমন্যুক। কৰ্ণক জন্ম দি তুমিয়েই কৰিছা উপহাস। তুমিয়েই হৰণ কৰিছা সীতাক। ধৰ্ষণ কৰিছা পৃথিৱীক। তোমাৰ ডিঙিত কেনেকৈ টিলিঙা আঁৰিম কোৱা।

জানোঁ তুমি সাৰে আছা।

বৰ্ণালীৰ কথা তুমি জানা। সেই কণমানি ছোৱালীজনী।

নিঃসহায় দেউতাকৰ চকুৰ আগতেই ধৰ্ষিতা হ'ল। আৰু তুমি গান্ধাৰীৰ দৰে দুচকুত কাপোৰ বান্ধি প্ৰভু ভক্তিৰ চূড়ান্ত আনুগত্য দেখুৱালা।

কিয় এই প্ৰীতি?

আন্ধাৰতেই আমাৰ জন্ম। সেই কাৰণে?

বীজটো মাটিৰ তলত আন্ধাৰতেই থাকে। লাহে লাহে অংকুৰিত হয় সি। জীৱনৰ প্ৰয়োজনত দুহাত মেলি দিয়ে ৰ'দ, বতাহ, পানী বিচাৰি। ওপৰলৈ যোৱাৰ প্ৰৱণতাই প্ৰসাৰিত কৰে তাৰ আকাশ।

আৰু ওখ হয় ইমাৰতবোৰ। ধুনীয়া ধুনীয়া ইমাৰতবোৰ, কৃষ্ণচূড়াৰ দৰে। মাটিৰ গভীৰলৈ নাযায় তাৰ শিপা।

আমাৰ শিপা কিমান গভীৰলৈ আছে? কোনোবাই ৰাখিছে জানো তাৰ খবৰ? নে শিপা নাই আমাৰ? পানী মেটেকাৰ দৰে উপঙি আছোঁ, সোঁতৰ স'তে সোঁত সলায়। কোকলুঙাৰ দৰে ৰঙ সলায়। তেনেকৈয়ে আখৰা কৰোঁ বাৰে বাৰে, কেনেদৰে তোমাৰ দুখত নমাই আনিব পাৰোঁ বিষণ্ণ প্ৰহৰ মোৰ দুৱাৰ মুখলৈ। কেনেকৈ বিৰবি কওঁ কথিত কাহিনীবোৰ মোৰ ব্যৱসায়ৰ অনুকূলে।

মই সঞ্জয়। তুমি দিয়া দিব্য চকুৰে ধাৰাবিবৰণী দিওঁ মই কুৰুক্ষেত্ৰৰ। ন্যায়-অন্যায়ৰ তুলনাচনীত বাৰে বাৰে ঠেকা খায় মোৰ কল্পনাৰ পৃথিৱী। ৰুদ্ধ হৈ পৰিব খোজে মোৰ কণ্ঠ। কাক কওঁ মই পৃথিৱীৰ কথা। কাক কওঁ ধৰ্ষিতা মোৰ আইৰ কথা।

তোমাকেই কওঁ।

তুমি দেখোন প্ৰায়েই কোৱা। আইৰ কোনো দেশ নাই। পৃথিৱী আমাৰ আই।

তোমাকেই কওঁ। নহ'লে কোনে বুজিব আইৰ যন্ত্ৰণা, দুখ-বেজাৰৰ কথা।

কিন্তু তুমিতো ধৃতৰাষ্ট্ৰ। ধৰ্ষিতা পৃথিৱীৰ নপুংসক সাক্ষী।

দাপোণখন চাই চাই মই তাকেই ভাবিছোঁ।

তুমিতো ধৃতৰাষ্ট্ৰ। ধৰ্ষিতা পৃথিৱীৰ নপুংসক সাক্ষী।

খবৰ মোৰ বৃত্তি, ব্যৱসায়। ব্যৱসায়ত আছে প্ৰতিযোগিতা।

খবৰবোৰ সাৱধানেৰে নিৰ্বাচন কৰিব লাগে। তাৰ বজাৰ দৰ নিৰূপণ কৰিব লাগে। অংক কৰি উলিয়াব লাগে। তেজ আৰু ঘামৰ অনুমোদিত অনুপাত। সঁচা-মিছাৰ সংমিশ্ৰণেৰে। বিশ্বাসযোগ্য কৰি তুলিব লাগিব তাৰ পৰিৱেশ। নহ'লে ৰাতিপুৱা, চাহৰ পিয়লাত কেনেকৈ নামি আহিব ধুমুহা। ধুমুহাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া।

ভূপালৰ গেছ দুৰ্ঘটনা।
গুণ্টুৰৰ প্ৰাকৃতিক দুৰ্যোগ।
গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষ।
কাশ্মীৰ, উত্তৰ পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদ।
ভাৰত কোন? বাপুজী নে নাথুৰাম? ৰাম নে ৰহিম?

দুচকুত ক্লান্ত, স্বাধীনতাৰ সপোন। বুকুত মজ্জাগত পৰাধীনতা।

তোমালোকৰ কৃপাত মেকদাও দান কৰি আহি এতিয়া হৈছোঁ। মগনীয়া।

মগনীয়াৰ পছন্দ-অপছন্দৰ মূল্য কিমান? স্বাধীনতা অথবা পৰাধীনতা অৰ্থহীন কথা। তোমালোকে মৌ-মিঠা কথাৰে স্বাধীনতাৰ নামত মোৰ আইক তুলি দিছিলা এদিন সিংহৰ হাতত।

এতিয়া তুলি দিছা মোৰ আইক নাহৰফুটুকীৰ হাতত।
ব্যৱসায়ৰ কাৰণে ভাটৌৰ মুখত দিলা বিশ্বায়ন আৰু বিশ্বশান্তিৰ বতৰা।
ভোকৰ ভাত মুঠিৰ কথা একো নক'লেও ক'লা ৰাম মন্দিৰৰ কথা।

কলা সন্ত্ৰাসবাদৰ শেষ বিন্দু নিপাত নোহোৱালৈকে এই যুদ্ধ শেষ নহয়। স্বাগতম তোমালৈ! বিশ্ব-শান্তি তোমাৰ জীৱনৰ ব্ৰত। তাৰ স্বাৰ্থতেই প্ৰতি বছৰে তোমাৰ সামৰিক শক্তিৰ বাবে খৰচ কৰিছা ৪৫০ বিলিয়ন ডলাৰ। আৰু দুখীয়া দেশবোৰৰ উন্নতিৰ অৰ্থে অনুমোদন কৰিছা মাথোঁ ১২ বিলিয়ন ডলাৰ।

তুমি ঠিকেই কৈছা — শেষ নহয় এই যুদ্ধ। যুদ্ধ শেষ হ'লেই শেষ তোমাৰ ৰাজত্ব, তোমাৰ অস্তিত্ব।

কিন্তু মোৰ অস্তিত্ব?

তুমিয়েই মোৰ অস্তিত্ব। তোমাৰ মাজতেই ব্যপ্ত হৈ আছোঁ মই। দিন-ৰাতি একাকাৰ কৰি তোমাৰ কাৰণেই ঢপলিয়াই ফুৰোঁ মই।

সেই কাৰণেই চাগে' তুমি মোক জীয়াই থাকিবলৈ দিছা। মোৰ প্ৰতি দেখুৱাইছা অপৰিসীম কৰুণা। মোক কৈছা — মেৰিডিঙ্গো হোৱা, জীয়াই থকা।

মোক শিকাইছা নিউটনৰ নতুন সূত্ৰ : সকলো ক্ৰিয়াৰে সমান আৰু বিপৰীত প্ৰতিক্ৰিয়া নাথাকে। কিছুমান ক্ৰিয়াৰ মাথোঁ ক্ৰিয়াহে থাকে।

সেইবাবেই জনতাৰ নেতা হোৱাৰ পাছত তুমি কৈছিলা : আজিহে পালোঁ বুজি, স্বাধীনতাৰ সোৱাদ কি। কৰ্ম কৰা। স্বাধীনতাৰ সোৱাদ লোৱা। ফলাফল ফলদাতা বিভুৰ হাতত।

কিন্তু ঘটনাবোৰ ঘটাৰ সময়ত ক'ত থাকে ভগৱান?

চাগে' দ্ৰৌপদীয়ে ক'ব পাৰিব।

কিন্তু বৰ্ণালীয়ে কেনেকৈ ক'ব?

তাইৰ মৃত্যু হ'ল। আৰু আমি ...? চকু, কাণ, মুখত হাত দি থকা বান্দৰ কেইটাৰ দৰেই গোৱাৰ। গান্ধীৰ দৰেই দুচকুত কাপোৰ বান্ধি পৰম প্ৰশান্তি : নেদেখিবলগীয়া একো দেখা নাই।

পৃথিৱী ইমান সুন্দৰ।

ফুল-পখিলা-গান-জোনাক। — যেন বিতোপন সপোন, তৰা ভৰা এমুঠি আশা।

সঁচানে এই সকলো কথা?

সঠিক নাজানোঁ। মোক নুসুধিবা। ক'বলৈ মন যোৱা নাই মোৰ। মোৰ মগজুত ঘূৰি আছে মাথোঁ এটা শব্দ : ধৰ্ষণ।

ইণ্ডিয়া টুডেখন হাতত লৈ জুকিয়াই চাইছোঁ খবৰবোৰ।

দিল্লী ২৭ জুলাই। ২০০২ — চাৰিজন মানুহে তিৰোতা এজনীক সিহঁতৰ গাড়ীখনলৈ টানি নি দেখিলে, গাড়ীখনত ঠাই বৰ কম। সিহঁতে তিৰোতাজনীৰ মোবাইলটোৰে কোৱালিচ গাড়ী এখন ভাড়াৰ বাবে লয়। কঠিন আইনাৰে আহল-বহল কোৱালিচখনতেই সিহঁতে তিৰোতাজনীক ধৰ্ষণ কৰে।

ডেৰাডুন, ২৪ আগষ্ট/২০০২ — আৰক্ষীৰ সহকাৰী আয়ুক্ত এজনে কিবা কামৰ অজুহাত দেখুৱাই তেওঁৰ সহকাৰীজনক ক'ৰবালৈ পঠিয়াই ছি.সহকাৰীজনৰ ২৭ বছৰীয়া ভনীয়েক বনিতাক ধৰ্ষণ কৰে।

মুম্বাই ১৬ আগষ্ট/২০০২, লোকখোকালিতেই আবু হাচান গাজীৰ দুৱাৰত টোকৰ মাৰি চাৰিজন সুপুৰুষ সোমাই আহিল ভিতৰলৈ। দুজন থাকিল বাৰাণ্ডাত পহৰাদাৰ হৈ। তেওঁলৈ টোৱাই থকা চোকা ছুৰীকেইখন কাললৈ চাই চাই অসহায় গাজী আৰু বেছি অসহায় হৈ পৰিল। দহজনেই নিৰ্বিবাদে গাজীৰ ভনীয়েকক ধৰ্ষণ কৰি আঁতৰি গৈছিল।

মুম্বাই ১৫ আগষ্ট/২০০২ — মলাড়ী চালিস থানে চাৰ্চ গেটৰ পৰা বৰিভিলিলৈ অহা চলন্ত ট্ৰেইনখনত সাতজন যাত্ৰীৰ চকুৰ আগতেই বাৰ বছৰীয়া ছোৱালী এজনীক ধৰ্ষণ কৰে।

১৯৯৭ চনৰ ছেপ্টেম্বৰ মাহত জয়পুৰত এজনী ভিখোতা ধৰ্ষিতা হৈছিল। তাৰ স্মৃতি সজীৱ হৈ থকাৰ সময়তে ১৯৯৮ চনৰ মে' মাহত চাৰিজন মানুহৰ হাতত আকৌ ধৰ্ষিতা হ'ল তাই। অভিযোগ কৰিলে তাই আৰক্ষীৰ অতিৰিক্ত অধীক্ষক এজনৰ ল'ৰা আৰু স্থানীয় ৰাজনীতিবিদ এজনৰ জোঁৱায়েকৰ নামত। প্ৰতিবাদৰ জোৱাৰ উঠিল। তেতিয়াৰ মুখ্যমন্ত্ৰী ভৈৰৱ সিং শেখাৱটে বিশেষ বাহিনীৰ হাতত তদন্তৰ ভাৰ ন্যস্ত কৰিলে। তদন্তৰ কাৰণেই চলি আছে তদন্ত। মীমাংসা হোৱা নাই এতিয়াও। কেনেকৈ হ'ব।

চোৰৰ বিচাৰ ডকাইতে কেনেকৈ কৰিব?

আৰু নকৰিলেই যেনিবা কাৰ কিনো ক্ষতি?

স্মৃতিৰ স'তে আছে বিস্মৃতি।

গান্ধাৰীৰ দৰে চকুত কাপোৰ বান্ধি প্ৰমাণ কৰা আত্মাৰ প্ৰতি তোমাৰ আনুগত্য কিমান।

কাপুৰুষ তোমালোক।

কাপুৰুষৰ আন্তৰিকতা, হাঁহি উঠা কথা।

ক'ত সেই মানুহ?

ক'ত সেই পুৰুষ?

তুমিয়েই কৈছিলা, অন্যায় যিজনে কৰে আৰু অন্যায় যিজনে সহে দুয়োজনেই কাপুৰুষ। দুয়োজনেই অমানুহ? কোনোবা পুৰুষ, কোনোবা কাপুৰুষ।

আৰু তাৰ মাজৰজন চাগে' মহাপুৰুষ। তেখেতৰ কথা শিলৰ ৰেখা। তেখেতৰ বাণী অমৃত সমান। এই অমৃত বাণীয়ে পাহৰাব পাৰেনে ধৰ্ষিতা হোৱাৰ যন্ত্ৰণা? এই অমৃত বাণীয়ে কাপুৰুষক কৰেনে মহাপুৰুষ? যদি নকৰে কিহলৈ তোমাৰ জন্মদিন?

কিহলৈ তোমাৰ মৃত্যু তিথি?

দেশখন বণিকৰ হাতত বিক্ৰী কৰি কিহৰ কাৰণে ১৫ আগষ্টৰ স্মৃতি সজীৱ কৰি ৰাখিব লাগে। মনত আছে ১৯৪৭ ৰ ভাৰত বিভাজনৰ কথা — যি বিভাজনত মৃত্যু হৈছিল ১.৩ নিযুত মানুহৰ, স্থানান্তৰিত হৈছিল ১.৫ নিযুত মানুহ। ভাৰতত শৰণাৰ্থী হৈছিল ১.২৫ নিযুত মানুহ আৰু ধৰ্ষিতা হৈছিল ১ লাখ মহিলা। নাই হোৱা একো সলনি। স্বাধীনতাৰ ৬০ বছৰৰ পাছতো সেই একেই বুৰঞ্জী। এতিয়ালৈকে কাশ্মীৰত মৰিল ৭০ হেজাৰৰো অধিক মানুহ।

ভাগ্যৰ কি পৰিহাস বাপুজী!

অহিংসা নহয় হিংসাই পৰম ধৰ্ম।

সাম্প্ৰদায়িক আৰু সন্ত্ৰাসবাদৰ প্ৰেক্ষাপটত আমাৰ তক্ষকবোৰে দেশখনকেই ধৰ্ষণ কৰিছে নিৰ্বিবাদে। হায় মোৰ সুজলা, সুফলা, শস্য-শ্যামলা দেশ, তুমি এতিয়া পথত! ভূ-লুণ্ঠিতা! ক'ৰবাত বোমা পেলাই হৰণ কৰা হৈছে তোমাৰ স্বাধীনতা। আৰু ক'ৰবাত দুমুখীয়া নীতিৰ ধাৰাৰে, অৰ্থনৈতিক অৱৰোধেৰে স্বাধীনতাৰ ডিঙি কাটি পেলোৱা হৈছে শীতল মস্তিষ্কৰে।

আমাৰ তেজৰ নদীত তোমাৰ নৌকা-বিহাৰ।
আমাৰ তেজৰ বেহাই তোমাৰ জীৱন।
দেশ, ভাতৃ, ভগ্নী, মাতৃ সকলো পণ্য।
স্বাধীনতাৰ দৰ-দাম কৰা।
অৰ্থৰ বিনিময়ত বিক্ৰী কৰা তোমাৰ সতীত্ব।

কেনি গ'ল উটি-ভাঁহি, তোমালোকৰ প্ৰতিশ্ৰুতি? স্বাধীনতাৰ ৫৬ বছৰত, বিশ্ব স্বাস্থ্য সন্থাৰ প্ৰতিবেদন অনুযায়ী প্ৰতি ৫৪ মিনিটত ভাৰতবৰ্ষত ধৰ্ষিতা হয় এজনী নাৰী! প্ৰতিবছৰ অকল দিল্লী মহানগৰীত ধৰ্ষিতা হয় শতাধিক মহিলা।

উলংগ দেশৰ কুলাংগাৰ, ত্ৰিৰংগা পতাকা উৰুৱাই আমাক কোৱা স্বাধীনতাৰ কথা। কোৱা, প্ৰগতিৰ পথত আমাৰ দেশ মহান।

ধৰ্ষণৰ স্বাধীনতা আমাৰ প্ৰাত্যহিকতা।

এই সকলো কথা মাথোঁ একোটা খবৰ।

বাতৰি কাকতৰ পৃষ্ঠা পূৰণ কৰা কেইটামান শব্দ।

ৰাতিপুৱাৰ বজা চাহ পিয়লাৰ সৈতে অকণ আহাৰ। তাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া নিতান্ত হাস্যকৰ কথা। অনায়াসে তাৰ উৰ্ধ্বত আমি বাস কৰিব পাৰোঁ [illegible]। কোনো উদ্বিগ্নতা নাই। নাই কোনো প্ৰতিক্ৰিয়া।

মুম্বাইত চাৰ্চ গেটৰ পৰা বৰিভিলিলৈ অহাৰ বাটত ট্ৰেইনখনতেই ধৰ্ষিতা সৰু ছোৱালীজনীৰ কথা ভাবক। দবাটোৰ ভিতৰত থকা সাতজন যাত্ৰীয়ে যেনিবা ৰূপালী পৰ্দাতে উপভোগ কৰিলে সেই দৃশ্য।

হায়, নিৰুদ্বেগ, নিৰ্বিকাৰ জননীৰ সন্তান।

১৯৪৭ চনত আমি প্ৰতিজনেই আছিলো তিনিকুৰি টকাৰ মালিক। ২০০৩ চনত ১৭ লাখ কোটিৰো অধিক ঋণ মোৰ আইৰ কান্ধত। বিঘ্নিত হৈছেনে তোমাৰ টোপনি কেতিয়াবা! বিচলিত হৈছেনে কেতিয়াবা? নাই হোৱা। নিৰ্বিবাদে ভিৰ কৰিছু আমি বিগ বজাৰত, ইণ্টাৰনেটত।

ক্ৰিয়া-প্ৰতিক্ৰিয়া নিতান্ত হাস্যকৰ কথা।

যেতিয়াই অনুসূয়াক লগ পাওঁ, এইবোৰ কথাতেই পাতোঁ মই। তাই গম পায় — মোৰ খং উঠে। কথা পৰি যাওঁ থকাতে মই। মই গম পাওঁ। মোৰ খং উঠা নাই। আচলতে মই অনুসূয়াক দিব খোজোঁ এই প্ৰত্যয়, পৃথিৱীত এতিয়াও জীয়াই থকা দুই একজন মানুহৰ ভিতৰত মইো একজন। অনুসূয়া ইমান সহজ-সৰল ছোৱালী, তাই তাকে মই এতিয়াও নিউটনৰ তৃতীয় সূত্ৰত বিশ্বাস কৰোঁ।

তাই এদিন কৈছিল ঃ তোমালোকে পৰিৱেশন কৰা খবৰবোৰ ..., [illegible]। ধৰ্ষণ, হত্যা, অপহৰণ, বিস্ফোৰণৰ খোঁৱাৰে ভৰি পৰে [illegible] কাকতৰ পাতবোৰ।

প্ৰায়েই ভাবোঁ মই, সেই সময়তে এই ঘটনাবোৰ ঘটিলে আন কি খবৰ থাকিলে হয় তাত।

ৰণালি অথবা শেৱালি?
দ্ৰৌপদী অথবা জয়মতী?
চাদ্দাম অথবা জৰ্জ বুশ?
গান্ধী অথবা মেণ্ডেলা?
নাটকৰ দৰে খবৰবোৰ, উপন্যাসৰ দৰে একোটা [illegible]।

৩০ জানুৱাৰী / ১৯৪৮ চন। গধূলি পাঁচটা বাজি ত্ৰিশ মিনিট গৈছে।

দিল্লীৰ বিৰলা ভৱনৰ পৰা ওলাই আহিছিল এজন মানুহ প্ৰাৰ্থনা সভাত যোগ দিবলৈ। তাত সমবেত হোৱা প্ৰায় ৩০০ জন মানুহৰ ভিতৰত আছিল অন্য এজন মানুহ। নিচেই ওচৰৰ পৰা সেই মানুহজনে স্বয়ংক্ৰিয় নাইন এম এম বেৰেট্টাৰ তিনিটা গুলীৰে শুৱাই থৈছিল প্ৰাৰ্থনা সভাত যোগ দিবলৈ অহা মানুহজনক।

'শেষ নিশ্বাসৰ সময়ত উচ্চাৰিত হৈছিল তেখেতৰ মুখৰ পৰা — হে ৰাম!

ৰাম নে ৰহিম?

নাথুৰাম নে ভগত সিং?

কাৰ দেশ এইখন য'ত নিৰ্বিবাদে আমি হত্যা কৰোঁ, আমাৰ পিতৃক, আমাৰ মাতৃ, ভাতৃ, ভগ্নীক।

কিৰিলিয়াই, টকলিয়াই দ্ৰৌপদীক কৰোঁ বিবস্ত্ৰা।

তেনেকৈয়ে বাজি উঠিল মোৰ ম'বাইলটো।

কোৱা অনুসূয়া!

জয়াৰ কথা মনত আছেনে তোমাৰ? আজি আবেলি দুয়ো একেলগে তাইৰ ঘৰলৈ যাম। আহিবা।

জয়াৰ খবৰটো ময়েই পৰিৱেশন কৰিছিলোঁ। তাৰিখটো সঠিক মনত নাই। জয়া ২২ বছৰীয়া এজনী গাভৰু।

দেওবাৰৰ কোনোবা এটা গধূলি। ক'ৰবালৈ অকলে গৈ আছিল জয়াই। হঠাতে সশব্দে মাৰুতি ভেন এখন বৈ গ'ল তাইৰ নিচেই কাষতে। চিএৰিবলৈ সময় পোৱাৰ আগতেই দুজনে ততাতৈয়াকৈ তাইক টানি লৈ গ'ল ভেনখনৰ ভিতৰলৈ। নিমিষতে অদৃশ্য হৈ গৈছিল ভেনখন। ধৰ্ষিতা হৈছিল জয়া। তাই অভিযোগ কৰিছিল, আৰক্ষী বিষয়া এজনৰ পুত্ৰ আৰু স্থানীয় ৰাজনীতিবিদ এজনৰ ভতিজাকৰ নামত।

তিনিটা বছৰ পাৰ হৈ গ'ল। তদন্ত এতিয়াও শেষ হোৱা নাই।

অনুসূয়াৰ স'তে মই কেইবাদিনো লগ পাইছোঁ জয়াক। সান্ত্বনা দিবলৈ প্ৰায়েই জয়াক কৈছিলোঁ — জীয়াই থাকিবলৈ অতীততকৈ ভৱিষ্যতৰ প্ৰয়োজন বেছি।

জয়াই মোৰ দুচকুলৈ চাই কৈছিল: বি, অতীতে ভৱিষ্যতক গ্ৰাস কৰি নয়াই আনে সংশয় আৰু অবিশ্বাস, সেই অতীতক ইমান সহজতে পাহৰিব পাৰি জানো? আমাৰ বৰ্তমান, আমাৰ ভৱিষ্যৎ, অতীতৰেই প্ৰচ্ছায়া।

কিন্তু জয়া, অতীতক মহান কৰিবলৈ নহয়, ভবিষ্যতক উৎসাহিত কৰিবলৈহে আমি ইতিহাস অধ্যয়ন কৰোঁ। নহ'লে জীয়াই থকাৰ অৰ্থ অনুপ্ৰেৰণা কি?

দুটোপাৰ চকুলো নামি আহিছিল জয়াৰ দুগালেৰে। অনুৰাধাই মুখৰ চকুলো মচি দি কৈছিল ঃ আমি আছোঁ তোমাৰ স'তে। জয়াই কি ভাবি মূৰটো লৰালে। হঠাতে মোৰ কাণে চাই তাই ক'লে ঃ জীৱন অনিৰুদ্ধ, নাইবা অনিৰুদ্ধলা? মই কি ক'ম ভাবি পোৱা নাছিলোঁ। দেৱকান্ত বৰুৱাৰ কথা মনত পৰিছিল ঃ

জীৱনৰ উদভ্ৰান্ত ছন্দৰ অলে উতলা কৰিছে মোক
জানোঁ মই, গতি নাই মোৰ গতিৰ বাহিৰে

গতিশীল পৃথিৱীত স্থিতিশীল হৈ থাকিব নোৱাৰে কোনেও।
স্থবিৰতাই মৰণ।
গতিয়েই জীৱন।
কিন্তু গতি কোনফালে?

এজাক বৰষুণ দিলেই গুৱাহাটী একাকাৰ। বাট পথ, নলা-নৰ্দমা উপচি নাই পাৰাপাৰ। আগুৱাবলৈ এখোজ দিওঁ ক'ত? প্ৰতিটো খোজতে পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা।

পথ নহয়, নৰ্দমা। জীৱন নহয়, আৱৰ্জনা।

উপামণি চৌধুৰী, ক্ষমা কৰিবা। আমাৰ চূড়ান্ত অ...হেলাই পথক পৰিণত কৰিছে মৰণ ফান্দলৈ। এই মৃত্যু তাৰেই চানেকি।

চৰকাৰে তদন্তৰ কথা ঘোষণা কৰিছে।

মৃত্যুৰ সকলো আয়োজন সম্পূৰ্ণ কৰি যেন কৈছে ঃ আহা প্ৰমাণ কৰা, যদি মৃত্যু হয় চাবা, আমি তোমাৰ মৰণোত্তৰ ন্যায়ৰ বাবে তদন্ত কৰিম। বজোৱা, তদন্তৰ কথাকে ন্যায়ৰ ঢাক-ঢোল বজোৱা। মিষ্টাৰ ক্লীন, ৪১০টা বফৰ্ছ বৰটোপ কিনিছিলা ১,৪৩৭ কোটি টকাৰে। মধ্যভোগীয়ে খালে ৬৪ কোটি টকা। দুটা দশকৰ পাছতো এজনো দণ্ডিত নহ'ল।

হায় তোমাৰ তদন্ত।
ন্যায়ৰ অধিকাৰ আমাৰ নাই। আমাৰ আছে কৰ্মৰ অধিকাৰ।
কৰ্ম কৰা।
যোৱা কাশ্মীৰলৈ যোৱা। হত্যা কৰা সাধাৰণ মানুহক।
কাৰগিললৈ যোৱা, শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰা।

শত্ৰু কোন? সীমাৰ ভিতৰত নে সীমাৰ বাহিৰত? সীমাৰ ভিতৰত বিস্ফোৰণত কিয় মৰে ইমান মানুহ? কিয় লাইনচ্যুত হয় ৰেলৰ দবা? কিয় চমৰীয়া, নেলী, গুৰুবাটত আমি পৰস্পৰে পৰস্পৰৰ শত্ৰু হওঁ। সেই একেই চিৰকলীয়া খেলা। আমাৰ মাজত সন্দেহ আৰু সংশয়ৰ বীজ সিঁচি, নেপথ্যত ৰোপণ কৰা তোমালোকে মিত্ৰতাৰ বীজ তোমালোকৰ মাজত। আৰু আমি শত্ৰু হওঁ পৰস্পৰে পৰস্পৰৰ। আমাৰ মাজত অহেতুক অবিয়াঅবি। উন্মাদনাৰ বানপানীয়ে উটুৱাই নিয়ে আমাৰ চকুপানী। জুই, ছাই, ধোঁৱাৰে অস্পষ্ট আমাৰ আকাশৰ তলত চটফটায় ধৰ্ষিতা মাতৃ, ভগ্নী, দুহিতা মোৰ।

ধৰ্ষণ শব্দটোৱে মোক অশান্ত কৰি তুলিছে ক্ৰমশঃ।

জয়াক কোন স'তে সান্ত্বনা দিওঁ? সান্ত্বনাৰ নামত কেনেকৈ মিছা কথা কওঁ? অভিযুক্তৰ নাই কোনো অপৰাধ-প্ৰৱণতা। নিৰ্বিবাদে দপদপাই আছে আমাৰ পথত। ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ঊৰ্দ্ধত আমি এতিয়া চিৰিয়াখানাৰ বাঘ। দুটা এটা গোজৰণি মাৰিলেও ওলাই আহিব নোৱাৰোঁ স্বাধীনতাৰ মৰমত তুমি দিয়া পিঞ্জৰা ভাঙি।

এই সীমাবদ্ধতাৰ মাজতেই অনুসূয়া আৰু মই ঘূৰি ফুৰিছোঁ বিভিন্ন মানুহৰ ঘৰে ঘৰে, কেইবাজনীও জয়াৰ খবৰ লৈ। জানিব বিচাৰিছিলোঁ ধৰ্ষিতা হোৱাৰ পাছত সিহঁতৰ প্ৰতিক্ৰিয়াৰ কথা, জীৱনৰ প্ৰতি থকা দৃষ্টিভংগীৰ কথা।

ক্ৰমশঃ অস্পষ্ট সিহঁতৰ দুচকুত ৰামধনুৰ ৰং।

আমি পাতি থোৱা মকৰাজালত পৰি চটফটাই আছে সিহঁতৰ ভবিষ্যৎ।

নাই নাই সান্ত্বনাৰ বাণী শুনাব নোৱাৰোঁ আৰু।

অৰ্জুন থমকি ৰ'বা! সোণা, তুমি সোণা তোমাৰ গাঁওৰ।

এয়া যে দেখিছা, তোমাৰ আত্মীয় নহয় কোনো। সকলো তোমাৰ শত্ৰু। শত্ৰুৰ সম্পৰ্কে কিয় দিয়া আপোনজনো হয় শত্ৰু, জানিবা সঠিক।

মনতে সাহস আনিছিলোঁ। চৌদিশে অনিশ্চয়তাৰ দাহন। মাথোঁ অবক্ষয়। কি কৰোঁ।

সাংবাদিক সন্মিলন এখনৰ আহ্বান দিছিলোঁ। জয়াৰ স'তে সকলোকে মাতিছিলোঁ। সকলো নাহিলেও উপস্থিতি আছিল উৎসাহব্যঞ্জক। খবৰবোৰ আকৌ সজীৱ কৰি তুলিছিলোঁ। আকৌ দেখিছিলোঁ আৰক্ষী বিষয়াৰ পুত্ৰ আৰু স্থানীয় ৰাজনীতিবিদজনৰ

উত্তেজক কথা। সিহঁতৰ মৃত আচৰণৰ কথা। দেখিছিলোঁ — কাৰ সম্ভোগত সিহঁতৰ এই উন্মত্ততা।

অকল জৰাৰ বাবেই নহয়, দিন-ৰাতি একেলগৰীয়া অনুসূয়া আৰু মই অবিশ্বাস্যভাৱে নামি পৰিছিলোঁ আমাৰ অঘোষিত কুৰুক্ষেত্ৰত।

তেজে তুমবলি কুৰুক্ষেত্ৰ।

আউলী-বাউলী চুলিৰে কোন আহিছে দৌৰি?

দ্ৰৌপদী?

নহয় নহয় জৰা। নহয়, এয়া অনুসূয়া। তেজে তুমবলি তাইৰ দেহা। ঢলি পৰিল তাই লাহে লাহে। মই দৃশ্যত আকস্মাই দিলোঁ। চিটিকি পৰিল দৃশ্যতত তাইৰ তেজৰ টোপাল। কাৰ তেজ এয়া। মোৰ অনুসূয়াৰ নে দুঃশাসনৰ? একেই কথা তেজ। তেজ দেখিলেই অনুসূয়া হতাশ হৈ পৰিছিল। সেই অনুসূয়া পৰি আছে তেজে তুমবলি হৈ।

তেজে তুমবলি কুৰুক্ষেত্ৰ।

অৰ্জুন তোৰা আৰু কোনো নাই। আত্মীয়-পৰ কোনো নাই।

কৃষ্ণক সোধা, শান্তিৰ পাওনে নিজৰ উৎসৱ?

কিয় একো নোকোৱা তুমি কৃষ্ণ। তোমাৰ মুখত মাথোঁ ৰহস্যময় এটা হাঁহি। আৰু নেপথ্যত, কাৰ নাহী আঙুলিৰ পৰশত সাৰ পাই উঠিল এটি মিঠা বাঁহী।

উঠা অনুসূয়া, উঠা। চকু মেলি চোৱা। কি হ'ল তোমাৰ?

অনুসূয়া! — মোৰ সমস্ত শক্তিৰে মই চিঞৰিলোঁ।

ম'বাইলটো বাজি উঠিল মোৰ। দুচকু মেলি মই নিজেই আতংকিত হ'লোঁ। ক'ত আছিলোঁ মই ইমান সময়?

কোৱা অনুসূয়া!

সুপ্ৰভাত!

সুপ্ৰভাত অনু! ৰাতি তিনিটা বাজিল। কথাবোৰ সজাই-পৰাই ৰাখোঁতে কেতিয়া যে টোপনি আহিল গমেই নাপালোঁ।

মই কি ভাবিছোঁ জানা অনিৰুদ্ধ? আজি আৰু কথাৰ পিছে পিছে দৌৰি নুফুৰোঁ।

কিয়, আজি তুমি নিজেই কথা হ'বা নেকি?

ধৰা তেনেকুৱাই!

মোৰ ভূমিকা?

আবেলি আহা শুক্রেশ্বৰ ঘাটলৈ। ব্ৰহ্মপুত্ৰৰ পাৰত এখন্তেক বহি গুচি যাম দুয়ো সাগৰলৈ ...।

হঠাতে কিয় এই ৰমন্যাসবাদ?

সেই কথা পিছতো হ'ব। তুমি আহিবা।

যদি নাহোঁ?

নাহিবা।

লগে লগে ফোনটো থৈ দিছিল অনুসূয়াই।

পানীৰ সোঁতে সোঁতে অনুসূয়া এতিয়াও আহি নোপোৱাৰ খণ্ডটো উটুৱাই দিব পৰা হ'লে ভাল আছিল। নোৱাৰিলোঁ। তেনেকৈয়ে বহি থাকিলোঁ শুক্রেশ্বৰ মন্দিৰৰ পিছফালে থকা খটখটীটোত। উৰি যোৱা চৰাই, ডুবিব ধৰা আবেলিৰ বেলি, হেঙুলীয়া আকাশ, হেঙুলীয়া পানী, কোনেও মোক সান্ত্বনা দিব পৰা নাই।

ইমান সময়ে অনুসূয়া আহি পাব লাগিছিল। তাই জানে কথা দি কথা ন'ৰাখিলে কিমান খং উঠে মোৰ।

বেলি ডুবি গধূলি। অনুসূয়া কেনি।

যোৱা ৰাতিৰ সপোনটোৰ কথা মনত পৰিল মোৰ।

তেজে তুমৰলি পৃথিবী।

অনুসূয়া, ৰিং এটা কৰিবলৈও সময় হোৱা নাইনে তোমাৰ!

কথাষাৰ যেন ধ্বনিত-প্ৰতিধ্বনিত হৈ সোমাই নাহিল মোৰ ম'বাইলটোলৈ।

নো এক্সকিউজ অনুসূয়া, নো এক্সকিউজ প্লীজ।

নো এক্সকিউজ, মিষ্টাৰ জাৰ্নেলিষ্ট।

কোন?

কোন পিছতো হ'ব, এতিয়া শুন। আনৰ খবৰেৰে আৰু কিমান পৰিৱেশন কৰিবি বাতৰি! কাইলৈ নিজৰ খবৰেৰে সজাবি বাতৰিৰ শিৰোনাম 'আকৌ এটা ধৰ্ষণ'। নিজৰ খবৰ বুলি বাতৰিটো পৰিৱেশন কৰোঁতে কৃপণালি নকৰিবি আকৌ। যদি ডিটেইলছ লাগে, খবৰ দিলেই হ'ল — টকলিয়াই থাকিব পৰাকৈ, ধুনীয়াকৈ মনত আছে সকলো কথা।

বাষ্টাৰ্ড। মোৰ মুখৰ পৰা আৰু একো কথা নোলাল।

আহ্ মাই গড্, সেয়া সপোন নাছিল। সেয়া দিঠক। কিন্তু কেনেকৈ বিশ্বাস কৰোঁ মই? মোৰ বাবে অনুসূয়া এদিন হ'ব খবৰ। সময়ৰ অবিনীত ৰূপৰ। নাই নাই সঁচা হ'ব

নোৱাৰে এই কথা। মূৰটো মোৰ আচন্নাই কৰিছে। চৌদিশে অন্ধকাৰ। একো দেখা নাই মই। আকাশখন, আনকি নদীখনো হেৰাই থাকিল ক'ৰবাত।

অনুসূয়া! অনুসূয়া!!!

সমগ্ৰ শক্তিৰে মই চিএঁৰিলোঁ।

মাত নোলাল মোৰ মুখৰ পৰা।

হাস্পতালৰ দীঘল কৰিড'ৰটোত এবাৰ ইফালে, এবাৰ সিফালে দিয়া প্ৰতিটো খোজৰ শব্দত অনুভৱ কৰিবলৈ যত্ন কৰিছিলোঁ মই মোৰ অস্তিত্ব। এনে লাগিল, মোৰ খোজবোৰ যেন শব্দবিহীন। মোৰ মাজত যেন এটা শব্দও নাই। সোঁৱৰণীত কিম্বা এক উন্নাসিকতা। খবৰবোৰ পৰিৱেশন কৰোঁতে আগতে কেতিয়াও অনুভৱ কৰা নাছিলোঁ এই শূন্যতা। বৰং মাত্ৰাধিক উৎসাহৰ বাবে প্ৰায়েই আওকাণ কৰিছিলোঁ সত্তাৰ কথা। শব্দৰ মায়াজালেৰে, শীতল মস্তিষ্কৰে, চিকাৰ কৰিছিলোঁ পঢ়ুৱৈক সততে।

চিকিৎসালয়ৰ সংকটজনক ৰোগীৰ বাবে নিৰ্ধাৰিত কোঠালিৰ ভিতৰত অচেতন হৈ পৰি আছে অনুসূয়া। চিকিৎসকো নিশ্চিত নহয়, কেতিয়া তাইৰ চেতনা আহিব। কেতিয়া তাই চকু মেলিব!

চকু মেলি তাই কাক বিচাৰিব?

যদি মোক কয়, অবাঞ্ছিত সময়ে সলনি কৰিব নোৱাৰে আমাৰ সম্বন্ধ। কোনো দুৰ্ঘটনাই আমাৰ মাজত সীমাৰেখা টানিব নোৱাৰে। কোনো কলুষতাই আমাৰ মাজত কালিমা সানিব নোৱাৰে। অনিৰুদ্ধ, তোমাৰ হাত মোৰ হাতত থোৱা আৰু কোৱা : জীৱন আৰু ভৱিষ্যতক উৎসাহিত কৰিবলৈ আমি সদায় এনেকৈয়ে থাকিম একেলগে।

মই কি ক'ম! আশংকাই চেপি ধৰিছে মোৰ কণ্ঠ।

অনুসূয়া, বেছি কথা নক'বা। চিকিৎসকে মানা কৰিছে।

সময়ৰ কথাবোৰ সময়ত নক'লে ক'ম কেতিয়া?

এয়া সময় নহয়।

এয়া কি তেনেহ'লে?

এয়া দুঃসময়!

সময় দুঃসময়ৰ মাজতেই জীৱন, তুমিয়েই কৈছিলা অনিৰুদ্ধ! হত্যা, অপহৰণ,

ধৰ্ষণ, সাম্প্ৰদায়িক সংঘৰ্ষ, সন্ত্ৰাসবাদ পৃথিৱীৰ প্ৰাত্যহিকতা হ'লেও, জীৱন সকলোৰে ঊৰ্ধত। তাৰ অবাধিত গতি।

'গতি নাই যাৰ গতিৰ বাহিৰে'।

হয়তো অনুসূয়াৰ অৱচেতনাই বাস্তৱক স্বীকাৰ কৰি লৈছে। তাই সহবাস কৰিছে নগ্ন সত্যৰ স'তে। মোৰ অৱচেতনাত কিন্তু বাৰু দোদুল্যমান, মোৰ স্মৃতি আৰু মোৰ বৰ্তমান। কিন্তু সহজভাৱে ল'ব পৰা নাই মই। কিন্তু এই অস্থিৰতা, অনিশ্চয়তা, উদ্বিগ্নতা, উন্নাসিকতা।

কি এক অন্তহীন চিন্তাই মোক খুলি খুলি খাব ধৰিছে।

মই কোৱা কথাবোৰে দেখোন এতিয়া মোকেই উপহাস কৰিছে।

সাংবাদিকতা কৰোঁ মই। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা স্বীকাৰ কৰোঁ।

'আকৌ এটা ধৰ্ষণ'।

অনুসূয়া মোৰ কাৰণে এটা খবৰ। হাস্পতালৰ বাৰাণ্ডাত বহি বহি লেখিছোঁ অনুসূয়াৰ কথা। জীৱনৰ ছন্দ পতনৰ কথা। কোনো উষ্মা অনুভৱ কৰা নাই। নাজানোঁ, কথাটো কিন্তু এতিয়াও সহজভাৱে ল'ব পৰা নাই। বণালি, জয়াৰ বাবে যি কথা সঁচা, অনুসূয়াৰ বাবেও সেই কথা সঁচা। তথাপি কিন্তু ...?

প্ৰতিকূল পৰিস্থিতিত নিজৰ স'তে মুখামুখি নোহোৱা পৰ্যন্ত আচলতে গম পোৱা নাযায়, জীৱনৰ প্ৰত্যাহ্বান গ্ৰহণ কৰা কিমান কঠিন কাম। নিজকে ফাঁকি দিব নোৱাৰা সময়তহে গম পোৱা যায়, হৃদয়ৰ পৰিধি কিমান ডাঙৰ। গ্ৰহণ কৰাৰ ক্ষমতা কিমান। মই এতিয়া নিশ্চিত, ভিৰৰ মাজত হেৰাই যাবলৈ আচলতে মই এতিয়া এটা সুৰুঙা বিচাৰি আছোঁ।

মই লাহে লাহে হাস্পতালৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ। বুকুটো বিষাইছিল। ঘড়ীটোলৈ চালোঁ — বাৰটা বাজি গৈছে। হাস্পতালৰ বাহিৰত দোকানবোৰ তেতিয়াও খোলা আছিল। কড়া চাহ এগিলাচ খাই চিগাৰেট এটা জ্বলাই ল'লোঁ। তাৰ পিছত অট' এখনত উঠি অফিচ পালোঁ। বাতৰিটো নিৰুতন হাতত দি মই উভতি আহি আকৌ অট'খনত উঠি বহিলোঁ।

ভোক নাহিল।

বিছনাখনত নিজকে পেলাই দিলোঁ। টোপনি নাহিল। দুচকু মুদিলেও দেখোঁ

অনুসূয়াক। মোৰ কালে চাই আছে তীক্ষ্ণ দৃষ্টিৰে। তাই যদি সোধে অপ্ৰত্যাশিত কথাবোৰ! অনিশ্চয়তাৰ দাহনত ৰাতিয়ে হেৰুৱাইছে টোপনি। পৃথিৱী আছে উজাগৰে। আৰু মই, চটফটাই ধৰফৰাই আচলতে ঠিক ধৰিব পৰা নাই, মোৰ কি হৈছে অথবা মই কি কৰিব খুজিছোঁ। এনে লাগিল মোৰ যেন ভাগৰ লাগিছে! [illegible] ভাগৰ।

চিলমিল অৱচেতনাত মই সলনি হ'লোঁ ক্ৰমশঃ এটা মকৰাতে। মই বহি আছোঁ, মোতকৈ প্ৰকাণ্ড মকৰাজাল এখনত। তাত লাগি আছে বিভিন্ন খবৰ।

'আকৌ এটা ধৰ্ষণ'!

মই আগবাঢ়ি গ'লোঁ। জপটিয়াই ধৰিলোঁ এটা খবৰ।

লগে লগে প্ৰতিবাদ কৰি উঠিল খবৰটোৱে।

তুমি লৈ আহিছিলা মোক স্বাধীনতাৰ কথা কৈ। এতিয়া বন্দী কৰিব নোৱাৰা মোক, তোমাৰ কাকতৰ পৃষ্ঠা ওবলি কৰি। জীৱনৰ অৰ্থ পৰাধীনতা। আৰু মই তোমাক মুক্ত কৰিব খোজোঁ জীৱনৰ পৰা। এয়াহে স্বাধীনতা। স্বাধীনতাৰ নতুন মন্ত্ৰ। অজানিতে অট্টহাস্য কৰিছিলোঁ মই।

কঁপি উঠিছিল মকৰাজালখন!

টেলিফোনটো বাজি উঠিল। ট্ৰাংকল!

হেল্লো, গুডমৰ্ণিং!

গুডমৰ্ণিং মাই চন।

অ' দেউতা, কোবা।

ৰাতিপুৱাই মনত পৰিল তোমাৰ কথা।

নতুন অভিযোগ কিবা?

খবৰ এটা কনফৰ্ম কৰা।

কি খবৰ?

অনুসূয়া-অনুসূয়ানে?

কেতিয়াও ভবা নাছিলোঁ এনে এটা প্ৰশ্নৰ কথা।

অনুসূয়া অনুসূয়ানে? মই মইনে?

যি মইৰ ধাৰণা মই অনুসূয়াক দিছিলোঁ, যি মইৰ ধাৰণা মই মোৰ সহকৰ্মীক, পঢ়ুৱৈক দিছিলোঁ, সেই মই জানো মই!

মনে মনে থাকিলা যে, কোবা।

দেউতাক কি ক'লোঁ মোৰ মনত নাই কিন্তু সঠিক বুজিছোঁ মই, দেউতা নিশ্চিত,

অনুসূয়াই অনুসূয়া।

দেউতাই ঘৰলৈ মাতি পঠিয়াইছিল মোক। কৈছিল মাৰ অসুখ!

আকৌ অফিচলৈ গ'লোঁ মই। ছুটীৰ দৰখাস্ত এখন লেখি বিদ্যুতৰ হাতত দি ক'লোঁ — মই ঘৰলৈ যাওঁ।

বিদ্যুতে আচৰিত হৈ মোৰ ফালে চাই ক'লে — এই সময়ত অনুসূয়াক এনেকৈ এৰি ..., তই কি ভাবিছ মই নাজানো।

দেউতাই ৰাতিপুৱা ফোন কৰিছিল ..., মাৰ অসুখ, চিৰিয়াছ!

অনুসূয়াক এৰি যাবলৈ মই এটা কাৰণ বিচাৰি ফুৰিছিলোঁ। ৰাতিপুৱা দেউতাই ফোনটো কৰাৰ সময়ত মই বিৰক্ত হৈছিলোঁ। কিন্তু এতিয়া দেখিছোঁ, দেউতাই ঠিক সময়তে ফোনটো কৰিছিল। দেউতাৰ অংকণ ফোন মোৰ কাৰণে আছিল ত্ৰাসৰ কাৰণ বিদ্যুতক মই একো নক'লেও মোৰ চকুলৈ দুখে ফুটি উঠিল এক অসহায় অৱস্থা।

তই পলম কৰিব নালাগে তেনেহ'লে ..., অনুসূয়াৰ খবৰ মই ল'ম! তাইক যি ক'ব লাগে, মই ক'ম। বিদ্যুতে মোৰ পিঠিত থপৰিয়াই কৈছিল, চিন্তা নকৰিবি, সকলো ঠিক হৈ যাব।

বিদ্যুতৰ পৰা মই ইয়াকেই বিচাৰিছিলোঁ।

গাড়ীখনৰ খিৰিকী মুখত বহি মই অনুমান কৰিছিলোঁ — মই আঁতৰি যাব ধৰিছোঁ লাহে লাহে মোৰ পৰা, পৃথিৱীৰ পৰা!

বিদ্যুতে ফোন কৰিছিল। অনুসূয়া আদালতলৈ যাব। অভিযুক্ত আৰক্ষী বিষয়াৰ পুত্ৰ আৰু স্থানীয় ৰাজনীতিবিদ এজনৰ ভতিজা। অনুসূয়া আহি আছিল অকলে। হঠাতে কোৱালিচ গাড়ী এখন সশব্দে ৰ'ল আহি অনুসূয়াৰ কাষত। নিমিষতে অনুসূয়াক টানি লৈ গ'ল গাড়ীখনৰ ভিতৰলৈ ...। বিদ্যুতে আৰু কি কৈছিল মোৰ মনত নপৰিল। সেই একেই কাহিনী। উৎসাহ হেৰুৱাই পেলাইছোঁ মই। অকণমান শুনিলেই গম পাওঁ মই কাহিনীৰ ভৱিষ্যৎ আৰু পৰিসমাপ্তি কি হ'ব!

বিদ্যুতে সুধিছিল মাৰ কথা। সুধিছিল — তই কেতিয়া আহিবি?

অনুসূয়া উদগ্ৰীৱ হৈ আছে!

মাই কৈছে আৰু কেইদিনমান থাকিবলৈ। মাৰ কি হৈছে ধৰিব পৰা নাই। এপলকৰ বাবেও মোক এৰি থাকিব নোখোজে। কিবা এটা অজুহাত দেখুৱাই বাহিৰলৈ ওলাই

আহিব খুজিলেই বাৰে বাৰে কয়, মই হেৰুৱাব নোখোজো তোক। সেউতাই কৈছিল, কোনত কোনোবাই ভাবুকি দি মাক কৈছিল, আমাৰ হাতততেই আমাৰ বৰ্তমান। আমাৰ বৰ্তমানৰ বাবে আপোনালোকৰ একমাত্ৰ সন্তানৰ ভৱিষ্যতৰ কুঞ্জী আমাৰ। আমি যে কি কৰিব পাৰোঁ, তাৰ অনুমান আপুনি কৰিব নোৱাৰিব ...।

মা ভাগি পৰিছে। কি কৰোঁ!

কেইদিনমান থাক তই। মই অনুসূয়াক বুজাম।

বিদ্যুতৰ মুখৰ পৰা মই ইয়াকেই শুনিব খুজিছিলোঁ।

বাতি খোৱাৰ টেবিলত সেউতাই মোক বুজাইছিল ঃ

মোৰ বয়স হৈ আহিছে। মই কোনকালে চম্ভালিম? ইমান ডাঙৰ ব্যৱসায়। তই আৰু যাব নালাগে। তই থকাৰ কাৰণে দেখিছ নে নাই মাকৰ উজ্জ্বলতা? তই আহিবি বুলি শুনিয়েই আধা বেমাৰ ভাল হৈ গ'ল।

মনে মনে মই আকৌ ভাবিছোঁ — বিদ্যুতে আকৌ কোন কৰিব। তাক কিবা এটা ক'বলৈ সদ্যহতে ভাল যুক্তি লাগে এটা।

গধূলি সেউতাই মোক ক'লে ঃ ব'ল এঠাইৰ পৰা আহোঁ।

মই অনুসৰণ কৰিলোঁ সেউতাক। সৈ সৈ দুয়ো এঘৰত সোমাই গ'লোঁ। দুৱাৰখন খুলি এজনী ছোৱালী ওলাই আহিছিল।

এয়া অনু! সেউতাই চিনাকি কৰি দিছিল।

অনু! মই চমকি উঠিছিলোঁ।

অনুপ্ৰভা। অনু!

অনুসূয়াও অনু!

অণু-পৰমাণু। আত্মা-পৰমাত্মা।

চোৱা, ভালকৈ চোৱা। যিসকল জীয়াই আছে সকলো মৃত।

বিৰবিৰ নহ'বা তুমি। তুমি মাথোঁ নিমিত্ত।

তোমাৰ সকলো কাম মই কৰি থৈছোঁ। অৰ্জুন, উঠা।

মোৰ কোঠালিত বহি ভাবিছোঁ কথাবোৰ। কিয় জানো দম বন্ধ হৈ যোৱা যেন লাগিছে মোৰ। খিৰিকীখন খুলি দিলোঁ। বাহিৰত আন্ধাৰ। জোনাক, আকাশ সকলো গিলি খৈছে আন্ধাৰে। চৌদিশে আন্ধাৰ।

সেউতাৰ কেন, মাৰ অসুখ, মোৰ প্ৰতিক্ৰিয়া — বিদ্যুৎ এই ঘটনাবোৰ জুৰিয়াই সম্পাদনা কৰি চেষ্টা কৰিছোঁ ধাৰাবাহিকতা দিবলৈ।

ৰাতিপুৱা অনুসূয়াৰ খবৰে বিব্ৰত কৰি তুলিলে দেউতাক। ধৰ্ষিতা অনুসূয়া। অনিৰুদ্ধই বা কি ভাবিছে? তাৰ দুৰ্বলতাৰ সুযোগ অনুসূয়াই ল'ব পাৰে। মাৰ লগত আলোচনা কৰি দেউতাই অংক কৰি চালে হয়তো। যেনেতেনে তাক ঘৰলৈ মাতি আনিব লাগিব। কি বুলি। তোমাৰ অসুখ বুলি। সি আহিব। মই ক'ম, অনিৰুদ্ধ, কোনকালে চাম মই! এতিয়া তোৰ দায়িত্ব লোৱাৰ সময়। মই আৰু নোৱাৰোঁ। কেইদিনমান এনেকৈ ৰাখিব লাগিব তাক। তাৰ উদ্বিগ্নতা কমি গ'লেই লৈ যাম তাক অনুপ্ৰভাৰ ঘৰলৈ। মৰম লগা ছোৱালীজনী। মাৰৰ পচন্দ। তাইক দেখিলেই কেনিবা পলায় অসুখ। অনিৰুদ্ধ, আদৰ্শৰ নামত হাতৰ আখৰ লেখিব পাৰি, জীৱনটো কটাব নোৱাৰি। অনুসূয়া আৰু অনুসূয়া নহয়। ভাল পোৱা আৰু নিজৰ বুলি গ্ৰহণ কৰা, দুটা ভিন্ন কথা। সঠিক সময়ত সঠিক সিদ্ধান্ত নল'লে গোটেই জীৱনলৈ নামি আহে অনুশোচনা। অনুশোচনা স্মৃতি হ'ব পাৰে, জীৱন নহয়। আশা কৰোঁ, তই বুজিছ।

আৰম্ভণিটো পালেই ধৰিব পাৰোঁ মই, তাৰ ভবিষ্যতে আৰু পৰিসমাপ্তি কি হ'ব!

অনুসূয়া নহয় অনুপ্ৰভা।

কলিং বেলৰ শব্দত দুচকুৰ পতাত নিথৰ হৈ থকা অশান্ত ৰাতিটো ধৰফৰাই উঠিল। দুৱাৰখন খুলি দিলোঁ।

অনুসূয়া। লগত বিদ্যুত।

অহ্ কেনেকৈ জপাই দিওঁ দুৱাৰখন মই?

কেনেকৈ কওঁ অনুসূয়াক ঃ জীৱনৰ উদভ্ৰান্ত ছন্দৰ তালে আৰু উতলা নকৰে মোক। মোৰ গতি নাই। যাবলৈ নাই মোৰ আৰু হেজাৰ যোজনৰ বাট। মোৰ মাজত মই নাই। মই এৰি আহিছোঁ — তোমাক, বিদ্যুতক, পৃথিৱীক!

অনুসূয়াক এখন্তেক দেখা দিয়েই মোৰ কাম আছে বহা বুলি কৈ ততাতৈয়াকৈ আঁতৰি গ'ল মা। দেউতাই কথা পাতিলে কিছু সময়। আত্মীয়তা অথবা আন্তৰিকতা বুলিবলৈ একো নাছিল তাত। কথা পাতোতে, মই নিশ্চিত, দেউতাই যোগ-বিয়োগ, পূৰণ-হৰণ সকলো কৰিয়েই আলোচনাৰ মোখনি মাৰিবলৈ ওলাইছে। দেউতাৰ কথা অনুসূয়াৰ কাণত সোমাইছিল নে নাই মই নাজানোঁ। বিদ্যুতৰ প্ৰতিক্ৰিয়াও মই জানিব বিচৰা নাছিলোঁ। আলোচনা শেষ কৰি দেউতাই ত্ৰিভুজৰ তিনিওটা কোণৰ সমষ্টি দুই সমকোণৰ সমান বুলি কোৱাৰ দৰে মাথোঁ ক'লে ঃ সি আৰু উভতি নাহায়।

অনুসূয়াৰ চকুলৈ চকু পানী নামি নাহিল। বৰং প্ৰবৃত্তিৰ বিপৰীতে অনুসূয়াৰ চকুৰে মুখে ফুটি উঠিল কিবা এক অনমনীয় দৃঢ়তা। তাই আহি মোৰ কাষতে থিয় দিলে।

তাইৰ চকুলৈ কোন স'তে চাওঁ মই। চৌদিশ, আনকি সোঁৱৰণিও অস্পষ্ট হৈ আহিল ক্ৰমশঃ। তাৰ মাজতেই ধ্বনিত-প্ৰতিধ্বনিত হৈ উঠিল অনুসূয়াৰ কথা ঃ আৰক্ষী বিষয়াৰ পুত্ৰ আৰু আমাৰ স্থানীয় ৰাজনীতিবিদৰ ভতিজাৰ হাতত ধৰ্ষিতা হোৱাৰ দুখ এদিন হয়তো পাহৰি যাম! কিন্তু তোমাৰ কথা কেনেকৈ পাহৰোঁ মই? যি কথা জন্নাক কৈছিলা, যি কথা তুমি মোক কৈছিলা, কেনেকৈ পাহৰোঁ সেই কথাবোৰ। তুমিয়েই কৈছিলা, জীয়াই থকাৰ স্বাৰ্থত, জীৱনক অনুপ্ৰাণিত কৰিবলৈ, অতীততকৈ ভৱিষ্যতৰ প্ৰয়োজন বেছি। প্ৰতিকূলতাৰ মাজত; চৌদিশে নঞৰ্থক প্ৰাত্যহিকতাৰ মাজতো তুমিয়েই অংকুৰিত কৰিছিলা মোৰ মাজত, জীৱনৰ প্ৰতি অপৰিসীম হেঁপাহ। দিন-ৰাতিৰ দোমোজাত মই আৰু এতিয়া দোদুল্যমান অনুসূয়া নহওঁ। মোৰ দুখ লগা নাই, কিন্তু মোৰ কি ভাব হৈছে জানা অনিৰুদ্ধ, জীৱনত প্ৰথমবাৰৰ বাবে সঁচাকৈয়ে আজি ধৰ্ষিতা হ'লোঁ মই, তোমাৰ হাততেই!

সাইলাখ সেই মাত

বাতি চাহ দোকানৰ টেবিলবোৰেই বিছনা। শুবলৈ আৰু অইন ব্যৱস্থা নাই। ভাল লগা নলগাৰ কোনো অৰ্থ নাই। বাতি টেবিলকেইখন জোৰা লগালেই মণ্টুৰ গাঁওখনৰ কথা মনত পৰে। ভাওনা হ'লে এনেকৈ স্কুলৰ বেঞ্চবোৰ জোৰা লগাই মঞ্চ তৈয়াৰ কৰা হয়। আৰু মণ্টুইঁতে আৰম্ভণিৰে পৰা ইটো-সিটো কামৰ স'তে ব্যস্ত হৈ একোজন নায়ক হৈ পৰে। কি যে ব্যস্ততা সিহঁতৰ! যোগেনহঁতৰ ঘৰৰ পৰা বাঁহেৰে বনোৱা, কাগজেৰে মেৰোৱা ভীমৰ গদাটো সিয়েই লৈ আহে। নাৰায়ণহঁতৰ ঘৰৰ পৰা দ্ৰৌপদীৰ চুলিকোচাও। আহোঁতে সি ভীমৰ গদাটো লৈ আৰু অনুই দ্ৰৌপদীৰ চুলিকোচা বান্ধি আখৰা চাই মুখস্থ হোৱা বচনবোৰ ওৰে বাটে আওৰাই আহে। অনুৱে দ্ৰৌপদীৰ বচনবোৰ নাকেৰে মাতিলেই মণ্টুৰ কিবা এক অদ্ভুদ আনন্দ লাগে।

অই তোৰ মাতটো যদি সঁচাকৈয়ে এনে হৈ যায়, কি কৰিবি? হাঁহি হাঁহি সি অনুক সোধে। মাৰ মেখেলা-চাদৰ পিন্ধিম। অনুৱে নাকেৰে মাতি কয়। যদি তোক বিয়া দিয়ে? মণ্টুই সোধে। লগে লগে অনুৱে ওলাই আহা ৰামচন্দ্ৰ ... বুলি নাকেৰে মাতটো উলিয়াই বিয়া গীত গাবলৈ আৰম্ভ কৰে।

দুয়ো হাঁহি হাঁহি ভাগৰি পৰে।

এনে ভাল লগা আছিল দিনবোৰ।

আৰু ইয়াত, বাতিপুৱাবোৰো একেটা বাতিৰ দৰেই। কোনো বৈচিত্ৰ্য নাই। সঁজাৰ পখীৰ দৰে আকাশৰ ফালে চাই ধৰফৰাই থাকিব লাগে। অথচ গাঁওত বাতিটো পুৱাবৰ কাৰণে কি যে আগ্ৰহেৰে বাট চাই থাকে সি! কি যে উৎকণ্ঠা! অনুৱে মাতিব। উঠিয়েই সি চাব, মাক কুঁৱাৰ কাষত আছেনে নাই। তাৰ পিছত দে দৌৰ অনুৰ পিছে পিছে, পথাৰে পথাৰে কাষ বাবীত বগৰী, ক'ত আমলখি, জলফাই, ক'ত মধুৰীআম, ক'ত কেতেকী ফুলিছে, ক'ত কপৌ ফুলিছে ...! তাৰ পিছত কুলি চৰাইটোক জোকাই জোকাই, কুঁহি সেউজীয়া পাতবোৰৰ মাজে মাজে সকলো পাহৰি দুয়ো ঘূৰি ফুৰিব — নাই ভাগৰ, নাই আহৰি, নাই দুখ, নাই কষ্ট!

এতিয়া বাতিপুৱা সাৰ পালেও তাৰ উঠিবৰ মন নাযায়। চুক দুটা জোৰকৈ মুদি থাকিবৰ মন যায়। সাৰ পালেই হেৰাই যায় দুচকুৰ পতাত সেউজীয়া হৈ বুকুৰ মাজত অনুৰণিত হৈ থকা কুলিৰ মাতটো। তথাপি সাৰ পাবই লাগিব সি। চাহদোকানৰ বাতি সোনকালে পুৱায়। দিনটো পলমকৈ বাতি হয়। বিৰক্তিৰে সি চকু দুটা মেলে। খিৰিকীৰ আইনাৰে বাহিৰলৈ চাই পঠিয়ালে। অস্পষ্ট ধূসৰ। তথাপিও কেইখনমান ডিস্ক এণ্টেনা তাৰ চকুত পৰিল। আইনাকেইখন ইমান লেতেৰা হৈছে! আজি কেইদিনমান আগতে সি পুৰণি পেপাৰ তিয়াই মচিছিল আইনাকেইখন। কেনে চকচকীয়া হৈছিল? অলপ পিছতে চাহ খাবলৈ অহা মানুহ এজনে চূণ মচি গৈছিল তাতে। তাৰ খং উঠিছিল। মানুহজনৰ গোটেই গাটোতে চূণ সানি দিবৰ মন গৈছিল তাৰ। মানুহজন বহি থাকোঁতেই চূণখিনি মচি পেলাবলৈ ইমান ইচ্ছা হৈছিল, মানুহজন যেন আৰু কাহানিও উঠি নাযাব তাৰ পৰা এনে ভাব হৈছিল তাৰ। মানুহজন যোৱাৰ লগে লগেই পিন্ধি থকা গামোচাখনৰ আগটো তিয়াই চূণখিনি মচি দিছিল সি। মচি থাকোঁতে, মালিকে ? ন কৰিব বুলি বৰ আশা কৰিছিল মণ্টুৱে, কিন্তু মালিকৰ কোনো ভাবান্তৰ নেদেখি সি দমি গৈছিল, অকণ হতাশ হৈছিল।

আইনাখন আকৌ লেতেৰা হৈছে। অ'ত ত'ত চূণৰ দাগ। আইনাখন এতিয়া মচিবৰ মন যোৱা নাই তাৰ। সি যেন এতিয়া তাৰ মাজত নাই। বৈ বৈ কুলিটোৰ মাত, ক'ৰবাত। তাৰ দুচকুত, নে তাৰ বুকুৰ মাজত ধৰিব নোৱাৰিলে সি।

হঠাতে আইনাখন তাৰ মচি দিবৰ মন গ'ল। আইনাখনৰ কাষলৈ গৈ মুখখনেৰে সোঁ-সোঁ কৰি অকণমান বতাহ উলিয়াই দিলে সি। আৰু বেছি অস্পষ্ট হৈ পৰা আইনাখন, পিন্ধি থকা গামোচাখনৰ এটা কোণেৰে মচি দিলে সি। চকচকীয়া হৈ পৰিল আইনাখন। আকৌ সি চাই পঠিয়ালে আইনাখনৰ মাজেৰে। চিকমিকাই থকা ডিস্ক এণ্টেনাকেইখন তাৰ চকুত পৰিল।

কুলি চৰাইটোৰ মাতটো বাৰু তাত লাগি আছেনে?

বাতিপুৱাৰ পৰা আবেলিলৈ ব্যস্ততাৰ বাটত হেৰাই থাকিল কুলিৰ মাতটো। গধূলি হোৱাৰ লগে লগেই গুচৰৰে বিহুতলীখন ঢোল, পেঁপা, গগনাৰ মাজেৰে মুখৰিত হৈ পৰিল। সি মালিকৰ মুখলৈ চালে। এনেহেন সন্ধিয়াটোও মালিকৰ মুখত নিহুত হৈ আছে। অকণো ভাবান্তৰ নেদেখিলে। এই মানুহবোৰ কেনেকৈ জীয়াই থাকে সি নাজানে। ভোক লাগিলে ইহঁতে কিজানি টকা-পইচাবোৰ দুচকুৰ পতাত লগাই লয়। ইমান টকা-পইচা কিয় লাগে ইহঁতক। বাতিপুৱা কেচ বাকচটোৰ চাৰিওফালে ধূপডাল ঘূৰাই ঘূৰাই ভগৱানৰ ফটোখনৰ তলত ধূপডাল গুজি যোৱাৰ সময়ত মালিকক তাৰ

ভাল মানুহ যেনেই লাগে। আৰু তাৰ পিছতেই ধূপডাল দিবৰ সময়ত বিৰবিৰকৈ ভগবানৰ নাম লোৱা মুখখনত যেতিয়া অবাহ্চি মাতবোৰ উদ্‌গিৰণ হ'বলৈ ধৰে, ভগবানে তেতিয়া শুনে নে নাই সি নাজানে। হয়তো নুশুনে, হয়তো নেদেখে। ধূপৰ ধোঁৱা লাগি লাগি গ্লাচখন একেবাৰে ক'লা পৰি গৈছে। ধূপডাল নজ্বলালে হয়তো কোনেও গমেই নাপালে হয়, সেইখন ভগবানৰ নে অঁকৰা এটাৰ ফটো।

অই পোৱালি, তাত দুকাপ চাহ আৰু দুটা মিঠাই দি আহ। ক'ত? ইচ্ছা কৰিয়েই মণ্টুই মালিকক সুধিলে। মালিকে তাৰফালে শেনটোৰে চোৱাদি চালে। টি ভিৰ দোকানখনত।

তাত চাহ দিবলৈ যোৱাৰ কথা ক'লেই মণ্টুৰ মনটো ভাল লাগি যায়। চাহখিনি দি অহাৰ নামত, গিলাচটো লৈ অহাৰ নামত অকণমান সময় টি ভি চাব পাৰিলেও। টি ভি এটা কিনিবলৈ ইমান মন যায় তাৰ। ইমান দাম কিয় টি ভি এটাৰ? তাতনো কি হীৰা-মুকুতা থাকে। সি যদি টি ভি এটা লৈ ঘৰলৈ যাব পাৰিলে হয়, তাৰ অকণমান ভনীয়েকজনীৰ স'তে দিনটো টি ভি চাই কটাব পাৰিলে হয়। তাৰ বয়সৰ ইমান ধুনীয়া ধুনীয়া ল'ৰা-ছোৱালীবোৰ টি ভিত বাৰু ক'ৰ পৰা ওলায়? সিহঁত ইমান ধুনীয়া, ৰঙা পৰা আপেলটোৰ দৰে কিয়? যোৱাবাৰ ঘৰলৈ যাওঁতে, সৰু ভনীয়েকজনীক সি টি ভিৰ কথা কৈছিল। তাই যে কি বুজিকে নাপায়। সিহঁতৰ ঘৰৰ সৰু ভঙা আইনাখন দেখুৱাই সি কৈছিল — তাত এনেকৈ ফটো ওলায়। তই ওলাইছনে? তাই সুধিছিল।

কিযে আঁকৰী তাই । সি আকৌ কিয় ওলাব — সি জানো আপেলটোৰ দৰে ৰঙা?

মণ্টুৱে ততাতৈয়াকৈ ভিতৰ সোমাই গ'ল। নিজেই চাহ বাকিলে। প্লেট এখনত দুটা মিঠাই ল'লে আৰু খৰখৰকৈ ওলাই গ'ল।

যাবি আৰু আহিবি, নহ'লে বিহ দেখুৱাম। মালিকে চিঞৰি ক'লে। আৰু মালিকে এনেকৈ ক'লেই আজিকালি তাৰ কোনো প্ৰতিক্ৰিয়া নহয়। টেবিলখন লেতেৰা হৈ থাকিলে গ্ৰাহকক পানী গিলাচ দিওঁতে পলম কৰিলে — ইত্যাদি হেজাৰটা কাৰণত মালিকৰ মুখখন কেনে ধৰণে মেল খায়, আকৌ জাপ খায় যাব তাৰ মুখস্থ হৈ গৈছে।

ঢোল-পেঁপা-গগনাৰ মাতেৰে মুখৰিত সন্ধিয়াতো এতিয়া মুকলি। টি ভিৰ দোকানখনৰ সন্মুখত মানুহৰ ভিৰ। টি ভিত এতিয়া বিহুনাচ চলি আছে। 'আমাৰ বিহুৰ কাপোৰ নাই' বুলি নাচি থকা ছোৱালীজনীৰ কাপোৰবোৰ তাৰ মাকৰ কাপোৰতকৈ বেছি দামী যেনেই লাগিল। তাৰহে কাপোৰ নাই। পিন্ধি থকা গামোচাখন লেতেৰা।

অ'ত-ত'ত ফাটিছে। পিন্ধোঁতে সাৱধানে পিন্ধিব লাগে নহ'লে ছিগিব পাৰে। যোৱাবেলি বিহুতো ভাবিছিল সি — তাৰ নহ'লেও নাই অন্ততঃ মাক আৰু সৰু ভনীয়েকহঁতক বিহুৰ সময়ত সি কিবা দিব। মালিকক তাৰ কাৰণে অলপ আগতীয়াকৈ খুজিছিল।

কিয়?

কিহৰ কাৰণে ...? সি ভয়ে ভয়ে ক'লে— বিহু।

বিহু? তইঁতৰ আকৌ কিহৰ বিহু অ'? গাত নাই চাল বাকলি ...

মনে মনে থকাৰ বাহিৰে তাৰ একো উপায় নাছিল। উৎসৱ পাৰ্বণ দিনত মনটো চঞ্চলি বান্ধিবলৈ বৰ কষ্ট হয় তাৰ। কিন্তু বুকুৰ ভিতৰত বৈ বৈ বাজি থকা কুলিৰ মাতটো কোন স'তে সি বাৰু নুশুনাকৈ থাকে।

হঠাতে তাৰ কাণখনত কোনোবাই জোৰেৰে চেপা মাৰি ধৰিলে। প্ৰথমতে সি লগৰে কোনোবা বুলি ভাবি খেতখেতাই উঠিব খুজিছিল। তাৰ পিছতে চমকি উঠিল। মালিক। দেখিবলৈ কুৎসিৎ সেই টিকাটোৰ দৰে। তাৰ কাণখন ছিঙিব খুজিছে। যন্ত্ৰণাত চিঞৰিব খুজিও, মানুহবোৰে তাৰ পিনে চাই হাঁহি থকা দেখি মনে মনে থাকিল সি। দৌৰ মাৰি পলাবৰ মন গ'ল। নোৱাৰিলে। প্ৰকাণ্ড টিকাটোৱে হাত এখনেৰে মিঠাই এটা তুলি অনা দি তাক টানি আনিলে। তাৰ কাণ-মূৰ গৰম হৈ গ'ল। এই মুহূৰ্তত মানুহবোৰ যদি অন্ধ হৈ গ'ল হয়। তাৰ হাতৰ পৰা গিলাচ দুটা প্লেটখন পৰি যাব যেন লাগিল। টিকাটোৱে তাক চাহদোকানৰ কাষলৈ মুখ কৰি গতা মাৰি দিলে।

সেমেনা সেমেনিকৈ সি আহি দোকানৰ ভিতৰ সোমাল। লগৰবোৰে তাক দেখি হাঁহিলে। এজনে তাক এপাক নাচিও দেখুৱালে। এজনে আকৌ কাষলৈ আহি সুধিলে বিহু চালি?

সি একো নকৈ অন্যমনস্কভাৱে টেবিল এখন মচিবলৈ ধৰিলে। বহি থকা গ্ৰাহক এজনে খেতখেতাই উঠিলে। গ্ৰাহকজনে শেষ কৰিবলৈ নৌপাওঁতেই মালিকেও একে সুৰতে খেতখেতাই উঠিল — সদায় একেটা কথাকে ক'ব লাগে কিয়? চাহটোপা মচিব নোৱাৰ? যোৱা দুটা বছৰ ধৰি এই শব্দবোৰৰ স'তে তাৰ সহবাস। আগতে দুখ লাগিছিল। এতিয়া একো নালাগে।

ৰাতি হৈ অহাৰ লগে লগে ঢোল-পেঁপা-গগনাৰ মাতে আকৌ আকুল কৰি তোলে তাক। কিমান ওচৰতে বিহুতলীখন ...। ৰাতিৰ গভীৰতাই বিহুতলীখনৰ দূৰত্ব আৰু কমাই দিলে। সকলো আওকাণ কৰি গলা, দেখুঁইতে একেলৰেই ৰৈছে। পুৰাণ

পৰা বাত্তিলেকে ইটো-সিটো কৰি ক্লান্ত, শ্ৰান্ত সিহঁত। চাগে' সপোনো দেখা নাই। বীকৰে চাধা মাৰি বক্‌বকাই আছে। হঠাতে মণ্টুই শোৱা টেবিলখনলৈ তাৰ চকু গ'ল। খালী। মণ্টু নাই। এই বাতি ই আকৌ গ'ল ক'লৈ?

ক'ত যাব আৰু, তাক বিহুৱে পাইছে। বিড়িভাল টানি টানি মনুৱে ক'লে।

দূৰৰ পৰা ভাহি আহিছে ঢোল-পেঁপা-গগনা। ঘৰলৈ যাব পৰা হ'লে ভাল লাগিলে হয়। বিহুৰ সময়তো এনেকৈ ... ধুৰ ... নুমাই যোৱা বিড়িভাল দলিয়াই দিয়ে মনুৱে।

মালিকক ক'লৌ পইচা অলপ দিয়াৰ কথা। খেঙখেঙাই উঠিল। চালা ... গালত পৰা মহটো প্ৰয়োজনতকৈ বেছি জোৰেৰে চপৰিয়াই দিয়ে বীকৰে।

ঐ ব'ল বিহুতলীলৈ যাওঁ। কিবা ভাবি মনুৱে ক'লে।

মই নাযাওঁ। গ'লে বাতিটো টোপনি ক্ষতি — কালিলৈ কি হ'ব? মালিকে বিহু ঢোৱাৰ নামত শুই থাকিবলৈ দিবনে? বীকৰে ক'লে। মনুৱে একো নকৈ মনে মনে থাকে। চকু দুটা মুদি সি টোপনি আহিবলৈ যত্ন কৰে। দূৰৰ পৰা ভাহি অহা ঢোল-পেঁপা-গগনাৰ মাতত বুকুৰ কোনোবাখিনি যেন মোচৰ খাই উঠে। কিবা এটা কওঁ বুলি সি বীকৰ ফালে চায়। বীকৰ নাকে তেতিয়া ঘৰঘৰাইছে।

বিহুতলী উদুলি-মুদুলি।

ভিৰ ঠেলি সুকণ্ঠা উলিওৱাৰ আশাত লাহে লাহে বিৰক্ত হৈ উঠিছে মণ্টু। তাৰ কাৰণে এটুকুৰা ঠিক ঠাই সি বিচাৰি উলিয়াব পৰা নাই।

মণ্টু!

সি ঘূৰি চালে। ধৰিব নোৱাৰিলে মাতটো ঠিক কোনফালৰ পৰা আহিছে।

ঐ মণ্টু!

অনু দেখোন! তামোল-পাণৰ দোকান দিছে। ইমান দিনৰ মূৰত তাক দেখা পাই ভাল লাগি গ'ল মণ্টুৰ।

চকু-মুখ উজলি উঠিল।

কাৰ দোকান অ' এইখন?

মোৰ।

তোমাৰ?

অঁ।

চাহ দোকানত আছিলি যে?

গুটি আছিলোঁ।

গুটি আছিলি?

ভাল নালাগিল। সদায় গালি-শপনি। কাম কৰিলেও গালি, নকৰিলেও গালি। এইকালে কাউন্সৰে গালি আছেই। গিলাচ এটা ভাঙিলেও দৰমহাৰ পৰা কটা যায়।

খুব।

মণ্টুৱে মনে মনে থাকিল। মালিকৰ মুখখন তাৰ চকুৰ আগত ভাহি উঠিল। অনুৰ মালিকো চাগে' টিকাটোৰ দৰেই কুৎসিত।

ঘৰলৈ নগ'লি?

গ'লে খাবি কি? অনুৱে নির্বিকাৰভাৱে কয়। বহি থকা কাঠৰ বাকচটোৰ অকণমান এৰি দিলে অনুৱে। বহ ইয়াতেই।

হ'ব দে, নালাগে।

বহনা — সি জোৰ কৰে।

তোৰ মালিকটো কেনে?

তোৰটোৰ দৰেই।

মালিকবোৰ এনেকুৱে হয় অ'। দুদিন সেকেলা সাদৰ, তাৰ পিছত নিজৰ বাহিৰে আনক কুকুৰ-মেকুৰী বুলি ভাবে। মণ্টুৰ মুখখন কঠিন হৈ উঠে। চাহ খাবি নেকি? অনুৱে সোধে।

গিলাচ এটা লৈ মণ্টুৱে ওচৰতে থকা দোকানখনলৈ দৌৰ মাৰে। ঐ, পইচা খুজিলে, মোক দেখুৱাই দিবি। সি চিঞৰি কয়।

ঢোল-পেঁপা-গগনাৰ মাতেৰে বাস্তিটো যেন মাতাল হৈ উঠিছে ক্ৰমাত। লগে লগে বিভিন্ন জনৰ চিঞৰ-বাখৰেৰে মুখৰিত চৌদিশ। অনুৰ কাণসাৰ নাই। ভামোল চোবাইছে আৰু নির্বিকাৰভাৱে গ্ৰাহকবোৰক বস্তবোৰ দি গৈছে। মণ্টুৱে চাহ লৈ অহা দেখি ভতা পিয়লা এটা আগবঢ়াই দিলে অনুৱে। গিলাচটোৰ আধা চাহ পিয়লাটোত ঢালি দিলে মণ্টুৱে।

ভালমুট খাবি?

অনুৱে ভালমুটৰ বয়ামটো খুলি হীৰামোতিৰ খালী টেমাটোৰে এটেমা ভালমুট লৈ আকৌ অকণমান থৈ ভাগ দিলে।

বিহু জমিছেনে এইবাৰ? চাহ এঢোক মাৰি মণ্টুৱে সোধে। জানো। নিৰ্বিকাৰ উত্তৰ অনুৰ।

বিহুতলীতেই আছু, আৰু তোৰ খবৰেই নাই — বাৰে খাই মাৰিব দেখোন অ' তোক। মণ্টুই আচৰিত হৈ কয়। সেইকালে চালে কাউমাৰক চাব কোনে?

হ'লেও এইহেন বিহুৰ বতৰত ... আৰু বিহু গ'লে কৰিবি কি?

চহৰত বিহুৰ আকাল নাই। এটা নহয় এটা বিহু পাবিয়েই, বহি গ'লেই হ'ল।

ৰব জলা অ' ডালমুটখিনি। মণ্টুই সুহুৰিয়ায়। সিহঁতক এনেকুৱাহে লাগে — নহ'লে পানীটোপাৰ লগত নজমে।

পানীটোপা।

মদ-মদ।

মদ খালে দেখোন মানুহবোৰে কেনে কৰে। সেইদিনা আমাৰ কাবিকৰটোৱে মদ খাই আহি মোক গৰা মাৰি ধৰিছিল। তাৰ পিছত কি গান। গান গাই গাই শেষত বমি কৰি দিলে। কি দুৰ্গন্ধ। তাৰ চৰ গান ওলাই গ'ল। তাৰ পিছত? অনুৱে হাঁহি হাঁহি সুধিলে।

বেহু।

ভীষণ শব্দ কৰি কেইটামান বইচেল বাজি উঠিল। লগে লগে কোঢ়াল আৰম্ভ হ'ল। ষ্টেজত জ্বলি উঠিল ৰঙা-নীলা লাইট। কীবোৰ্ড-গীটাৰ-ড্ৰামচেটৰ আখৰা চলিছে। হাত চাপৰিৰ জাউৰি উঠিল চৌদিশে। এনে কি নেদেখা বস্তু ওলাল — মণ্টুৱে এবাৰ চাব খুজিলে। কিন্তু ক'লা ক'লা মূৰবোৰৰ বাহিৰে আৰু একো দেখা নাপালে। সি মাথোঁ মাইকটোৰ ফালে চালে। কোনোবা এজনে গাই আছে — পাপ্পা কেহতা হেয় বড়া নাম কৰেগা — বেটা হামাৰ এইচা কাম কৰেগা ...। হঠাতে কিয় জানো তাৰ নাকত দুৰ্গন্ধটো সজীৱ হৈ উঠিল। মনটো সেমেকি গ'ল। মৃত দেউতাকৰ মুখখন তাৰ দুচকুত সজীৱ হৈ উঠিল। সি তেতিয়া ইমান সৰু আছিল!

... বাৰ্টি ৰাণ্টু আহি বন্ধ হৈ থকা দুৱাৰখনত লাহে লাহে টুকুৰিয়ালে। দুৱাৰখন খুলি দি বাঁহৰে তাক চিনিয়াখানাৰ ফালে চোৱাদি চালে।

ক'ত থাকিলি ৰাতিটো?

বিহুতলীত।

বিহুতলীত! নাচিলি গোটেই ৰাতিটো ...? এনেকুৱা অদ্ভুত, অশ্লীল ভংগী কৰি

সি হাঁহিলে। তাক পিশাচ যেন লাগিল মণ্টুৰ। কাণ-মূৰ বন্ধ পৰি গ'ল মণ্টুৰ। ভীষণ খং উঠিল তাৰ।

কাম কৰিবলৈ তাৰ মন যোৱা নাছিল। গোটেই ৰাতিটো টোপনি ক্ষতি। অকণমান ক'ৰবাত টোপনি মাৰিব পৰা হ'লে। অজানিতে তাৰ চকু দুটা যেন অৱশ হৈ উঠে। এজনে ঠেঁকুৰিয়াই দিয়ে — ঐ কপালত দুখ আছে তোৰ আজি। বহি থকা চকীখনৰ পৰা উঠি আহি সি অইন এখন চকীত বহে। চকু দুটা মুদ খাই আহিব খোজে তাৰ বাবে বাবে। খীকৰে তাক টানি লৈ গৈ পিলাচ ধুবলৈ লগাই দিয়ে। দুটামান পিলাচ ধুই সি আকৌ টোপনিয়াবলৈ ধৰিলে তেনেকৈয়ে ... আৰু হঠাতে এবাৰ পিলাচ এটা হাতৰ পৰা সৰি পৰিল। তাৰ টোপনি ভাগি গ'ল লগে লগে।

সন্মুখত মালিক থিয় হৈ আছে।

ভঙা টুকুৰা এটা লৈ বেছিকৈ ডাঙৰ টুকুৰা এটাৰ স'তে জোৰা লগাই চাবলৈ যোজা কামটো সি বাদ দি দ'লে। টুকুৰাবোৰ বুটলিবলৈ আৰম্ভ কৰিলে সি। তাৰ পিছত টুকুৰাবোৰ পেপাৰ এখনত লৈ ৰাস্তাটোৰ আনটো কাষে থকা ডাষ্টবিনটোত পেলাই দিবলৈ ততাতৈয়াকৈ সি ওলাই গ'ল। তাৰ পিছত আৰু কি কৰিব সি ভাবি উলিয়াব নোৱাৰিলে। পৃথিৱীখন হঠাতে বৰ বেয়া যেন লাগিল তাৰ। মালিকে চাই থকা যেন অনুমান কৰি দোকানখনৰ কাষলৈ যোৱাৰ সাহসো তাৰ হেৰাই গ'ল। তেনেকৈয়ে থিয় দি থাকিল সি ডাষ্টবিনৰ কাষত। ডাষ্টবিনটোতেই সোমাই থাকিবৰ মন গ'ল তাৰ। এনেতে সশব্দে চিটিবাছ এখন আহি তাৰ সন্মুখত ৰ'ল। এটা মুহূৰ্তৰ বাবে মালিকে নেদেখা হোৱাৰ সেই সময়খিনিতে হঠাতে সি চিটিবাছখনত জঁপিয়াই উঠিল।

পথুলিৰ বিহুতলী উদুলি-মুদুলি। ঢোল-পেঁপা-গগনাৰ মাতেৰে মুখৰ। মণ্টু বহি আছে অনুৰ স'তে, মনে মনে।

ঐ চাব যদি বাৰুচটো ল থিয় দি চাব পাৰিবি। বহি বহি মোৰো বিৰক্তি লাগি গৈছে। অনুই ক'লে।

নালাগে, বহিয়েই ভাল লাগিছে।

যোৱাকালিৰ উৎসাহ তাৰ নাই।

তেনেহ'লে তই আৰু যাবা?

নাযাওঁ — মণ্টুৱে জোৰ দি ক'লে।

কি কৰিবি?

মণ্টুৱে একো ক'ব নোৱাৰিলে। সি ভবায়ে নাই। অসহায় যেন লাগিল নিজকে। আজি যে সি এনেকৈ ওলাই আহিব তাকো ভবা নাছিল।

গাঁৱলৈ যাবি?

গ'লে খাবি কি? মণ্টুৱে অনুৱে কোবাদি ক'লে।

দুপৰীয়া কিবা খাইছ?

নাই খোৱা।

চাহ খাবি?

মণ্টুৱে অনুৰ মুখলৈ চায়। অনুৱে গিলাচটো আগবঢ়াই দিয়ে। গিলাচটো লৈ মণ্টু আগবাঢ়ি যায়। ঐ গিলাচটো থুই ল'বি অনুৱে চিঞৰি কয়।

বিহুতলী উদুলি-মুদুলি।

ষ্টেজত কোনোবাই কুলি চৰাইৰ মাতৰ অনুকৰণ কৰিছে। মাতটো বিসদৃশ যেন লাগিল। হাত চাপৰিৰ জাউৰি উঠিল। মণ্টুৰ নাকত দুৰ্গন্ধটো যেন সজীৱ হৈ উঠিল। তাৰ খং উঠি গ'ল। চাগে' ইয়াৰ কোনেও কেতিয়াও কুলিৰ মাত শুনা নাই। ইয়াৰ মানুহবোৰে চাগে' কাউৰীজাককে কুলি বুলি ভাবি আছে। ক'ব মানুহ এইবোৰ! আচৰিত। বিহুতলীৰ হাই-উৰুমি হঠাতে যেন নিজম পৰি গ'ল। মাথোঁ অনুৰ বাহিৰে আৰু কোনো নাই প্ৰচণ্ড এই ভিৰৰ মাজত এনে লাগিল মণ্টুৰ।

এনে লাগিল সি আৰু অনু যেন সিহঁতৰ নিজৰ গাঁৱত। মাটিৰ গোন্ধ! চৌদিশে কোমল কুঁহিপাত! মায়াময় পৰিবেশ!!

সেউজ সেউজীয়া!

তাৰ মাজে মাজে সি আৰু অনু।

গছে-বনে কুলি চৰাইটো বিচাৰি বিচাৰি ...!

বুকুত বাজি উঠিল চিৰন্তন মায়াৰে তাৰ মাত — সাইলাখ সেই মাত!! ❖

ঢাক

আৰু বাট চাব নোৱাৰি। অহা সপ্তাহৰ ভিতৰত কোনোবা এখন নাৰ্ছিংহোমত 'মা'ৰ অপাৰেচনটো কৰিবই লাগিব। চৰকাৰী হাস্পতালত ডাক্তৰে কিয় নকৰয়। কিন্তু এই মুহূৰ্তত অপাৰেচনটোৰ কাৰণে টকা পোৱা যায় ক'ত। ভাবি ভাবি দীপু যেন অৱশ হৈ পৰিল। ৰাতিপুৱা ওলাই আহোঁতে সি ভাবিছিল — চৰকাৰী হাস্পতালত কিবা নহয় কিবা এটা ব্যৱস্থা হ'ব। কিন্তু চৰকাৰী হাস্পতালৰ ডাক্তৰে যেতিয়া ক'লে — উহু আৰ হেজলেছ, সি নিতান্তই হতাশ হৈ পৰিল। এই প্ৰকাণ্ড হাস্পতালখনৰ ডাক্তৰ এজনেই যদি সাধাৰণ মানুহ এজনৰ দৰে কথা কয়, তেনেহ'লে সাধাৰণ মানুহ এজনৰ প্ৰতিক্ৰিয়া কি হ'ব পাৰে, সহজেই অনুমান কৰিব পাৰি। আতংকিত হৈ সি ভাবিলে — চৰকাৰেই যদি হাস্পতাল এখনক পূৰ্ণাংগ ৰূপ দিয়াত ব্যৰ্থ হয়, নাৰ্ছিংহোমবোৰ বাৰু কি সাহসত চলি আছে? চৰকাৰতকৈ ব্যক্তি হয়তো অধিক শক্তিশালী। প্ৰাইভেট নাৰ্ছিংহোম আৰু প্ৰাইভেট স্কুলৰ সংখ্যা দিনক দিনে যেনেকৈ বাঢ়িব ধৰিছে, এটা সময়ত চৰকাৰী বুলিবলৈ চাগে' একো নাথাকিব। তেতিয়া আমাৰ পঢ়াৰ অথবা চিকিৎসাৰ দুৰ্ভাৱনাও নাথাকিব।

মাজে মাজে নিজৰ অস্তিত্বৰ ওপৰতেই সন্দেহ হয় দীপুৰ। দেউতাক মৰাৰ পিছৰ পৰাই ঘৰখন সি চলাব লগীয়া হৈছে। ৰাতিপুৱা পাঁচটা বজাৰ পৰাই আৰম্ভ হয় টিউচন, ৰাতি প্ৰায় আঠ বজালৈকে। কেতিয়াবা বিৰক্ত হয় সি। কি দৰকাৰ লোকৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ গঢ়াৰ, তাৰ নিজৰেই যেতিয়া ভৱিষ্যৎ বুলিবলৈ একো নাই। একোবাৰ ভাব হয় — সি গুচি যাব ক'ৰবালৈ। কিন্তু নোৱাৰে। কি এক অদৃশ্য শক্তিয়ে যেন বান্ধি ৰাখিছে তাক। ভাল ধৰণে কোনো কামেই সি কৰিব নোৱাৰে। ফলত সহজেই অতিষ্ঠ হৈ পৰে দীপু।

লিপিকাই তাৰ মনৰ কথা বুজি পায়। কিন্তু কৰিব কি? ভনীয়েক হিচাপে তাইনো কি সান্ত্বনা দিব। তাই নিজেই নিজকে সান্ত্বনা দিব পৰা নাই কেতিয়াও। তাইৰ বিয়াখনো এদিন ককায়েকৰ কাৰণে সমস্যা হৈ থিয় দিব, এই ভয় তাইৰ আছেই। যদি ইতিমধ্যে

তাই কাৰোবাৰ প্ৰেমত পৰে, আৰু ল'ৰাজন যদি সন্মত হয় প্ৰচলিত ব্যৱস্থাক আওকাণ কৰি সহজভাৱে বিয়া এখন পতাত, তেনেহ'লে হয়তো ককায়েকক সকাহ অকণ দিব পৰা যায়। সেই বুলি প্ৰেমৰ নামত কাৰোবাৰ বাইকৰ পিছত বহি গাত গা লগাই, অথবা কোনোবা এখন পাৰ্কত আনে নেদেখাৰ ভাও জুৰি ক্ষণিক দৈহিক পৰিতৃপ্তি, অথবা কম পোহৰত অনুচ্চ সংগীতৰ তালে তালে কোনোবা এখন ৰেষ্টোৰাঁত নিজকে এৰি দিয়াৰ মানসিকতাক তাই এতিয়াও সম্ভাষণ জনাব পৰা নাই। কঠোৰ বাস্তৱতাত কৰ্ফালি খাই পৰি আছে তাইৰ কল্পনাৰ আকাশ — জোনাক — এমুঠি তৰা। কেতিয়াবা আবেগে উতলা কৰিলেও তাৰ প্ৰকাশ তাই কৰিব নোৱাৰে। সযতনে সাঁচি থয় তাই, তাইৰ সকলো অনুভূতি গোপনে গোপনে। লগৰ ছোৱালীবোৰৰ সৰস আলোচনাত প্ৰায়েই হেৰাই যায় তাই। যৌৱনৰ মাদকতাভৰা কথাবোৰ যেন ক্ৰমশঃ সলনি হৈ যায় অদ্ভুত এক কোলাহললৈ।

তথাপি ককায়েকৰ লগত বণেন যেতিয়া সিহঁতৰ ঘৰলৈ আহে, কিয় জানো তাইৰ কি ভাব হয়, কিবা ভাল লাগে। মাকৰ সলনি ভালকৈ এপিয়লা চাহ কৰি দিবৰ কাৰণে তাই খৰখেদা লগায়। ওচৰৰে টিকলুক মাতি পানি দোকানৰ পৰা কিবা এটা লৈ আহিবলৈ কয়। তাৰ পিছত চাহ পিয়লা দিবলৈ অহাৰ সময়ত তাল-আকাল লগাই থকা তাইৰ ধুমুহাজাক নিমিষতে নিতাল মাৰি শুই পৰে যেন! মাজে মাজে মাকৰ আগত লিপিকাই কয় — আমাৰ ককাইদেউ আৰু বণেনদাৰ মাজত অদ্ভুত মিল আছে, নহয়নে মা? লিপিকাই তেনেকৈ সুধিলে মাকে মাথোঁ তাইলৈ চায় কয়। মাকৰ মুখত বণেনৰ কথা শুনিব বুলি, মাকৰ মুখলৈ চাই চাই প্ৰায়েই হতাশ হয় তাই। মাকে একো নকয়, মনে মনে থাকে। মাকৰ তেনে প্ৰতিক্ৰিয়াই প্ৰায়েই বিব্ৰত কৰি তোলে তাইক আৰু আচলতে তাই কি ক'ব খুজিছিল সকলো যেন খেলি-মেলি হৈ যায়। যেন অস্পষ্ট হৈ যায় সকলো লাহে লাহে।

ঘৰটোৰ এলাহ্ন্ড ওচাই হঠাতে লিপিকাই অনুভৱ কৰিলে দেউতাকৰ ফটোখন অস্পষ্ট হৈ যাব ধৰিছে লাহে লাহে। ফটোখন নমাই আনিলে তাই। কাপোৰ এখন তিয়াই লাহে লাহে মচিব ধৰিলে। ধূলি-মাকতি পৰিলে মচি দিলে যায়, কিন্তু ক্ৰমশঃ অস্পষ্ট হৈ যাব ধৰা ফটোখন কেনেকৈ চকচকীয়া কৰিব তাই! ফটোখন এনেকৈ নোহোৱা হৈ গৈ থাকিলে এদিন সঁচাকৈয়ে তাত একো নাথাকিব। ফ্ৰেমটোত বন্দী হৈ থাকিব মাথোঁ এটুকুৰা উকা কাগজ। তাৰ পিছত লাহে লাহে এদিন কাগজখনৰ ৰঙো সলনি হৈ যাব। হঠাতে লিপিকাৰ কিবা এটা ভয় লাগিল।

ৰাতি তাইৰ টোপনি নাহিল। বাৰে বাৰে তাই উঠিল দুচকুত দেউতাকৰ ফটোখন।

ৰাতি তাই সপোন দেখিলে। সেইতাক ওলাই আহিছে কেমেৰাটোৰ পৰা। সেইটো পৰা একন মুখ। অজানিতে ফটোখনৰ পিনে লিপিকাই চালে। সেইমুহূৰ্ত — কেৱল মাত্ৰ একন ফটো। কাৰ ফটো সেইখন? জনাজাত চেহেৰা তাই। মানুহ, অস্পষ্ট জীৱন কথা-বতৰা একন ফটো। অজান আশংকাত মুহূৰ্তত বিদীৰ্ণ হৈ পৰিছিল তাইৰ। সমস্ত শক্তি প্ৰয়োগ কৰি কৰ্কাইদেউ বুলি তাই জোৰেৰে চিঞৰিব খুজিলে, কিন্তু মাতটো মুখৰ নোলাল।

ৰাতিপুৱা সাৰ পায়েই মাকৰ ওচৰলৈ দৌৰি গ'ল লিপিকা। বাৰাণ্ডাত বহি মাকে একেথৰে চাই আছে আকাশখনৰ ফালে। মাকৰ কাষত থিয় হৈ লাহেকৈ তাই মাতিলে মা।

মাকে তাইৰ ফালে চালে — নিৰ্জীৱ একন মুখ। তাই কিবা এটা ক'ব খুজিলে, কিন্তু ক'বলৈ সত নগ'ল তাইৰ।

দীপু ওলাই গ'ল নেকি?

কেতিয়াবাই গ'ল। লিপিকাই মাকৰ ফালে সোঁচৰাকৈয়ে উত্তৰটো দিলে। অলপ পিছত হঠাতে কিবা এটা মনত পৰাৰ দৰে মাকলৈ চাই সুধিলে।

তই টেবলেটটো খাইছনে?

মাকে একো নক'লে। একেলেথেৰে উদাসীন হৈ ৰ'ল।

তই খোৱা নাই, মই জানিছোঁ। কোনোবাখিনিতে লিপিকাই ভিতৰলৈ সোমাই গৈ টেবিলৰ ওপৰত উদিয়াই খোৱা টেবলেটটো ভেলেটাকৈ পৰি থকা দেখিলে। টেবলেটটো সৈ পানী গিলাচ লৈ তাই আকৌ মাকৰ কাষলৈ আহিল।

মাকে ভেলেলেকৈ আছে — একেথৰে আকাশখনৰ ফালে চাই। তাই জোৰেৰে মাকলৈ বুলি পানী গিলাচ আগবঢ়াই দিলে। মাকে তাইৰ ফালে সোঁচৰাকৈ অনিচ্ছাৰে পানী গিলাচ ল'লে। তাৰ পিছত লিপিকাই দিয়া টেবলেটটো হাতত লৈ কিবা ভাবি স্বগতোক্তি কৰাৰ দৰে ক'লে — মানুহে আৰু টেবলেট খাই বাচি থাকিবনে?

মানুহে সদায় টেবলেট খাবৰ নহয়, অসুখ হ'লেহে খায়।

আৰু মোৰ সদায় অসুখ।

লিপিকাৰ সঁচাকৈয়ে বৰ উঠিছিল, চাগৈ কিবা এটা ক'বৰ মন গৈছিল। কিন্তু মাকৰ মুখলৈ চাই একো ক'ব নোৱাৰিলে তাই। সেইতাক মনিব দিন ধৰি মাকৰ কেৱল অসুখ। মাজে মাজে মাকে সোকোৱাকৈ থাকিব লোৱাতে — সেইতাৰ

নমৰি যদি মৰেই মৰিলোঁহেঁতেন! সঁচাকৈয়ে লিপিকাৰ কান্দিবলৈ মন যায়। কিয় হয় এই অসুখবোৰ? আৰু অসুখনো কি? মনৰ অশান্তিয়েই বহুত ক্ষেত্ৰত অসুখ। আৰু মানসিক শান্তি কথাটো এক ধৰণৰ অলীক সান্ত্বনা। মাকৰনো কি মানসিক শান্তি থাকিব? দেউতাকেই বা কি দিছিল? অভাৱৰ মাজেৰেই অতিবাহিত হৈছে দিনবোৰ — তেতিয়াও, এতিয়াও। দীপুৱে এতিয়াও থিতাপি লাগিব পৰা নাই। ৰাতিপুৱাৰে পৰা ৰাতিলৈকে একেবোৰ কথাকে বলকি ঘৰলৈ আহিলে তাৰো চাগে' আৰু কথা পাতিবৰ মন নাযায়। তায়ো এনেকৈ ঘৰতে আছে। মাকৰ স'তেনো কি কথা পাতিব? মাকে প্ৰায়েই উদাসীন হৈ থাকে। এই উদাসীনতা হয়তো নোপোৱাৰেই অভিমান। আৰু তাৰ বাহিৰে মাকেনো কি কৰিব পাৰে? নাভাবো নাভাবো বুলি লিপিকাই ভাবি গ'ল কথাবোৰ।

অপাৰেচনৰ কথাটো মাকে হয়তো এতিয়াও নাজানে। এসপ্তাহৰ ভিতৰত অপাৰেচনটো যদি নহয়, মাকৰ অৱস্থা আৰু সংকটজনক হ'ব। কথাটো দীপুই অকল তাইকেই কৈছে। মাকে যদি কেনেবাকৈ গম পায় কথাটো, উচপ্ খাই নুঠে সঁচা — কিন্তু দুগুণে চিন্তিত হ'ব দীপুৰ কথা ভাবি। কাৰণ মাকে জানে দীপুৰ আমঠালি। বাটত শিল ভাঙি, গোটেই ৰাতি উজাগৰে থাকি কাম কৰি হ'লেও পইচা যোগাৰ কৰিব কিন্তু তাৰ কষ্টৰ কথা মুখ খুলি এবাৰো নক'ব। যদি অপাৰেচনটো হয় তাৰ কাৰণেই হ'ব। কিন্তু দিনক দিনে দীপুৰ স্বাস্থ্যৰ যিদৰে অৱনতি ঘটিব ধৰিছে..., যদি কিবা এটা হয় ...! ভাবিবলৈ লিপিকাৰ আৰু সাহস নহ'ল। আনকি দীপু ঘূৰি আহিলে কেতিয়াবা তাৰ মুখলৈ চোৱাৰ সাহসো হেৰুৱাই পেলায় তাই।

ৰাতিপুৱাই দীপুই খৰখেদা লগালে। লিপিকাই চাহ কাপ তাৰ ফালে আগবঢ়াই দি সুধিলে — আজি দেওবাৰে ইমান খৰখেদা লগাইছ যে?

বাপু খুৰাৰ গেৰেজলৈ যাওঁ।

আজি জানো গেৰেজ খোলা থাকিব?

অসম বন্ধতো বাপু খুৰাৰ গেৰেজ খোলা থাকে। দীপুই নিৰ্বিকাৰভাৱে ক'লে। তাৰ পিছত চাহ কাপ একে উশাহতে খাব খুজি জিভাখন পুৰি যোৱা যেন পালে।

চাহখিনি অলপ ঠাণ্ডা কৰি দিব নোৱাৰিলিনে? দীপুই ভোৰভোৰালে।

এনেয়ে ঠাণ্ডা চাহ দিলে তই দেখোন গালি পাৰ। দীপুৱে একো নকৈ মনে মনে ওলাই আহিল।

বাপু খুৰাৰ গেৰেজ সঁচাকৈয়ে খোলা। কিন্তু বাপু খুড়া কেনিবা ওলাই গৈছে।

বৰ ব্যস্ত হেনো এই কেইদিন। আৰু সাদিন পিছতেই বিশ্বকৰ্মা পূজা। এইবাৰ পূজা হেনো ডাঙৰকৈয়ে পাতিব বাপু খুৰাই। ক'ৰবাৰ পৰা নাম,পাট্টি [illegible]আনিব। গেৰেজত কাম কৰা ল'ৰা এটাই ক'লে।

তইতক কি দিবনো পূজা উপলক্ষে? দীপুৱে সুধিলে ল'ৰাটোক।

গালি-শপনিৰ বাহিৰে আমাকনো কেতিয়া কি দিছে? সহজভাৱে ল'ৰাটোৱে ক'লে।

হঠাতে এম্বাচাডৰ এখন আহি বাপু খুৰাৰ গেৰেজৰ সন্মুখত ৰ'ল। দীপুই লগে লগে ঘূৰি চালে। গাড়ীখনৰ ভিতৰত বাপু খুৰা। তাম্ৰোল চোবাই চোবাই ৰঙা পৰা ওঁঠ আৰু ক'লা পৰা দাঁতকেইটাৰে দীপুৰ ফালে আচৰিত হৈ বাপু খুৰাই চালে। তাৰ পিছত গাড়ীৰ দুৱাৰখন খুলি নামি আহি দীপুৰ কাষ পালে আৰু দীপুৰ ফালে জেনেকৈয়ে চাই থাকিল।

তই দীপু নহয়নে?

দীপুই মূৰ দুপিয়ালে।

হঠাতে কি মন কৰি ..., নে গাড়ী-মটৰ কিবা কিনিছ। নিশ্চয় হেকেও হেও কিনিছ! সেই কাৰণেই মই সদায় কওঁ, হেকেও হেও মানে হেকেও হেও। তাৰ পিছত তই সেইখনৰ স'তে নিজেই হেকেও হেও হৈ যাবি। নিজৰ কথাত নিজেই উৎসাহিত হৈ বাপু খুৰাই হেকঢেকাই হাঁহিলে। দীপুৰ হাঁহি নুঠিল। তাৰ এনে লাগিল বাপু খুৰাই যেন তাক উপলুঙা কৰিবলৈহে কথাটোৰ অৱতাৰণা কৰিলে।

তাৰ পিছত বাপু খুৰাই গেৰেজটোৰ একাষে থকা সৰু কোঠালিটোলৈ তাক লৈ গ'ল। টুল এখনত দীপুক বহিবলৈ দি নিজে চকী এখনত বহি ল'লে। কোঠালিটোৰ চাৰিওফালে এবাৰ চকু ফুৰালে দীপুই। সেয়েখো এটা কোঠালি। কোঠালিটোৰ কোনো মাৰি থোৱা কৰিবা কাপুৰৰ মটোখনে আচলতে তাক চাই নে খুৰাকৰ ফালে চাই হাঁহি আছে সি ঠিক ধৰিব নোৱাৰিলে। কোঠালিটোৰ কোণত দুটামান খালী বটল পৰি আছে অসাৱধানভাৱে। কোঠালিটোৰ ওপৰৰ ফালে তক্তা এখনৰ ওপৰত থকা বিশ্বকৰ্মাৰ মূৰ্তিটোৱে এলাহৰ মাজেৰে অসহায়ভাৱে যেন চাই আছে বাপু খুৰাৰ ফালে। বাপু খুৰাই তাম্ৰোল এখন উলিয়াই তৰ্জনী আঙুলিটোৰে পাণখিলাত চূণ লগাই লগাই দীপুৰ ফালে চাই সুধিলে। খাবি নেকি এখন?

দীপুৱে মূৰ জোকাৰিলে।

তাৰ পিছত সুধিব লাগে কাৰণেই বাপু খুৰাই সুধিলে চাগে' — কচোন মাৰেৰে কেনে আছে?

মাৰ কাৰণেই আপোনাৰ ওচৰলৈ আহিছোঁ।

কিয়, মোক মাতি পঠিয়াইছে নেকি? মই কিন্তু যাব নোৱাৰিম দেই। অসম্ভৱ! বৰ ব্যস্ত হৈ আছোঁ এইকেইদিন। মৰিবলৈ সময় নাই। দীপুৰ কাণে নোচোৱাকৈ বাপু খুৰাই কৈ গ'ল।

আচলতে মাৰ অসুখ, চিৰিয়াচ!

দীপুই কথাষাৰ কোৱাৰ লগে লগে বাপু খুৰাৰ মুখখনো চিৰিয়াচ হৈ গ'ল। যেন বাপু খুৰাই কৈ দিব — মোৰো অসুখ, চিৰিয়াচ। দীপুই বাপু খুৰাৰ মুখখনলৈ চাই ভাবিলে — আহিছোঁ যেতিয়া কৈয়েই যাওঁ, নহ'লে পিছত বাপু খুৰাই ক'বলৈ সুবিধা পাব — তইঁত ইমানেই ব্যস্তনে? মোক এটা খবৰ দিব পাৰিলিহয়।

ডাক্তৰে কৈছে, মাৰ অপাৰেচনটো এই সপ্তাহৰ ভিতৰত কৰিবই লাগিব। বাপু খুৰাৰ কাণে নোচোৱাকৈ দীপুই ক'লে।

অ' — বাপু খুৰাই উদাসীনভাৱে ক'লে।

ডাক্তৰে কৈছে — চৰকাৰী হাস্পতালত অপাৰেচনটো কৰিব পৰা নাযাব। নাৰ্চিংহোমত কৰিব লাগিব। নাৰ্চিংহোমত কৰা মানে ...

বাপু খুৰাই এইবাৰ সম্পূৰ্ণকৈ নিশ্চিত হ'ল যেন দীপুৰ আগমনৰ কাৰণটো কি। আৰু লগে লগে বেছি অন্যমনস্ক হৈ পৰিল বাপু খুৰা। যেন দুচকুলৈ নামি আহিল অনন্ত অৱসাদ।

মোৰ হাতত পইচা নাই। তথাপি এই মাহৰ চিট্‌চনৰ পইচা আগতীয়াকৈ খুজিছোঁ। আপুনি যদি পাঁচ হেজাৰ টকা ধাৰলৈ দিয়ে ..., মই মাহে মাহে অলপ অলপকৈ পৰিশোধ কৰি যাম। আৰু কিবাকিবি ভাবি লেপাচে দীপুই। চাওঁ-নেচাওঁকৈ বাপু খুৰাৰ মুখখনৰ ফালে চালে এবাৰ। বাপু খুৰাই বিশ্বকৰ্মাৰ মূৰ্তিটোৰ ফালে একেথৰে চাই আছে। তাৰ পিছত বলোৱাতকৈ কথাষাৰ ক'লে: এই সময়ত কিবা এটা কৰিব পৰা হ'লে মোৰো ভাল লাগিল হয়। কিন্তু কি কৰিম, মন থাকিলেও তথাপিতে আমি ভালো সকলো কাম কৰিব পাৰোঁ? এইকালে বিশ্বকৰ্মা পূজা, আৰু এইকালে পইচাৰ কাৰণে মই মানুহৰ চোতালে চোতালে ভাগিলা দি ফুৰিছোঁ। গাড়ীখন বেয়া হ'লে চাহাবইতে টিক ইয়াতেই গোলাই যে বাৰ গাড়ীখন আৰু ভাল কৰি লিয়াব পিছত

পইচা পি আছেই, টিয়া নকৰিব বুলি কৈ দুকাৰ্তকৈ [illegible]। তাৰ পিছত আৰু দেখা দেখি নাই ...। এইবাৰো [illegible] কথা [illegible] নেলেকোই আছে — পিইঁতক পূজাৰ [illegible] লাগে। [illegible] ...

বাপু বুৰাই আৰু কি কি দেখিলে ঠাঁপুৰ [illegible] নাই। [illegible] যে পি আহি [illegible] কৰাই [illegible]। [illegible] বৈ থোৱা [illegible] পি [illegible] — [illegible] পি [illegible] আছে। [illegible] লাগিল। ঠিকেই ইমান [illegible] হোৱা নাই। [illegible] মূৰ্তি এটা দেখি [illegible] সচকিত হৈ উঠিল পি। [illegible] তাৰ দৃষ্টি হ'ল মূৰ্তিটোৰ প্ৰতি। [illegible] বহুৱা বিশ্বকৰ্মা। [illegible] গৈছে নিজৰ দিনে। ঠাঁপু [illegible]। [illegible] পৰিল। কোনোটোৰ হাত নাই, কোনোটোৰ [illegible] নাই, কোনোটো [illegible] পৰি আছে নাওঁ হৈ আৰু কোনোটো পৰি আছে [illegible]। [illegible] এনেকৈ চাওঁতে কত মূৰ্তি পৰি আছে [illegible]। তাৰ মতে এই মূৰ্তিবোৰৰ [illegible] ভৱিষ্যৎ নাই। পৃথিৱী নিৰ্মাতাৰই যদি ভৱিষ্যৎ নাই, সাধাৰণ মানুহ [illegible] আৰু কি ভৱিষ্যৎ থাকিব। দুদিন পিছত চৌদিশে এনেদৰে পৰি থাকিব চাগৈ পৃথিৱীৰ মানুহবোৰ। কিবা এক [illegible] আশংকাত ঠাঁপুৰ মনটো [illegible] পৰিল। চাওঁ-নেচাওঁকৈ [illegible] পৰি থকা বিশ্বকৰ্মাৰ মূৰ্তিবোৰৰ [illegible] পি। তাৰ পিছত কিবা ভাবি হঠাতে যেন পি [illegible] উৎসাহ অনুভৱ কৰিলে। হঠাতে বপেনক [illegible] তাৰ মন গ'ল। দুজো [illegible] যদি এই মূৰ্তিবোৰ [illegible], কিমান মূৰ্তি হ'ব বাৰু? তাৰ পিছত সাধাৰণ [illegible]। বাপু বুৰাৰ [illegible] এটাৰ দৰকাৰ নাই। পিইঁতৰ সৰু চোতালখনেই যথেষ্ট। [illegible] কোনো [illegible] নাই। বং আৰু তুলিকা, সৰু-সুৰা দুই এপদ অলংকাৰ — সেইবোৰ [illegible] কথা নহয়। বপেন আৰু পি, দুজো পনি লাগি যাব — তিনি বাতি, দিনিয়াও আছে [illegible] কৰিবলৈ। এটা বাতিত [illegible] — তিনিটা বাতি [illegible]। এটা মূৰ্তিৰ মূল্য টকাকৈ পালেও [illegible] হাজাৰ টকা — তিনিদিন পৰা [illegible] এক হাজাৰ টকা। [illegible]

খৰচ এক হাজাৰ টকা, তেনেহ'লে পাঁচ হাজাৰ টকা — টিউচনৰ পৰা লোৱা এক হাজাৰ টকা — পাঁচ আৰু এক ছয় হাজাৰ টকা। ডাক্তৰৰ মতে পাঁচ-ছয় হাজাৰ মানৰ ভিতৰত হৈ যাব লাগে অপাৰেচনটো।

কথাটো মাকক ক'বলৈ তাৰ দৌৰি যাবৰ মন গ'ল। খোজবোৰ সি যিমান পাৰে বেগাই দিব ধৰিলে আৰু প্ৰতিটো খোজতেই যেন তাৰ তেজত সঞ্চাৰিত হ'বলৈ ধৰিলে এটা ঢাকৰ শব্দ। সেই শব্দটো যেন দীপুৰ বুকুৰ মাজত ধ্বনিত-প্ৰতিধ্বনিত হৈ বিয়পি যাবলৈ ধৰিলে দশোদিশ। কিবা এক অদম্য উৎসাহত ভৰ তাৰ হ'ল — ইমান দিনে স্থবিৰ হৈ থকা পৃথিৱীখন যেন প্ৰাণ পাই উঠিছে তাৰ বুকুৰ মাজত, এটা ঢাকৰ শব্দৰ তালে তালে।

কৃষ্ণচূড়া আৰু আকাশ

যদিওবা বিজুলী বাহিনীয়ে কৃষ্ণচূড়াজোপা কিম্ভূতকিমাকাৰ কৰি পেলাইছে, গছজোপা একেবাৰে শেষ কৰি পেলাব পৰা নাই। শেষ হৈ যোৱা যেন তাৰ মোৰা গছডালৰ পৰাই, বৰষুণ পৰি আকৌ কুঁহি লেউতীয়া পাতে পোখা মেলিছে। দুদিন পিছত বতা পৰি সিহঁত বলিয়া হ'ব। তল ভৰি সৰি পৰিব কৃষ্ণচূড়াৰ ৰঙা ৰঙা পাহিবোৰ আৰু কাৰোবাৰ ভৰিৰ খোজত পিষ্ট হৈ পাহৰি যাব আকাশখনৰ ফালে চাবলৈ।

আবেলিৰ ৰ'দজাক লাগি সুমথিৰা হালধীয়া হৈ পৰিছে কৃষ্ণচূড়াজোপা। বাপুই কৃষ্ণচূড়া জোপাৰ ফালে চাই চাই দীঘলকৈ উশাহ এটা ল'লে। মোৰ কিন্তু ৰাধাচূড়া বেছি ভাল লাগে।

কেতিয়াবা কাৰোবাৰ খোপাত গুজি দি পাইছনে? দেবুৱে লগে লগে সুধিলে।

আজিকালিনো কোনোবাই চেম্পু, হেলো কৰা চুলিত ৰাধাচূড়া গুজিবলৈ যাবনে? মণ্টুৱে চিগাৰেটত টান এটা মাৰি ক'লে।

দেবেনে একো নকৈ ৰাস্তাটোৰ ফালে চাই আছে। মাজতে বস্তীটোৰ ফালেও এবাৰ চালে। অপু আহি নাপালেকেনে। আজি আমাৰ প্লেনটো বৰবাদ হৈ যাব যেনেই লাগিছে। — নিজকে কোৱাদি ক'লে সি।

দেবুই কাষতে থকা বিহাৰী দোকানখনৰ ফালে চাই চিঞৰিলে — অই গোবিন্দা, চাৰি হাফ।

মলিয়ন হাফপেণ্ট আৰু কটা স্পোৰ্টিং পিন্ধা গোবিন্দা চাৰি হাফ চাহ লৈ হাজিৰ। দেবুই তাৰ ফালে চাই খিচিকিয়াই হাঁহিলে। গোবিন্দা অলপ অপ্ৰস্তুত হ'ল।

তাৰ গোফ নগজা ঠাইখিনিত চিঁয়াহিৰে আঁকা মচ একোচা গোঁফ। এই মচ মোচকোচা ক'ত পালি অ' ভাই? — মণ্টুই সুধিলে। সি অলপ লাজ কৰিলে। তাৰ পিছত তাৰ হটেঙা মাতেৰে ক'লে — কালিকৰে আঁকি দিছে।

গোবিন্দা! — মালিকৰ চিঞৰ শুনি সি দৌৰ মাৰিলে।

চাহৰ পিলাচটো মুখলৈ নিয়েই মুখখন বিকটাই পেলালে। ৰাহ তাজ। আটাইকেইটাই মুখকেইখন বিকটাই পেলালে। সদায় এনে হয় চাহ কাপ নাখাওঁতেই সোৱাদটোৰ অনুভূতি হয়। তথাপিও নাখাওঁ বুলি ভাবিও ক'ব নোৱাৰাকৈয়ে মুখৰ পৰা ওলাই আহে — গোবিন্দা চাৰি হাফ! চাহৰ আলোচনাত ব্যস্ত থাকোঁতেই অবিৰাম হৰ্ণৰ শব্দ শুনি আটাইকেইটাই খঙেৰে মুখ ঘূৰাই চালে — কোন জমিদাৰ অ' এইটো? চালা গাড়ীৰ হৰ্ণ বজাই পোৱা নাই নেকি কেতিয়াও? মাৰুতিত উঠিছ বুলিয়েই জগতখনক জনাই ফুৰিলেহে মজাটো আহে। ... আৰে অপু চাৰ! ভোলে বৈ বৈ ... আহ এক হাফ খাই ল! অপুই গাড়ীৰ পৰা নমাৰ কোনো লক্ষণ নেদেখুৱালে। সি আকৌ হৰ্ণটো বজালে — কাম অন ইয়াৰ। দুৱাৰখন খুলি দিলে সি। দেবু, মণ্টু, দেবেন, ৰাজু আটাইকেইটাই হুমুনিকৈ উঠি বহিল মাৰুতি ভ্যানখনত। ৰাজু ফ্ৰন্ট চিটত, বাকী তিনিওজনে পিছফালে বহি ল'লে। দেবেনে দুৱাৰখন টান মাৰি জপাই দিলে। আহে ... অপুই চিঞৰিলে লকটো দি ল!

মাৰুতি ভেনত প্ৰথম উঠা নাই ভাবটোৱে দেবেনে লকটো লগাই দিলে। বাকী আটাইকেইজনৰ মুখকেইখনত এনেকুৱা এটা ভাব ফুটি উঠিল — যেন ভেনখনৰ মালিক হ'লেও সামান্য অহমিকাও সিহঁতৰ নাই।

আমি ভাবিছিলো — তই আমাৰ কথা পাহৰিয়েই গ'লি। — মণ্টুৱে ক'লে।

পাহৰা নাই। মই বাৰ নোখোজো, দেউতাই নেৰে। প্ৰথম দিন, গাড়ী গণেশ মন্দিৰলৈ নিবই লাগিব। পূজা-পাতল দিবই লাগিব। নহ'লে বাবা বিশ্বকৰ্মা কষ্ট হয়। গাড়ীখন কি বিশ্বকৰ্মাই পঠিয়াই দিছে। — ৰাজুই সুধিলে। মই নাজানো, দেউতাৰ লগত কিবা লিংক থাকিবও পাৰে। কিবা এটা। — অপুৱে লাহেকৈ ক'লে।

গাড়ী খানাপাৰা পাৰ হৈ আগবাঢ়িল। অপুই টেপৰ চুইচটো অন কৰি দিলে। সংগীতেৰে ভৰি পৰিল গাড়ীৰ ভিতৰখন। তন্ময়তাই ঘেৰি ধৰিলে যেন সিহঁতক। মনবোৰ সিহঁতৰ পাতল হৈ উৰিবলৈ ধৰিলে নীল নীলিমাৰ ফালে। যেন পৃথিবীত আৰু একো নাই। মায়াময় মিঠা সপোনৰ ভৰত দুচকুত দোবোল খাই পৰিল তন্ময়তা! জীৱন যেন সৰস হৈ উঠিল হঠাতে।

এই স্বপ্নময় আৱেশ চূৰ্ণ কৰি হঠাতে বাজি উঠা ট্ৰাকৰ বিকট হৰ্ণটোৰ শব্দই যেন সিহঁতক নমাই আনিলে নৰকলৈ। বস্তুত উতলা হৈ পৰিল আটাইকেইটা। ট্ৰাকখনৰ বিকট হৰ্ণটোৱে যেন বিদীৰ্ণ কৰি পেলালে সিহঁতৰ কণ হৃদয় আৰু কোনোবা এটা

পাকত যেতিয়া ট্ৰাকখনে সিহঁতক অভাবটেক কৰি আগবাঢ়ি গ'ল, অসহনীয় যন্ত্ৰণাত যেন মোচৰ খাই উঠিল সিহঁত। অপুই অবিৰাম গতিত হৰ্ণটো বজাই বজাই হুৰিব হৈ যোৱা পথটোৰ গতিৰ বাবে যেন প্ৰাৰ্থনাহে কৰিলে। ট্ৰাকখনৰ কোনো ভ্ৰূক্ষেপেই নাই। নিজৰ দেউতাকে বান্ধি থোৱা ৰাস্তাটোত সদৰ্পে সদম্ভে বিচৰণ কৰিছে যেন। ব্যতিব্যস্ত হৈ পৰিল সিহঁত।

এটা সময়ত ট্ৰাকখন লাইন হোটেল এখনৰ সমুখত বৈ গ'ল। লগে লগে সিহঁতো ৰ'ল। তাৰ পিছত একেবাৰে ষ্টেলন ষ্টাইলত নামি পৰিল আটাইকেইটাই অপাৰেচনত। ট্ৰাকৰ ড্ৰাইভাৰটোৱে নামিব খুজিছিলহে মাথোঁ — অপুই দৌৰ মাৰি খিৰিকীৰে মোচা দুটামান শোধাই দিলে। চিটিকি পৰিল তেজ। উল্লসিত হৈ পৰিল আটাইকেইটাই। ড্ৰাইভাৰটোক টানি আনি মাজে মাজে অনুশীলন কৰা মাৰপিটৰ আদব-কায়দাবোৰ নবীকৰণ কৰি চালে। দুই এজন গোট খাইছিল যদিও কোনেও এবাৰ মাত নমতাকে লাইভ টেলিকাষ্ট চাই থকা দি চাই থাকিল। আটাইকেইজনে অপাৰেচন সুকলমে শেষ কৰাৰ আনন্দেৰে পুনৰ মাৰুতি ভেনখনত উঠি বহিল। মাৰুতি ভেন আগবাঢ়িল।

প্ৰথমতে কাৰো মুখত কথা নাই।

অপুই লাহেকৈ টেপৰ চুইচটো অন কৰি দিলে।

নো লিমিট — আন লিমিটেড কেচেটটো যেন উত্ৰাৱল হৈ মাৰুতি ভেনখনত বাজি উঠিবলৈ ধৰিলে। অলপ আগতেকে প্ৰবাহিত হৈ থকা ৰণময় তন্ময়তা ক'ৰবাত হেৰাই গ'ল। কাৰো মুখত কোনো কথা নাই। নো-লিমিট-আন লিমিটেডৰ তালে তালে নিজকে লৈ গ'ল যেন আটাইকেইজনে অসংলগ্ন এক বিশৃংখলতাৰ ফালে।

যোৰাবাটৰ কোনোবা এখন লাইন হোটেলৰ সন্মুখত ভেনখন বৈ গ'ল। আটাইকেইটা নামিল। ৰাজুৱে পকেটৰ পৰা ফণিখন উলিয়াই বিয়াৰ উইনডোত চাই মুৰটো ফণিয়াবলৈ ধৰিলে। তাৰ পাছত মণ্টু, দেবু, দেবেন আটাইকেইজনে কতেকৰ কাৰণে নিজৰ নিজৰ মুখখন চাই ল'লে, হাতেৰে চুলিখিনি অকণ ঠিক কৰি ল'লে। তাৰ পিছত আটাইকেইজন আগবাঢ়িল। ভংগীটো এনেকুৱা যেন বেকগ্ৰাউণ্ডত বাজি থকা চাচপেনছ মিউজিকৰ তালে তালে সিহঁতে খোজ পেলাই আগবাঢ়িছে। তলত পাৰি থোৱা আছে যেন সুদৃশ্য ৰঙা কাৰ্পেট এখন। খিৰিকীমুখত থকা টেবিলখনত সিহঁত বহি পৰিল। তাত চকী এখন কম থকাৰ কাৰণে একাষৰ পৰা চকী এখন হৰহৰাই টানি বহি ল'লে ৰাজুই। তাৰ পিছত টেবিলত থপৰিয়াই সি চিঞৰিলে — পোৱালি! সৰু ল'ৰা এজন দৌৰ মাৰি আহি সিহঁতৰ কাষত ৰ'ল। — কি খাব?

তোক। ঢেকঢেকাই হাঁহি ক'লে দেবুই।

খাব বুলি নহয়, সিহঁত যে সুবিধাজনক নহ'ব, সেই ভয়তে অকণমান ল'ৰাটো কোঁচ-মোচ খাই গ'ল। খালী গিলাচ পাঁচটা। চিকেন-তন্দুৰী ফটাফট।

অপুই ফুল বটলটো উলিয়াই ল'লে। আটাইকেইজনৰ চকুকেইটা উজ্জ্বল হৈ উঠিল। আৰু আছেনে — মণ্টুই উৎসাহেৰে সুধিলে। তই চিন্তা কৰিব নালাগে ইয়াতো পোৱা যায়। কৈ কৈ অপুৱে বটলটোৰ পৰা গিলাচবোৰত অমৃত ঢালিলে। ৰাজুই জগটোৰ পৰা পানী মিহলাই গৈ থাকিল। ক্ষন্তেক পিছতেই অন্য এখন ৰাজ্যত উপনীত হোৱাৰ অনাবিল আনন্দত আটাইকেইজন পুনৰ স্বপ্নাবিষ্ট হৈ পৰিল। পৃথিৱীখন আকৌ ৰামধনুৰ ৰঙেৰে ৰঙীন হৈ পৰিল।

ৰাজুই খিৰিকীৰে বাহিৰলৈ চাই পঠিয়ালে। নীলা মাৰুতি ভেনখন তাৰ চকুত পৰিল। সি চায়েই থাকিল — এই ভেনখন যদি তাৰ হ'ল হয়! সি আৰু নীতা। সি চলালে হয় কাষত নীতা। তাৰ এখন হাত ষ্টিয়াৰিঙত, এখন নীতাৰ কান্ধত। ষ্টেৰিও অন। দুয়ো, দুয়ো কেৱল, গৈ থাকিলে হয় ... গৈ থাকিলে হয়। ক'ব নোৱাৰাকৈ তাৰ দুচকু সেমেকি উঠিল। সি এবাৰ কন্দাৰ কথাও ভাবিলে। কিন্তু কন্দাৰ পৰিৱেশ ইয়াত নাই। তাৰ পিছত হঠাতে এবাৰ দোকানখনৰ মালিকৰ পিনে তাৰ চকু গ'ল। মালিকৰ মোচকোচা দেখি তাৰ গোবিন্দাৰ মোচকোচাৰ কথা মনত পৰি গ'ল। তাৰ হাঁহি উঠিল। মস্ত একোচা মোচ একেবাৰে পাক্কু চিৰিজত পোৱা দাৰুৰ মোচকোচাৰ দৰে। হঠাতে তাৰ ভাব হ'ল, মোচকোচা সি যেন পকাই দিব। দোকানীজনে কিবা এটা কথাত হাঁহিলে আৰু লগে লগে মোচকোচাই একেবাৰে খাটি ফুটিল বন্ধনী এটাৰ ৰূপ ল'লে। তাৰ ৰঙা পৰা দাঁতকেইটা ওলাই পৰিছে। চিএৰি চিএৰি হাঁহিবৰ মন গ'ল ৰাজুৰ। এনেতে গিলাচ ভঙাৰ শব্দ এটাই মালিকৰ মুখখন সলনি কৰি দিলে। ইমান কুৎসিৎ মুখ এখন মানুহৰ থাকিব পাৰে বুলি ধাৰণাই কৰিব নোৱাৰি। মালিকটো নামি আহি পোৱালিটোৰ কাষত থিয় হৈ প্ৰচণ্ড চৰ এটা শোধাই দিলে। কিয় জানো পোৱালিটোক চৰ মৰা কথাটো ৰাজুৰ সহ্য নহ'ল। সি ঘপহকৈ থিয় হৈ তাৰ ফালে আগুৱাই যাব খুজিছিল, কিন্তু বাকী কেইজনে তাক ধৰি ৰাখিলে। তথাপি তাৰ খঙটো নকমিল। সি টেবিলৰ পৰা গিলাচ এটা লৈ লাহেকৈ মজিয়ালৈ বুলি এৰি দিলে। গিলাচটো মজিয়াত পৰি চুৰ্ণবিচুৰ্ণ হৈ গ'ল। মালিকৰ মুখৰ তেজ নিমিষতে যেন নোহোৱা হৈ গ'ল। খঙতে আলকি সি ঘূৰিও নাচালে। তথাপি সি ঠিকেই অনুমান কৰিলে — গিলাচটো ইচ্ছা কৰিয়েই ভঙা হৈছে। কাউণ্টাৰত বহি গিলাচটো ভঙা কথাটো যে সি

সহজভাৱে লোৱা নাই, তাৰ প্ৰকাশ চকুৱে-মুখে ফুটি উঠিল।

বাজুই তাৰ এই অৱস্থাটো মনে মনে বেচ উপভোগ কৰিলে। আৰু এঢোক ডিস্তিত ঢালি দি, সি অপুৰ পকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ল'লে। ধোঁৱাকে এটা হোপা মাৰি খিৰিকীৰে পুনৰ বাহিৰলৈ চালে সি। নীলা নীলা মাকতি জেন।

অপু। ৰিয়েলি ভাই, দুদিন আগতে কলি মাকতি জেন এখন ল'ম, সেয়েই পেলালি আৰু চালা মই আজি দুমাহ ধৰি ভাবিছোঁ এযোৰ জ্বেণ্ডেল ল'ম, এযোৰ জ্বেণ্ডেল ল'ম। ল'বই পৰা নাই।

অপুৱে একো নকৈ হাঁহিলে। যেন মাকতি জেন এখন কিনাটো তাৰ কাৰণে কোনো কথা নহয়।

বাজুৰ ভাল নালাগিল অপুৰ হাঁহিটো। সি আকৌ খিৰিকীৰে চালে, চকুদুটা ডাঙৰকৈ মেলি দি চালে। সঁচাকৈয়েই আচৰিত হ'ল সি। তাৰ পিছত হঠাতে হাঁহিবলৈ ধৰিলে সি। আটাইকেইটাই আচৰিত হৈ তাৰ মুখলৈ চালে। সি হাঁহিয়েই আছে।

অই কি হ'ল তোৰ, জীৱনৰ গোটেইখিনি হাঁহি আজিয়েই হাঁহি ল'বিনে? মণ্টুৱে সুধিলে তাক। অই চাচোন অপুৰ জেনখন নাই দেখোন। তাৰ ঠাইত মস্ত এযোৰ জ্বেণ্ডেল। বাজুৱে আকৌ হাঁহিবলৈ ধৰিলে। আটাইকেইটা হৈ যোৱা হুৰ্বটোৰ দৰে অনৰ্গল হাঁহি, হাঁহিৰ জোৱাৰ।

পেটত এটা পেগ পৰিলেই কাৰ কণ্ট্ৰল নোহোৱা হৈ যায়। আউট হৈ যায়। গিলাচটোৰ বাকীখিনি একেলগে টানি ল'লে অপুৱে। তাৰ পিছত চিগাৰেটটোত দীঘলকৈ টান এটা মাৰি মণ্টুলৈ চাই ক'লে — যাওঁ ব'ল।

বাজু যেন লগে লগে সাৰ পাই উঠিল। মই নাযাওঁ। সি যেন গৰ্জি উঠিল।

নালাগে। তই ইয়াত থাক। গোটেই ৰাতি ট্ৰাক পাবি। কোনোবা এখনত উঠি আহিলেই হ'ল। অপুৱে তাৰ ফালে চাই ক'লে।

বাজুৱে একো নামাতি চুপ-চাপ আহি জেনৰ ভিতৰত বহি থাকিল। গাড়ী আকৌ গুৱাহাটীৰ ফালে আগবাঢ়িল। অপুৱে টেপটো অন কৰি দিলে ... ...। বেষ্ট অৱ এভাৰ লাষ্টিং লাভ চং ভলিউম টু — আকৌ মায়াময় পৰিবেশ। যন্ত্ৰণাবোৰ যেন কিবা এটা তন্ময়তাত লাহে লাহে মিহলি হৈ যাব ধৰিলে। বুকুৰ ভিতৰত যেন কিবা এটা ডিফিউজড গ্লো মোচনৰ সৃষ্টি হ'বলৈ ধৰিলে। ঢৌ খেলোৱা লাহি আউলী-বাউলী এমূৰ সুবাসিত চুলিৰ লয়লাসত যেন বন্দী হৈ পৰিল সিহঁতৰ মন। কেতিয়া যে খানাপাৰা পাৰ হৈ গাড়ী আকৌ কৃষ্ণচূড়াৰ তল পালেহি কাৰো খবৰেই নাই।

ৰাজু আৰু মণ্টু নামিল একেলগে।

গুড নাইট মণ্টুই চিঞৰিলে। সিহঁতেও চিঞৰিলে। গাড়ী পুনৰ যাবলৈ ওলাল, হঠাতে কিবা এটা মনত পৰাৰ দৰে ৰাজুই চিঞৰি উঠিল, গুড নাইট দোস্ত!! মাৰুতি ভেনখন নেদেখা হৈ যোৱাৰ লগে লগে ৰাজু আৰু মণ্টুই খোজ কাঢ়ি আগবাঢ়িল।

ইচ্ছা কৰা হ'লে অপুই আমাক ঘৰত থৈ আহিব পাৰিলেহয়। ... ৰাজুৱে ভোৰভোৰালে। মণ্টুই তাৰ ফালে চালে। তোৰ ঘৰটো যে পাহাৰত! কেনেকৈ গাড়ী যাব? ৰাস্তাটোত সেই ইমান বছৰৰ মূৰত সিদিনাহে শিলগুটি কেইটামান পৰিছে।

আৰু তহঁতৰ ৰাস্তাটো হ'বলা ইণ্ডিয়া গেটৰ ফালে যোৱা ৰাস্তাটোৰ দৰে। ৰাজুই সুধিলে তাক। ইণ্ডিয়া গেটলৈ যোৱা ৰাস্তাটো ক'ত দেখিলি তই?

বাঃ কলেজৰ এক্সকাৰ্চনত যাওঁতে মই যোৱা নাছিলোঁ নেকি? আৰু গৈ অকল ৰাস্তা এটাৰ কথাহে মনত ৰাখিলি তই?

ৰাস্তাই হ'ল আচল কথা — ৰাস্তা নহ'লে তই যাবি ক'লৈ? গতিকে ৰাস্তা হ'ল ৰাস্তা, কিবা এটাত উজুটি খাই ৰাজু কৰ্কালি খাই পৰিল। মণ্টুৱে তাক দাঙি তুলিব খোজোতেই সি নিজেই আকৌ উঠিল। মণ্টুৰ ফালে চালে। মণ্টুই হাঁহিব খুজিছিল, কিন্তু তাৰ গম্ভীৰ মুখখন দেখি মনে মনে থাকিল। তথাপি সুধিলে, দুখ পালি নেকি? ৰাজুই হাঁহি এটা মাৰিলে, ক'লে, এনেয়ে চালোঁ এবাৰ, ৰাস্তাৰ ওপৰত পৰিলে কেনে লাগে। মণ্টুই এইবাৰ হাঁহি কথাৰ নোৱাৰিলে।

আবেলিৰ বেলিটো কৃষ্ণচূড়াৰ পাতৰ মাজেৰে তিৰবিৰাই উঠিছে। আকৌ এটা আবেলি যাবলৈ ওলাই আহি যেন বৈ আছেহি কৃষ্ণচূড়া জোপাত। কৃষ্ণচূড়া জোপাৰ তলত ৰাজু, মণ্টু, দেবু আৰু দেবেন বৈ আছে। অপু এতিয়াও অহা নাই। তাৰ পিছত নাথাওঁ বুলি কোনোবা এটাই অভ্যাসবশতঃ চিঞৰিলে — গোবিন্দা চাৰি হাফ। গোবিন্দা দৌৰি আহিল চাৰি হাফ চাহ লৈ।

বঙা যে।

গাখীৰ নাই আজি।

গুৱাহাটীত নে অসমত নাই?

আমাৰ দোকানত নাই।

যা লেমন লৈ আহ।

লেমন?

লিম্বু-লিম্বু ...

গোবিন্দা দৌৰ মাৰিলে। তাৰ পিছ ফালটো সিহঁতৰ চকুত পৰিল। কাগজ এখনত লেখা আছে — নাচ গোবিন্দা নাচ। লগে লগে চিনাকি হৰ্ণটো বাজি উঠিল। অপু আহিছে।

খাবি নেকি?

অপুৱে মূৰ জোকাৰিলে।

লেমন টি — দেৱেনে ক'লে।

অকণ আনিব দে।

It's just another day, you and me in paradise ... শৰাইঘাটত বেলিটো ডুবি মিহলি হৈ গৈছে। পানীত বিম্বিত হৈছে ৰঙৰ পোহৰ। ফিল কলিন্সৰ গানটো যেন এইমাত্ৰ তাৰ পৰা উঠি আহিছে। বাজুৱে দুচকু মুদি অনুভৱ কৰিলে তাৰ সুবাস। পৃথিৱীখনেই স্বৰ্গ প্ৰাচুৰ্যৰ সমন্বত আৰু অভাৱ অনাটনৰ দৈন্যতাত পৃথিৱীখনেই নৰক। এই কেইদিন মাৰুতি জেনখনে যেন বাজুৰ বয়স কমাই দিছে বহুত। অকল তাৰেই কিয়, মণ্টু দেবু-দেৱেনৰ চকুলৈও আহিছে উজ্জ্বলতা। যেন ইমান দিনৰ স্থবিৰতাৰ ডোঙা ভেদি ওলাই আহিছে সিহঁতৰ জীৱন বোৱতী নদীৰ প্ৰবাহৰ মাজলৈ। গাড়ী শৰাইঘাট পাৰ হৈ আগবাঢ়িল আমিনগাঁৱৰ ফালে। এইফালে বঢ়িয়া লাইন হোটেল এখন আছে। বঢ়িয়া বনায়। বিহাৰী দোকানীৰ আমুৱাই যোৱা চাহৰ দৰে নহয়। খাটিয়াত বহি মুকলি আকাশৰ তলত — জোনাক বাতি ভৰা ভৰা আকাশৰ মাদকতা সঁচাকৈয়ে এক অদ্ভুত অনুভূতি। কবিতাৰ লাইন এটা সি ভাবিবলৈ ধৰিলে — মুকলি আকাশ, এমুঠি জোনাক, হৃদয় উবি গৈছে ... আৰু একো নাই, ভেউকা আৰু আকাশ। হঠাতে তাৰ আজি কবি হ'বৰ মন গ'ল কিয়? কবিৰ ভৱিষ্যৎ বাৰু কি? তাৰ ঘৰৰ চোতালৰ পৰাও আকাশখন দেখা পোৱা যায়। হেঙুলীয়া বেলিৰ পোহৰ তাৰ চোতালৰ গছ জোপাত পৰে, বাতি বেৰৰ জোলোঙাৰে জোনাকৰ উমেৰে ভৰা আকাশখনো তাৰ চকুত পৰে — তথাপি ইমানদিনে কিয় সি লেখা নাই এটা কবিতা। ঘৰত বাৰু সি

অইন এটা মানুহ নেকি? এটা মানুহৰ দুটা অস্তিত্ব কিয়? জেকিল আৰু হাইড?

এক অবৰ্ণনীয় হতাশাত ক্ষোভেৰে সি অপুই ঢালি দিয়া গিলাচটো লৈ একে উশাহে ঢকঢককৈ গোটেইখিনি গিলি পেলালে। বাকী কেইজনে আচৰিত হৈ তাৰ পিনে চালে। ভিতৰি ভিতৰি সি এক গৰ্ব অনুভৱ কৰিলে। নিজকে তাৰ মেচিবৰ্ড যেন লাগিল। তাৰ পিছত খাটিয়াৰ তলত থকা বটলটো উলিয়াই নিমিষতে এটা পেগ বনাই আগৰ দৰে ডিস্তিত ঢালি দিলে। হঠাতে তাৰ কান্দিবৰ মন গ'ল। নীলা মাৰুতিখনৰ ফালে সি চাই ৰ'ল। তাৰ পিছত অপুৰ ফালে চাই ক'লে। তই দুদিন আগতে কৈছিলি ... ... মাৰুতি এখন ল'ম বুলি, লৈয়েই পেলালি আৰু চালা মই দুমাহ ধৰি ভাবিছোঁ ছেগুেল এযোৰ ল'ম ছেগুেল এযোৰ ল'ম ... সকলো পাহৰি হঠাতে ৰাজুই হাঁওহাঁওকৈ কান্দিবলৈ ধৰিলে।

আজি বতৰটো ভাৱৰীয়া। হেঙুলীয়া পৰশৰ বাবে বাট চাই চাই ক্লান্ত হৈ পৰা কৃষ্ণচূড়াজোপা যেন বৈ আছে বিষাদৰ মাজত। অপু এতিয়াও আহি নাপালে। বৈ বৈ সিহঁতৰো আমনি লাগিছে। কিন্তু অপুৱে ভেনখন কিনাৰ আগলৈকে সিহঁতে ইয়াতেই কথা পাতি কটাইছিল সময়বোৰ। পামেলা ব'ৰ্ড, বফৰ্চ, হৰ্ষদ মেহতা, কচণ্ডী, ডাউদ ইব্ৰাহিম, চে গুয়েভৰা, য়েলষ্টিন, মহন্ত, শইকীয়া,গগৈ ইত্যাদি কত যে কথা। যোৱাৰ পৰতো শেষ নহয় কথাবোৰ। এতিয়া কিন্তু নিৰ্দিষ্ট সময়খিনি পাৰ হৈ গ'লেই অধৈৰ্য হৈ পৰে সিহঁত। অপুই কি কৰিছে। ইমান সময়ে।

আজি কিজানি গাৰ্লফ্ৰেণ্ডৰ স'তে তাৰ প্ৰ'গ্ৰেম আছে। — দেবুই ক'লে।

তাৰ গাৰ্লফ্ৰেণ্ড আছে জানো? — মণ্টুই সুধিলে।

বগা ভাত ছটিয়াব পাৰিলে কাউৰীৰ কি আকাল? — ৰাজুই ক্ষোভেৰে ক'লে কথাখিনি।

দেবেনে হামিয়াই ঘড়ীটোৰ ফালে চালে, তাৰ পিছত বিহাৰী দোকানখনৰ ফালে চাই চিঞৰিলে — গোবিন্দা। গোবিন্দা চাৰি হাফ চাহ লৈ হাজিৰ।

তাৰ টিকনিত এডাল সূতা। সূতাৰ মূৰত ওলমি আছে এটুকুৰা বগা কাগজ। তাত লিখা আছে ,খলনায়ক।

দেবুই তাৰ টিকনিডালত ধৰি নায়ক নেহী খলনায়ক হু মেই বুলি গানটো অকলে গালে। বাকীকেইজনে হাঁহিলে। গোবিন্দায়ো হাঁহিলে। সি ইহা কাৰণে সিহঁত কেইটাই এইবাৰ সঁচাকৈয়ে হাঁহিলে।

অপু নাহিল। তাৰ পিছ দিনাখনো নাহিল। এসপ্তাহ হ'ল অপুৰ দেখাদেখি নাই। এই এক সপ্তাহ সিহঁতৰ কাৰণে এটা যুগ যেন। জীৱনটো যেন জোৱাৰে সোমাই গ'ল আকৌ, পিঞ্জৰাত সোমাই পৰিল যেন, উশাহ-নিশাহ যেন বন্ধ হৈ গ'ল। সময় নেথায় নুপুৰায়। যেন সমাধি হ'ল জীৱনৰ স্বপ্নিল মুহূৰ্তবোৰৰ ক'ৰপ'ৰেচনৰ কন্ধ নলীত। ক'ত মেকডুৱেল আৰু ক'ত বিহাৰীৰ অকটা হাৰু চাহ।

অপু যেন সঁচাকৈয়ে অন্তৰ্ধান হৈ গ'ল। তাতে আজি দেবেনো নাই, সি আকৌ ক'লৈ গ'ল? বাজুৱে যেন নিজকেই ক'লে। মন্টুৱে কিবা ক'ব খুজিছিল এনেতে দেবেনৰ আবিৰ্ভাৱ হ'ল। চকুৰে মুখে তাৰ গম্ভীৰতা।

তহঁতে শুনিছনে নাই?

কি? আটায়ে দেবেনৰ মুখলৈ চালে।

অপুৰ কথা?

কি হ'ল তাৰ অসুখ নেকি?

ঘৰলৈ গৈছিলোঁ তাৰ। গেটত প্ৰকাণ্ড এটা তলা। ওচৰৰে পানদোকানীটোক সুধিলোঁ — ক'লে, সিহঁতে হেনো ক'ৰবালৈ গৈছে ফুৰিবলৈ। আচলতে ফুৰিবলৈ যোৱা নাই। পেপাৰত যে ওলাইছে কোটিটকীয়া কেলেংকাৰীটোৰ কথা — অপুৰ দেউতাকো জড়িত আছে। সেই কাৰণেই বোধকৰো পলাই ফুৰিছে। ভিতৰি ভিতৰি কিবা এটা বুজাপৰা হ'লে নিশ্চয় আহি ওলাব।

কি হ'ব এতিয়া? — দেবুই সুধিলে। কি আৰু হ'ব। এয়ো নহয়, পেপাৰত এদিনৰ হট নিউজ। কোটিটকীয়া কেলেংকাৰীৰ স'তে কোটিটকীয়া মানুহবোৰে জড়িত হৈ থাকে। সিহঁতেই আমাৰ দেশৰ ত্ৰাণকৰ্তা!! ৰাঁদ-বৰষুণ নপৰিবলৈ সিহঁতৰ মূৰত ছাতি ধৰা মানুহৰ অভাৱ এইখন দেশত কেতিয়াও নহয়।

বাজুৱে কিবা এটা ক'ব খুজি মনে মনে থাকিল। দেবুই দেবেনৰ তাত টকা আছে নেকি সুধিলে। দেবেনে মূৰ জোকাৰিলে। তাৰ পিছত ক'লে, তই কি অপুৰ দেউতাকে মোকো এটা ভাগ দি যোৱা বুলি ভাবিছ নেকি? দেবুৰ খং উঠিল। আছে যদি ক, নাই যদি নাই বচ, লেকচাৰ মাৰিব নালাগে। মন্টুৰ হাতত‌ো পইচা নাই।

ব'ল বিহাৰীটোৰ পৰা অলপ পইচা লওঁ। তাকতো বহুদিন পইচা দিলোঁ। তাৰ পেটটোও দিনে দিনে বাঢ়ি গৈছে। মন্টুই প্ৰস্তাৱটো দিলে। সিহঁতবিলাক আটাইকেইটা বিহাৰীৰ দোকান পালেগৈ।

বাজুৱে নিৰ্বিকাৰভাৱে ক'লে — টকা ৫০ টা দে। এয়ো নুবুজাৰ দৰে বিহাৰীটোৱে

মুখ মেলি চালে। মণ্টুই মিঠাইৰ আলমাৰীটোত থপৰিয়াই দিলে — কি চাইছ? দে চালা মৰিবলৈ ঠাই নাপালি খাবলৈ আহিছ?

বিহাৰীটোৱে মুখখন যিমানসম্ভৱ করুণ কৰিবলৈ চেষ্টা কৰিলে। একো লাভ নহ'ল। তাৰ পিছত কলিজাটোৰ একাল দিয়াৰ দৰে ৫০ টকীয়া নোটখন আগবঢ়াই দিলে। ইমান সহজতে কথাটো হৈ যাব বুলি সিহঁতেও ভবা নাছিল। লগে লগে অন্তৰ্ধান হৈ গ'ল আটাইকেইটা।

নৰকাসুৰ পাহাৰৰ চিৰিটোৰ ওপৰলৈ উঠি গৈ পোৱা ডাঙৰ শিলটোত চাৰিওটা বহি ল'লে। বটলটো উলিয়ালে। প্লাষ্টিকৰ কাপ কেইটাও উলিয়াই ল'লে আৰু লাহে লাহে চুমুক দিলে। গুৱাহাটীখন যেন আৰৌ ৰঙীন হৈ পৰিল। সিৰাই সিৰাই যেন প্ৰবাহিত হ'ব ধৰিলে স্বপ্নৰস।

ৰাজুই হঠাতে শিলটোৰ ওপৰত থিয় হৈ হাত দুখন মেলি দিলে — চিঞৰি উঠিল -- I am the Jesus Christ, knock, the door will be opened to you. আটাইকেইটাই তাৰ ভৰিত দীঘল দি পৰিল।

বীৰৰ দৰে পাহাৰৰ পৰা নামি আহি সিহঁতে আকৌ কৃষ্ণচূড়া জোপাৰ তল পালে। বিহাৰীৰ দোকানখন ইতিমধ্যে বন্ধ হৈ গৈছে। হয়তো সি আজি সোনকালেই বন্ধ কৰিছে। তাৰ তিক্ততাৰ খং চাগে' কাম কৰা ল'ৰাকেইটাৰ ওপৰত উজাৰি দিছে। দেবেন আৰু দেবুই বিদায় ল'লে।

ৰাজু আৰু মণ্টু আগবাঢ়িল। জীয়াই থকাৰ এটাই ধান্দা, টকা — ৰাজুই আৰম্ভ কৰিলে। মমে Of human bondage ত বঢ়িয়া এষাৰ কথা কৈছে। Money is as if the sixth organ without which you cannot control your other organs. তই টকা ঘটিবই লাগিব। নহ'লে তই মানুহ হ'ব নোৱাৰ। টকা থাকিলে তোৰ সাতখুন মাফ আৰু নহ'লে জেল-জৰিমনা নৰকবাস। খাটি কথা দোস্ত, একেবাৰে খাটি কথা। মণ্টুই মূৰ দুপিয়াই কৈ থাকিল। কিন্তু টকা ঘটিবলৈ সাহস লাগে। সাহস। সাহস। কি জাননে? মণ্টুই ৰাজুৰ ফালে চালে।

সাহস হ'ল এটা বিভলভাৰ। সিদিনা শুনিছনে নাই, চিমেণ্টৰ বেপাৰীটোৰ পৰা ৰাতি নটা বজাতেই বিভলভাৰ দেখুৱাই কেচত যি আছে লৈ গ'ল। কোনে কি কৰিব পাৰিলে? আজি দেখিছ নে নাই, এটা ধমকতেই ৫০ টকা।

দুটাত এশ টকা।

মই কিন্তু ধেমালি কৰা নাই মণ্টু।

ঘৰত পইচা খুজিলে দিব ক'ৰ পৰা? মোৰো চাকৰি নাই। ৫০ হেজাৰ, ১ লাখ টকা দি চাকৰি যোগাৰ কৰিব পৰা চাকৰি মোৰ দেউতাৰ নহয়। দেউতাইহঁতৰ [illegible] পেটত গামোচা বান্ধিব পাৰি, জীয়াই থাকিব নোৱাৰি।

আমটো [illegible] পৰা বেগ এখন হাতত লৈ এজন মানুহ অহা দেখি বাজু হঠাতে যেন সচকিত হৈ উঠিল। মণ্টুক ইংগিতেৰে দেখুৱাই দিলে মানুহজনক। মণ্টুই প্ৰথমতে একো নুবুজি তাৰ মুখৰ ফালে চাই থাকিল।

চাই থাকিলে চাই থাকোঁতেই যাব। কাম নহ'ব। অহা কালিৰ পগুলিটো অনেই বাব দিব নোৱাৰোঁ। অলপ এডভান্স পোৱা যায় যদি কিনো বেয়া? হঠাতে যেন মণ্টুই বাজুৰ কথাৰ অৰ্থটো বুজি পালে। সি পকেটত হাত ভৰালে। ছুৰীখন চুই চালে এবাৰ।

মানুহজন ওচৰ পোৱাৰ লগে লগেই দুয়ো মানুহজনৰ সন্মুখত থিয় দিলে। মানুহজন যেন বিবৰ্ণ হৈ পৰিল হঠাতে। মণ্টুই ছুৰীখনৰ চুইচটো টিপি দিলে [illegible]। সাউতকৈ ওলাই আহিল ছুৰীখন। মানুহজন কঁপিবলৈ ধৰিলে। লগে লগে বাজুই তাৰ পকেট বিচাৰিলে। মণিবেগখন পাই খুলিলে, টকাবিলাক উলিয়াই মণিবেগখন আকৌ মানুহজনৰ জেপত ভৰাই দিলে। তাৰ পিছত [illegible] মানুহজনে চিঞৰিবলৈকো সময় নাপালে, [illegible]

বাজুই মণ্টুক আগবঢ়াই থৈ নিজৰ ঘৰলৈ বুলি খোজ দিলে। অহাকালি পগুলিটোৰ সম্ভাব্য আনন্দই তাক যেন [illegible] কৰি পেলালে। [illegible] ভাবিব লাগিছিল। ইমানদিনে সি মানুহ হৈ থাকিব পাৰিলে হয়। ইমান সময়ে উত্তেজনাৰ আবেগত সি পেটৰ ভোকটোৰ কথা পাহৰিয়েই আছিল। ঘৰটো তাৰ দূৰ দূৰ যেন লাগিল। দেউতাকৰ ওপৰত খং উঠিল। আজি ইমান বছৰ গুৱাহাটীত থাকিও সিহঁতৰ ঘৰটো হ'ল পাহাৰৰ ওপৰত আৰু কিমান বছৰৰ পিছত আহিও মানুহবোৰে চহৰৰ একেবাৰে মাজ-মজিয়াতেই বনাইছে নতুন বিল্ডিং।

ঘৰৰ চোতালত ভৰি দিয়েই তাৰ মনটো সেমেকি উঠিল। সি ভবাৰ দৰে ভণ্টিৰ কমৰ লাইটটো জ্বলি থকা নাই। আজি তাই ইমান সোনকালে শুব লাগেনে? সি এতিয়া মাকক মাতিব লাগিব। উপায় নাই। লাহেকৈ টোকৰ এটা মাৰিলে দুৱাৰখনত। নাই। তাৰ পিছত মুখখন দুৱাৰৰ ফাকটোত লগাই লাহেকৈ মাতিলে সি — ভণ্টি। খিকিক কৈ শব্দ হ'ল এটা। মাক ওলাই আহিছে। সি চোৰৰ দৰে ভিতৰলৈ সোমাই

গ'ল। আৰু পোনে পোনে পাকঘৰৰ ফালে খোজ দিলে। তাত একো নাই। ... মাকে ক'লে। ভণ্টিৰ কমত খৈছ নেকি? — সি সুধিলে।

আজি ভাত ৰন্ধা নাই। মাকে ক'লে। লগে লগে যেন বাজুৰ ভোকটো দুগুণ বাঢ়ি গ'ল। কিয় ৰন্ধা নাই? আজি কিমান তাৰিখ, আজি দেউতাই দৰমহা পাইছে। আৰু আজিয়েই ভাত নাই। মাকৰ দুচকুত পানী দেখি বাজু অবাক, অপ্ৰস্তুত হৈ পৰিল। মাকে কান্দিছে কিয়? তাৰ অধঃপতনৰ কথা ভাবি? কিন্তু অধঃপতনেই হ'ল অৰ্ডাৰ অৱ দি ডে। ল অৱ ফলিং বডি। তাৰ দোষ ক'ত?

দেউতাৰে দৰমহা লৈ আহি থাকোতে কেইজনমান ল'ৰাই আগচি ধৰি গোটেইখিনি পইচা কাঢ়ি নিলে। টনা-আজোৰা কৰোতে চশমাযোৰো ভাঙিছে। তহঁতৰ বয়সৰে হ'ব ল'ৰাকেইটা। — খোকাখুকি মাতেৰে মাকে ক'লে। বাজুৰ পৃথিৱীখন যেন ঘূৰিবলৈ ধৰিলে। সি তাৰ জেপখন চুই চালে। তাত যেন টকা নাই। তাৰ মাকৰ চকুপানীৰে যেন জেপখন সেমেকা। তাৰ দৌৰি যাবৰ মন গ'ল সেই মানুহজনৰ কাষলৈ। মানুহজন চাগে' এতিয়াও পৰি আছে। নে গ'ল কেনেবাকৈ? যদি ঘৰ পাইছে — ঘৰৰ মানুহখিনিয়ে ইমান সময়ে নিশ্চয় গম পাইছে — কালিলৈ সিহঁতৰ চৌকা নজ্বলে। তাৰ তেজবোৰ যেন চেঁচা হৈ পৰিল নিমিষতে। অহাকালি গধূলিৰ ৰঙীন পৰিকল্পনাটো যেন থানবান হৈ গ'ল হঠাতে। জীৱন ইমান স্বপ্নময় নহয়, মায়াময় নহয়, জীৱন এখন যাকতি ভেন হ'ব নোৱাৰে — জীৱন অকমণীয়ভাৱে ৰূঢ়, কঠিন বাস্তৱ।

চকু দুটা জোৰকৈ মুদি সি শুবলৈ যত্ন কৰিলে। টোপনি নাহিল। হঠাতে কৃষ্ণচূড়া জোপাৰ কথা তাৰ মনলৈ আহিল। ৰঙা ৰঙা পাহিবোৰ সৰি পৰিছে তললৈ ... ... কৃষ্ণচূড়াৰ ৰঙা ৰঙা পাহিবোৰ ... ... আৰু কাৰোবাৰ গচকত পিষ্ট হৈ যেন সোমাই গৈছে বোকাৰ মাজলৈ — আৰু বাঢ়ি গৈছে দূৰত্ব — ক্ৰমশঃ মূৰৰ ওপৰত থকা নীলা আকাশখনৰ।। ❖

প্ৰস্থান

ভবানন্দৰ ৰাতি কেতিয়া পুৱাই নাজানো। কেতিয়াবা ৰাতিপুৱাই গাখীৰ নিবলৈ ওলাই আহিলে দেখোঁ তাৰ দোকান খোলা। ৰাস্তাৰ কাষতেই তাৰ চাকচিকীয়া দোকানখন। ৰাতিপুৱাই সৰহকৈ কেইখনমান পিঠা বনাই কাষতে পাৰি থোৱা বেঞ্চখনতেই বহি খবৰ কাকতখন মেলি লয় সি। মই কেতিয়াবা সোধোঁ।

: দেশৰ খবৰ কিহে ভবানন্দ।

: বিস্ফোৰণ।

সি মূৰ নোতোলাকৈয়ে কয়। মই আকৌ সোধোঁ।

: কাইলৈ তেনে অসম বন্ধ হোৱাৰ সম্ভাৱনা আছে!

: নাই বেছি মানুহ মৰা নাই। নিৰ্বিকাৰভাৱে ভবানন্দই কয়।

: তেনেহ'লে খবৰ নিয়ান গৰম নহয়?

: নহয়, ঠেকেকনিহে বেছি। বৰষুণ নাই। ৰাতি টোপনিও নাহে। বিজুলী নাই। গ'ল বি গ'লেই, নাহিলেই।

: তাৰমানে চাৰিওফালে অশান্তি।

: নাই নাই শান্তি আছে! খবৰৰ কাকতত মেল-মিটিঙৰ ছবিবোৰ দেখা নহয়। নেতাসকলৰ মুখত বিজুলী! কোনো ধৰণৰ উদ্বিগ্নতা নাই। শান্তি! বিকশিত অসম, জয় আই অসম!

: জয় আই অসম। — এই বুলি কৈ মইয়ো ওলাই আহিলোঁ।

অফিচলৈ বুলি ওলাই আহি প্ৰায়েই ভবানন্দৰ দোকানৰ কাষতেই থিয় হওঁ। তাৰ কাষতেই তামোল-পাণৰ দোকান এখন। পাণ! পাণ নাহিলে ভবানন্দৰ অশান্তি। গ্ৰাহক

নথকা সময়ত দীনাই তাৰ একমাত্ৰ লগ। আকৌ সি আহিলেই অথন্তৰ। দুয়োৰে মাজত উখনা-উখনি আৰম্ভ হয়। মই সোধোঁ কেতিয়াবা।

ঃ কিহে ভবানন্দ কি হ'ল?

ঃ কি আৰু হ'ব? এই গোবৰটোৰ মূৰত গোবৰেই আছে! কটাৰীখন লৈ দীনই খেদি আছে চিঞৰি চিঞৰি।

ঃ গোবৰ আছে যদি মোৰ মূৰত আছে, তোৰ মূৰত মাখন আছে! তই তোৰ ফালে থাক। মই মোৰ ফালে যাওঁ। সীমা পাৰ নহ'বি।

ঃ আই, তই সীমাৰ কথা নক'বি। চাকৰ চকৰকৰেই আজি ইমান বছৰে সীমা ঠিক কৰিব নোৱাৰিলে। আৰু তই কালি আহি সীমা ঠিক কৰিব খুজিছ! কলিজা আছে অ' তোৰ।

ঃ কলিজা নাথাকিব কিয়, তোৰ দৰে চুলাই খাই খাই সেইটো পুৰি শেষ কৰা নাই নহয়।

ঃ কেতিয়া দেখিলি, কেতিয়া দেখিলি?

ঃ দেখিব লাগেনে? গধূলি সেই ডিপোটোৰ কাষৰ লুণ্ডলুণ্ডীয়া আলিটোৰে গৈ ক'ত অন্তৰ্ধান হৈ যাব তই?

ঃ অন্তৰ্ধান হৈ থাকিবলৈ মই কিবা ভগবান নেকি?

ঃ তই ভগবানতকৈ এখাপ ওপৰত। তাৰ পৰা উভতি আহি গোটেই ৰাতিটো দৰ্শনৰ ওপৰত তাৰ কি লেকচাৰ!

ঃ তাৰ লেকচাৰ শুনিবলৈ কোন থাকেহে দীন? মই সোধোঁ।

ঃ দাদা, কোনো নাথাকিলেও আছে নহয় থকা মানুহ।

ঃ কোননো তেওঁ?

ঃ সেই যে দলঙৰ মূৰটোত বহি তামোল-পাণ বেচি থকা তিৰোতাজনী! সেইজনীৰ কাষতে বহি তামোল আৰু কথা দুয়োটা সমানভাৱে চোবাই থাকে সি!

ঃ কিন্তু তাইতো বিবাহিতা!

ঃ তাতে কি হ'ল, সি কিবা কেৰুণীয়া ভকত নেকি? মই ভবানন্দৰ ফালে চাওঁ। তাৰ মুখখন গহীন। সি কোনোফালে নোচোৱাকৈ কয়।

ঃ গাখীৰ ওলোৱা ওঁঠত এনে কথা শোভা পায়নে? মই ল'ৰা-তিৰোতা থকা

মানুহ। গাঁৱতেই আছে সিইঁত। নিজে যেনেকৈ থাকোঁ, তাবেই ভৰসা নাই। সিইঁতক ইয়ালৈ অনাৰ কথা ভাবিবই নোৱাৰোঁ। প্ৰতিটো সপ্তাহত ধৰবলৈ যাবও নোৱাৰোঁ। সিইঁতলৈ মনত পৰি থাকে। তাইৰ গিৰিয়েকটোৰো আজি দুবছৰেই হ'ল, দেখা দেখি নাই। সক ছোৱালী এজনীও আছে তাইৰ। কেতিয়াবা মন্নো ৰহি মোৰ দুখৰ কথা কওঁ তাইক। তায়ো কয়। তেনেকৈয়ে আমি আমাৰ দুখবোৰ পাতলাব লাগিব।

ঃ অই ভণ্ড! দুখৰ কথা ক'বলৈ তোক লোকৰ তিৰোতা লাগে। মোৰ আগত ক'ব নোৱাৰ?

ঃ তোৰ আগত! কোন তই? কিবা এটা কথা ক'লে দাং খাই উঠ। কিবা এপদ আনিব দিলে নুগুনা ভাও ধৰি থাক।

ঃ কেতিয়া নুগুনাৰ ভাও ধৰিছোঁ! দাদা কওঁ শুনা, সেই অফিচৰ আগত চিগাৰেটৰ পাইকাৰী দোকানখন আছে। তাতে চাহ-বিস্কুট লাগিলে আনিবলৈ যাওঁ আৰু ওলালেই বেলেগে দহটকীয়া এখন দি কয় লৈ আহিবি।

ঃ লৈ আহিবি মানে?

ঃ কি হ'ব আৰু, পলিথিনৰ পেকেট এটাত ভৰাই।

ঃ বাণ্ডিপুৰাই বাণ্ডিপুৰাই?

ঃ মাতালৰ দিন-ৰাতি কি আছে! আনি দিলো ভাল। নানিলে বেয়া। গোটেই দিনটো দোষ খুচৰি থাকিব।

ঃ মই বেয়া, তই ভাল হৈ দুদিন দোকান খোলা নাই কিয়? কোন অৱস্থাত গৈছিলি?

এনেতে চাইকেলৰ বেলটো বজাই বজাই তামোল-পাণৰ বেপাৰীটো আহি দীনৰ কাষতে ৰয়। সি দীনৰ ফালে চাই হাঁহি এটা মাৰি কয়।

ঃ দাদা ইয়াক দেখাতহে বেলবুং যেন লাগে। আচলত ঠিক আছে। পৰহি গোটেই ৰাতিটো বেলতলাত ধৰি ৰাখিলে। অলপ তাতেই থাকোঁ। দিনৰ মাজতেই সি মোৰ কথা পালে। তাৰ পিছত চোলাটো দাপি হাঁক এটা দেখুৱাই সি মোক ক'লে — চলি যাবলৈ। দিছু কৰাৰলৈ আৰু কি কৰি থাকা, চহৰ মাজে মধ্যে। আৰু তাৰ সেইখন পিলাচত ঢালিলেই শেষ, সি ইমান মাৰী! তাৰ পাছত আৰু এটা হাঁক, মোৰ মন নাচিল। ক'লোঁ — মই বিজেনীলৈ যাওঁ। সি কয় সি বিজেনীৰ লৈ আহিব চিং মই কওঁ — তই দেখিছোঁ ইয়াতেই বিৰ প্ৰশেৰ কৰিছে এবিবি। সি বিজেনীৰ ধৰিলে —

কৰিম, কৰিম, হাজাৰবাৰ কৰিম। জুৰিলে যদি পাৰে দীনাই কিয় নোৱাৰিব। সি চিএৰি চিএৰি গাবলৈ ধৰিলে ঃ

জানমণি তোমাৰ বাবে
জানমণি তোমাৰ বাবে
জানমণি তোমাৰ বাবে ...

তাৰ পিছত তাৰ কি নৃত্য! নৃত্য কৰি কৰি সি বিড়িটো জ্বলাই চকীখনত বহিল। হাতৰ বিড়ি হাততেই থাকিল। তেনেকৈয়ে তাৰ টোপনি আহিল। ৰাতিপুৱা চিএৰি চিএৰি মাতিলোঁ তাক — অই উঠ, ঘৰলৈ যা, দোকান খোল।

সি মাথোঁ ক'লে নো ঘৰ, নো দোকান!

ঃ অ' সেইকাৰণেই তোক দেখা নাই দুদিন। মই ক'লোঁ।

ভবানন্দ উৎসাহিত হ'ল।

ঃ দেখিলেনে এতিয়া কাপুৰুষৰ পুৰুষালি! ইয়াক পণ্ডিতেহে দিব পাৰে!

ঃ পণ্ডিত মানে ...। মই সুধিলোঁ।

ঃ বৰ্ণিহাটৰ পণ্ডিত। থাকে ইয়াতেই। ইমান সময়ে আহি পাব লাগিছিল। নটা বাজিলনে নাই। ৰাস্তাটোৰ আনটো পাৰলৈ চাই চাই ভবানন্দই সুধিলে। ৰাস্তাটো পাৰ হ'বলৈ চেষ্টা কৰি পণ্ডিত তাতেই থিয় দি আছিল। পণ্ডিতক দেখা পাই ভবানন্দৰ মুখত হাঁহি এটা বিয়পি পৰিল।

ঃ সেইটো দেখোন পণ্ডিত, ৰাস্তাৰ সিপাৰত। অ' থুলাকেইটাই আহিবলৈ দিয়া নাই। এতিয়া ৰজা অহাৰ সময়! আমাৰ ৰজা অহাৰ সময়!

ঃ ৰজা দিল্লীলৈ যাব নেকি?

ঃ নহয় নহয়, আপুনি নাজানে; এতিয়া বিধানসভা চলি আছে। দেখা নাই, ৰাস্তা পাৰ হ'ব নোৱাৰি। সেইকালে চুপাৰ মাৰ্কেট পাৰ হৈ ৰেলতলালৈ যোৱা ৰাস্তাটো নো এপ্ৰি!

ঃ গুৱাহাটীত এনেই ৰাস্তা-ঘাট নাই, তাতে থকাকেইটাও বন্ধ কৰি দিলে মানুহে কৰিব কি? তেতিয়াৰ দিনতেই ৰাৱণহঁতে ৰথত উঠি বিচৰণ কৰি ফুৰিছিল। আমাৰ মথাইলো হেলিকপ্টাৰত উঠি যাব নোৱাৰেনে? তেতিয়া ৰাইজে শান্তিৰে বাট-পথ ব্যৱহাৰ কৰিব পাৰিলে হয়!

: ৰাইজে নিজৰ শান্তিৰ কাৰণে নিজেই নিজৰ স্বাৰ্থ আৰু শান্তি বিসৰ্জন দিব লাগিব। এয়াই নিয়ম। ৰজাই এতিয়া ৰাইজ। ৰজাৰ শান্তিয়েই ৰাইজৰ শান্তি।

কোনোবা এটা হেলত খৰখেদাকৈ পণ্ডিতে ৰাস্তাটো দৌৰি পাৰ হয়। ধুলাৰ হইচেল পূৰ্ণ গতিত চলি আছে। পণ্ডিতে নিৰাশ হৈ ঘড়ীটোলৈ চায়।

: স্কুলৰ ঘন্টা আজি ইয়াতেই বাজিব যেন পাইছোঁ। আকৌ বাহ্বন বা কোনকালে। সেইকালে ডিপোটোৰ কাষেৰে সোমাই বেলতলা হৈ খানাপাৰা যদি হৈছে আৰু। ইয়াত বাহ্বন বখি থাকি লাভ নাই। হেঃ।

পণ্ডিতে বেগাবেগিকৈ হয় মাইলৰ কালে খোজ লয়।

: পণ্ডিত। ভবানন্দই চিএৰে। পিঠা এখন খাই ইয়াতেই বহা ভাল আছিল নেকি? সৰ্বশিক্ষাৰ নামত আজি আমাকেই জ্ঞান দিয়ক নহ'লে।

: গধূলি আহিম বুলি পণ্ডিতে আঁতৰি যায়।

এনেতে হাহাকাৰ লগাই ৰজা আহে। দুৰ্বাৰ গতিৰে পাৰ হৈ যায় গাড়ীৰ সমদল। ৰাস্তাত থিয় হৈ থকা ধুলাকেইটাৰ পেটবোৰ আকৌ ওকণি উঠে। ধুলা এটাই দীনৰ দোকানখনৰ সন্মুখেৰে এপাক ঘূৰি কিবা এটা মনত পৰাৰ দৰে থমকি ৰয়। পেন্টৰ জেপৰ পৰা দিয়াশলাই এটা উলিয়াই দীনৰ মুখলৈ চায় সি।

: চিগাৰেট এটা দে।

: আগৰ দুটাৰ দাম বাকী আছে দাদা।

: অই ধুৰ। পুলিচৰ বাকী নাথাকে। ইমান সময়ে তোক যে ইয়াত বহি থাকিবলৈ দিছোঁ, সেয়াই তোৰ ভাগ্য। ইয়াতকৈ অধিক আশা কৰিলে ৰাওতে লগত যাব লাগিব। আৰু এবাৰ যদি কেনেবাকৈ যাব, তই গৈয়েই থাকিব লাগিব। থাৰাৰ কোনত তই নিজৰ নাম, ধাম সকলো পাহৰি থাকিবি। দীনই একো নকৈ চাৰমিনাৰ এটা উলিয়াই দিয়ে।

: চাৰমিনাৰ নহয় ধুৰ, ফিল্টাৰ ফিল্টাৰ।

ফিল্টাৰটো হাতত লৈ সি ভাসোল-পাগৰ বেপাৰীটোলৈ চায়।

: তোক দেখিলে একেবাৰে মস্তান যেন লাগে। ক'ত ঘৰ?

: বেলতলাত।

: ভাড়াঘৰৰ কথা সোধা নাই। আচল ঘৰ ক'ত?

: নলবাৰীত।

ঃ নলবাৰীত! চিগাৰেটটো জ্বলাই দীনকে হোপা এটা মাৰি এমুখ ধোঁৱা উলিয়াই দি বিজ্ঞৰ দৰে আকৌ সুধিলে তাক।

ঃ কানেকচন আছে নে নাই?

ঃ কানেকচন!

ঃ নাজান? এদিন লক-আপত সোমালে সকলো গম পাই যাবি। আকৌ এমোকোৰা ধোঁৱা উলিয়াই পুলিচটো আঁতৰি যায় চিগাৰেটৰ পইচা নিদিয়াকৈ।

ঃ চালা, বাপেকৰ দোকান পাইছে! দীনই ভোৰভোৰায়।

ঃ তাৰ বাপেকটোও নিশ্চয় পুলিচেই আছিল। মাজতে ভবানন্দই মাত লগায়।

ঃ এদিন ৰাতিপুৱাই আহি হাজিৰ। প্ৰথমতে সি মোক দোকানখন খুলিবকে নিদিয়ে। চি এম আহিব হেনো। কিবা কৰি দোকান খুলিলোঁ। দুখনমান পিঠা বনাবই পৰা নাই। আহিলেই তাৰ অৰ্ডাৰ পিঠা আৰু চাহ। দুখন পিঠা খালে, চাহো আৰু একাপ লগা হ'ল। খাই লৈ মোৰ চুপৰ টেমাটোৰ পৰা চুণ অকণ হাতৰ তলুৱাত ঘঁহি চাধা বিচাৰিলে। দিলোঁ। চাধা মাৰি মাৰি সি আঁতৰি যাব খোজা দেখি ক'লোঁ — দাদা বহনিটো কৰি যাওক কমচেকম! 'মই নিজেই বহনি কৰিব পৰা নাই।' এইবুলি কৈ সি আঁতৰি গ'ল।

ৰাতিপুৱা গাখীৰ নিবলৈ আহি দেখোঁ, ভবানন্দৰ দোকান বন্ধ। দীনও নাই। দুয়োৰে লগত বিশেষ সকাম নাথাকিলেও সিহঁতক নেদেখিলে মনটো সেমেকি যায়। আচলতে ঠাইখিনি পাও পাও হওঁতেই ভবানন্দ আৰু দীনক দেখি কি ক'ম ভাবি আহোঁ — আকৌ উত্তৰত সিহঁতে কি ক'ব, তাৰ এটা সৰু অংক কৰি আহোঁ বাবেই সিহঁতক নেদেখিলে কিবা খেলিমেলি হৈ যোৱা যেন লাগে।

অফিচলৈ ওলাই আহি অভ্যাসবশতঃ তাতেই অকণমান ৰ'লোঁ। নাই। দুয়ো নাই। তামোলৰ বেপাৰীটোও এইখিনি সময়ত আহি পায়। চাইকেলৰ বেলটো উৎসাহেৰে বজাই দাদা আহিলে বুলি মাতষাৰ শুনিলে ভাল লাগে। আজি সিও নাই দেখোন!

এনেতে পণ্ডিত আহি ওলাল। পণ্ডিতৰ ফালে চাই ৰ'লোঁ মই।

ঃ ৰাতি দুয়ো ক'ৰবাত অভিযানত ওলাইছিল নেকি? পণ্ডিতে ঘড়ীটোলৈ চাই ক'লে।

ঃ হ'লেও ভবানন্দ আহি ওলাব লাগিছিল। দীনৰ নিশ্চয়তা নাই। কিন্তু তামোলৰ বেপাৰীটো ...। ইহঁতক নেদেখি শুচি গ'ল নেকি?

ঃ হ'ব পাৰে। মই ক'লোঁ।

এনেতে পণ্ডিতৰ বাহু আছিল। পণ্ডিতে মাত দি শুচি গ'ল। মইয়ো অফিচলৈ বুলি খোজ দিলোঁ।

অফিচৰ পৰা উভতি আহোঁতেও অভ্যাসবশতঃ সেইফালে চকু গ'ল যদিও কাকো নেদেখিলোঁ। দিনটো কিবা অসম্পূৰ্ণ হৈ থকা যেন লাগিল। গধূলি আকৌ এপাক বাহিৰলৈ ওলাই আহি দুই এপদ বস্তু কিনি দীনৰ তাতে তামোল এখন খাই এখন বান্ধি লওঁ। তামোল ল'বলৈ বাস্তাটোৰ আনফালে গৈ দলঙৰ মূৰত বহি থকা তিৰোতাজনীৰ দোকানখন পালোঁ।

তিৰোতাজনীয়ে হাঁহি এটা মাৰি সুধিলে।

ঃ তামোল খাব নেকি দাদা?

ঃ অ?

ঃ আৰু এখন বান্ধি দিম?

ঃ দিয়া।

ঃ দীন আহিছিল বাতিপুৱা। ভবানন্দও আহিছিল। তাই ক'লে।

ঃ দোকান বন্ধ যে দুয়োৰে!

ঃ অ বন্ধ, সিহঁত জি এম চিলৈ গৈছে।

ঃ জি এম চি?

ঃ অ, তামোলৰ বেপাৰীটো যে ...। কালি বোমা বিস্ফোৰণত সিও আহত হৈছে। বাতিপুৱাই দীনই খবৰটো পাইছিল। কথাটো শুনি ভবানন্দও ওলাল তাৰ লগত।

ঃ কি বা হ'ল ল'ৰাটোৰ।

ঃ ইয়াতকৈ বেছি নাজানো দাদা।

বাতিপুৱা স্কুল আৰু অফিচৰ নামতেই দম বন্ধ হৈ যাব খোজে। এনেকুৱা কথা আৰু মূৰত নোসোমায়। খবৰ কাকতৰ ডাঙৰ ডাঙৰকৈ লেখা প্ৰধান বাতৰিবোৰেও আকৰ্ষিত নকৰে আজিকালি। এনেয়ে এপটা চাপ! অতিষ্ঠ হৈ পৰোঁ তাতেই।

বাতি ঘৰলৈ ঘূৰি আহিলোঁ যদিও মনটো ভাল নালাগিল। বিস্ফোৰণতকৈও বিস্ফোৰণৰ শংকাই মনটোক সততে ভাৱাক্ৰান্ত কৰি তুলিলে। একোতেই মন সংযোগ কৰিব পৰা নাই। মৃত্যু স্বাভাৱিক যদিও অসময়ত হোৱা মৃত্যুৰ যন্ত্ৰণা অসহনীয়। টিভিত বিস্ফোৰণৰ ছবিবোৰ চাই চাই বুজাব নোৱাৰা উদ্বেগেৰে অন্তহীন গহ্বৰ এটাৰ ফালে অধঃপতিত হ'ব ধৰিলোঁ যেন ক্ৰমশঃ এনে লাগিল। বাতি ভোক নালাগিল।

যেনেকৈ বহিছিলোঁ তেনেকৈয়ে উঠিলোঁ। আমি সাধাৰণ মানুহবোৰ কাৰ কি গোৱাৰ বাটত হেঙাৰ হৈ আছোঁ নাজানো!

ৰাতি এটা সপোন দেখিলোঁ।

প্ৰচণ্ড এক বিস্ফোৰণ! পৃথিৱীখন ফাটি চিৰাচিৰ হৈছে। চৌদিশে জুই আৰু ধোঁৱা। আকাশ নাই! বিস্ফোৰণত নিজকে মৃত যেন লাগিলেও মোৰ অনুভূতি সজীৱ হৈ থকা যেন লাগিল। এনেতে জুই, ছাই, ধোঁৱাৰ মাজৰ পৰা কিবা এটা মোৰ ফালে আগুৱাই অহা যেন দেখিলোঁ।

যেন এজন মানুহ! লগে লগে সি চিঞৰি ক'লে।

ঃ মই মানুহ নহয়, দানৱ।

ঃ দানৱ?

ঃ দানৱ। মই বিস্ফোৰণৰ নায়ক। সিহঁতে কৈছিল বিস্ফোৰণত কিবাকিবি হেৰুৱালেও তুমি হ'বা পৃথিৱীৰ গৰাকী? এনে এখন পৃথিৱীৰ গৰাকী হৈ মই কি কৰিম!

কান্দোনত ভাঙি পৰিল সি। তাৰ পিছত কি কৰিলে জানো সি, অন্য এটা শব্দ হ'ল। তাৰ শৰীৰটো টুকুৰা টুকুৰ হৈ ছিটিকি পৰিল। মোৰ গোটেই গাত তেজ ছিটিকি পৰিল। মই চিঞৰিবলৈ চেষ্টা কৰিলোঁ, নোৱাৰিলোঁ।

সাৰ পাই দেখোঁ মোৰ গাটো ঘামেৰে তিতি আছে। ৰাতি ফেনৰ বতাহ নালাগিব বুলি আঁঠুৱাখন টনা নাছিলোঁ। মহজাকে বৰভোজ খালে যেন পাইছোঁ।

ৰাতিপুৱা কিনকিনিয়া এজাক বৰষুণ দি আছিল। গাধীৰ নিবলৈ আৰু ওলাই নাহিলোঁ। যাৱতীয় কাম-কাজ সামৰি অফিচলৈ বুলি ওলাই আহিলোঁ। দেখিলোঁ ভবানন্দৰ মুখত ডাৱৰ। পণ্ডিত আহি বেঞ্চখনতে বহি পিঠাত কামোৰ মাৰিছে। মোক দেখি হাঁহি এটা মাৰি ক'লে।

ঃ দাদা, মাজে মাজে চাহ-পিঠা খাওঁ। নহ'লে কেতিয়াবা এনেয়ে বহিলে মানুহে চকু ৰঙা কৰি চায় নহয়!

আনদিনাৰ দৰে ভবানন্দৰ মুখত কোনো প্ৰতিক্ৰিয়া নেদেখিলোঁ। কিবা অথন্তৰ! প্ৰসংগ সলাবলৈ মই ভবানন্দক দীনৰ কথা সুধিলোঁ। তামোল-পাণৰ বেপাৰীটোৰ কথাও মনত পৰিল।

ঃ আৰু ইয়াৰ, তামোল-পাণৰ বেপাৰীটো, কি নাম আছিল তাৰ।

ঃ সদা। ভবানন্দৰ নিৰ্বিকাৰ উত্তৰ।

ঃ তাৰ খবৰ কি।

ঃ সিমান গুৰুতৰ নহয়। কিন্তু ঘটনা হ'ল, বোমা বিস্ফোৰণৰ সময়তে তাৰ চাইকেলখন কোনোবাই চুৰ কৰিলে।

ঃ পণ্ডিত, আচলতে শিক্ষাৰ কোনো দৰকাৰ নাই আমাৰ। এনেকুৱা পৰিস্থিতিত জানো কোনোবাই সুবিধা লোৱাৰ কথা ভাবিব পাৰে? পণ্ডিতৰ ফালে চাই মই সুধিলোঁ। পণ্ডিতে বণ্ডা চাহ পিয়লা হাতত লৈ ক'লে —

ঃ মত্ৰো শিক্ষকতা কৰোঁতে। কিযে শিক্ষাও সেয়া কেতিয়াবা নিজেই সঠিক নাজানো। আৰু আজিকালি দেখিছোঁ, ল'ৰা-ছোৱালীবোৰক বিয়োৰ কথা শিকাওঁ, সেইবোৰ শিকিবলৈ সিহঁতৰ মাজত কোনো আগ্ৰহ নাই। আকৌ বিয়োৰ কথা শিকাটো অনুচিত, সেইবোৰ কথাত কিন্তু সিহঁত আমাতকৈ গুৰু হোৱাৰ যোগ্য। বাটে-ঘাটে দেখিছেনে ল'ৰা-ছোৱালীবোৰক। সিহঁতৰ বেশভূষা লক্ষ্য কৰিছেনে? সিহঁতৰ কোনোবা অভিভাৱক থকা বুলি ভাব হয়নে আপোনাৰ?

ঃ অভিভাৱকবোৰ নিজেই যেকোনও বিহীন। কেঁচু। যি উপাৰ্জনে সিহঁতক যেনে ধৰণৰ জীৱন-যাপন কৰিবলৈ অনুমতি দিদিয়ে, তেনেধৰণৰ জীৱন সিহঁতে কেনেকৈ কটায়? আৰু অধিক উপাৰ্জনৰ উৎস কি? নিজকে বিক্ৰী কৰা। এই বৰ্তমানেই যদি অহাকালিৰ ভৱিষ্যৎ হয়, দেশৰ ভৱিষ্যতেই বা কি?

পণ্ডিতে চাহ খোৱা প্লাষ্টিকৰ সৰু গিলাচটো মোহাৰি দলিয়াই দিলে। জেপৰ পৰা মনিবেগটো উলিয়াই দহটকীয়া নোট এখন উলিয়াই দিলে ভবানন্দৰ ফালে। তাৰ পিছত মোৰ ফালে চাই ক'লে।

ঃ দেশৰ ভৱিষ্যতৰ কথা নাজানো। দুই-তিনিমাহতো দৰমহা নাপাওঁ। ইয়াত ঘৰ ভাড়া দিব লাগে, খাব লাগে, ঘৰলৈ পইচা পঠিয়াব লাগে। নিজৰ ভৱিষ্যতেই বাব নাই, দেশৰ ভৱিষ্যতৰ কথা সিনো কি ভাবিব। সঁচা কথা ক'বলৈ হ'লে মনত কোনো উৎসাহ অনুভৱ নকৰোঁ। শিক্ষাদানক মহৎ ব্ৰত বুলি আৰু ভাবিব নোৱাৰোঁ।

ভবানন্দই ঘূৰাই দিয়া পইচাকেইটা জেপত ভৰাই, গাড়ীখন দেখা পোৱাৰ লগে লগে পণ্ডিতে খৰখৰকৈ আগবাঢ়ি যায় সেইফালে। তিনৰ কাষলৈ গাড়ীখনৰ ভিতৰত সোমাব নোৱাৰি পাৰদানিতে ভৰি এখন থৈ হেণ্ডেলডালত ধৰি পণ্ডিতে মোলৈ চাই চকুৰে এটা ইংগিত দি আঁতৰি যায়।

ঃ গাড়ীত এনেকৈ যোৱাটো বিপজ্জনক। মই ক'লোঁ।

: আজিকালি সকলো ফালেই বিপদ। ভবানন্দৰ নির্বিকাৰ মন্তব্য। ভবানন্দই পিঠাগুড়ি, নাৰিকলৰ গুড়ি আৰু গুড় মিহলাই টিপটৰ ঢাকনিখনত থৈ সেইখিনি পাতল কাপোৰ এখনেৰে মেৰিয়াই ঢাকনিখন পানী উতলি থকা টিপটটোৰ মুখত থয়। তাৰ পিছত বিড়িটোত শীঘ্ৰকৈ টান এটা মাৰি মোৰ ফালে চাই কয়।

: আচলতে সদাৰ এনে নহ'ল হয়। এই বিমলাৰ কাৰণেই হ'ল। তাইহে কিবাকিবি আনিবলৈ তাক সেইফালে পঠিয়াইছিল।

: বিমলা।

: সেইযে দলঙৰ মূৰত বহা তিৰোতাজনী।

: অ, তাইৰনো এনে কি বজাৰ-সমাৰ আছিল। সকলো বস্তু দেখোন আমাৰ ইয়াতেই পোৱা যায়।

: বিশেষ বজাৰ, বিশেষ ঠাইতেই কৰিব লাগিব।

: বিশেষ মানে।

: ময়ো সিমান ভালকৈ নাজানো। দীন আহিছিল বাতিপুৱা। তাক অনুসন্ধান কৰিবলৈ কৈছোঁ।

: অনুসন্ধান মানে।

: আজি কিছুদিনৰ পৰা ল'ৰা এজন আহে। বিমলাৰ কাষতেই থিয় দি থাকে। দুই এখন তামোলো খায়। দুই এটা কথাও পাতে তাইৰ স'তে। কেতিয়াবা মনে মনে চিগাৰেট এটা টানি তাইৰ কাষতেই থিয় দি থাকে। মাজে মাজে দুই এদিনৰ কাৰণে অন্তৰ্ধান। দীন আৰু সদাই কথাটো জানে। মোকহে কোৱা নাছিল।

: কিন্তু এই সাধাৰণ কথাটো অনুসন্ধান কৰিবলগীয়া হ'ল কিয়, সেয়াহে বুজি নাপালোঁ ভবানন্দ।

হঠাতে ঘড়ীটোলৈ চকু যোৱাত জাঁপ মাৰি উঠিলোঁ।

: মই আহোঁ ভবা, গধূলি লগ পাম।

অফিচৰ পৰা ওলাই এঠাইলৈ যাব লগা হ'ল। আহোঁতে ৰাতি হ'ল। ভবানন্দক নেদেখিলো। ৰাস্তাটোৰ আনটো পাৰে দলঙৰ মূৰলৈ চকু গ'ল যদিও বিমলাক দেখা নাপালো। ভবাৰ দৰে ভবানন্দ আৰু দীনকো দেখা নাপালো তাতে।

যোৱাকালি ৰাতি আহোঁতে গাধীৰৰ পেকেট এটা লৈ আহিছিলোঁ। ৰাতিপুৱা আৰু ওলাই নাহিলো। অফিচৰ সময়তেই ওলাই আহিলো। দীনই তলমূৰকৈ তামোল

হেলাই আছে। মই তাৰ কাষ পালোঁ।

: দীন, কি হ'ল, এদিন দেখো, এদিন নেদেখো তোমাক।

: এদিন ইয়াতে জাল পাতে আৰু এদিন অইন ঠাইত জাল পাতে। ভবানন্দই নিৰ্বিকাৰভাৱে ক'লে।

: জাল মই পতা নাই, তইহে পাতিছিলি। যা এতিয়া, বহি তামোল হেলাই থাক। দুখৰ কথা ক। তোৰ দুখত পৰি গৈ তাই কি তোৰ তালৈ আহিব বুলি ভাবিছিলি নেকি? যা এতিয়া চিএৰি থাক বিমলা, বিমলা।

: অই জহনিত যোৱা, ৰাতিপুৱাই সেইটো নাম নল'বি।

: কিয় ল'ব নালাগে। তাইৰ লগত কোন উঠিল, কোন বহিল সেই খবৰটো লাগে। এতিয়া নামটো ল'লে জ্বলন লাগে। তাইৰ ব্যক্তিগত জীৱনত সোমাবলৈ তই কোন?

দীনৰ কণ্ঠত অভিমান আৰু বিৰক্তিৰ সুৰ স্পষ্ট।

: মই কোন? ভবানন্দই গৰজি উঠে। যোৱা বছৰ ৰেজবাণীজনীৰ ঘৰত কি কৰি আছিল তাই? কাগজৰ পতি লগাই থকা নাছিলনে? মনত নাই, ৰাতি গৈ অট' এখনত উঠাই জি এম চিলৈ লৈ অহা নাছিলোঁনে? ডাক্তৰে কি কৈছিল, আৰু পলম হোৱা হ'লে বিপদেই আছিল। তই এদিনহে টোপনি ক্ষতি কৰিছিলি। মই দোকান বন্ধ কৰি, হাস্পতালত দুদিন, তাইৰ লগত ......। তেতিয়া তাইৰ ৰেজোৱা মানুহটো ক'ত মৰিছিল। আৰু সেই যে কোনোবা এজনে তাইক যে সদায় লিগদৰ দিছিল, আমাৰ আগত আহি কান্দিছিল নে নাই তাই? মই কি কৰোঁ, সেই মানুহজনৰ পৰা মোক বচোৱা। আৰু তাক কি কৈছিলোঁ, মনত আছে নে নাই। ৰাস্তাৰ কাষত দোকান এখন দি তামোল-পাণ বেচিলে বুলিয়েই, তাই সকলো বিক্ৰী কৰিব বুলি কোনে ক'লে তোক? সি কৈছিল কি। নীতি-বচন শুনাবলৈ তই কোন। কৈছিল নে নাই সি মই কোন? এটা চৰতেই কৰ্ফাল খাই পৰা নাছিলনে সি? ৰাতিপুৱা পুলিচ আহি মোক ধৰি লৈ যোৱা নাছিলনে? দুদিন ৰাখিছিল তাতে। পুলিচে কোৱা নাছিলনে— চালা ৰাতি মদ-পানী খাই নিৰাশ্ৰিত মানুহৰ ওপৰত দাদাগিৰি কৰ। ভবাইত ভলাইছ? মদ খাওঁ হয়, মাতলামি কৰা নাই কেতিয়াও, এই ভবানন্দই। মই কোন? আকৌ কেতিয়াবা মুখ-চুখ ধুৱাই ইয়াতেই দেখোন বহি থাকে তাই। একো নকয় প্ৰথমতে। তাৰ পিছতে মুখ খুলিলে কথা আৰু শেষ নহয়। চাহ পিঠা খাই শেষত টকা এশ লৈহে উঠিব। ঘুৰাই দিয়ে অৱশ্যে। কিন্তু লগাৰ সময়ত টকা এশই বা কোনে দিয়ে, প্ৰতিদান

নোহোৱাকে? তাইৰ ব্যক্তিগত জীৱনত সোমাবলৈ মই কোন? মই যদি কোনো নহয়, আমি কোনো কাৰো একো নহয়। তাই মোক চিনি নাপায়। মন্ত্রো তাইক চিনি নাপাওঁ। পৃথিৱীত ৰাস্তা নাই। নৰ্দমা আছে, নৰ্দমা।

ভবানন্দই দীঘলকৈ উশাহ এটা লয়। তেনেতে মৃতদেহ কঢ়িওৱা খোলা ভেন এখন পাৰ হৈ যায়। ভেনখনৰ সোঁমাজতে মৃতদেহটো, বগা কাপোৰেৰে ঢকা। ফুলবোৰ সিঁচৰতি হৈ আছে। ধূপৰ গোন্ধ আহি নাকত লাগিছে। চৌদিশে নীৰৱতা। ভবানন্দৰ চকু ভেনখনলৈ যায়। সি সেইফালে চাই সেৱা এটা কৰে। তাৰ পিচত স্বগতোক্তি কৰাৰ দৰে কয়। মৃত মানুহবোৰেই আটাইতকৈ সুখী এই পৃথিৱীত।

অফিচলৈ বুলি চিটিবাছত উঠি নাভাবো বুলি ভবানন্দৰ কথাকেই ভাবিবলৈ ধৰিলো। মৃত্যুৰ পিছত সুখ দুখৰ নিশ্চয়তা অবাস্তৱ। অথবা মৃত্যু জীৱন-বীমাৰ সান্ত্বনা। জীৱন থকালৈকে জীৱনেই সচাঁ। তথাপিও জীৱনৰ প্ৰতি অনিশ্চয়তা, আমাৰ অভিমানী বিতৃষ্ণা নেকি। জীৱনক জীৱনৰ পৰা বিছিন্ন কৰাৰ এই প্ৰৱণতা আমাৰ আন্তৰিকতা নে প্ৰাত্যহিকতাৰ প্ৰতি বিতৃষ্ণা প্ৰকাশ কৰাৰ উপায়। ভাল মানুহ , ভাল কথা-বতৰা অকল জানো কিতাপৰ পাতত আবদ্ধ হৈ নিৰালম্ব হৈ থাকিব। বিভিন্ন ধৰণৰ চিন্তাৰে মনটো ভাৰাক্ৰান্ত হৈ পৰিল। অফিচৰ কামত মনোনিবেশ কৰিবলৈ বহু কৰি বাৰে বাৰে চাহ একাপ, তামোল এখন খোৱাৰ নামত বেছি ভাগ সময় বাহিৰতেই কটালোঁ। আচলতে নিবলৈ ক'ৰবাত বহি কথাবোৰ ভাবিবলৈ মন গৈছিল। নোৱাৰিলোঁ।

অফিচৰ পৰা ওলাই ভক্তাগড় বজাৰত সোমালোঁ। আমাৰ কালতকৈ ভক্তাগড়ত শাক-পাচলিৰ দাম অলপ কম। আগতে প্ৰায়েই ইয়াতে বজাৰ কৰিছিলোঁ। কিন্তু এতিয়া সমস্যাটো হ'ল— উৰণীয়া সেঁতু। এই উৰণীয়া সেঁতুৰ কাৰণে চিটিবাছ ষ্টপেজটোৰ নিৰ্দিষ্ট ঠিকনা নোহোৱা হৈছে। ক'ত যে উঠিব পাৰিম আগতীয়াকৈ অনুমান কৰিব নোৱাৰোঁ। বজাৰ সামৰি আগুৱাই আহোঁতে আহোঁতে এবিচি ষ্টপেজটো পালোঁ। তাতেই থিয় দি ৰ'লোঁ। এই সময়ত ভিৰো হয় বেছি। এনেতে কাষতেই চাইকেল এখনৰ বেলটো ক্ৰিং ক্ৰিংকৈ বাজি উঠিল।

ঃ দাদা, চাইকেলত যায় যদি আহক।

চাই দেখোঁ দীন দেখোন।

ঃ দীন,এইফালে কি সকাম? এতিয়াতো তোমাৰ দোকানত থকাৰ কথা।

ঃ কথাটো হয় দাদা। কিন্তু উপায় নাই। ভবানন্দৰ কাম নকৰিলে বাতিপুৱাই হ'ব বিস্ফোৰণ।

ঃ বিস্ফোৰণৰ কথা নক'বা আৰু। বিস্ফোৰণতকৈ বিস্ফোৰণৰ শংকাতহে কেঁতিয়াবা ফাটি মৰিম যেন পাইছোঁ। ৰ'বা, ৰ'বা এইখন বাছ খালী খালী লাগিছে!

খৰখৰকৈ মই বাছখনত উঠিলোঁ।

ঃ যদি বাছত বিস্ফোৰণ হয়, কি কৰিব দাদা?

দীনই চিঞৰি চিঞৰি ক'লে।

ঃ মোৰ কাৰ্বৰলগীয়া একো নাই।

সাহস দেখুৱাই শংকিত হৈ মই ক'লোঁ। সি শুনিলে নে নাই নাজানিলোঁ। অকাই-পকাই তাক গৈ থকা দেখিলোঁ।

ৰঙা সুৰা যেন ৰঙৰ, ৰঙা, হালধীয়া ফুলেৰে উপচি থকা আইকণ গাড়ী এখন ভবানন্দৰ চাৰিচকীয়া দোকানখনৰ সন্মুখেৰে পাৰ হৈ যায়। ভবানন্দই সেইফালে চায়। তাৰ চকু দুটা ৰঙা পৰি আছে। সুৰাৰ ৰঙ নে টোপনি কতিৰ খং ধৰিব নোৱাৰিলোঁ। অফিচলৈ বুলি ওলাই আহি দীনৰ দোকানখনৰ কাষতে থিয় দি আছিলোঁ। হঠাতে দীনই ভবানন্দৰ ফালে চাই নিজকে কোৱাৰ দৰে ক'লে।

ঃ চাই ল মন, চাই ল। কল্পনা কৰ মন, কল্পনা কৰ। মই আৰু তাই। তাই আৰু মই!

ভবানন্দ উত্তলি উঠে লগে লগে। দীনলৈ চাই কয়।

ঃ পানী গৰম হৈ আছে চুৰা-চেলেকা! সকলো সময়তে ধেমালি নহয়। কিবা এটা কৰিবলৈ ক'লে সময় নাই। মানুহ এজনৰ খবৰ ল'বলৈ ক'লোঁ — গুৱাহাটীখন সি চিনি নেপায়। দোকানখন বন্ধ কৰি পৃথিৱীখন তহিলং কৰাৰ সময় হ'লে আছে!

লগে লগে দীনই মোৰ ফালে চাই কয়।

ঃ আপুনি মোক এবিটি ষ্টেজত লগ পাইছিলে নে নাই দাদা যোৱাকালি?

ঃ অ পাইছিলোঁ।

ঃ আৰু সি কয়, মই যোৱাই নাই হেনো। আঁতি-গুৰি নোহোৱা মানুহ এজনৰ খবৰ ল'বলৈ ক'লে, মইনো ক'ৰ পৰা ল'ম? কাক সুধিম? সেইজনীৰ লগত গধূলিটো হেলাই থাকিব পাৰে, কথাটো সুধিব নোৱাৰে। লাজ লাগে! চালা ভণ্ড, তই গুৱাহাটীলৈ মৰিবলৈ আহিছিলি কিয়? গাঁৱতে নাগাৰা নামৰ পণ্ডিত হৈ নাথাকিলি কিয়?

ঃ মোৰ ঠাই তই ঠিক কৰি দিব নালাগে। নিজৰ কথা ভাব। বিয়া কৰালে দুটা ল'ৰাৰ বাপেক হ'লিহয়। এতিয়াও গা ঘেলাই সময় কটায়, লাজ নাই! পিঠিত বিদিনাখন নাগাৰা ফালিম, গম পাবি।

দীনই কিবা ক'ব খুজিছিল। হঠাতে অলপ দূৰত বিমলাক দেখা পাই সেইফালে অবাক হৈ চাই ৰ'ল। বিমলাৰ লগত জীয়েকজনীও আছে। বিমলাৰ চকু-মুখ উখহি উঠিছে। ৰাতি টোপনি অহা নাই চাগে'। দীনই নীৰৱে চাই ৰ'ল। বিমলা আহি ভবানন্দৰ খালী বেঞ্চখনতে বহে। জীয়েকজনী তাইৰ কাষতেই বহিল। ভবানন্দই বিমলাৰ ফালে চোৱা নাই। অযথা ব্যস্ত হৈ আছে যেন, এনে লাগিল।

কাৰো মুখত কথা নাই।

হঠাতে হাঁওহাঁওকৈ বিমলাই কান্দিবলৈ ধৰিলে।

এনে এটা ঘটনা হ'ব বুলি দীন আৰু ভবানন্দই চাগে' অনুমান কৰিব পৰা নাছিল। দীনই উঠি তাইৰ কাষলৈ আহিল। ভবানন্দই তাইৰ ফালে চালে। তাক অসহায় যেন দেখা গ'ল। নিজকে অকণ সংযত কৰি ভবানন্দই সুধিলে তাইক।

ঃ কান্দিছ কিয় ?

তাই একো নকৈ কান্দিয়েই থাকিল।

ঃ আমি শুনামতে আজি তোৰ নতুন জীৱনৰ আৰম্ভণি। এনে ক্ষণত চকুপানী শোভা নাপায়। আমাক নক'লেও সকলো খবৰ লৈছোঁ আমি। আৰু সি ক'ত?

বিমলাই উচুপি আছে। ভবানন্দই তাইৰ ফালে চালে। এনে লাগিল — কওঁ বুলি কিবা এটা যেন ক'ব পৰা নাই তাই। যেন কষ্ট হৈছে ক'বলৈ।

ঃ তই কিবা ক'লি নে সি কিবা ক'লে? ভবানন্দই সুধিলে তাইক।

ঃ ক'বলৈ সি আহিলেহে!

ঃ আহিলেহে মানে?

ঃ সি নাহিল!

ঃ নাহিল মানে? ৰাতিপুৱাই বশিষ্ঠত কামফেৰা কৰাৰ কথা নাছিলনে? নক'লেও জানোঁ। সকলো কথা জানোঁ। ৰাতি তই তাৰ লগত একেলগে থকা নাছিলিনে?

বিমলাই ভবানন্দৰ ফালে চায়। তাইৰ দুচকুত পানী। তাৰ পিছত আন ফালে চাই লাহে লাহে কয় তাই।

ঃ ৰাতি পুলিচ আহিল।

ঃ পুলিচ কিয়? সি চোৰ নে ডকাইত?

: নহয়।

: তেনেহ'লে।

: সিদিনা যে বোমাটো ফুটিছিল বজাৰত ..., বোমাটো হেনো সিয়েই আনিছিল। পুলিচে সকলো খবৰ পাইছে। সি থকা কমটোত আপত্তিজনক কিবাকিবি পাইছেও হেনো।

ভবানন্দই আচৰিত হৈ তাইৰ পিনে চালে। তাৰ পিছত খঙেৰে ক'লে।

: এতিয়া তয়ো এটা বোমা ফুটাই পুলিচৰ হাতত ধৰা দে। কমতে কম তাতে তাৰ লগ পাবি। তাতেই থাকিব পাৰিবি। আমাৰ চিন্তা-দুশ্চিন্তা কৰিবলৈ একো নাথাকিব। এই দুদিন কম কষ্ট হ'লনে? দোকান বন্ধ কৰি দীনই তোৰ আৰু তাৰ খবৰ ল'বলৈ চাইকেল মাৰি মাৰি গোটেই গুৱাহাটীখন চলাথ কৰিলে। তাৰ কোনো খবৰেই নাই। তেনে এটা ল'ৰাৰ লগত ...। কেনেকৈ তই ইমান ডাঙৰ সিদ্ধান্ত এট' ল'লি? কিহৰ আশাত। কি সপোন সি তোক দেখুৱাইছিল?

বিমলাই একো নক'লে। আকাশৰ ফালে চাই আকৌ তলমূৰ কৰিলে। উচুপি উচুপি তাই আকৌ হাঁওহাঁওকৈ কান্দিবলৈ ধৰিলে।

দীনৰ দুচকু সেমেকি উঠিল। তাৰ চকুত চকুপানী।

ভবানন্দৰ দুচকুও সেমেকি উঠিল। তাৰ চকুতো চকুপানী।

কিন্‌কিন্‌কৈ বৰষুণ এজাক নামি আহিছিল চকুপানীৰ দৰেই। খিড়িকীটোৰে চাই মই ভবানন্দ আৰু দীনক একো নোকোৱাকৈ মনে মনে চিটিবাছ ষ্টপেজটোৰ ফালে খোজ ল'লোঁ। বিমলাই তেতিয়াও কান্দি আছিল।

চিটিবাছখনত উঠি খালী চিট এটা পাই বহি ল'লোঁ। বৰষুণজাক এতিয়া ডাঙৰকৈ আহিছে। ভবানন্দ আৰু দীনৰ চকুপানীৰে ভৰা চকুকেইটা মোৰ দুচকুত ভাহি উঠিল। মনে মনে ভাবিলোঁ — অফিচলৈ বুলি ওলাই অহাৰ সময়ত সিহঁতৰ লগত প্ৰায়েই ভালেখিনি সময় কটাওঁ মই। প্ৰাত্যহিকতাৰ বোজা পাতলাবলৈ এই সময়খিনি মই চাগে' উপভোগ কৰোঁ। কিন্তু সিহঁতৰ সুখ-দুখৰ স'তে একীভূত নহওঁ। নহ'লে মোৰ দুচকুলৈও চকুপানী নামি নাহিল কিয়।

বাঁদ

প্ৰতাপ চৌধুৰীয়ে কাদেৰৰ আগত বাৰে বাৰে কৈ পঠিয়ালে অহা শনিবাৰে তেওঁ যাব বাঘবৰলৈ চিকাৰ কৰিবলৈ। মেঘো যেন সাজু হৈ থাকে। মেঘোই চোতালতে মৰণা মাৰি আছিল বৈণীয়েকক জোকাই জোকাই। কাদেৰ গৈ পোৱাৰ লগে লগেই মেঘোই ক'লে।

অই কাদেৰ, তাই মোৰ তিৰি

যদি পাওঁ এমুঠা বিড়ি

বাপেকে তাইক এতিয়াই দিম মই এৰি।

কাদেৰে হাঁহি হাঁহি ক'লে।

ঃ আৰু নঠগাবি তই মোক। মোৰ পৰা এনেকৈ কিমান মুঠি বিড়ি খালি, মনত ৰাখিছনে তই। ধৰবা হৈ মৰিব খোজ নেকি?

ঃ অই কাদেৰ, তাইক দিলে তই জানো নিবি? চালা গোটেই জীৱনটো তোৰ গালি-শপনি খাওঁতেই যাব। দুদিন পিছত ওলোটাই তইহে মোক গালি দিবি — মেঘো অ' কি খাম্‌বা এটা দিলি তই মোক?

মেঘোৰ তিৰোতাজনী ওলাই আহে। মেঘোলৈ চাই কয়।

ঃ কি হৈছে এই মৰাটোৰ। ৰাতিটো বন্দুকটো লৈ ধানখেৰৰ তলত সোমাই থাকিব চোৰৰ দৰে। যেতিয়া বনৰীয়া গাহৰি পাৰ হৈ যায়, তাৰ নাকতহে বন্দুকৰ গুলীৰ গুৰুম গুৰুম শব্দ। গাহৰিৰ খুন্দাত সিফলীয়া নহ'লেই হ'ল কেতিয়াবা। মেঘোই মৰণা মাৰিবলৈ এৰি অলপ সময় বৈ কাদেৰৰ ফালে চাই ক'লে।

ঃ অই কাদেৰ, দেখিলি, দেখিলিনে? তাই মই জীয়াই থকাটো সমূলি সহ্য কৰিব নোৱাৰে। মোৰ বন্দুকৰ শপত, তই দেখিবি নিজৰ বুকুত বন্দুকৰ নলীটো লগাই

ট্রিগাৰটো টিপি দিম চালা কেতিয়াবা।

ঃ গুলীটো ভবাবলে পাহৰি নাযাবি আকৌ।

ঃ শুনিলিনে তাইৰ কথা। চালা, বিধবাৰ সাজত তাইক দেখা হ'লে, মোৰ বন্দুকৰ শপত, মোতকৈ দুখী মানুহ এই বাখৰত আৰু দ্বিতীয়জন নোলালেহয়। মোৰেই পোৰা কপাল!

ঃ তোৰ সেইখন পোৰা কপাল নহয়, নদীয়ে পলস পেলাই থৈ যোৱা পথাৰ। সেইকাৰণেই তোৰ ভাগ্য ইমান ভাল। গোটেই দিনটো পাৰিলে পাহৰিব দৰে শুই থাকিবি আৰু ৰাতি হ'লে চন্দুকটো খুলি বন্দুকটো উলিয়াই পাহৰিব পিছে পিছে ঘূৰি ফুৰিবি। ঘৰখন কেনেকৈ চলে তই কিবা জাননে পাহৰিটো।

ঃ জানো দে জানো। তোৰ চকাৰেই ঘৰখন চলে, মোৰ চকাত পাম নাই। মই হ'লোঁ ভোকোলা এন্দুৰ, আৰু তই হ'লি শাঁখা-সেন্দুৰ!

ঃ শাঁখাৰ কথা নুলিয়াবি তই। ভাল কৰি আনো বুলি কৈ সেইপাট লৈ কাক দি মদৰ টেকেলি খাইছিলি, কথাটো মই নাজানো বুলি ভাবিছ নেকি?

ঃ তই ইমান কথা কেনেকৈ জান, তাকে ভাবি মই আচৰিত হওঁ মাজে মাজে। তোৰ বুদ্ধিবোৰ কমি যাব বুলি কেতিয়াবা ভাবোঁ মই, তোক চন্দুকটোত সোমাই থৈ বন্দুকটো হাতত লৈ গোটেই জীৱন পহৰা দি থাকোঁ।

ঃ মই জানো নহয়, তই তেনেকৈয়ে মোক মাৰিবি।

ঃ মৰিলে চিন্তা নকৰিবি, কাদেৰেই তোৰ মুখাগ্নি কৰিব।

ঃ কেলেই তোৰ ভেঁটিত তেতিয়ালৈকে দুৰৱি গজিব নেকি?

ঃ বিড়ি খুৱাই খুৱাই সি মোৰ মুখাগ্নি কেতিয়াবাই কৰি থৈছে। তোৰহে বাকী আছে! কিন্তু তই চিন্তা নকৰিবি। কাদেৰ বৰ বাধ্য আৰু মই নিশ্চিত সি একো কাম বাকী নাৰাখে, কৰিবই। তালৈ এইটো মোৰ শেষ অনুৰোধ। কাদেৰ, ...

ঃ মেঘো, তাইক মই কেনেকৈ মুখাগ্নি কৰিম। মানুহ মৰিলে আমি কবৰহে দিওঁ।

ঃ অই মৰা দুটা, তইঁত দুয়োৰে মৰাশ দুটা মই তেনেকৈয়ে চৰতে পেলাই থ'ম। কাউৰ, কুকুৰ, শিয়াল, শগুণে খাই শেষ কৰিব তইঁতক।

মেঘোৰ তিৰোতাজনীয়ে ভোৰভোৰায়। তাকে শুনি মেঘোই অট্টহাস্য কৰিবলৈ ধৰিলে।

ঃ আমি কম নীলকণ্ঠনে? কাউৰ, কুকুৰ, শগুণে যদি আমাক খায়, সিইতো বাচি নাথাকিব চালা! আৰু কাদেৰ, তই কি তাইক সঁচাকৈয়ে কবৰ দিবি?

ঃ নহ'লে কি! তই মৰাৰ পিছত তাই মোৰেই বিবি হ'ব!

ঃ মই মৰাৰ পিছত তোৰ বিবি হ'ব মানে?

ঃ নহ'লে কি তোৰ চিতাত জাঁপ মাৰি তাই সতী হ'ব নেকি?

ঃ মই কেনেকৈ সতী হ'বলৈ যাম! গোটেই জীৱনটো সি মোক চিতাৰ ওপৰতেই ৰাখিলে। এতিয়া আৰু নতুনকৈ চিতাত জাঁপ দিবলৈ কি আছে! ভালতহে সীতাই পাতালত প্ৰৱেশ কৰিছিলনে?

ঃ নালাগে তই চিতাত উঠিবলৈ। তাইক কবৰেই দিবি কাদেৰ।

ঃ ঠিক আছে, তাকেই কৰিম! কিন্তু তই মৰিবি কেতিয়া?

ঃ মই কিয় মৰিব লাগে?

ঃ আৰে, তই নমৰিলে তাই মোৰ বিবি হ'ব কেনেকৈ? মোৰ বিড়িৰ মুঠাবোৰৰ দাম কেতিয়া উঠিব? মোৰো সীমা আছে ধৈৰ্য্যৰ।

ঃ গাহৰি, তাকেহে ভাবি আছ তই?

ঃ অই গাহৰিৰ কথা কৈ তই মোৰ ধৰ্ম নষ্ট নকৰিবি।

ঃ চালা গাহৰিৰ গঁৰালত বহি বহি মদ খালে তোৰ ধৰ্ম নষ্ট নহয়। এতিয়া ধৰ্মৰ নামত সিংহ হৈ দেখুৱাব আহিছ! লাজ নাই তোৰ?

ঃ অই আমি দুয়ো কাজিয়া কৰি মৰিছোঁ কিয়! ওপৰত আল্লা আৰু ভগৱানে আমাৰ ফালে চাই নিশ্চয় হাঁহি আছে।

ঃ সিইতে হাঁহিব নাজানে। চাই থাকিলেও গুৰু-গম্ভীৰভাৱে আমাৰ ফালে চাই আছে। যেনেকৈ বানপানীত জুকলা হ'লে আমাৰ মন্ত্ৰীমখাই বথত উঠি আমাক চাবলৈ আহে, তেনেকৈ। আমাৰ গাঁৱৰ ডাঙৰ মানুহবোৰেও হাঁহিব নাজানে। মোৰ বোধেৰে ভগৱানে এতিয়া মহলদাৰৰ ঘৰলৈহে গৈছে! মহলদাৰে বাৰটা মাহত কমচেকম তেৰটা পূজা কৰে। শিলসী বিলত যিমান মাছ আছে, তাৰ চন্দুকত সিমান পইচা আছে।

ঃ আৰু মোৰ বোধেৰে আল্লাই এতিয়া ৰমজান মোল্লাৰ ঘৰলৈ গৈছে। মোল্লাৰ ঘৰত আজি উৎসৱ।

ঃ কিহৰ উৎসৱ অ তাৰ ঘৰত?

: মোল্লাৰ আজি নিকাহ।

: মই শুনিছিলোঁ তাৰ পুতেক বদৰৰহে বিয়া।

: কথাটো ঠিকেই শুনিছিলি। পুতেকৰ কইনা চাবলৈ গৈছিল বমজানে। পিছে নিজৰ বিয়াহে ঠিক কৰি আহিলে সি। বিজনী হ'ব লাগিছিল তাৰ বোৱাৰী, সেইজনী হ'ল তাৰ ঘৈণী।

: বদৰে বাধা নিদিলে?

: মোল্লাই বদৰক কিবা কামৰ কাৰণে চহৰলৈ পঠিয়াইছিল।

: আল্লাইনো এনে ঠাইলৈ কিয় যাব লাগে।

: কিয় নাযাব? মানুহে মোল্লাক সুধিলে — বাপেৰটো হৈ তই এনে এটা কাম কৰিলি কিয়? বদৰৰ মনত কষ্ট দিলি কিয়? সি তাড়িতোপাত হাত সোমেৰাই দি ক'লে — সকলো আল্লাৰ ইচ্ছা, তুমি মই কোন!, নিমিত্ত মাথোঁ।

: সিনো আল্লাৰ ইচ্ছাৰ কথা কেনেকৈ জানে? তাড়ি উভালি দিব লাগে তাৰ। মিছা কথা কৈছে চয়তানটোৱে। এই বদৰৰ কাৰণে মোৰ দুখেই লাগিছে। সিনো কি কৰিব এতিয়া?

: চহৰলৈ যাব হেনো।

: চহৰলৈ গৈ সি কৰিব? তাৰ বিদ্যা-বুদ্ধি আমাৰ দৰেই। ক-ই কলম, অ-ই অমিতা ...।

: হ'লেও ব-ই দি তাৰ বুদ্ধি ভাল।

: বুদ্ধি ভাল হ'লেই ভাল কাম পাবনে?

: আল্লাই চকু মেলি চাব তাক।

: কেনেকৈ? আল্লা থাকিব মোল্লাৰ ঘৰত। তাক দেখা পাব ক'ত?

: আল্লাই সকলোকে দেখা পায়।

: মাথোঁ তোক দেখা নাপায়, যেনেকৈ ভগৱানে মোক দেখা নাপায়।

এনেতে মেঘোৰ তিৰোতাজনী ওলাই আহে। মেখেলাখন বুকুত ভালকৈ বান্ধি দুৱোৰে ফালে চায়। তাৰ পিছত নিজকে কোবাদি কয়।

: কিসকলক আল্লা আৰু ভগৱানে দেখা নাপায় সিইতক চাই আছোঁ মই। আকাশত

আলু, কচু একো নাই। আৰু এই কাদেৰটো, ইয়াতে এনেকৈ বহি থকাতকৈ বিললৈ গৈ দুটামান মাছ-পুঠিকে আনিব পাৰিলি হয়। নে আল্লা আৰু ভগৱানে দুয়োৰে ভাতমুঠিৰ ব্যৱস্থা অন্য ক'ৰবাত কৰি থৈছে!

ঃ তই থাকোঁতে আই অ' সোণজনী, আল্লা আৰু ভগৱানক কেলেই কষ্ট দিব খুজিছ? এই ওলালোঁ আমি। তোৰ শ্ৰীচৰণত পেলাই দিবলৈ গোটেই পৃথিৱীখনকেই লৈ আহিম আজি বাপেকে। তই মাথোঁ চকুৰ তলত জুই দিয়াৰ ব্যৱস্থা কৰ।

ঃ চকুৰ তলত নহয়, যদি পলম কৰ দুয়োৰে মুখতহে তাৰ ব্যৱস্থা কৰিম।

মেঘোই কাদেৰৰ পিঠিত থপৰিয়াই কয়।

ঃ ব'ল ব'ল, কি পাওঁ চাওঁ, নহ'লে বিপদ নিশ্চিত!

কাদেৰে বিড়ি এটা উলিয়াই আকৌ থৈ দিয়ে। মেঘোৰ ফালে চাই সোধে সি।

ঃ তোৰ তিৰোতাজনীয়ে সঁচা কথা কয়নে?

ঃ তাইৰ কথাবোৰ সঁচা। মইহে মিছা মাতোঁ।

ঃ মই বুজা নাই।

ঃ তই কেনেকৈ বুজিবি বেঙা, তাই তোৰ নহয়, মোৰহে তিৰোতা!

কিবাকিবি এসোপা লৈ মেঘো আৰু কাদেৰ উভতি আহে। সিহঁতৰ লগত আৰু এজনক দেখি মেঘোৰ তিৰোতাজনীৰ টিঙিচকৈ খঙ উঠে। মেঘোই আগতেই অনুমান কৰি আহিছিল কথাটো।

ঃ ৰ'বিচোন ৰ'বি, খঙ নকৰিবি। সি বদৰ। ৰমজানৰ পুতেক। ৰমজানক জান নহয়!

ঃ জানো দে সি কোন! তাক মই চিনি নাপামনে? একেখন গাঁৱৰে মানুহ!

ঃ চিনি পালে কি হ'ব, তাৰ কথাটো জানো জান? বৰ দুখ অ' তাৰ!

মেঘোই দুখ লগাকৈ বদৰৰ কথাটো কয়। তাই অকণ শান্ত হয়। বদৰলৈ তাইৰ মৰম উপজে। ভাতৰ পাতত বদৰকেই তাই সোধে।

ঃ লাজ নকৰিবি, কিবা লাগিবনে? নিজৰ বুলি ভাবিয়েই খা।

মেঘোই হাঁহি এটা মাৰি কাদেৰলৈ চাই কয়। তোৰ কাম নহ'ব কাদেৰ। তোৰ

বিড়িৰ বাকী বাকীতেই থাকিব। কাইলৈ দেখিবি আশীৰ্বাদ দিবলৈ আমিয়েই যাব লাগিব। তোৰ পাত কাটোতেই যাব।

: মই বুজা নাই মেঘো।

: বদৰৰ বিয়াৰ কথা কৈছোঁ।

: এইবাৰ কাৰ লগত?

: আমাৰ হেৰিৰ লগত ...।

মেঘোৰ তিৰোতাজনী জাঙুৰ খাই উঠে।

: তইঁত দুয়োটা মানুহ নহয় শগুণ হ'ব লাগিছিল। গেলা-পঁচাতহে তইঁতৰ চকু!

: তই ঠিকেই কৈছ, তোৰ ওপৰতেই আমাৰ চকু।

: বাঢ়নীৰ কোবৰ কথা পাহৰিলি হ'বলা!

ভোৰভোৰাই তাই ভিতৰলৈ সোমাই যায়। ভাত-পানী খাই মেঘো আৰু কাদেৰে চোতালতে পাটী এখন পাৰি দীঘল দিয়ে। অলপ দূৰতে মূঢ়া এটাত বহি কাদেৰে দোতৰাটো বজাবলৈ ধৰে।

দোতৰাৰ সুৰে সুৰে মেঘোৰ মনটো লাওপানীৰ বাগিৰে কুৰুকুৰীয়া বতাহ লাগি যেন উৰিবলৈ ধৰিলে। নিজকে কোৱালি সি ক'বলৈ ধৰিলে।

: কাদেৰ ভাই, টিভিৰি তুলা হ'লেও তাইক মই বেয়া নাপাওঁ। তাই ঘৰত নথকা সময়তহে মোৰ বেয়া লাগে। তাইক দেখিলেহে উশাহ-নিশাহটো চলি থকা যেন পাওঁ। আকৌ দেখিলেই জোকাওঁ। জোকালেই তাই গালি পাৰে। গালি-শপনিয়েই আমাৰ মাজৰ মৰম-চেনেহ! তেতিয়া মনটো কিবা পমি যোৱা যেন লাগে। ছোৱালীজনী হেৰুৱাৰ দুখটো তেনেকৈয়ে পাহৰি থাকোঁ। দেউতা, দেউতা বুলি তাই আমাক এৰি গুচি যাব লাগেনে? ভগৱানে কি চাই আছিল তেতিয়া? তাই জীয়াই থকা হ'লে কাৰ কি ক্ষতি হ'লহয়? মৰিব লগা কিমান মানুহ পৃথিৱীত জীয়াই আছে, ভগৱানৰ চকু তাইৰ ওপৰতহে পৰিব লাগেনে?

: আৰু নক'বি মেঘো, মোৰ এতিয়া কান্দিবৰ মন গৈছে। চাকিনাৰ কথা মনত পৰিছে!

: মনত পৰিছে যদি, খেদিছিলি কিয় তেতিয়া?

: মই খেদিম কিয়? তাইক মই অনাও নাছিলো।

ঃ অনা নাছিলি যদি তাই উবি আহি ইমান দিন তোৰ লগতেই থাকিল?

ঃ নাথাকি যাব ক'লৈ তাই! আমাৰ মাতব্বৰৰ পুতেকৰ চংভং দেখি তাই আহিছিল তাৰ লগত। আহিছে গম পালে তাই, তাৰ এজনী আছেই। তাৰ পিছত উখনা-উখনি। মাতব্বৰৰ পুতেকটোৱে আকৌ দুৱোকে উচটাই দিয়ে। এদিন ৰাতিপুৱাই মাছলৈ গলাই আহি শিলসী বিলৰ পাৰত দেখিলোঁ, চাকিনা!

ঃ চাকিনা, তই কি কৰিছ ইয়াত?

ঃ যি কৰিম বুলি ভাবিছোঁ, তোক নকওঁ। তই যা।

তাইৰ তেনে কথা শুনি মোৰ সন্দেহ হ'ল। তাইৰ কাষতেই বহিলোঁ। তাইক কিবা কোৱাৰ আগতেই তাই ক'লে।

ঃ তোক যাবলৈ কৈছোঁ নহয়?

ঃ মই কিয় যাব লাগে? মই কিবা তোক সুধি আহিছোঁ নেকি ইয়ালৈ?

মই শাঙিৰে মৰিব খোজোঁ। মাতব্বৰৰ পুতেকটোৰ হাতত মৰাতকৈ, মই নিজেই মৰোঁ। মই মৰিব খোজোঁ।

এই বুলি কৈ চাকিনাই কান্দিবলৈ ধৰিলে। তাইৰ বেজাৰতে মোৰো চকুপানী ওলাল। তাই মোৰ ডিঙিত ধৰি হাঁও-হাঁওকৈ কান্দিবলৈ ধৰিলে। ময়ো তাকেই কৰিলোঁ। কান্দি কান্দি তাইৰ চাগে' ভাগৰ ধৰিছিল। এটা সময়ত তাইৰ কান্দোন বন্ধ হ'ল। তাই মোৰ ফালে চাই সুধিলে।

ঃ তই মোক নিবিনে?

ঃ তই ক'লৈ যাব খুজিছ?

ঃ অঁকবাটো, মই তোৰ লগত যাব খুজিছোঁ, তোৰ ঘৰলৈ।

ঃ ব'ল তেনেহ'লে পলম নকৰিবি। মোৰ ভোক লাগিছে। কাইলৈৰ পৰা পেটত একো পৰা নাই।

মেঘো, প্ৰথমতে মই ভাবিছিলোঁ, চাকিনা ঘৰ খোৱা ছোৱালী বুলি। পিছতহে বুজিলোঁ, তাই কনবীয়া। মহিতেহে মোক ক'লে — অই ৰূপেৰ, তই নথকা সময়ত সেই বিদেশী বেপাৰীটোৰ স'তে চাকিনাৰ ইমান দহৰম মহৰম কিয়? টোপনি হেৰুৱাই তাইৰ কথা ভাবি থাকোঁতেই এদিন নোহোৱা হৈ গ'ল তাই। সেই বিদেশী বেপাৰীটোকো আৰু নেদেখিলোঁ! পিছলৈ তাইক ভাল পাইছিলোঁ যিমান, বেজাৰো পালোঁ সিমান।

প্ৰথমতে কষ্ট হৈছিল দুদিনমান। বাস্তি সপোনত চাকিনা, চাকিনা বুলি চিঞৰিছিলোঁ দুদিনমান। আকৌ নাভাবো নাভাবো বুলি ভাব হৈছিল, তাই আহিব। চেষ্টা কৰিলেও সকলো কথা পাহৰিব নোৱাৰি মেঘো।

: তাই যদি আহে তই ৰাখিবি নে তাইক?

: তোৰ আগত আৰু কি মিছা কথা ক'ম? যেতিয়াই আহে তাই, মোৰ দুৱাৰ খোলা থাকিব সদায়।

: চাবি, বাস্তি আকৌ চোৰ সোমাই তহিলং কৰিব সকলো।

: ঘৰখনতনো আৰু থাকিল কি তহিলং কৰিবলৈ। কেতিয়াবা যদি আল্লাক লগ পাওঁ সুধিম, জীৱনত বিবোৰ মানুহে অকণমান সুখৰ বাহিৰে আৰু একো বিচৰা নাই, সেই মানুহবোৰক তুমি ইমান দুখ কিয় দিয়া?

: যদি উত্তৰ দিয়ে জনাবি। ভগৱানক মোৰো সুধিবলগীয়া আছে বহু কথা।

: জনাম দে। কিন্তু মোৰ বোধেৰে সি উত্তৰ নিদিব। কিবা দৰকাৰী কাম থকা বুলি ৰমজান মোল্লাৰ ঘৰলৈ গৈ আতৰ লগাই তাতেই বহি থাকিব, আমাৰ বৰ ভাই চাই।

: তেনেহ'লে ভগৱানক সুধিও একো লাভ নহ'ব। সিও সেই মহলদাৰৰ ঘৰলৈ গৈ ম'হৰ গাখীৰৰ দৈ বন্ধা দি তাতেই সোমাই থাকিব একো নজনাৰ ভাও ধৰি। আচলতে কাদেৰ, তই যদি মোক নাচাৱ, মই যদি তোক নাচাওঁ, আমাক চাবলৈ কোনো নাই। অই কাদেৰ, বদৰে বাৰু সেই ছোৱালীজনীক বৰ ভাল পাইছিল নেকি?

: অ, সি প্ৰায়েই তাইৰ কথা মোক কৈছিল। তাৰ দোতৰা আৰু গানৰ প্ৰশংসো কৰি তাই হেনো তাক কৈছিল। আল্লাই তোৰ হাত আৰু কণ্ঠত যাদু দিছে বদৰ।

: তেনেহ'লে সেই আল্লাই সিহঁত দুয়োকে এক কৰি নিদিলে কিয়?

: ৰমজানৰ কথা মনত নাই, সকলো আল্লাৰ ইচ্ছা।

: তোৰ আল্লাৰ ইচ্ছা আৰু মোৰ ভগৱানৰ ইচ্ছা যদি আমাৰ ইচ্ছাৰ সপক্ষে নহয়, আমিনো কি লৈ জীয়াই থাকিম। অই কাদেৰ ... কাদেৰ ...।

কাদেৰ টোপনিত। সি চাগে' মনে মনে চাকিনাৰ সপোন দেখিছে। কথাটো ভাবি মেঘোৰ মুখখন উজলি উঠিল। সি বদৰলৈ চালে। বদৰে একমনে দোতৰা বজাই আছে। বদৰৰ কথাও ভাবিলে মেঘোই। বদৰে বাৰু থকা দিনকেইটা কেনেকৈ জীয়াই থাকিব! সি আৰু ভাবিব নোৱাৰিলে। বদৰৰ দোতৰাৰ সুৰে সুৰে মেঘোৰ দুচকুলৈও

টোপনি নামি আহিল। সঁচাকৈয়ে বদৰৰ হাতত যাদু আছে! তাৰ কণ্ঠত যাদু আছে!

আবেলিৰ হেঙুলীয়া বেলিটো গছৰ পাতৰ মাজেৰে আহি মেম্বোৰ মুখতেই ক্ষন্তেক জিৰাইছে যেন! সি চোতালতে বহি বাঁহৰ দৈ সাজি আছিল। এনেতে কাদেৰ সোমাই আহে। সি আহিয়েই ঘৰৰ বেৰত আওজাই থোৱা পীৰাখন লৈ আহি মেম্বোৰ কাষতে বহি জেপৰ পৰা বিড়িমুঠা উলিয়াই এটা মেম্বোলৈ আগবঢ়াই নিজেও এটা মুখত লয়। তাৰ পিছত দিয়াশলাইটো উলিয়াই মেম্বোৰ বিড়িডাল জ্বলাই কাদেৰে নিজৰ বিড়িডালো জ্বলায়। বিড়িডালত দীঘলকৈ টান এটা মাৰি এমোকোৰা ধোঁৱা উলিয়াই কাদেৰে মেম্বোক সোধে।

ঃ অই মেম্বো, তই বাৰু বন্দুক চলাবলৈ শিকিলি ক'ত?

ঃ আমাৰ গাওঁবুঢ়া জীয়াই থাকোঁতেই মোৰ হাত ঠিক কৰি লৈছিলোঁ। তাৰ পিছত পালোঁ কৰবেটক।

ঃ কৰবেট! এইটো আকৌ কোন?

ঃ কৰবেট আছিল এটা মস্ত বাঘ চিকাৰী। মই যাক কৰবেট বোলোঁ, তেওঁ [illegible] তাৰ। সি হ'ল প্ৰতাপ চৌধুৰী। তাৰ মুখতেই মই কৰবেটৰ কথা শুনিছিলোঁ। এতিয়া প্ৰতাপ চৌধুৰীয়েই হ'ল কৰবেট। সাংঘাতিক চিকাৰী। চহৰৰ সকলোৰে মুখে মুখে তাৰ বাঘ নিধনৰ কাহিনী। পুৰণি মেড ইন ইংলেণ্ড হাম্বাৰ চাইকেলখনত বন্দুকটো বান্ধি সি হেনো বাঘৰ দৰেই দণ্ডদণ্ডাই ঘূৰি ফুৰিছিল। প্ৰথমতে তাৰ কথাবোৰ আমাৰ দেবুৰ মুখতেই শুনিছিলোঁ। দেবুহঁত আগতে ইয়াতেই আছিল। ইয়াতেই ডাঙৰ হৈছিল। পিছলৈ বানপানীৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি বাঘবৰ এৰি চহৰলৈ গুচি গ'ল। কিন্তু ককাক আৰু আইতাক 'জন্মিছোঁ য'ত তাতেই মৰিম' বুলি বাঘবৰ এৰি যোৱা নাছিল। দেবুই মাজে মাজে দুয়োৰে খবৰ ল'বলৈ আহিছিল। চহৰত দেবুহঁতৰ ঘৰৰ কাষতেই আছিল কৰবেটৰ ঘৰ। দেবুৰ লগত এদিন কৰবেট আহি মোৰ ঘৰত হাজিৰ। মোৰ লগত চিকাৰলৈ যাব। আগতে আমাৰ গাওঁবুঢ়াৰ লগত প্ৰায়েই মই চিকাৰলৈ গৈছিলোঁ। গাওঁবুঢ়াৰ বন্দুকটো মোৰ নিজৰ বন্দুক যেনেই আছিল। মই এখন নাও যোগাৰ কৰি সাজু কৰি লৈ কৰবেটৰ স'তে চিকাৰলৈ ওলালোঁ। পাহাৰৰ দাঁতিয়ে দাঁতিয়ে আমাৰ নাও আগবাঢ়িল। এনেতে দেখিলোঁ দুটা নোদোকা বাঘৰ পোৱালি, ডাঙৰ শিল এটাৰ ওপৰত থিয় হৈ ৰ লাগি চাই আছে পানীৰ ফালে। কৰবেটে ক'লে — সেই পোৱালি দুটা ধৰোঁ মেম্বো!

ঃ পোৱালি দুটা ধৰিলে সৰ্বনাশ হ'ব চাহাব। মাকজনী নিশ্চয় ওচৰে-পাঁজৰে আছে ক'ৰবাত।

ঃ প্ৰতাপ চৌধুৰী অহা বুলি শুনি তাই নিশ্চয় পলাইছে।

ঃ তোৰ কথা সঁচা হ'লে ভালেই, নহ'লে সাজু থাকিবি। কথাষাৰ কৈ শেষ কৰিব পৰাই নাই, আহিল নহয় বাঘিনীজনী হাঁও-হাঁওকৈ খেদি। কৰবেট বপুৰাই সাবটি ধৰিলে মোক কঁপি কঁপি। কোনোমতে কৰবেটৰ হাতৰ পৰা বন্দুকটো টান মাৰি আনি গুলী এৰিলোঁ। বাঘিনীজনী অকণমান আগবাঢ়ি পোৱালি দুটাৰ কাষতে থমকি ৰ'ল। পোৱালি দুটা জঁপিয়াই জঁপিয়াই অন্তৰ্ধান হ'ল। কৰবেটৰ কঁপনি মাৰ যোৱা নাছিল তেতিয়াও। মই চিঞৰি চিঞৰি ক'লোঁ — কৰবেট চাহাব! চকু মেলি চা, চিকাৰ বৈ আছে। কৰবেটে ততাতৈয়াকৈ মোৰ হাতৰ পৰা বন্দুকটো লৈ বাঘিনীজনীৰ ফালে টোঁৱালে। মই হাঁহিবলৈ ধৰিলোঁ। হাঁহি হাঁহি ক'লোঁ — অই কৰবেট, কি কৰ? তই মৰাকেই আকৌ মাৰিবি নেকি? মাই নাই যেনো তাই মৰা নাই। কৰবেটে চিঞৰি উঠিল বিতত হৈ। তাৰ কপালত আমৰ টোপাল। ত্ৰিগাৰত তাৰ হাত কঁপি আছে। গুৰুমকৈ এটা শব্দ হ'ল। গুলী লাগিলগৈ তোৰ পাজুকত। মাজুই তৰ্কিলাই নোৱাৰিলে। নাৱৰ পৰা কেনেকৈ কৰবেট ছিটিকি পৰিল পানীত। যেনেবাই কলকলাবলৈ ধৰিলে তাতেই। মই আৰু মাজুই কোনোমতে টানি তুলিলোঁ তাক। তাক সুধিলোঁ — তই সাঁতুৰিব নাজান নেকি? সি ক'লে — জানোঁ। জান যদি তললৈ গৈ আছিলি যে। মই সুধিলোঁ। সি ক'লে — আচলতে বাঘিনীজনীক দেখি মই সকলো পাহৰি গৈছিলোঁ। মনে মনে ভাবিলোঁ মই, এই সময়ত চহৰৰ মানুহে কৰবেটক দেখা হ'লে। দেখু আহিলে কেতিয়াবা তাকেই ক'ব লাগিব কথাটো, তেতিয়াহে আধৰুৱা হৈ থকা হাঁহিটো সম্পূৰ্ণ হ'ব।

ঃ বঢ়া কথাত কৰবেট তাৰমানে খাঁটি ধনঞ্জয়!

কাদেৰে মাজতে মাত দিয়ে।

ঃ অ খাঁটি কৰবেট। দেখুই কৈছিল — বৰৰৰ কাকতত হেনো মৰা বাঘৰ স'তে তাৰ ফটো ওলায়!

ঃ জিন্দা বাঘৰ স'তে নোলায় কিয়?

ঃ জিন্দা বাঘ মানে মৃত কৰবেট। তেনে এখন ফট' তুলিব কোনে অ'? চাওঁ এপাট দে ...! নে বিড়িৰ মুঠাটো ঘৰতে নিম বুলি আনিছ?

ঃ নিবলৈ অনা নাই, ল। থকাখিনি তোৰেই।

ঃ তাৰ মানে মোৰ তিৰোতাজনীক যি দেখিছোঁ তই নিহে এৰিবি!

ঃ মই কিবা তাইক নাকী লগাই থৈছোঁ নেকি?

ঃ চালা ইমানদিনে ময়েই নাকী লগাব নোৱাৰিলোঁ!

ঃ অই মেঘো তাইৰ পৰ্ব এৰ। এতিয়া কৰবেটৰ পৰ্ব।

ঃ ৰচোন ৰ, বিড়িটো শান্তিত টানিবলৈ দে। মই অলপ ভাবোঁ কথাবোৰ!

বিড়িটোত দীঘলকৈ টান এটা মাৰি এমোকোৰা ধোঁৱা উলিয়াই দিয়ে মেঘোই।

ঃ মাজে মাজে এনেকৈ কৰবেট আহিবলৈ ধৰিলে। সি আহে। মোৰ হাতত টকাকেইটামান গুজি দি কয় — বা লৈ আহ কিবা। মই লৈ আহোঁ। সেই চ'কটোত থকা বঙালী কাৰিকৰটো। ধুনীয়া ৰসগোল্লা বনায় যে, নিতাই নিতাই, কেতিয়াবা জোৰ কৰিলে ৰাতি গাহৰিৰ মাংসও ৰান্ধি দিয়ে সি ...। সি যি ৰান্ধে সেয়াই হৈ পৰে অমৃত। আহোঁতে তাকো লৈ আহোঁ কেতিয়াবা। তিনিও বহি খাওঁ। লাউপানী আৰু গাহৰি খাই সকলো যাওঁ পাহৰি। তাৰ পিছত তিনিওটাই বহি তৰা গণিবলৈ ধৰোঁ।

ঃ অই কৰবেট তই কিমানটা গণিলি?

ঃ তিনিশটা। মানে আকৌ গণিব লাগিব। আচলতে মই কিজানি এটা তৰাকেই দুই/চাৰিবাৰকৈ গণ্তি কৰিছোঁ। নহ'লেতো কেতিয়াবাই গণনা শেষ হৈ যাব লাগিছিল। মেঘো, তই কেইটা গণিলি?

ঃ মই এটাও গণিব পৰা নাই।

ঃ কিয়?

ঃ সিহঁতে কিবা নিজৰ ঠাইত থকা নাই যেন লাগিছে!

ঃ ধেৎ তোৰ নিচা হৈছে। নিতাই, তই গণিছ নে নাই?

ঃ ভালকৈ গণিব পৰা নাই। তৰাবোৰ কিবা তল-ওপৰ কৰি থকা যেন লাগিছে। তাতে মোৰ চশমাযোৰো অনা নাই।

ঃ তৰাবোৰ কিবা ৰসগোল্লা নেকি, চেনিৰ ৰসত ডুবি এবাৰ ওপৰলৈ উঠিব আৰু এবাৰ তললৈ নামিব!

ঃ জানো, তৰাবোৰৰ নিচা হৈছে নেকি!

ৰাতিপুৱা বাৰ্তীডালৰ শব্দ শুনি মেঘোই লাহেকৈ চকু মেলি চায়। কৰবেট আৰু নিতাই তেনেকৈয়ে শুই আছে। মেঘোৰ তিৰোতাজনীয়ে বাৰ্তীডাল হাতত লৈ মেঘোৰ কাষলৈ চাই কয়।

: ৰাতিটো তৰা গণ্ডি কৰিয়েই কটালি। এতিয়া গছৰ পাতকে গণ্ডি কৰ। নহ'লে শিলসী বিহুৰ কিমান মাছ আছে তাকেই হিচাপ ল।

মেঘোই একো নামাতিলে। খপৰাই উঠি ভোটএৰাৰ ঠাৰি এটা ভাঙি দাঁতকেইটা ঘঁহি ঘঁহি কৰবেট আৰু নিতাইক জগালে। নিতাই উঠিয়েই বেলিটোলৈ চাই দৌৰ মাৰিলে। কৰবেটেও খপজপাই বন্দুকটো লৈ দৌৰ মাৰিলে। চাইকেলখনত বন্দুকটো বান্ধি মেঘোক ক'লে — মৰো যাওঁ, কালৰাতি মোৰ ভাতৰ সকাম এটা আছে। পাৰিলে অহা শনিবাৰলৈ আহিম। এইবুলি কৈ চাইকেলৰ পেডেলত এখন ভৰি দি অকণমান গৈ চিটটোত বহিছিলহে মাথোঁ, এনেতে বৰ বোন্দা এটাই চিএৰ মাৰি তাৰ সমুখেৰে পাৰ হৈ গৈ অথন্তৰ লগালে। কৰবেট বাগৰি পৰিল চাইকেলৰ স তে উখা-মুখাকৈ। মেঘো দৌৰি গ'ল কৰবেটৰ কাষলৈ।

: দেখিলি মেকুৰী, আৰু জাঁপিয়াই উঠিলি বাঘ বুলি?

: মেকুৰী নহয় মেঘো, সেইটো মেকুৰী নহয়, সেইটো বাঘ, বাঘৰ পোৱালি। মই স্পষ্ট দেখিছোঁ।

: তেনেহ'লে সাৱধান। পোৱালি যদি মাকজনীও নিশ্চয় ওচৰে-পাঁজৰে আছে। আৰু তাই যদি ভাবে তাইৰ পোৱালিৰ কিবা বিপদ হোৱাৰ সম্ভাৱনা আছে, লগে লগে উগ্ৰ মূৰ্ত্তি ধাৰণ কৰি জাঁপিয়াই পৰিব। মনত ৰাখিব লাগে তোৰ। কৰবেটে চাইকেলখন লৈ উভতি আহি আকৌ মেঘোৰ চোতালতে বয়। তাৰ পিছত বগতোক্তি কৰাৰ দৰে কয়।

: যাত্ৰাৰ সময়টো ভাল হোৱা নাই আৰু মই ভাবিছোঁ, সেইটো বাঘৰ পোৱালি নহৈ যদি তই কোৱাৰ দৰে মেকুৰী হয়, সেয়াও ভাল কথা নহয়। মেকুৰী দেখিলে ৰ'ব লাগে। নহ'লে অমঙ্গল হয়।

: মেকুৰী দেখিলে ৰ'বি, বাঘ দেখিলে পলাবি। তই চাহাবটো হ'লি কিহৰ?

এইবুলি কৈ মেঘোই হাঁহিবলৈ ধৰিলে। মেঘোৰ হাঁহিয়ে কৰবেটক তেনেই হতাশ কৰিলে।

কৰবেট যোৱাৰ পিছত মেঘোৰ তিৰোতাজনীয়ে মেঘোৰ কাষত আহি থিয় হয়। মেঘোক সোধে।

ঃ মৰাটো গ'লনে?

ঃ কেলেই তয়ো গ'লি হয় নেকি তাৰ লগতেই?

ঃ মই কিয় যাম? তইহে তাৰ লিটিকাই। যাব লাগিছিল তাৰ চাইকেলত উঠি।

ঃ কিয় যাম? মই থকা কাৰণে তোৰ কিবা অসুবিধা হৈছে নেকি?

ঃ মোৰ সুবিধা-অসুবিধাৰ কথা তই কেতিয়াবা ভাব নেকি? চালা গাহৰি, সেইটোক ইয়াতে এৰি থৈ তই ক'ত মৰিবলৈ যাব? আৰু সিনো ইয়ালৈ মৰিবলৈ কিয় আহে?

ঃ সি আহে চিকাৰ কৰিবলৈ।

ঃ চোতালত বহি বহি সি কি চিকাৰ কৰিবলৈ আহে অ'? কেতিয়াবা বাপেকে মৰেই তাক ...

ঃ সিনো কি কৰিলে তোৰ?

ঃ আজি নকৰিলে বুলি কালিও নকৰিব, এনে কিবা কথা আছে নেকি?

ঃ কচোন কথাটো কি!

ঃ ক'বলৈ কিটো আছে। চোতালত বহি সেইপাটে মোৰ ফালে চাই থাকিব। কোনো কাৰণ নোহোৱাকৈ হাঁহিব। আৰু এদিন তই তেতিয়া নাছিলি, ঘৰৰ ভিতৰলৈ সোমাই আহি মোক কয় — ঘৰলৈ গ'লেও তোৰ কথাই মোৰ মনত পৰি থাকে। তোৰ কিবা যাদু আছে। তোক মই ভাল পাওঁ। তাৰ তেনে কথা শুনি মই ক'লোঁ — উৰা, মোৰ মৰদটোৱে মোক ভাল নাপায় আৰু তই লোকৰ মৰদটো হৈ মোক কিয় ভাল পাবি!

ঃ তই সঁচাকৈয়ে তেনেকৈয়ে ক'লিনে তাক?

ঃ মই মিছা কথা ক'ম কিয়?

ঃ সি ধেমালিহে কৰিছিল। সি কিবা নেজানে নেকি তই মোৰ তিৰোতা বুলি!

ঃ কেলেই নাজানিব! তোৰ সকলো কথা ভালকৈ জানিছে বাবেই সি ইমান সাহস কৰিছে!

ঃ কবৰেটৰ সাহস! বাঘৰ মাত শুনিলেই তাৰ মুতা ওলায়। তাৰ আকৌ সাহস?

মেঘোই হাঁহিত বাগৰি পৰে।

ঃ তই হাঁহি থাক। যেতিয়া অঘটন ঘটিব, কাদেৰক মাতি আনি বটল এটা আগত লৈ কান্দি থাকিবি, গোটেই জীৱনটো কান্দি থাকিবি।

তাই উঁচাট মাৰি ওলাই যায়।

মেঘোই নভবা কথাবোৰ ভাবিবলৈ ধৰিলে। তেনে কৰিলে তাৰ কষ্ট হয়। তাৰ হয়, সি যেন সি নহয়। অইন কোনোবাহে। দুখ-কষ্টই তাক টলাব নোৱাৰে। সেইবোৰেই তাৰ জীৱন। সাধাৰণভাৱে জীয়াই থাকিবলৈ যেনে অনুভূতিৰ দৰকাৰ তাতকৈ বেছিকৈ প্ৰকাশ কৰাৰ কথা সি ভাবিবই নোৱাৰে। আনকি তাৰ মানুহজনীকো কেতিয়া নাই সি কেতিয়াও তেনে কথা! ইমান বছৰ একেলগে থকাৰ পিছতো তাইয়ো চাগে' নিশ্চিত নহয় আচলতে মেঘোই তাইক ভাল পায় নে নেপায়! তাৰ অনুভূতি য়ে কিন্তু তাক কয় - তাইৰ এখন্তেক নেদেখিলে, তাইক জোকাই দুটামান গালি নোখোৱালেকে, ঐশীহী ভাত খালেও তাৰ পেট নভৰে। কিন্তু সেই কথা তাইক কেতিয়া নাই সি কেতিয়াও। কাদেৰকো তাৰ ভাল লাগে। নিতায়ো ভাল। বদৰৰ বাবেও তাৰ দুখ হয়। মহলদাৰলৈ খং উঠে। মোল্লাটোক মাৰিবলৈ মন যায়। আৰু মাতব্বৰক দেখিলে থাপৰ এটা মাৰিবৰ মন যায়। সিহঁতৰ মুখৰ বাটত ইহঁত হেজাৰ হ'ব লাগেনে? আৰু এই কবৰেটটো ...! প্ৰথমতে আহি বাঘৰ কথা কৈছিল। বাঘৰ পিছত গাহৰি। এতিয়া তাৰ মুখত মেকুৰীৰ কথা। সি বাঘ, গাহৰি নে মেকুৰী। সি এটা মেকুৰী! চোৰৰ দৰে লোকৰ পাতত থকা মাছৰ টুকুৰাটোলৈ চকু দি বৈ আছে। অহা শনিবাৰে যদি আহে, কোন বেছি ভয়ংকৰ, বাঘ নে মেঘো গম পাব সি।

দুপৰীয়াৰ পৰা বতৰটো গোমা হৈ আছিল। এনেতে কাদেৰে আহি মেঘোক মাতিলে।

ঃ অই মেঘো, ব'ল শহাপহু মাৰিবলৈ যাওঁ। আজি শনিবাৰ। সিহঁতৰ জ্বৰ উঠিব।

ঃ জ্বৰ মোৰহে উঠিছে। আজি শনিবাৰ হয়নে?

ঃ কিয় নহয়? যোৱাকালি মই শুকুৰবাৰৰ নামাজ পঢ়িছোঁ।

ঃ বাঃ তই নামাজ পঢ়?

ঃ পঢ়োঁ মাজে মাজে। দুই এজনক তাতে লগ পাওঁ। কথা পাতোঁ, মনটো ভাল লাগে। আন্নাৰ লগততো আৰু কথা পাতিব নোৱাৰি।

ঃ তই দেখোন মোৰ লগতো ভালকৈ কথা নাপাত।

তিতা কাপোৰ এখন মেলি দিবলৈ আহোঁতে কাদেৰৰ কথা শুনি মেঘোৰ তিৰোতাজনীয়ে হাঁহি এটা মাৰি কয়। কাদেৰে মুখটো খজুৱাবলৈ ধৰে। তাই ঘৰৰ ভিতৰলৈ সোমাই যাওঁতে চিঞৰি কৈ যায়।

ঃ চাহ বনাইছোঁ, খাই যাবি।

আবেলি আকাশখন আৰু ক'লা পৰি আহিল। বাহিৰত মেলি থোৱা খৰিকেইচলা নি গোহালি ঘৰৰ ভিতৰত সোমোৱাই থাকোঁতেই চাইকেলৰ টিলিঙাটো শুনি মেঘোই গম পালে — মৰিবলৈ আহিল কৰবেটটো। গোহালি ঘৰৰ বেৰত গুজি থোৱা দাখনলৈ হঠাতে তাৰ চকু গ'ল। এনেতে কুকুৰা এটাই কককৰাই উঠিল। কুকুৰাৰ গঁৰালটোৰ ফালে চালে সি। দুৱাৰ বন্ধ। সাপ সোমাইছে নেকি! গঁৰালৰ দুৱাৰখন খুলি ভালকৈ চালে সি। কুকুৰাকেইটাই শান্ত হৈ বহি আছে।

ঃ তোৰ কুকুৰাৰ নহয়, এইটোৰহে চিঞৰ-বাখৰ!

হাতত মস্ত কুকুৰা এটা লৈ কৰবেট চোতাল পালেহি। হাঁহি হাঁহি ক'লে সি।

ঃ কুকুৰা দেখোন আছিলেই। এইটোনো আনিলি কিয়?

ঃ এহ ঘৰৰ কুকুৰা যেতিয়াই তেতিয়াই খাব পাৰি। এইটো মোৰ কাৰণে একেবাৰে বনৰীয়া। হাটলৈ যোৱাৰ আগতেই বাটতে তাক ধৰিলোঁ। চাচোন কেনেকৈ তেল বান্ধিছে! খাবলৈ সোৱাদ হ'ব। হেৰি ..., মেঘো তই এটা কাম কৰ ...। এই টকাকেইটা ল আৰু একেবাৰে খাটি মাল লৈ আহিবি।

ঃ কেলেই আগৰ বাৰৰ মালটো বেয়া আছিল নেকি?

ঃ নাছিল, কিন্তু আৰু ভাল হ'লে কি বেয়া হয়?

মেঘোই একো নকৈ তাতেই থিয় হৈ থাকিল। কৰবেটে অস্থিৰ হৈ তাক ক'লে।

ঃ তই যে গুলী খোৱা বাঘটোৰ দৰে একে ঠাইতেই থাকিলি!

ঃ আচলতে কাদেৰ আৰু মই এঠাইলৈ যোৱাৰ কথা আছিল।

ঃ সি আছিলে পঠিয়াই দিম বা মই।

ঃ সি ইয়াতেই আছে।

ঃ ইয়াতেই আছে? সিনো কি কৰি আছে ইয়াত? তাক লৈ যা।

মেম্বোই মোনা এখন লৈ ওলাই যায় মনে মনে। পিছে পিছে কাদেৰ।

কৰবেটে চাইকেলত বান্ধি অনা বন্দুকটো খুলি লৈ আহি চোতালত থকা মূঢ়াটোতে বহে। দুনলীয়া বন্দুকটো দাঙি বেবেলৰ ফুটাটোৰে ইফালে সিফালে চায়। অলপ দূৰত মেম্বোৰ তিৰোতাজনীক দেখি সি থমকি ৰয়। তাই কিবা কৰি আছিল। কৰবেটে তাইৰ পিনে তেনেকৈ বন্দুকটো টোঁৱাই থকা দেখি উচপ খাই উঠি লাজতে ৰঙা পৰি যায়। তাৰ পিছত বুকুৰ ওপৰলৈকে মেখেলাখন টানি লয় ভালকৈ তাই, আৰু ঘৰৰ ভিতৰলৈ সোমাই যায়।

কৰবেটে তাইৰ কথাকেই ভাবি আছিল। তাই বাৰু জানেনে তাই যে ইমান ধুনীয়া। তাইৰ যে আটিল এটা শৰীৰ আছে। সেই শৰীৰটোৰ যে এটা আবেদন আছে। এই আবেদনত সি কেনেকৈ গুলী খোৱা বাঘটোৰ দৰে চটফটাই থাকে, তাই জানেনে? ইমান দূৰ বাট চাইকেল মাৰি আহোঁতে সি যে তাইৰ কথাকেই ভাবি ভাবি কিবা এক ইন্ধন পায়, তাই জানেনে? কৰবেটে বেবেলটোৰে চাই তাইক নেদেখি হতাশ হয়।

ঃ কি হ'ল, তই হ'বলা আজি ইয়াতেই চিকাৰ কৰিবি?

হঠাতে তাইৰ মাত শুনি কৰবেটে উচপ খাই উঠে। পিছলৈ ঘূৰি চায়। তাইৰ সৈতে সহজ হ'বলৈ চেষ্টা কৰে সি। হাঁহি এটা মাৰি কয়।

ঃ জানো, মেম্বোৰহে কথা! সি বা কি কৰে?

ঃ মৰাটো গ'ল কলৈ?

ঃ তাক মৰেই পঠিয়াইছোঁ।

ঃ আৰু কাদেৰ?

ঃ দুয়ো একেলগে ওলাই গৈছে।

তাইৰ মুখখন ক'লা পৰি যায়। কিবা কাম থকা বুলি তৰাতৰিকৈ তাই ভিতৰলৈ সোমাই যায়।

কৰবেটে জেপৰ পৰা গুলী দুটা উলিয়াই বন্দুকটোত ভৰাই লক কৰি থয় বন্দুকটো। তাৰ পিছত উঠি গৈ ঘৰৰ বাহিৰৰ বেৰখনতেই আওজাই থয় সেইটো। তেনেতে

শুকমকৈ এটা শব্দ হয়। উচপ খাই উঠি কৰবেটে আকাশলৈ চায়। ক'লা পৰি থকা আকাশখনে বিজুলীয়াইছে। বিজুলীৰ পোহৰেও কৰবেটৰ মুখখন উজলাব নোৱাৰিলে। বৰষুণৰ টোপাল দুই এটা নামিবলৈ ধৰে। কৰবেটে দুৱাৰখন ঠেলি ভিতৰলৈ সোমাই যায়।

কৰবেটক দেখি তাই সচকিত হৈ উঠে।

ঃ তই ভিতৰলৈ সোমাই আহিলি কিয়? ঘৰত অকলে আছোঁ মই!

ঃ বৰষুণ! কৰবেটৰ মুখত অস্ফুট শব্দ।

ঃ বৰষুণ এতিয়াও দিয়া নাই। আকাশখনহে ক'লা পৰিছে।

ঃ তেনেহ'লে বৰষুণ দিবলৈ আৰুনো কিমান সময়? আচলতে তোক এটা কথা কওঁ কওঁ বুলি ক'বলৈ সুবিধা পোৱা নাই।

ঃ ময়ো ভাবি আছোঁ, তোৰ মুখত মই ভাবি থকা কথাটো কেতিয়া শুনিম বুলি।

কৰবেট উৎসাহিত হৈ উঠে।

ঃ সঁচাই কৈছনে তই?

ঃ সঁচা, বাপৰ শপত!

কৰবেটৰ মুখত হাঁহি এটা বিয়পি পৰে।

ঃ তই সঁচাকৈ ধুনীয়া। আমাৰ চহৰৰ তিৰোতাবোৰ, গালে-মুখে কিবা এসোপা সানিলেও ইমান সুন্দৰী নহয়। তই কিন্তু সঁচাকৈয়ে একেবাৰে পকা তুলতুল বিলাহীটো যেন!

লাজতে মেঘোৰ তিৰোতাজনী ৰঙা পৰি একেবাৰে পকা বিলাহীটো যেন হৈ পৰে। কৰবেটে উৎসাহেৰে জেপৰ পৰা সৰু ৰঙা টেমা এটা উলিয়াই সাঁফৰখন খোলে। টেমাটোৰ ভিতৰত নীলা ভেলভেটৰ ওপৰত এযোৰ কাণফুলী! বাখৰবোৰ তিৰবিৰাই আছে। কৰবেটৰ চকুতো তাৰ তিৰবিৰণি!

ঃ তোৰ কাৰণে আনিছোঁ।

ঃ মোৰ কাৰণে ...! তাই উৎকণ্ঠিত হয়।

ঃ নহ'লে কি মেঘোৰ কাৰণে আনিছোঁ বুলি ভাবিছ নেকি?

ঃ সি দেখিলে ভাল পালে হয়।

ঃ সি ভাল পালে কি হ'ব, মই তোৰ কাষণেহে আহোঁ।

ঃ তেনেহ'লে বাঘ, বন্দুক ...।

ঃ গুলী মাৰ সেইবোৰ। তইহে মোৰ কেন্দ্রবিন্দু।

ঃ সঁচানে? মন্ত্রমুগ্ধ হোৱাৰ দৰে তাই সোধে।

ঃ অ, তোক কেনেকৈ প্রমাণ দিওঁ মই?

ঃ প্রমাণ, তই দিব নালাগে মরেই দিওঁ।

এই বুলি প্রচণ্ড জোৰেৰে চৰ এটা মাৰে কৰবেটৰ গালত।

কৰবেটে ভাবিবই নোৱাৰিলে, কেনেকৈ কি হ'ল? গুকম গুকমকৈ আকাশখনেও হিলৈ মাৰিলে। বজ্রপাত পৰা মানুহৰ দৰেই কৰবেট থিয় হৈ থাকিল। তাৰ পিছত গুলি খোৱা বাঘৰ দৰে গুজৰি-গুমৰি উঠিল যেন। তাৰ পুৰুষত্বৰ প্রতি প্র ত্যাহ্বান গ্রহণ কৰি তাইৰ ওপৰত জঁপিয়াই পৰিল। তেনে এটা উদ্যোগেই সি ল'ব বুলি তাই আগৰে পৰাই প্রস্তুত হৈ আছিল। তাক প্রচণ্ড জোৰেৰে ঠেলা এটা মাৰে। দুৱাৰখন খোল খাই সি বাৰাণ্ডাত ছিটিকি পৰে। কোনোমতে উঠি কৰবেটে বন্দুকটো বিচাৰে। বন্দুকটো নেদেখি সি হতাশ হৈ পৰে। ইফালে-সিফালে চায় সি। অলপ দূৰত মেঘো আৰু কাদেৰ। মেঘোৰ হাতত বন্দুকটো। মেঘোই বন্দুকটো কৰবেটৰ ফালে টোঁৱাই কাদেৰক কিবা কয়।

গুকমকৈ এটা শব্দ হয়।

দুহাতেৰে কৰবেটে বুকুখন হেঁচা মাৰি ধৰে। কিছুসময়ৰ কাৰণে সি নিশ্চল মূর্তি এটাৰ দৰেই থিয় হৈ থাকি তাতেই লাহে লাহে বাগৰি পৰে। তেনেতে মেঘো আৰু কাদেৰৰ হাঁহিটো কৰবেটৰ বুকুলৈ আকৌ যেন গুলী হৈ সোমাই আহে। সি অনুমান কৰিলে, মেঘো আৰু কাদেৰ তাৰ ফালে আগুৱাই আহিছে। মেঘোৰ হাতত তাৰ দুনলীয়া বন্দুকটো ..., আৰু এটা গুলী আছে তাতে!

ঃ গুলীটো মাৰিলোঁ শূন্যত, আৰু তই বাগৰি পৰিলি মাটিত।

মেঘোই হাঁহি হাঁহি কয় কৰবেটক।

কৰবেটে লাহে লাহে চকু মেলি উঠি বহে। তাৰ গাত তেজৰ দাগ বিচাৰিবলৈ ধৰে। কাদেৰে তালৈ চাই কয়।

ঃ মৰিবলৈ ভয় নাইনে তোৰ? জীৱনৰ প্ৰতি দৰদ নাইনে তোৰ?

কৰবেটে একো নকয়।

কাদেৰ আহি তাৰ কাষতে থিয় হয়। ঘৃণাৰে তালৈ চাই কয়।

ঃ অই তই মানুহ নে জন্তু? একেলগে থাকিও তই এনে এটা কথা ভাবিলি কেনেকৈ? তোক আমাৰেই এজন বুলি ভাবিছিলোঁ আৰু তই ...। তোৰ নিজৰ সুখৰ কথাহে ভাবিলি? আমাৰ দুখৰ সমভাগী হ'ব নোৱাৰিলি। মেঘো, বন্দুকৰ কুন্দাৰে ইয়াৰ মূৰটো দুফাল কৰি দে — চাওঁ চয়তানৰ মূৰৰ ভিতৰত কি থাকে!

ঃ চয়তানৰ মূৰৰ ভিতৰত আৰু কি থাকিব, নৰক!

তাৰ পিছত কৰবেটলৈ চাই মেঘোই চিঞৰি চিঞৰি কয়।

ঃ অই উঠ, উঠ। মোৰ চোতাল অশুচি কৰিব নালাগে। উঠ!

কৰবেটে লাহে লাহে উঠি তাৰ চাইকেলখনৰ ফালে চায়।

মেঘোই আকৌ চিঞৰি কয়।

ঃ সেইখন তোৰ চাইকেল! দৌৰ মাৰি উঠ তাতে আৰু গুচি যা — যিমান সোনকালে পাৰ। নহ'লে দ্বিতীয় গুলীটো সঁচাকৈয়ে তোৰ মূৰত সোমাব!

কৰবেটে দৌৰি গৈ চাইকেলখনত উঠে। খৰখৰ কৰা কাৰণে চাইকেলখনত উঠিয়েই সি বাগৰি পৰে। মেঘো আৰু কাদেৰে হাঁহিবলৈ ধৰে।

ৰাতি মেঘোৰ চোতাললৈ জোনাক নামি আহে। নিতায়ে কুকুৰাটো বান্ধিছে। বদৰে এঠাইত বহি দোতৰা বজাইছে। কাদেৰ আৰু মেঘোই বিড়ি টানি টানি কিবা কথা পাতি আছে। ভজা মণ্ডলৰ কুৰ্কুৰীয়া গোন্ধে সিহঁতৰ আলোচনা ৰসাল কৰি তোলে। এনেতে মেঘোৰ তিৰোতাজনীয়ে আহি সিহঁতক খাবলৈ কিবা দি যায়। মেঘোই তাইৰ ফালে চায়।

ঃ অই কি চাইছ? কাদেৰে মেঘোক সোধে।

ঃ মোৰ মানুহজনীক!

ঃ ইমান বছৰে একেলগে থাকিলি, চাবলৈ এতিয়াহে সময় পালি নেকি?

ঃ আগতে চাইছিলোঁ যদিও দেখা নাছিলোঁ। সঁচাকৈয়ে, আজিহে গম পালোঁ, তাই সঁচাকৈয়ে মোৰ তিৰোতা!

এই বুলি কৈ মেঘোই চোতাল দৰে তাইৰ পিছে পিছে ভিতৰলৈ সোমাই যায়।

ঃ কি লাগে তোক? তাই সোধে মেঘোক।

ঃ কিবা এটা লাগে ৰ।

ঃ ক'ব নোৱাৰ নেকি? সেইটো বিচাৰি এতিয়া গোটেই ঘৰটো ওলট-পালট নকৰিবি। মোৰ কিন্তু খং উঠিব!

ঃ মই যিটো বিচাৰিছোঁ, সেইটো মোৰ সন্মুখতে আছে।

এই বুলি কৈ মেঘোই তাইৰ গালত টপৰকৈ চুমা এটা খাই বাহিৰলৈ দৌৰ মাৰি ওলাই আহে। হেঁতা এখন লৈ পিছে পিছে তাই খেদি আহে আৰু দুৱাৰমুখতে থমকি ৰয় কিবা ভাবি।

মেঘোই অতি উৎসাহেৰে কাপেৰইঁতৰ সন্মুখত কিবা কৈ আছে। সিহঁতে পিজনি মাৰি হাঁহিছে। দুৱাৰমুখত থিয় হৈ তাই ভাবিলে মেঘোই বাৰু তাকেই কৈ আছে নেকি। ভাবি ভাবি তাই লাজতে ৰঙা পৰি যায়। মেঘোৰ ওপৰত খং উঠে তাইৰ। তাৰ পিছত অনুমান কৰিলে তাই খং উঠিলেও এইটো যেন বেলেগ ধৰণৰ খং। সিহঁতৰ হাঁহিত যেন সজীৱ হৈ উঠিছে সকলো। বুকুৰ মাজত তাই অনুভৱ কৰিলে এমুঠি জোনাক, এচাটি মিঠা বতাহ। যেন উৰি যাব তাই এতিয়া, সকলো দুখ-ভাগৰ পাহৰি উৰি যাব। তাই ভিতৰলৈ সোমাই যায়।

সিহঁতৰ হাঁহি আৰু কথা-বতৰাবোৰ লগ হৈ বাদৰৰ দোতৰাটোৰে যেন তাইৰ বুকুৰ মাজলৈ সোমাই আহে। কিবা এক আৱেশত তাইৰ দুচকুলৈ টোপনি নামি আহে।

ৰাতিপুৱা সাৰ পাই দুৱাৰখন খুলি তাই চোতাললৈ চায়। চোতালত তেনেকৈয়ে শুই আছে সিহঁত। আৰু একেৰেঙা ৰ'দে সিহঁতৰ মুখত জিৰাইছে আহি। তাইৰ মুখখনো ৰ'দৰ দৰেই উজ্জ্বল হৈ উঠিল।

যাত্ৰা

প্ৰভুসকলৰ অধিক লাভৰ আঁচনিসমূহৰ সাৰ্থক ৰূপায়ণৰ বাবে নিতৌ সংযোজিত ন ন প্ৰযুক্তিবিদ্যাৰ মায়াজালত জীৱনটো সঁচাকৈয়ে আজিকালি এৰাল দি থোৱা যেন লাগে। দিনটো পাৰ হৈ কেনেকৈ যে ৰাতি হয় গমকে নাপাওঁ। আকাশখন চোৱাৰো সময় নহয়, অথবা চাবলৈ ভয় লাগে। তৰাজাক আছে নে নাই বা আজিকালি! খং উঠে। উঠিলেও চিৰিয়াখানাৰ অথিৰ-অবিৰ বাঘটোৰ দৰেই গোঁজৰি থাকোঁ, উৰহৰ খং ভগা ঢাৰিত জাৰোঁ। অভ্যাস চাগে' স্বভাৱলৈ পৰিণত হৈছে ক্ৰমশঃ।

ৰাতি আঠটামান বজাৰ পাছত আমাৰ উন্নয়নশীল মহানগৰত চিটিবাছৰ সম্ভাৱনাই মনলৈ হতাশা আনে। চিটিবাছ নাই। নিতান্ত বিপদত নপৰিলে অট'ৰ কথা ভাবিবই নোৱাৰি গুৱাহাটীত। নিজৰ গাড়ীখনৰ বয়স হৈ অহাৰ বাবে কিবা নহয় কিবা এটা লেঠা থাকিবই সদায়। শ্ৰীমতীয়ে সদায় কয়, সেইখন গেৰেজলৈ নহয়, যাদুঘৰলৈ নি থোৱাৰহে কথা। যি দেখিছোঁ, গাড়ীখনৰ পেঁপাটোৰ বাহিৰে বাকী সকলো অংশৰ পৰাই সৃষ্টি হয় অপূৰ্ব এক সমলয়ৰ! আজিকালি কত কি আঁচনি ওলাইছে, কিহৰ মায়াত তুমি এইখন এৰিব পৰা নাই নাজানোঁ।

কিহৰ মায়াত তুমি জনা হ'লে মোৰ আধা দুশ্চিন্তাই নোহোৱা হ'লহয়। মনে মনে নিজকে সমৰ্থন দিবলৈ তাকেই ভাবিলোঁ যদিও অনুভৱ কৰিলোঁ — সঠিক উত্তৰ সেয়া নহয়। কি মায়াত এনেকৈ আছোঁ, কাক কওঁ! কাৰনো মন নাযায়, ইমান নতুন নতুন বাৰ, হোটেল, গুৱাহাটীত ..., অইনৰ মুখত টকলিয়াই শুনোঁ ৰূপালী মায়াৰে ভৰা কতনা কথা ...! প্ৰাত্যহিকতা পাহৰি মননো নাযাব কিয়, পাহৰি যাবলৈ এখন্তেক অবিনীত জীৱনৰ একঘেয়ামি! বাতানুকূল নতুন গাড়ী এখনত বহি, বতাহৰ স'তে টৌ খেলি খেলি পাহৰি যাবলৈ জীৱনৰ স্থিতিজড়তা! কিন্তু কি কৰোঁ, সামৰ্থ্যই অনুমোদন নজনায়। সৎ হৈ থকাৰ যন্ত্ৰণাৰ স'তে আৰু অধিক আনন্দৰ আশা, ততোধিক যন্ত্ৰণাৰেই নামান্তৰ! জীৱনটো অকণমান ফাষ্ট ফৰৱাৰ্ড কৰিও চাওঁ কেতিয়াবা, আশাৰ বতৰাই উজ্জীৱিত নকৰে দেখোন মোৰ ভৱিষ্যতক। সেয়েহে সলাব পৰা নাই একো।

ৰাতিপুৱা তাকেই ভাবি ভাবি গাড়ীখন লৈ ওলাই আহিছিলোঁ। হ'ল নহয় অথন্তৰ। অগত্যা গাড়ীখন গেৰেজ এটাত সোমাই থৈ আহিছিলোঁ। আবেলি এবাৰ খবৰ ল'বলৈ কৈছিল। দেওলগা অফিচটোৰ পৰা ওলাবই নোৱাৰিলোঁ।

অফিচৰ পৰা ওলাওতে ৰাতি হ'ল। খোজ কাঢ়িয়েই আগবাঢ়িলোঁ। দিছপুৰ ষ্টপেজটো পাৰ হৈ দেখিলোঁ — হোণ্ডা-চিটি গাড়ী এখন। চিক্‌মিকাই আছে। কিন্তু গাড়ীখন এনেকৈ মাজবাটতে বৈ আছে কিয়? এয়া অবান্তৰ প্ৰশ্ন। নিজম ৰাস্তাত এনেকৈয়ে থাকে গাড়ীবোৰ। ৰঙীন আইনাৰ আবৰণ আঁতৰাই ভিতৰৰ আৰোহীসকলক দেখা নাযায়। অৱশ্যে নেদেখিলেও অনুমান কৰিব পাৰে আপুনি সেই মুখবোৰ। গুৱাহাটী এতিয়া গাভৰু হৈছে।

গাড়ীখনৰ ওচৰ পালোঁ। দেখিলোঁ — ডেকা ল'ৰা এটাই আদহীয়া মানুহ এজনক ৰূপালী পৰ্দাৰ নায়কৰ কায়দাৰে ঘুচিয়াই আছে। আজিকালি মানুহে ফ'ৰবাত কিবা এটা হ'লে নিজকে নিৰাপদ দূৰত্বত ৰাখি নিৰ্বিকাৰ দৰ্শকৰ ভাও লয়। এয়াই নিয়ম যদিও, কিয় জানো সেই প্ৰৱণতাৰ বিৰুদ্ধে আদহীয়া মানুহজনৰ স'তে মই অনুভৱ কৰিলোঁ কিবা এক সমকেন্দ্ৰিকতা। মই চিঞৰি উঠিলোঁ।

আচলতে আদহীয়া মানুহজনক মই চিনি পাইছিলোঁ। সি ৰুক্মিণীগাঁৱৰ এপাৰ্টমেণ্ট এটাৰ বৰ্ষীয়া। থাকে নুনমাটিৰ ফালে ক'ৰবাত। আগতে ৰুক্মিণীগাঁৱত মম্নো আছিলোঁ। ৰাতি কেতিয়াবা উভতি আহোঁতে দেখি হ'লে গেটখনৰ কাষতে থিয় হৈ তাৰ স'তে ইটো-সিটো কথা পাতিছিলোঁ। সি আছিল এজন প্ৰাক্তন সৈনিক। তেতিয়া ভাবিছিলোঁ — সি তেনেহ'লে ডিস্কোভাৰী চেনেলৰ বাঘ অথবা সিংহটোৰ দৰেই হ'ব। কিন্তু তেনে এজন মানুহ মোৰ ধাৰণাৰ বিপৰীতে ইমান নিমাখিত হ'ল কেনেকৈ।

তাৰ চাইকেলখন অলপ দূৰত পৰি আছিল। মই তাৰ মুখলৈ চালোঁ। তাৰ মুখত তেজ। তেজ দেখি মোৰো আদিমতা প্ৰকট হৈ উঠিল।

ঃ কি হ'ল, মানুহজনক এনেকৈ মাৰিছ কিয়?

ঃ নামাৰিম? হোণ্ডা চিটি হয় এইখন, হোণ্ডা চিটি। মোৰ জন্মদিনত পাপাই দিয়া উপহাৰ। দুদিন হোৱা নাই শো-ৰুমৰ পৰা অনাৰ। গাড়ীখনত নহয়, সি মোৰ কলিজাত খুন্দিয়াইছে, চালা ... আকৌ ঘোচাটো দাঙি খেদি আহিল সি।

মই আৰু ৰ'ব নোৱাৰিলোঁ। প্ৰচণ্ড জোৰেৰে ঘোচা এটা মাৰিলোঁ তাৰ মুখত। সি তৰ্কিবই নোৱাৰিলে। চিঞৰি চিঞৰি ক'লোঁ মই।

ঃ বাপেৰে নিশ্চয় এশজনক খুন্দিয়াই তোক হোণ্ডা চিটিখন দিছে। কিন্তু গুৱাহাটীখন

কোনে দিলে তোক! ভালকৈ চা এই আদহীয়া মানুহজনক ...., তোৰ বাপেৰৰ বয়সৰ হয়নে? এই ৰাতি, সি বা কি দুখত ক'ৰ পৰা ক'লৈ দুখে-ভাগৰে এনেকৈ চাইকেল চলাই আহিছিল ...! তোক নাচালেও, তাৰ ঘৰৰ মানুহে নিশ্চয় উদ্বিগ্নতাৰে তালৈ বাট চাই আছে। ... আৰু সি কিবা পাগল নেকি চাইকেলেৰে গাড়ী এখন খুন্দিয়াবলৈ! অই হোণ্ডা গাড়ী এখনত বহিলে বাট-পথ তইঁতৰ হৈ যায়? তইঁতৰ বাট-পথ? বতাহজাক তইঁতৰ? তৰাজাক, আকাশখন তইঁতৰ? পৃথিৱীখন তইঁতৰ? আমি উশাহ-নিশাহ ল'ব নালাগে এইখন পৃথিৱীত? কোন তই, তৰুণ অ'বামা?

আদহীয়া মানুহজন আহি মোৰ কাষতে থিয় হ'ল। সঁচাকৈয়ে নিমাখিত সি। মই আগুৱাই গৈ তাৰ চাইকেলখন তুলিলোঁ। পৰি যোৱা চেইনডাল লগাই দিলোঁ। এইখিনি সময়তে টলকা মাৰি থকা ডেকা হোণ্ডাই গাড়ীখনৰ স'তে অন্তৰ্ধান হ'ল। মানুহজনক বিদায় দিলোঁ। মোৰ সোঁহাতত অনুভৱ কৰিলোঁ তাৰ দুয়োখন হাতৰ উষ্ণতা। তৰাৰ দৰেই জিলিকিবলৈ উঠিছে তাৰ চকুযুৰি।

মই আগবাঢ়িলোঁ আকৌ। ৰাস্তাটো মোৰ নিজৰ নিজৰ যেন লাগিল। কোনোধৰণৰ অপৰাধ প্ৰৱণতা অনুভৱ নকৰিলোঁ মই। বতাহজাক মিঠা মিঠা লাগিল। ওপৰলৈ মূৰ তুলি চালোঁ। তিৰবিৰাই থকা তৰাজাকেৰে আকাশখন চিনাকি চিনাকি যেন লাগিল।

পৃথিৱী

আজিকালি অৰ্থৰ চিন্তাতেই আমাৰ অধিক সময় অতিবাহিত হয় কাৰণে আন চিন্তাবোৰ ক্ৰমশঃ গৌণ হৈ পৰিছে। একেবাৰে সাংসাৰিক দৰকাৰী কিবা কাম নাথাকিলে আনকি নিজৰ মানুহৰ ঘৰলৈও যোৱা নহয়। সৌজন্যতাৰ সান্ত্বনা এতিয়া দূৰত্বৰ। কাৰোবাৰ বিপদ-আপদত, অসুখ-বিসুখত যাওঁ যাওঁ বুলি ভাবি থাকোঁতেই দুদিনমান পাৰ হ'লে কথাটো পাহৰিবলৈ যত্ন কৰোঁ। আগতে অফিচত লগে ভাগে কাম কৰাৰ আনন্দত সময়বোৰ কেনেকৈ পাৰ হৈ গৈছিল গমেই পোৱা নাছিলোঁ। এতিয়া আত্মকেন্দ্ৰিকতাৰ বাবেই কামবোৰ কৰিবলৈ কিম্বা নকৰিবলৈ অজুহাত বিচাৰোঁ। সেই কথাকেই ক'ব পৰা দুই এজনৰ আগত আলোচনা কৰি কেতিয়াবা আতংকিত হওঁ। সময়ৰ পাকত এই যান্ত্ৰিকতাই আমাৰ প্ৰাত্যহিকতা। নিজকে কেতিয়াবা বৰ অসহায় অসহায় যেন অনুভৱ কৰোঁ। যন্ত্ৰণা বেছি হ'লে কিবা লেখিবলৈ যত্ন কৰোঁ, সৰু গল্প এটা, কিম্বা কবিতাৰ দুই এটা শাৰী।

নক'লে নুবুজিবা কি এই জটিলতা,
ভিতৰ মাজত অকলে থকাৰ কি এই
যন্ত্ৰণা!
দিনবোৰ ক্ৰমশঃ কঠিন।
মনবোৰ ক্ৰমশঃ জটিল।
তোমালৈ চাই যদি হাঁহো,
তোমাৰ দুখত যদি কান্দো,
নাভাবিবা, সেয়া তোমাৰ বাবেই
সঁচাকৈয়ে
তাৰে কিছু নিয়ম, কিছু অভ্যাস, বুলি
বিশ্বাস কৰা।

এনে ধৰণৰ আলোচনাত অনিমেষদাৰ অভাৱ প্ৰায়েই অনুভৱ কৰোঁ। অৱশ্যে

পোৱাৰ পাছতো যেতিয়াই সময় পায়, অনিমেষদাই অফিচলৈ আহে। আহোঁতে হাঁহিটো লৈ আহে কাৰণেই তেওঁক দেখিলেই মনটো ভাল লাগে। এইখিনি ঠাইত অনিমেষদা সকলোৰে পৰিচিত এটা নাম। অফিচৰ সন্মুখত থিয় দিলেই ক'ৰবাৰ পৰা দৌৰ মাৰি ক'লা কুকুৰ এটা আহি অনিমেষদাৰ ওচৰতেই নেজ জোকাৰি জোকাৰি বৈ থাকে। অনিমেষদাই তাৰ মূৰটো পিহি দিয়ে। ওচৰতে থকা চাহ দোকানখনৰ পৰা বিস্কুট নতুবা কেক কিবা এটা আনি তাক খুৱায়। কেতিয়াবা চাহ দোকানখন বন্ধ থাকিলে কাষৰ হোটেলখনৰ পৰা ৰুটি দুই-এখন আনি টুকুৰা-টুকুৰ কৰি তাক খাবলৈ দি তাতেই থিয় দি থাকে।

মাজতে বহুত দিন অনিমেষদাক লগ পোৱা নাছিলোঁ। উৎকণ্ঠিত হৈছিলোঁ — কি বা হ'ল মানুহজনৰ! তাৰ পাছত হঠাতে এদিন অফিচলৈ আহিল অনিমেষদা। অহাৰ লগে লগেই আমাৰ এজনে হাঁহি হাঁহি ক'লে।

ঃ কি হ'ল অনিমেষদা, আমি ভাবিছিলোঁ আপুনি মৰিলেই নেকি? অনিমেষদাই গম্ভীৰভাৱে ক'লে।

ঃ আজিকালি দেখিছোঁ জীয়াই থকাৰ খবৰ কোনেও নলয়। মৰিলে কিন্তু সকলোৱে খবৰ পায়!

ঃ মই কিন্তু আপোনাৰ খবৰ লৈয়েই আছোঁ। আপোনাৰ সেই ক'লা কুকুৰটোকো সুধিছোঁ বহুত দিন।

ৰগৰ কৰোঁ বুলিয়েই এজনে ক'লে। অনিমেষদাৰ মুখলৈ হঠাতে নামি আহিল ডাৱৰ। মুখৰ হাঁহিটো হেৰাই গ'ল নিমিষতে। দুচকু সেমেকি উঠিল। আমি আচৰিত হৈ তেওঁৰ পিনে চালোঁ। অনিমেষদাৰ চকুত চকুপানী!!

কিবা নক'বলগীয়া কথা ক'লোঁ নেকি! সকলো আহি অনিমেষদাৰ ওচৰ পালোঁ। উৎকণ্ঠিত হ'লোঁ। লাহে লাহে অনিমেষদা শান্ত হ'ল। জেপৰ পৰা ৰুমালখন উলিয়াই চকুপানী মচিলে। তাৰ পাছত খোকাথুকি মাতেৰে ক'লে।

ঃ তুমি মিছা কথা কৈছা! মোৰ খবৰ কুকুৰটোৱে কেনেকৈ দিব? কুকুৰটো মৰিবৰ আজি এমাহ হ'ল!

আকৌ চকুপানীৰে ভৰি পৰিল অনিমেষদাৰ দুচকু।

এই মুহূৰ্তত মোৰ ভাব হ'ল — অৰ্থ, আত্মকেন্দ্ৰিকতা, যান্ত্ৰিকতাৰ ঊৰ্ধত পৃথিৱীখন এতিয়াও জীয়াই আছে।

বিজ্ঞাপন

যি ভাবিছিলোঁ সেয়াই হ'ল। মই অনা ব্লাউজটো শ্ৰীমতীৰ পছন্দ নহ'ল। হাতখন দীঘল, ডিজাইনটো হেনো কিবা ধৰণে কটা ... ইত্যাদি। উপায়ান্তৰ নেদেখি সেইটো ঘূৰাই দিবলৈ মান্তি হৈ মনে মনে শপত খালোঁ। এনেকুৱা বস্তু আৰু অকলে কিনিবলৈ নাযাওঁ। অৱশ্যে এইটো মোৰ প্ৰথম শপত নহয়।

পিছদিনাখন ব্লাউজটো কাগজ এখনত মেৰিয়াই অফিচলৈ ৰ'লি ওলাই আহি আলিবাট পালোঁ। নিয়ম অনুসৰি ইয়াতেই এখন্তেক ৰৈ তামোল এখন খাই লোৱাৰ কথা। আগতে ইয়াত তামোল-পাণৰ দোকান এখনেই আছিল। চাওঁতে চাওঁতে আৰু এখন হ'ল। আকৌ এদিন দেখিলোঁ এহাতত এটা কেঁচুৱা লৈ আনখন হাতেৰে বস্তা প্লাষ্টিকৰ চকী এখন চোঁচৰাই তিৰোতা এজনীয়ে আগৰ দোকান দুখনৰ কাষতেই দখল কৰিলে এটুকুৰা ঠাই। চকীখন আলিবাটৰ ফালে ওলোটা কৰি পাৰি তাৰ কাষতেই কেঁচুৱাটো থ'লে। কেঁচুৱাটোৱে কান্দিবলৈ ধৰিলে। সেইফালে তাইৰ নজৰ নগ'ল। কাষত ওলোমাই অনা জোলোঙাখনৰ পৰা প্ৰথমতে বিস্কুট এখন উলিয়াই চকীখনৰ ওপৰত থৈ তাই অন্তৰ্ধান হ'ল। তাৰ পাছত দেখিলোঁ প্লাষ্টিকৰ সৰু বাল্টিং এটাত ক'ৰবাৰ পৰা পানী লৈ অহা। ঠাইখিনি নিশ্চয় তাই আগতেই জৰীপ কৰি থৈ গৈছিল। পানীৰ বাল্টিংটো থৈ অলপ দূৰতে থকা ইটাৰ দমটোৰ পৰা দুচলা ইটা আনি চকীখনৰ সম্মুখত পাৰি বহি ল'লে তাই।

ক'ৰ নিৰ্গতী এইজনী, আমাৰ স'তে মিতালী কৰিবলৈ আহিল। কাষৰ দোকানী দুজনৰ টিপিয়া-টিপিত তাৰেই আভাস দেখা পালোঁ। তাই নিৰ্বিকাৰ। কোনো ধৰণৰ উদ্বিগ্নতা তাইৰ মাজত দেখা নাপালোঁ। কটাৰী এখন উলিয়াই তাই কলপাতেৰে মেৰিয়াই অনা পাণৰ মুঠিটো খুলি পাণৰ আগবোৰ আৰু ঠাৰিবোৰ কাটি কাটি পানীৰ বাল্টিংটোত পেলাবলৈ ধৰিলে। কেঁচুৱাটোৱে কান্দিবলৈ এৰি আধা খোৱা বিস্কুটখনেৰে খেলিবলৈ আৰম্ভ কৰিছে। মনে মনে ভাবিলোঁ মই, ইয়াত এই দুজনৰ স'তে টিকি থাকিব পাৰিবনে তাই। মোৰ অনুমানক উপহাস কৰি দুই-এজনকৈ গ্ৰাহক সেইফালে

যাবলৈ ধৰিলে। মন কৰিলোঁ, আনজনীৰ গোমা ভাৱবীয়া বতৰটো তাইৰ মুখত বোকাত ফুলা পদুমৰ হাঁহিৰে ক্ৰমশঃ উদ্ভাসিত হৈ ফৰকাল হোৱাৰ পথত।

সিদিনা দোকানী দুজনৰ এজনকো নেদেখি মই তাইৰ কাষতেই থিয় হৈছিলোঁ। দোকানৰ যাবতীয় সকলোখিনি কৰি কেঁচুৱাটোও সমানে চম্ভালি আছে তাই। মুখত হাঁহিটোও সজীৱ হৈ আছে। তাইৰ ফালে ভালকৈ চালোঁ। পিন্ধি থকা ব্লাউজটো চকুত লগাকৈ কেইবা ঠাইতো ফটা। মোৰ হাতত থকা ব্লাউজটোৰ কথা মনত পৰিল। তাইৰ জোখৰেই হ'ব।

কিন্তু এপদ বস্তু কিনাৰ পাছত ঘূৰাই দিবলৈ যোৱাটো মোৰ কাৰণে অতি অস্বস্তিকৰ কথা। মনত দম্ভ মাৰি ক'লোঁহে — কিয় নোৱাৰিম বুলি, ভিতৰি ভিতৰি কিন্তু তেনেই সেমেকি গ'লোঁ। তামোলখন খাই তাকেই ভাবি থাকোঁতে দুখনমান চিটিবাছ পাৰ হৈ গ'ল। ভাবিলোঁ — যি ভাবিছোঁ তাকেই কৰোঁ। ব্লাউজটো দেখোন তাইকেই দিব পাৰোঁ। তাইৰ কামত আহিব। নহ'লে দুদিনমান পাছত তাই দেখোন ব্লাউজটোৰ কাৰণেই দোকান বন্ধ কৰিব লাগিব। আকৌ ভাবিলোঁ — ব্লাউজটো দিলে তাই বা কি ভাবে: আজিকালি অযাচিতে সহায় কৰিবলৈ ওলালেও বিপদ। মানুহে সহজভাৱে নলয়। কিবা ধান্দা থকা বুলি ভাবে। ভাবিলে ভাবক, সকলো কথাতে ইমান হিচাপ-নিকাচৰ কি দৰকাৰ? মই যেতিয়া নিশ্চিত, মোৰ কোনো অসৎ অভিপ্ৰায় নাই — তাই বা মানুহে কি ভাবে মোক কিয় লাগে। মোৰ ক্ষতি কি। ব্লাউজটো ঘূৰাই দিয়াৰ কথা ভাবি মই যি অস্বস্তিত ভুগিছোঁ, কমচে কম তাৰ পৰা মুক্ত হ'ব পাৰিম। অফিচৰ পৰা উভতি আহোঁতে ব্লাউজ এটা কিনি আনি সলনি কৰি লৈ আহা বুলি ক'ম। ব্লাউজটো তাইক দিলোঁ।

তাই আপত্তি নকৰিলে। হাঁহি এটা মাৰি মোক তামোল একন খাব নেকি বুলি সুধিলে। মই নালাগে বুলি কৈ ততাতৈয়াকৈ চিটিবাছখনত উঠিলোঁ। মনটো পাতল পাতল লাগিল।

দুদিনমান পাৰ হৈ গ'ল। তাই দেখোন ব্লাউজটো পিন্ধি অহা নাই। কিয় জানো মই অকণ আহত হ'লোঁ। হয়তো মোৰ অহমিকাত লাগিল। তাই ব্লাউজটো বাৰু আন কাৰোবাক দিলে নেকি, নে বিক্ৰী কৰিলে। কথাটো সুধিবৰ মন গ'ল যদিও তাইৰ দোকানত গ্ৰাহকৰ ভিৰ দেখি অলপ সময় বৈ মই চিটিবাছত উঠিলোঁ।

পিছদিনাখন ভিৰ নথকা সময়ত তাইৰ দোকানত তামোল একন খাই ব্লাউজটোৰ কথা সুধিলোঁ। তাই হাঁহি এটা মাৰি ক'লে —

: সেইটো সাঁচি থৈছোঁ। ক'ৰবালৈ গ'লে পিন্ধিব লাগিব। কিন্তু পিন্ধি থকাটোও মই এৰিব নোৱাৰোঁ।

মই আচৰিত হৈ ক'লোঁ।

: কিন্তু এইটো ইমান বেয়াকৈ ফাটিছে। আইনাত চাই তুমি গম নোপোৱালে, এইটো পিন্ধা-নিপিন্ধা একেই কথা। এইটোৰে একো ঢাকিব নোৱাৰি।

: আইনাত চায়েই পিন্ধিছোঁ।

আকৌ অবাক হৈ মই তাইৰ ফালে চালোঁ। তাইৰ কথাত প্ৰত্যয়। তাই ক'লে —

: দোকান খুলিলে সজাবও লাগিব চকুত লগাকৈ। মোৰটোৰ স'তে তিনিশ দোকান ইয়াত। একেই তামোল-পাণ, চিগাৰেট। সকলো ঢাকি থওঁ যদি গ্ৰাহকক আকৰ্ষণ কৰিম কেনেকৈ? তাতে ডাঙৰকৈ বিজ্ঞাপন দিয়াৰ সমলো আমাৰ নাই। থকাখিনিৰেই বিজ্ঞাপন দিব লাগিব। কথাটো মন কৰিছেনে দাদা? যেনেকৈয়ে নহওক টিকি থাকিব লাগিব।

মোৰ আশাৰ বিপৰীতে তাই কোৱা কথাখিনিয়ে যেন মোক কেন্দ্ৰবিন্দুৰ পৰা কক্ষচ্যুত কৰিলে পলকতে। অকণ সাহস গোটাই মই তাইৰ ফালে চালোঁ।

কেনে এইজনী! যৌৱনৰ ৰাজপথত নিজৰ ভবিষ্যৎ গঁপি দিয়া দ্ৰৌপদী যে অপহৃতা ৰাৱণৰ বিজ্ঞাপনৰ মায়াত অনূঢ়া সীতা! মই আৰু ভাবিব নোৱাৰিলোঁ। মোৰ প্ৰস্থানৰ সময় সমাগত। অন্ততঃ এই মুহূৰ্তত সেয়াই মোৰ বাবে সুবিধাজনক কথা। সেয়েহে হাঁহি এটাৰে পৃথিৱীৰ আটাইতকৈ চুটি উত্তৰটো উচ্চাৰণ কৰি, পলম হোৱা নাছিল যদিও মই খৰখৰকৈ চিটিকাহত উঠি বহিলোঁ।

মোৰ ৰিডচছমাযোৰ খুলি জেপৰ পৰা ৰুমালখন উলিয়াই আইনা দুখন মচি মচি খিৰিকীৰে বাহিৰলৈ চালোঁ যদিও আকাশখনৰ সলনি ডাঙৰ হোৰ্ডিং এখনহে চকুত পৰিল। খৰখৰকৈ চিটিকাহখন আগবাঢ়িবলৈ ধৰিলেও মই অনুভৱ কৰিলোঁ মোৰ মাজত অসম্ভৱ এক গতিহীনতা।

আইতা

প্ৰাচুৰ্যৰ মাজত ডুবি থকা মানুহ বহুত দেখিছোঁ। অভাৱ কি সিহঁতে নাজানে। অথবা পাহৰি গৈছে এদিন উটি-ভাহি ফুৰা জীৱনটো মহানগৰীৰ ঘাটত লাগি ক্ষন্তেক ওপঙি থাকি কিনো যাদুৰ পৰশত কেনেকৈ সলনি হ'ল তাৰ অতীত, এতিয়া আৰু দাপোণত সি দেখা নাপায়। কিন্তু এই অৰ্থ আৰু প্ৰাচুৰ্যৰ মাজতো সিহঁতৰ মুখত কিন্তু নিৰ্মল হাঁহিৰ এচেৰেঙা ব'দ বৰ দুৰ্লভ!

আইতাৰ কথা সুকীয়া।

হেৰুৱাবলৈ একো নাই। সাংঘাতিক কিবা এটা কৰাৰ বা কিবা এটা পোৱাৰ সপোনো নাই। দুখ-যন্ত্ৰণা আছে। সেয়া উশাহ-নিশাহৰ দৰে। কিন্তু যেতিয়াই লগ পাইছোঁ, এমুখ হাঁহিৰে আইতাক সদায় ৰ'দালিৰ দৰেই উদ্ভাসিত হৈ থকা দেখিছোঁ। আইতাক প্ৰথম কেতিয়া লগ পাইছিলোঁ মনত নাই। চাকৰি সূত্ৰে ভঙাগড়তেই জীৱনৰ বেছিভাগ সময় অতিবাহিত কৰিছোঁ। তেতিয়া ভঙাগড়ৰ ব্যস্ততা ইমান নাছিল। চিটিবাছ ষ্টপেজটো পাৰ হৈ ভৰলুৰ ফালে অলপ দূৰ আহিলেই এজোপা কৃষ্ণচূড়া, তাৰ কাষতেই আছিল তালুকদাৰৰ তামোল-পাণৰ দোকানখন। অফিচত সোমোৱাৰ আগতে, জিৰণিৰ সময়ত আৰু ছুটীৰ পাছত তাৰ উপস্থিতিও আছিল সমানেই গুৰুত্বপূৰ্ণ। তালুকদাৰৰ কাষতেই বিহাৰী হোটেল এখনো আছিল। তাৰ চাহ পিয়লাৰ কথা জীৱনত পাহৰিব নোৱাৰিম কেতিয়াও। বৰ ভয়লগা ধৰণৰ যদিও বিকল্পও নাছিল। যিয়েই নহওক তালুকদাৰৰ দোকান আৰু বিহাৰীৰ হোটেলখন আমাৰ মানত আমাৰ কৰ্মক্ষেত্ৰৰেই অংশবিশেষ আছিল। তাতেই লগ পাইছিলোঁ আইতাক।

প্ৰথমতে ভাবিছিলোঁ আইতা গুৱাহাটীৰেই ক'ৰবাত থাকে। নহয়। আইতাৰ ঘৰ বাইহাটাৰ কোনোবাখিনিত। ককাক গাড়ীয়ে খুন্দিয়াই আইতাক দিছিল অকাল বৈধব্য। অকণমানি ছোৱালীজনীৰে, তাতে ছোৱালীজনীও আছিল শাৰীৰিকভাৱে অসমৰ্থ, সংসাৰ আইতাৰ কাৰণে আছিল কঠিন সংগ্ৰাম। হ'লেও আইতাৰ মুখতেই যেন পঢ়িছিলোঁ ৰবীন্দ্ৰ নাথৰ কবিতা।

বিপদ মোৰে ৰক্ষা কৰ / এ নহে যেন প্ৰাৰ্থনা
বিপদে আমি না যেন কৰি ভয়।

স্বজন, স্বজাতি, প্ৰতিবেশীৰ পৰা বিতাৰিত হৈ যেতিয়া কোনোবা এজনীয়ে জীৱনৰ কঠিন সংগ্ৰামত পদে পদে আঘাত পায়, সেইসকলৰ সঁহাৰি কিন্তু আশাব্যঞ্জক নহয়; কিন্তু কেনেবাকৈ যদি পিছলি, পথচ্যুতা হয়, সমালোচনাৰে মুখৰ হৈ পৰে সকলো। সঁচাকৈয়ে আচৰিত মানুহৰ চৰিত্ৰ! সম্ভাব্য ঘটনাৰ প্ৰতিৰোধ সম্পৰ্কত মানুহৰ উদাসীনতা অথবা নিৰ্লিপ্ততা হয়তো আমাৰ আজিৰ আত্মকেন্দ্ৰিক সন্তুষ্টিৰেই প্ৰকাশ।

জীৱন সম্বন্ধে আইতাৰ অভিমত কি নাজানো।

কেতিয়াবা সোধোঁ — আইতা ইমান দুখতো কিয় আছা তুমি। এচেৰেঙা ৰ'দৰ দৰে হাঁহি এটা উপচি পৰে আইতাৰ মুখত। জীৱনটো এনেয়ে অচল। গতি নাই। দিনটো ঘৰতে সোমাই থাকোঁ মৰা মানুহৰ দৰে। বেজাৰ লাগিলে ওলাই আঁহি কেতিয়াবা ৰাস্তাতে থিয় দি থাকোঁ।

গাড়ীকেইখন আহিলে পেঁপা বজাই বজাই পাৰ হৈ যায়। গাড়ীৰ সৰু ল'ৰাটোৱে চিঞৰি চিঞৰি মাতে — আইতা ব'লা, গুৱাহাটীলৈ যাওঁ। আহোঁতে লৈ আহিম তোমাক!

একো নভবাকৈ গাড়ীখনত উঠি বহোঁ।

গাড়ীখন চলিবলৈ ধৰিলে ভাল লাগে। জীৱনটো যেন কিবা এটা গতি আছে। মন উৎফুল্লিত হয়। ডেউকা দুখন মেলি দি যেন গৈ থাকিম, গৈ থাকিম ...।

এনেকৈয়ে গুৱাহাটীলৈ আহোঁ মাজে মাজে। দুই-এজনক লগ পাওঁ, চিনি পাওঁ তেনেকৈয়ে। আকৌ চিনাকি গাড়ীকেইখন যদি নাপাওঁ, এই ভাবি চিনাকি হোৱা দুই-এজনৰ পৰা পাঁচ-দহ টকা লওঁ। অচিনাকি হ'লে নলওঁ।

এইজনী আইতা। অথলা নহয়, ফটা-চিটা হ'লেও কাপোৰ-কানি চাফ-চিকুণ, পৰিপাটি। ভৰিত এযোৰ ছেণ্ডেল। হাতত সৰু এখন মোনা। আহিয়েই লাহেকৈ পিঠিত হাতখন দি ক'ব : যোৱা সপ্তাহত ক'লৈ গ'লা তুমি ...। মই ইয়াতেই ৰৈ ৰৈ ..., সেই যোপাটোৱে ক'লে তোমাৰ হেনো অসুখ। ঘৰলৈ গৈয়েই নেদেখাজনক প্ৰাৰ্থনা কৰিলোঁ। যি দুই-এজনক জানোঁ, তেওঁলোকেনো যদি অসুখ-বিসুখ হয়, মোৰলো গা কেনেকৈ ভালে থাকিব! এতিয়া কেনে গা।

হাঁহি মহৌষধ বুলি জানোঁ, কিন্তু প্ৰাণ খুলি হাঁহিব পৰা মানুহ কিমান আছে নাজানোঁ।

প্ৰাত্যহিকতাত বন্দী মানুহবোৰ। জীৱনৰ ঘাত-প্ৰতিঘাতৰ স'তে, সামৰ্থ্যতকৈ জীৱনৰ পৰা অধিক বিচাৰি জীৱনৰ স'তে ঐৱাহেৱা কৰি, স্বজন, স্বজাতি, প্ৰতিবেশীৰ পৰা আঁতৰি ক্ৰমশঃ আত্মকেন্দ্ৰিকতাৰ মকৰাজালত বন্দী। প্ৰভাৱিত সময়। সপোনো অসহায়। এই সন্ধিক্ষণত যেতিয়াই ভাবোঁ, আইতাৰ কথা, সঁচাকৈয়ে আচৰিত হওঁ মই। দূৰৰ পৰাই যেতিয়া দেখা পাওঁ আইতাক আহি থকা, দুচকুত উজ্জ্বলতা লৈ অথবা ডাবৰ ফালি ওলাই অহা এচেৰেঙা ৰ'দৰ দৰে, অজানিতে মোৰ মুখৰ পৰা ওলাই আহে, আইতা! ইটো-সিটো কথাৰ ভৰত আইতাই পাহৰি যায় প্ৰায়েই সময়ৰ কথা।

এদিন হঠাতে ক'লে আইতাই — আজি কিন্তু মোক কুৰি টকা লাগিব।

কিয়?

পাছত কম।

আইতা তুমিতো জানাই, নক'লেও মই তোমাক যি পাৰোঁ দিওঁ। কিন্তু ..., ইতস্ততঃ কৰি ক'লোঁ মই ..., আজি মোৰ টকাৰ দৰকাৰ, দৰমহাও পোৱা নাই। — মই মিছা কথা ক'লোঁ। আইতাৰ মুখ ক'লা পৰি গ'ল। দুচকু সেমেকি উঠিল। খৰখেদাকৈ আইতাই যাবলৈ ওলাল। মই কিবা এটা খাই যাবলৈ জোৰ কৰিলোঁ। নাখালে। মই জেপৰ পৰা কুৰি টকা উলিয়াই আইতাক দিলোঁ।

নালাগে। আইতাই মুৰ জোকাৰিলে।

মই জোৰ কৰিলোঁ। আইতাই নামানিলে। গুচি গ'ল। আইতা যোৱাৰ পাছত মোৰ নিজৰ ওপৰতেই খং উঠিল। মই বাৰু কিয় মিছা কথা ক'লোঁ। মই জানিব লাগিছিল সঁচা-মিছা বুজিবলৈ আইতাৰ এতিয়াও ব্যৱসায়িক বুদ্ধি হোৱা নাই। মোৰ কথা আইতাই সঁচা বুলিয়েই ভাবিছে নিশ্চয়।

আশা কৰা নাছিলোঁ যদিও পিছদিনা আইতাক দেখিলোঁ কৃষ্ণচূড়া জোপাৰ তলতেই। হাঁহিটো বিয়পি পৰিল মুখত। ওচৰ পোৱাৰ লগে লগে আইতাই টোপোলা এটা আগবঢ়াই দিলে মোৰ ফালে। মই আচৰিত হৈ সুধিলোঁ — কি! আইতাই টোপোলাটো মোৰ হাতত গুজি দি ক'লে — কিমান আছে নাজানো।

টোপোলাটোত আইতাৰ সাঁচতীয়া পইচা!

মোৰ কান্দিবৰ মন গ'ল। আধুনিকতাৰ নিয়ন্ত্ৰিত আইতাইতৰ চিন্তা-ভাৱনাবোৰ গঢ় লোৱা নাই। পৰম্পৰা আৰু প্ৰকৃতিৰ অনুভৱেৰে সজীৱ আইতাইতৰ অনুভূতিত এতিয়াও লোভাৰ পৰা নাই বিনিময় প্ৰথা। ◆

সন্ধিক্ষণ

অনিচ্ছা সত্ত্বেও বৰষেণে বিছনাৰ পৰা উঠিল। আগতে কাউৰী-পুৱাতে উঠি প্ৰাতঃভ্ৰমণলৈ ওলোৱা কথাটো এতিয়া যেন তাৰ নিজৰেই বিশ্বাস নহয়। আজিকালি সাৰ পালেও কিবা উঠিবৰ মন নাযায়। কিবা অলসতা, অনীহা, কিবা যেন উদাসীনতা! তাতে মালিকে আজি সোনকালে যাব কৈছে। কিবা দৰকাৰী কাম আছে হেনো। অৱশ্যে মালিকৰ সকলো কামেই দৰকাৰী।

ল'ৰাটোৰ আকৌ কি হ'ল! টোপনিৰ চিকুণ পুৱাতেই কিবা খংখেতাই আছে। তাৰ দেখিছোঁ অথন্তৰ নুগুচেই।

: হেৰা, তাৰ কি হ'ল! নোকোৱা কিয়? বৰষেণে চিঞৰিলে।

: কোনকালে চাওঁ, মোৰ কি ৰাৱণৰ দহটা মূৰ আৰু গোসাঁনীৰ গোটেইকেইখন হাত আছে! নে ল'ৰাটো অকল মোৰ। তুমি তাক অকণ চাব নোৱাৰানে? বিছনাখনৰ মায়া এৰি এখন্তেক ফুৰাবলৈ লৈ যাব নোৱাৰানে? দিনটো সি তেনেকৈ থাকে ঘৰখনতেই, কাৰাগাৰত থকাৰ দৰে। নহ'লে এজনী আনা আৰু। মই আখল এৰি তাৰ আৰু নতুনজনীৰ সেৱাতেই জীৱন উছৰ্গা কৰিম।

: আৰু নতুনজনীয়ে কি কৰিব?

: সেয়া তুমিহে বুজিবা।

: হেৰা জীৱনত বাৰে বাৰে ভুল কৰিবলৈ তুমি মোক অথামূৰ্খ পাইছা নেকি? তেতিয়া তোমাক দেখি ঢোল, পেঁপা, গগনা বাজি উঠিছিল কাৰণেহে পলুৱাই আনিছিলোঁ।

: সেই বিশ্বাসেই মোৰ কাল হ'ল। এতিয়া এনেকৈ সেৱাৰি থাকিও তাৰ প্ৰায়শ্চিত্ত কৰিব পৰা নাই। বি সোমালোঁ, সোমালোঁ — এদিন যদি এই গঁৰালটো এৰি বাহিৰলৈ ওলাব পাৰিলোঁহয়। ইয়াতেই দম বন্ধ হৈ মৰি থাকিম কিজানি কোনোৱা দিনা।

কথাটো হয় যদিও সিনো কৰিব কি! ৰাতিপুৱা সাতটাত হাজিৰ হ'বই লাগে

মালিকৰ চোতালত। অলপ ইফাল-সিফাল হ'লেই অথন্তৰ। আকৌ বাতি উভতি অহা সময়ৰো কোনো ঠিকনা নাই। কেতিয়াবা দুপৰীয়াটো শুদা পেটেৰেই পাৰ হয়। পেটটো মাজে মাজে বিষাই থাকে। আজি যাম, কালি যাম বুলি ডাক্তৰৰ ওচৰলৈ যোৱা আৰু হোৱা নাই।

তাই যি দিলে তাকেই কোনো আপত্তি নকৰাকৈ খাই সাৰ-সুৰ নোহোৱাকৈ ওলাই আহি ৰমেশে চাইকেলত উঠিল। মালিকৰ ঘৰ পাওঁতে পলমেই হ'ল। উপায় নাই। মালিকে আওপকীয়াকৈ দুষাৰ শুনালে তাক। বুজি পালেও চকুৰে মুখে কোনো ধৰণৰ অসন্তুষ্টিৰ ভাব প্ৰকাশ নহ'ল তাৰ। পছন্দ-অপছন্দৰ উৰ্দ্ধত জীয়াই থকাৰ অভ্যাস সি আয়ত্ত কৰিছে লাহে লাহে।

গাড়ী আহি এটা প্ৰকাণ্ড অট্টালিকাৰ সন্মুখত ৰ'ল। ভিতৰৰ পৰা থুলন্তৰ কোনোবা এজন আহি তাৰ মালিকক আগবঢ়াই লৈ গ'ল। গাড়ীখনত শুই শুই ৰমেশৰ আমনি লাগিল। সাংঘাতিক দৰকাৰী কাম চাগে'! আলোচনা দীঘলীয়া হ'ব যেনেই লাগিল তাৰ। ইমান সময় পাৰ হ'ল। এটা সময়ত মালিক ওলাই আহিল। পিছে পিছে অহন কোনোবা এজন। তাৰ হাতত এডাল শিকলি, সোণালী বৰণৰ, চিকমিকাই আছে। শিকলিৰ মূৰত এটা ধুনীয়া কুকুৰ।

গাড়ীৰ পিছফালৰ দুৱাৰখন খুলি দিলে ৰমেশে ততাতৈয়াকৈ। মালিক বহিল। 'বহিয়েই ৰমেশক ক'লে।

ঃ সেইফালৰ দুৱাৰখন খুলি দিয়া।

ৰমেশে ভাবিলে মানুহজনো সিহঁতৰ লগতে যাব চাগে'? কিন্তু মানুহজন নুঠিল। তেওঁ কুকুৰটোকহে আলফুলে সোমাই দি দুৱাৰখন বন্ধ কৰি দিলে।

মালিকে কুকুৰটোৰ ফালে চাই মানুহজনক সুধিলে।

ঃ কামোৰে যদি!

মানুহজনে প্ৰত্যয়ৰ হাঁহি এটা মাৰি ক'লে।

ঃ সকলোকে নাকামোৰে। কাক কামুৰিব লাগে জানে সি। গাড়ী উভতিল।

অকণমান অহাৰ পাছতে কুকুৰটোৱে অদ্ভুত স্বৰেৰে ভুকভুকাই উঠিল। মালিকে কুকুৰটোৰ ফালে চাই ৰমেশক ক'লে।

ঃ তাৰ গৰম লাগিছে কিজানি। এচিটো অন কৰা ৰমেশ।

গাড়ী আগবাঢ়িল।

মালিকে ৰমেশৰ ফালে নোচোৱাকৈ ক'লে।

: বুজিছা ৰমেশ, আজিৰ পৰা তোমাৰ এটা দায়িত্ব বাঢ়িল। এই কুকুৰটোক তুমি ৰাতিপুৱা আৰু গধূলি ফুৰাবলৈ নিব লাগিব সদায়। মাজে মাজে গাটো ধোৱাই দিবও লাগিব। মুঠতে তাৰ যত্নৰ কোনোধৰণৰ ত্ৰুটী মই নিবিচাৰোঁ।

মালিকে আৰু কি ক'লে তাৰ কাণত নোসোমাল। ভুকভুকাই থকা কুকুৰটোৰ চিঞৰটো ভেকেকনিৰ দৰে তাৰ কাণলৈ সোমাই আহিল।

সিদিনা ৰাতি চাইকেল মাৰি ঘৰলৈ উভতি অহাৰ পথত সি অনুভৱ কৰিলে সেই ভেকেকনি। কিবা এক অপৰাধ প্ৰৱণতাই তাক জঠৰ কৰি পেলালে যেন। ৰাতি ভাত খাবলৈ মন নগ'ল। সোনকালেই বিছনাত উঠিল। টোপনি নাহিল তাৰ। যেন ওচৰতে কুকুৰ এটাই ভুকভুকাই আছে ...।

ৰাতিপুৱা ঘৈণীয়েকৰ মাতত থকমকাই উঠিল সি।

: কি হ'ল গা বেয়া নেকি? সাতটা বাজিলেই দেখোন।

: বাজিল কি হ'ল। আজি নাযাওঁ মই।

: নগ'লে পৃথিৱীখন উলটি নাযাব?

: গ'লে যাব। পৃথিৱীখন অকল মালিকৰেই নেকি, মোৰো। যলৈ মন যায় যাম আজি। বাপুক উলিয়াই দিয়া, ফুৰিও অনোৱা।

ৰমেশৰ কথা শুনি বিপাঙত পৰিল তাই। সি ধেমালি কৰিছে নেকি বাৰু। নাই, তাৰ সুৰ স্পষ্ট। সেই সুৰ চিনি পায় তাই। বহুদিনৰ মূৰত তাইৰ ভাব হ'ল — এইজন ৰমেশৰ কাৰণেই তাই এদিন ঘৰ এৰি গুচি আহিছিল তাৰ পৃথিৱীত বিচৰণ কৰিবলৈ। এপলকৰ কাৰণে হ'লেও তাইৰ দুচকুত তিৰবিৰাই উঠিল সোঁৱৰণীৰ দুটোপাল চকুলো।

প্লাৱন

বিভিন্ন প্ৰশ্নই বিপাঙত পেলায় পূৰ্ণিমাক। কেতিয়াবা ভাবে তাই, মানুহ এজন বাক কেনেকৈ দেউতাক হয়, অথবা এজনী ছোৱালী মাক কেনেকৈ হয়! তাই কেনেকৈ আহিল পৃথিৱীলৈ! নে বৰষুণৰ টোপালৰ দৰেই নামি আহোঁ আমি পৃথিৱীলৈ! কিন্তু বৰষুণজাক কেনেকৈ নামি আহে পৃথিৱীলৈ আকাশৰ পৰা। ক'লা ডাৱৰবোৰে কিয় বিজুলীয়ায়। কেতিয়াবা ইমান ডাঙৰকৈ শব্দটো হয়, তায়ো চিঞৰি উঠে। ভয় লাগে, ভালো লাগে। কিন্‌কিনাই থকা বৰষুণজাক হৰহৰকৈ নামি আহে। মাটিৰ বাৰাণ্ডাখনত থিয় হৈ তাই হাত দুখন মেলি দিয়ে। বৰষুণজাকে তাইৰ মনলৈ কিবা এক আনন্দ আনে। বৰষুণজাকৰ মাজলৈ সোমাই যাবৰ মন যায় তাইৰ। এনেতে ভৰা মতেই মাকৰ চিঞৰ শুনি তাই খৰখেদাকৈ ঘৰৰ ভিতৰলৈ সোমাই যায়। ভঙা খুঢ়াটোত বহি দুচকু মুদি তাই অনুভৱ কৰে বৰষুণৰ শব্দ। বৰষুণ! এনেকৈ এদিন বৰষুণৰ মাজতেই তাইৰ ভনীয়েক মণি পৃথিৱীলৈ নামি আহিছিল। তাইৰ মনত আছে। সিদিনাখন তাই বাক কান্দিছিল নে নাই! বোধহয় কান্দিছিল। বৰষুণে বাক কান্দে নে নাই! যদি কান্দে, সেয়া কাৰ চকুপানী! বৰষুণ, চকুপানী একেই। কিন্তু চকুপানী অকণ লুণীয়া। তাইক কোনোবাই কৈছিল, সাগৰৰ পানীও লুণীয়া। কিন্তু সাগৰ তাই দেখা নাই। কোনোবা এজনে কৈছিল, সাগৰ সিহঁতৰ গাঁওখনত থকা নদীখনতকৈ হাজাৰ হাজাৰ গুণে ডাঙৰ। তাৰ মানে বহুত ডাঙৰ! সাগৰ ইমান ডাঙৰ নদীনে? ইমান ডাঙৰ নদী এটা লুণীয়া হ'বলৈ কিমান মানুহৰ চকুপানীৰ দৰকাৰ হ'ব বাক! পৃথিৱীত সিমান মানুহ আছেনে! পৃথিৱীৰ সকলো মানুহে কান্দেনে! হঠাতে তাইৰ বানপানীৰ কথা মনলৈ আহিল। প্ৰতি বছৰতেই গাঁওখনলৈ বানপানী আহে। মুষলধাৰে বৰষুণ নামি আহে। কেৱল বৰষুণ! নদী উপচি পৰে, মথাউৰি ভাঙি যায়। চৌদিশে মাথোঁ পানী! এনে এক বানপানীতেই হেনো পুণিৰ মাকে কৈছিল পুণিক, তাইৰ দেউতাক হেনো উটি-ভাহি গৈছিল। তেতিয়া তাই মাকৰ কথাকেই বিশ্বাস কৰিছিল। কিন্তু গাঁৱৰ দুই এজনে কেতিয়াবা কৈছিল — বানপানী নহয়, আচলতে এজনী তিৰোতাই তাইৰ মায়াজালেৰে সিহঁতৰ দেউতাকক আঁজুৰি লৈ গৈছিল। তাই বিপাঙত পৰিছিল। কাৰ কথা বিশ্বাস কৰিব তাই! কথাটো মাকক সোধাৰ সাহস তাইৰ বাবে অসম্ভৱ এক

কথা। কিন্তু কথা হ'ল, দেউতাকৰ অনুপস্থিতিত মাকৰ কথাই তাইৰ বাবে সান্ত্বনা। কাক দোষ দিব তাই, বানপানীক নে সেই তিৰোতাজনীক! সঁচা-মিছাৰ দোমোজাত তাই যেতিয়া টোপনি যায়, প্ৰায়েই সপোনত দেখা পায় তাইৰ এটা নদী, সৰু এখন নাও, নাওখনত তাইৰ দেউতাক আৰু এজনী তিৰোতা, তিৰোতাজনীৰ নখবোৰ দীঘল দীঘল, দেখিলেই ভয়লগা। তাৰপিছত প্ৰচণ্ড চাকনৈয়া এটাত নাওখন হৈ পৰে অস্থিৰ। তাই সপোনতে উচুপি উঠে। মাকক মাতে। এনে লাগে, তিতিৰ পখা মাতটো যেন ওলাই নাহিব! উকমুকাই তাই সাৰ পায়। ততাতৈয়াকৈ তাই মাকৰ ফালে চায়। মাকৰ টোপনি অহা নাই। দুচকু মেলি মাকে চাই আছে চালখনৰ ফালে একেথৰে।

: মা, তোমাৰ টোপনি অহা নাই? পুনিয়ে সোধে মাকক।

: চেষ্টা কৰি আছোঁ। মাকৰ উত্তৰ। অনুচ্চ।

তেতিয়া পুনিয়ে জনা নাছিল, মানুহে কিয় টোপনি হেৰুৱায়। পদুলি তাতৰ গোজত তাই যেতিয়া ভোকটো বেছিকৈ অনুভৱ কৰিছিল, দৌৰ মাৰি আখললৈ যাবৰ মন গৈছিল, তেতিয়াও তাই বিছনাতেই পৰি ৰৈছিল। মাকৰ চিঞৰত ৰ'ব নোৱাৰিলে আধা খোলা, আধা মুদা চকুৰে কোনোমতে ভাতকেইটা গিলি দৌৰ মাৰি আকৌ বিছনাত উঠিছিল। বিছনা মানে মজিয়াত বিস্তীৰ্ণ এখন পাটী। তাতেই মাক আৰু মনিৰ স'তে তাই টোপনি যায়।

বাতিপুৱা যেতিয়া পুনিয়ে সাৰ পায়, বিছনাত আৰু মাকক দেখা নাপায়। তাই মাথোঁ বাঢ়নীৰ শব্দ শুনে। মাকে চোতাল সাৰি আছে। বাঢ়নীৰ শব্দ বন্ধ হ'লেই তাই নিশ্চিত, মাক এতিয়া কুঁৱাৰ পাৰত। পানী তোলা শব্দ। মাক সততে ব্যস্ত আৰু অসম্ভৱ গম্ভীৰ হৈ কিয় থাকে তাই বুজিব নোৱাৰে। বোধহয় মাকে নিজৰ স'তে নিজৰ পৃথিৱীতেই বিচৰণ কৰি ভাল পাইছিল। এতিয়া তাইৰ ভাব হয়, এনে এখন পৃথিৱীত বাস কৰিবলৈ বিশেষ ধৰণৰ এক উদাসীনতাৰ প্ৰয়োজন। গাটো ধুই এখন্তেক আখলত সোমাই ততাতৈয়াকৈ কাপোৰবোৰ পিন্ধি সিহঁতৰ কাষত থিয় হৈ মাকে কয়।

: মই পথুলি আহিম, তহঁতে উদং খোৱা গৰুৰ দৰে ঘূৰি নুফুৰিবি।

তাৰ পাছত মাক ওলাই যায় অলপ দূৰত থকা ইটাৰ ভাতালৈ। তাতেই কাম কৰে মাকে। মানুহে কয়, সেই ভাতাতেই দেউতাকেও কাম কৰিছিল। মানুহজন ক'ৰ পৰা আহিছিল কোনেও পুনিক কোৱা নাছিল। মানুহজন তাইৰ দেউতাক নোহোৱা হ'লে তাইবো কোনো উৎকণ্ঠা নাথাকিলে হয়। কিন্তু কোনোবা এজন যদি কাৰোবাৰ দেউতাক

হয়, তেনেহ'লে পৰিয়ালটোৰ কাৰণে তেওঁ এজন বিশেষ মানুহ। তেওঁৰ দায়বদ্ধতা থাকিব। পৰিয়ালটোৰ আন সদস্যবোৰৰ ভৱিষ্যৎ তেওঁৰ ওপৰত ন্যস্ত হ'বলৈ বাধ্য। কিন্তু সেই মানুহজন পূণিৰ দেউতাক কেনেকৈ হ'ল, মাকে কেতিয়াও কোৱা নাই তাইক সেই কথা। অৱশ্যে মাকৰ এই নীৰৱতা তাই ভাবিব খোজা গল্পটোৰ প্ৰতিবন্ধক হ'ব নোৱাৰে। কিন্তু নিজৰ গল্প লেখিবলৈ সৃষ্টিশীল হ'বই লাগিব। সামৰ্থ্য থাকিবই লাগিব। তাই যেতিয়াই এনেধৰণৰ কিবা এটা ভাবিব খোজে, তাইৰ সীমাবদ্ধতাই তাইক সততে বিপাঙত পেলায়। কল্পনা আৰু বাস্তৱতাৰ দোমোজাত তাই থমকি ৰয়। এইখন পৃথিৱীত থাকি আইন এখন পৃথিৱীৰ কল্পনা তাইৰ কাৰণে সহজ নহয়। তাইৰ ভাব হয় — প্ৰেম আৰু উষ্ণতাৰেহে তেনে এখন পৃথিৱী সম্ভৱ। মাকৰ তেনে কিবা অনুভূতি আছে বুলি তাই নিশ্চিত নহয়। তথাপিও তাই ভাবে ... ..., সিহঁতৰ ঘৰৰ সমুখেৰে হয়তো পাৰ হৈ গৈছিল এজন মানুহ সদায়। তেওঁ চাগে' ইটাৰ ভাটাতেই কাম কৰিছিল। হয়তো এদিন ভাটাৰ পৰা উভতি আহোঁতে মানুহজনৰ পিয়াহ লাগিল। আৰু তেওঁ কোনোবা এটা ঘৰৰ সমুখত থিয় হৈ দুৱাৰত টোকৰ মাৰিলে। এজনী যুৱতীয়ে খুলি দিলে দুৱাৰখন। যৎকিঞ্চিত ইতস্ততা তাইৰ। ইমানদিনে কেৰৰ জলঙাৰে তাই মানুহজনক লক্ষ্য কৰি আছিল। তাইৰ চকুৰে-মুখে উৎকণ্ঠা! লাজৰ আভা!

ঃ এগিলাচ পানী হ'বনে? মানুহজনে সুধিলে।

মূৰ দুপিয়াই তাই ভিতৰলৈ দৌৰ মাৰি সোমাই যায়।

আজি তাই নিশ্চিত পানীতেই হেনো জীৱনৰ আৰম্ভণি! তেনেহ'লে যুৱতীৰ জীৱনে তেনেকৈয়ে পাতনি মেলিলে। যুৱতী হ'ল সেই মানুহজনৰ মৈশীৰেক আৰু দ্বিতীয় দশাত তাই হ'ল পূণিৰ মাক। আৰু মানুহজন, দেউতাক।

কিন্তু গল্পটো ইমান সাধাৰণ যেন ভাব হ'ল, পূণিয়ে আইন কাকো গল্পটোৰ কথা ক'বলৈ উৎসাহিত নহ'ল। অথবা তাইৰ এনে ভাব হ'ল — এনে এটা গল্প হেজাৰবাৰ কোৱা হৈছে আৰু এই একেই গল্প লেখা হ'ব হয়তো অনাগত দিনতো। আকৌ নায়কৰ প্ৰস্থানে সমানেই বিমুঞ্চিত পেলায় তাইক। বোধহয় কিছুমান নায়ক একেই। সিহঁতৰ জীৱন, মৃত্যুৰ স'তেই শেষ। এনে নায়কক অনুসৰণ কৰিবলৈ কাৰো হেঁপাহ নহয়। আৰম্ভণি প্ৰাসংগিক হ'লেও সামৰণি তেনেই অপ্ৰাসংগিক। এনে নায়কে ইতিহাস ৰচনা কৰিব নোৱাৰে। কিন্তু ইতিহাসৰ পুনৰাবৃত্তি কেনেকৈ হয় তেনেহ'লে। তাই নাজানে। কিন্তু এটা কথা তাই বুজিছে, এনে নায়কো কাৰোবাৰ কোমল অন্তৰত জীয়াই থাকে কেনেবাকৈ। সেয়েহে বানপানীয়ে সকলো উটুৱাই নিব নোৱাৰে। সেয়েহে মাকৰ দুচকুত সাৰে থাকে উজাগৰী নিশাটো। সাৰসুৰ নোহোৱাকৈ তেনেকৈয়ে চাই

থাকে চালধনৰ কালে, মাথোঁ চালধনৰ কালে ... ...।

ঃ চালধনত কি আছে মা।

ঃ চালধনেই আমাৰ আশ্ৰয়। ই আমাক ৰক্ষা কৰে।

ঃ কেনেকৈ মা?

ঃ ব'দৰ তাপৰ পৰা, বৰষুণৰ পৰা।

ঃ কিন্তু ব'দ আমাক লাগে, বৰষুণো লাগে।

ঃ এই ব'দ সেই ব'দ নহয়, এই বৰষুণ সেই বৰষুণ নহয়।

কেতিয়াবা বৰ কষ্ট হয় পুণিৰ মাকৰ কথা বুজিবলৈ। তেতিয়া তাই মনে মনে মাকলৈ চায় আৰু চালধনলৈ চায়। এদিন হঠাতে মাকে পুণিক সোধে।

ঃ পুণি, মই মৰিলে তুমি কি কৰিবা?

তাই আচৰিত হৈ মাকৰ কালে চালে। একো ক'ব নোৱাৰিলে। দুচকু পানীৰে ভৰি পৰিল। মাকে এদিন সিহঁতক এৰি গুচি যাব পাৰে অইন ক'ৰবালৈ, এই কথা তাই কেতিয়াও ভবা নাই। কিন্তু মৰি যায় ক'লৈ যাব। মানুহ ক'লৈ যায়? এই জীৱনৰ শেষ আছে জানো? শেষ মানে কি? মৃত্যু।

মৃত্যু কি তেনেহ'লে? মৃত্যু পানীৰ পৰা বামত ধৰফৰাই থকা এটা মাছ নেকি? সিহঁতৰ মাক যেতিয়া ভাতালৈ ওলাই গৈছিল বাতিপুৱা, তাই আৰু মণি, দুয়ো দুটা বৰশী লৈ ওলাই যায়। কলগছৰ গুৰিছোৰাত নহ'লে জেকা মাটিত থকা কেঁচুবোৰ উলিয়াই নাৰিকলৰ কোবোকা এটাত বাখিৰ সৈতে ভৰাই ওচৰতে থকা বিলটো পায়। চেঙ বা গৰৈ মাছবোৰ টপাটপ বৰশীত ধৰে, টকলিয়াই থাকিলেই হয়। এদিন ডাঙৰ গৰৈ মাছ এটা দেখা পাই মণিয়ে পুণিক ক'লে।

ঃ পুণিবা, এইটো ডাঙৰ।

টকলিয়াই টকলিয়াই মণিয়ে ডবিডাল মাছটোৰ আগলৈ আনি লবাই থাকে। পুণিয়ে তাইক বাধা দিয়ে। মণিয়ে আচৰিত হৈ তাইলৈ চায়। পুণিয়ে কয় —

ঃ তই ধৰিব পৰা নাই, এইজনী মাক।

ঃ মই কেনেকৈ জানিম।

ঃ তাইৰ কাষত গৰৈচিৰিকাজাক, দেখিছ নে নাই?

মনে মনে ভাবিলে মণিয়ে, তাতে কি হ'ল।

ঃ আমি কাৰ লগত থাকোঁ? পূণিয়ে সোধে মণিক।

ঃ মাৰ লগত, আমাৰ দেউতা নাই যে!

ঃ আছিল। বানপানীতেই হেৰুৱাইছো দেউতাক।

ঃ পোৱালিবোৰৰ দেউতাক কোন? সিহঁত পানীতেই থাকে। বানপানীয়ে সিহঁতক পৃথক কৰিব নোৱাৰে।

ঃ বানপানী নহয়, সেয়া চাগে' নদীৰ পাৰ। কোনোবা দাঁতিপৰীয়াই একে চিপে তাক পাৰলৈ টানি আনিলে। ... বাৰু যাওক সেই কথা। গৰৈচিৰিকাজাকৰ ফালে চা, মাকজনীও যদি নোহোৱা হয়, কোনে চাব সিহঁতক।

ঃ সেইবুলি মাকজনী যে কোনোবাদিনা নমৰিব তাৰ কি নিশ্চয়তা আছে!

ঃ নাজানো। মুঠতে তাৰ বাবে আমি দায়ী হ'ব নোখোজো। এই মুহূৰ্তত আমি ৰবং ইয়াকেই ভবা উচিত।

পূণিৰ উত্তৰটো মণিৰ মনঃপূত নহ'ল যদিও দ্বিতীয় এটা উত্তৰৰ কথাও তাই ভাবিব নোৱাৰিলে। আকৌ এবাৰ পূণিক সোধাৰ সাহসো নহ'ল তাইৰ!

পলিথিনৰ বেগখনত ভৰাই লৈ অহা মাছকেইটালৈ চাই চাই পূণিয়ে মণিক কয়।

ঃ মাছবোৰ অহাৰ কথা মাক নক'বি কিন্তু!

ঃ নক'লেও গম পাব।

ঃ নাপায়। মাছকেইটা আমি এতিয়াই পুৰি খাম।

তেতিয়াৰ মাছ ধৰাৰ সেই উৎসাহ আৰু আনন্দৰ কথাই এতিয়া কিয় জানো পূণিৰ বুকুৰ মাজলৈ কিবা এক বিষাদ নমাই আনে! ভাব হয় পূণিৰ — মাছবোৰ যদি সিহঁতৰ দৰেই হ'ল হয়, তেনেহ'লে ফেৰ পাতি সিহঁতেও চাগে' যুদ্ধত নামিলে হয়। যুদ্ধত কোনোবা জয়ী হয় আৰু কোনোবাই পৰাজয় স্বীকাৰ কৰে। পৰাজিতজনৰ মৃত্যু অনিবাৰ্য।

এদিন ৰাতিপুৱা পূণিয়ে চকু মেলি মাকক বিছনাত দেখা পাই আচৰিত হ'ল। মাকে সাৰ পোৱা নাই তেতিয়াও। গোটেই ৰাতিটো টোপনিৰ স'তে যুদ্ধ কৰি শেষ ৰাতি চাগে' ভাগৰতে মাকৰ দুচকুলৈকে অৱসাদ নামি আহিছিল। মাকৰ মুখত যন্ত্ৰণাৰ চাপো স্পষ্ট। ইমান ওচৰৰ পৰা তাই কেতিয়াও মাকক দেখা নাই আগতে। ইমান শেঁতা, ইমান দুৰ্বল মাকৰ মুখখন! যে যুদ্ধত পৰাজয় সন্মানত বুলি ইমান কিবাৰ হৈ পৰিছে! সেইকাৰণেই মাকে কিজানি নিথৰ হৈ থাকে চালখনলৈ চাই চাই। অতীতৰ

কথাকেই ৰোমন্থন কৰি কৰি মাকৰ বৰ্তমানো চাগে' হৈ পৰিছে ধূসৰ। মনে মনে মাকে নিজকে শেষ যাত্ৰাৰ কাৰণে প্ৰস্তুত কৰিছে নেকি। সেয়া নিশ্চিত হ'লেও অসহনীয়, অসহনীয়।

ইটাৰ ভাতাৰ পৰা দুই এজন মানুহ মাজতে সিহঁতৰ ঘৰলৈ আহিছিল। সিহঁতৰ কথা-বতৰাৰ পৰা অনুমান কৰিলে পূণিয়ে, সান্ত্বনা নহয়, সিহঁতে দি দিলে সেয়া উদ্বিগ্নতা। সেই সান্ত্বনাই বৰং শংকিত কৰি তুলিলে সিহঁতক। মনত যেতিয়া নিশ্চিতভাৱে কিবা এক ধাৰণাৰ জন্ম হয়, তাৰ স্থানান্তৰণ সম্ভৱ নহয়। দিনৰ দৰে স্পষ্ট কথাটো হ'ল, মাকৰ হাতত হয়তো আৰু অধিক সময় নাই।

এটা সপ্তাহৰ ভিতৰত পৃথিৱীখন এনেকৈ সলনি হৈ যাব পাৰে বুলি পূণিয়ে ভবা নাছিল। কিন্তু সত্য সদায় ভবা-নভবাৰ ঊৰ্দ্ধত। মাকে নিথৰ হৈ সিদিনাখন চালখনৰ ফালে চাই আছিল। আৰু মাকৰ কাৰণে সেয়াই শেষ ৰাতি হ'ব বুলি তাই কল্পনাও কৰা নাছিল। চালখনৰ ফালে চাই চাই এনেকৈ ... ...।

কি বা আছে তাতে। চালখনতো আৰু আকাশ নহয়। বোধহয় বানপানীতেই মাকে হেৰুৱাইছিল নিজৰ আকাশখন।

কাৰোবাৰ মৃত্যু অথবা জীৱনৰ স'তে সময় বৈ নাথাকে। তথাপিও মানুহ সঁচাকৈয়ে আচৰিত প্ৰাণী। স্মৃতিৰ পটত ধৰি ৰাখিব খোজে সময়ক। স্মৃতি নামৰ শব্দটোও চাগে' ধনাত্মক অথবা নএগ্ৰাৰ্থক ভাৱনাৰে ভৰা একমাত্ৰ শব্দ।

ঃ পূণি, মোৰ ভোক লাগিছে।

মণিৰ আবেদন শুনি পূণিয়ে প্ৰথমবাৰৰ কাৰণে অনুভৱ কৰিলে, তাই এতিয়া মণিৰ বাবে মাক-দেউতাক দুয়োটায়ে। এই নতুন দায়িত্ববোধৰ বোজাত তাইৰ দুচকু সেমেকি উঠিল। বুকুৰ মাজত অনুভৱ কৰিলে কিবা এক হাহাকাৰ। তাইৰ ভাব হ'ল, পৰিয়ালৰ কোনোবা এজনৰ মৃত্যু কিমান বেদনাদায়ক।

মণিয়ে মনে মনে পূণিৰ প্ৰতিক্ৰিয়াকেই লক্ষ্য কৰি আছিল। তাইৰ ভোকে পূণিক এনেকৈ বিব্ৰত কৰিব বুলি তাই ভবা নাছিল। সঁচাকৈয়ে তাইৰ ভোক লাগিছিল। মণিয়ে আঁঠু দুটাত মূৰটো গুজি দি পূণিৰ কাণে নোচোৱাকৈয়ে ক'লে।

ঃ পূণি, মই ধেমালিহে কৰিছোঁ। মোৰ ভোক লগা নাই।

পূণিৰ দুচকুৱেদি এইবাৰ সঁচাকৈয়ে চকুপানী নামি আহিল। মণিৰো।

জীয়াই থাকিবলৈ পৰিয়াল এটাৰ কোনোবা এজনে কাম কৰিবই লাগিব। তাতো কিবা এটা কৰিব লাগিব। দৰিদ্ৰতা থাকিলেও তেতিয়া মাক আছিল। তাইৰ গুপৰত তেনে কোনো দায়িত্ব নাছিল। জীৱনটো চাগে' পানী-মেটেকাৰ দৰেই উটি-ভাহি ফুৰিছিল তেতিয়া। কিন্তু এই মুহূৰ্তত তাই কৰিব কি। সুধিবলৈ কোনো নাই। মাকৰ মৃতদেহটো শ্মশানলৈ কঢ়িয়াই লৈ যোৱা মানুহখিনিও নাই। নে সিহঁতো গুচি গ'ল পৃথিৱী এৰি। শ্মশানলৈ কোনে লৈ গ'ল সিহঁতক? তাই নাজানে। কিন্তু এটা কথা পূণিয়ে বুজিছে, মৃত্যুৰ প্ৰতিক্ৰিয়া হয় লাহে লাহে। পৰিয়ালৰ কোনোবা এজনৰ মৃত্যু। মৃত্যুৰ পিছৰ অৱস্থা, পৰিয়ালটোৰ বাবে মৃত্যুতকৈ ভয়ংকৰ কথা।

: পূণি, মাছ মাৰিবলৈ যাওঁ ব'ল। মণিয়ে সোধে।

নিৰুদ্বিগ্ন পূণিৰ মুখ। সাময়িক সমাধানে জীৱনক গতি দিব নোৱাৰে। স্থায়ীভাৱে কিবা এটা কৰিব লাগিব। পূণিয়ে ভাবে।

পূণিক বুজিবলৈ মণিৰ কষ্ট হয় আজিকালি। কেতিয়াবা ভাব হয় পূণিয়ে যেন নিজৰ স'তে কথা পাতে, তাইৰ স'তে নহয়। তাই য'ত থাকে তাতে যেন নাথাকে। বোধহয় স্থায়ী-অস্থায়ী কিবা এটা ব্যৱস্থাৰ মাজত তাই হৈ আছে দোদুল্যমান। স্থায়িত্বই বা কি। মণিয়ে ভাবিলে। চকুপানী, হাঁহি, সম্বন্ধ একোৱেই টিকি নাথাকে পৃথিৱীত। ভালপোৱা, ভাললগা সকলো বস্তুৱেই সাময়িক নেকি।

জীয়াই থাকিবলৈ কি আছে, কি নাই তাকে ভাবি থাকিলে নচলে। আৰু বৈ থাকিবও নোৱাৰি, কোনোবা এজন আহিব, আহি আমি যি বিচাৰোঁ তাকে দি যাব, সেয়াও অবাস্তৱ। তাইৰ চিন্তা-ভাৱনাক যতি চিহ্ন এটা দিবলৈ কৰা তাইৰ প্ৰয়াস অন্তহীন যেন লাগিল। পূণিয়ে চালখনলৈ চাই ধৰিব নোৱাৰিলে আচলতে চালখন ক'ত। তাৰ সলনি তাত আবিৰ্ভাৱ হ'ল চিনাকি, অচিনাকি কেইখনমান মুখ। কেনেকৈ আহিল সেই মুখবোৰ। দেশৰ বিশেষ দিনত সিহঁতৰ গাঁৱৰ পথাৰখনত দেখুওৱা বায়'স্ক'পত যেনেকৈ ইখনৰ পিছত সিখনকৈ ছবি আহে, তেনেকৈ। পূণিৰ মনত আছে, কেনেকৈ এদিন জীৱনত প্ৰথমবাৰৰ বাবে সেই পথাৰখনতে এখন চিনেমা চাইছিল। ইমান মানুহ। জনা-নজনা কতনা মুখ। সিহঁতে একেলগে চিঞৰিছিল, হাঁহিছিল, কান্দিছিল। এতিয়া তাইৰ ভাব হয়, আমি সকলো মানুহ একেলগে থাকিব নোৱাৰো কিয়? আমি পৰস্পৰে পৰস্পৰৰ চকুপানী-হাঁহি, সুখ-দুখ দীৰ্ঘদিনলৈ বুকুৰ মাজত সাঁচি থ'ব নোৱাৰোঁ কিয়?

পূণিয়ে একেথৰে চাই থাকে চালখনৰ ফালে। চিনাকি অচিনাকি মুখবোৰ পাৰ হৈ যায়। মাথোঁ এখন মুখ বৈ থাকে তাতে। পূণিয়ে আচৰিত হৈ চায়। কোন সেইজন?

নন্দন। অকল তাৰ মুখখন তাতে বৈ আছে কিয়? এয়া তাইৰ দুৰ্বলতা নেকি। মাক মৰাৰ পিছত দুবাৰ আহিছে সি সিহঁতৰ ঘৰলৈ। তালৈখিনি সময় সি সিহঁতৰ লগত আছিল। এটা কথাও কোৱা নাছিল। যোৱাৰ সময়ত সি পুণিৰ কাষত থিয় হৈ ক'লে।

: আমি ভবা মতে পৃথিৱীখন নচলে। তাৰ অৰ্থ এয়া নহয়, আমি জীয়াই নাথাকিম। তুমি যদি ভাবা, মই তোমাৰ বাবে কিবা কৰিব পাৰোঁ, ক'বলৈ সংকোচ নকৰিবা।

সি যাব খুজিছিল। হঠাতে বৈ এগিলাচ পানী খুজিলে। পুণিয়ে দৌৰ মাৰি ভিতৰলৈ গৈ এগিলাচ পানী লৈ আহিছিল। তাইৰ কিবা মনত পৰিছিল। তাই নিজে ভবা গল্পটোৰ কথা। পানীতেই সূচনা হৈছিল জীৱনৰ। পুণিয়ে ঘপহকৈ থিয় হৈ মাকৰ দৰেই মণিক ক'লে।

: তই ইফালে-সিফালে ঘূৰি নুফুৰিবি। মই দুপৰীয়া আহিম।

তাই খৰখেদাকৈ ওলাই আকৌ উভতি আহি ঘৰৰ এচুকত থকা পুৰণি ট্ৰাংকটো খুলি অকণমান ভাবিলে, আচলতে তাই তাতে কি বিচাৰিছে! এনেতে সৰু আইনাখনলৈ তাইৰ চকু গ'ল। আইনাখন হাতত ল'লে তাই। আইনাখনৰ কথা পাহৰিয়েই গৈছিল তাই। আইনাখন লাহে লাহে তাই মুখখনৰ সমুখলৈ লৈ গ'ল। ইমান দিনৰ মূৰত তাই এখন আইনাৰ ফালে চাইছে! তাই দুচকু মুদি কিবা ভাবিলে। আইনাখনত নিজকে আকৌ এবাৰ চোৱাৰ লোভ তাই সামৰিব নোৱাৰিলে। আকৌ দুচকু মেলিলে তাই। যেন এজাক চৰাইৰ কোৰ্হাল তাইৰ বুকুৰ মাজতে নামি আহিল। তাই বাহিৰলৈ ওলাই আহি চালে চাৰিওফালে। গছৰ পাতবোৰ বতাহজাকৰ স'তে নাচি আছে লাহে লাহে। তাই আইনাখনলৈ আকৌ চালে। সৰু বগা ফোট এটা লাগি আছে আইনাখনত। সেইটো একেবাৰে কপালৰ সোঁমাজত লগাই পুণিয়ে তৰ্জনী আঙুলিটোৰে হেঁচি ধৰিলে। আইনাখনত চাই তাই দেখিলে — সেয়া পুণি। তাইৰ মুখত বিয়পি পৰিল এটা হাঁহি, লাহে লাহে।

পুণিৰ কাৰণে এই সপ্তাহটো এটা বিশেষ সপ্তাহ। চালখনলৈ চাই চাই তাই ভাবিলে অন্য এটা ঘৰৰ কথা। তাৰ অন্বেষণ বাক তাইৰ আত্মকেন্দ্ৰিকতা নেকি। তাইৰ যুক্তি সঠিক জানো! আকৌ মানুহে সদায় যুক্তিকেই প্ৰাধান্য দিয়ে জানো! মানুহৰ জীৱনটো সুখ-দুখ যেনেদৰে নামি আহে, তাৰ অন্তৰালত জানো যুক্তি থাকে? জীৱনৰ নিজৰ পথ এটা নাইনে? তাই হয়তো কিবা এটা বিচাৰিছে। এই সপ্তাহটোত তাই বাৰে বাৰে অনুভৱ কৰিছে, এক আচৰিত ধৰণৰ অনুভূতি। এইটো বাক তাইৰ সপ্তাহ, নে নন্দনৰ?

নন্দনে কেনেকৈ কি কৰিলে তাই নাজানে। কিন্তু তাৰ কাৰণেই তাই ইটাৰ ভাটাটো আহিল কাম কৰিবলৈ। এইটো ইটাৰ ভাটাতেই তাইৰ দেউতাক, তাইৰ মাকৰ মাকৰ

টোপালবোৰ সোমাই আছে। আৰু এতিয়া এই ভাতাতেই তাই অনুভৱ কৰিছে তাইৰ অস্তিত্ব। মাকৰ কথা তাইৰ মনত পৰিল। এদিন জেদ ধৰিছিল তাই মাকৰ লগত ভাতালৈ আহিব। মাকে ওভতাই পঠিয়াইছিল তাইক। অইন এদিন পূণিয়ে মাকৰ পিছে পিছে মনে মনে আহি আছিল। গাৰঁৰে অন্য এজনী তিৰোতাই পূণিক দেখি চিএৰিলে।

ঃ পূণি, আমাৰ ঘৰলৈ নাহ নেকি? আমবোৰ পকিছে।

পূণিয়ে লুকাবলৈ সময় নাপালে। তিৰোতাজনীৰ চিএৰ শুনি মাকে উভতি আহি পূণিক সুধিলে —

ঃ মোৰ পিছে পিছে আহি আছ কিয়?

ঃ ভাতাটো চাবলৈ মন গৈছে মোৰ।

মাকে তাইক চৰ এটা শোধালে। পূণিয়ে ভাবিবই পৰা নাছিল এনে এটা কথাৰ কাৰণে মাকৰ ইমান খং উঠিব বুলি। হঠাতে মাকৰ কিয় ইমান খং উঠিল। ইমানদিনে পূণিয়ে ভাবিছিল, ঘৰৰ চালখনলৈ চাই থকাৰ বাহিৰে মাকৰ অন্য কোনো অনুভূতি নাছিল। এতিয়া তাই নিশ্চিত, মাকৰ অন্য অনুভূতিও আছিল। সেই অনুভূতিৰ জুইকুৰা মাকে নিজৰ ভিতৰতেই সযতনে জ্বলাই ৰাখিছিল - সংগোপনে।

এতিয়া সেই একেটা ভাতাতেই পূণি। তাইৰ হাতত বোকা। তাইৰ হাতত ইটা। ইটাবোৰ দেৱাল। দেৱালবোৰ ঘৰ। তাইৰ মাকৰ, তাইৰ দেউতাকৰ হাতেও ইটা বনাইছিল। যি হাতে ইটা বনাইছিল, নিজৰ ঘৰ নোহোৱাকৈয়ে সিহঁতে পৃথিৱী এৰি গুচি গৈছিল।

লাহে লাহে পূণিৰ হাত ক্ষত হৈ আহিল। বোকাৰ অনুভূতি, আকৃতিয়ে তাইক নিমজ্জিত কৰিবলৈ ধৰিলে লাহে লাহে। গোটেই দিনটো সূৰ্য ডুবালৈকে ব্যস্ত হৈ থাকে তাই। কাম সামৰি উচপিচাই থাকে নন্দু নহালৈকে। এনে লাগে নন্দু যেন নাহিব! আকৌ তাক দেখাৰ লগে লগেই যেন দূৰ হৈ যায় অপেক্ষাৰ সকলো যন্ত্ৰণা। তাৰ পিছত দুয়ো একেলগে খোজকাঢ়ি আগবাঢ়ে। দুয়োৰে মুখত নোকোৱা কথাৰ ভিৰ। ঘৰলৈ যোৱা বাটটো দিনে দিনে যেন চুটি হৈ যায়, পূণিৰ এনে লাগে! এদিন নন্দুক সুধিলে তাই।

ঃ বাস্তাবোৰ বাৰু চুটি দীঘল হয় নেকি?

নন্দনে হাঁহি এটা মাৰি কয়।

ঃ বাস্তা নহয়, আমাৰ মনে জোখ-মাখত কেতিয়াবা খেলি-মেলি কৰে।

পূণিয়ে নন্দুলৈ চাই কয়।

: অকণমান বহিব নোৱাৰোনে ক'ৰবাত?

: ক'ত?

: তুমি য'তে ভাল দেখা।

: তোমাৰ নিজৰ পচন্দ-অপচন্দ একো নাই?

: থাকিলেও কোনে গুৰুত্ব দিব?

: যদি মই দিওঁ ... ...?

: সেয়া মোৰ বাবে সপোন যেনেই হ'ব।

নন্দনে তাইক সপোনৰ কথা কোৱা নাছিল। সি আচলতে সপোনৰ আনটো ফালেহে বাস কৰিছিল। তথাপিও দুয়ো যেতিয়া একেলগে খোজ-কাঢ়ি আগুৱাই গৈছিল, তাইৰ সেয়া সপোন যেনেই লাগিছিল। আৰু ৰাতি যেতিয়া চালখনলৈ চাই চাই কেতিয়াবা জলভাৰে জোনটো অথবা তৰাজাক দেখা পাইছিল, সেয়াও তাইৰ সপোন যেনেই লাগিছিল। জোনটো, তৰাজাক ... ... তাই দুচকু মুদি তাৰেই অনুসন্ধান কৰিছিল।

এখন সাগৰ। দূৰত এখন জাহাজ। ধৰিব নোৱাৰি গৈ আছে নে বৈ আছে। এনে এখন ছবিয়েই আছিল ষ্টুডিওটোৰ ভিতৰৰ দৃশ্যপট। পূণি আৰু নন্দন, ছবিখনৰ সন্মুখত থিয় হৈ আছে। হঠাতে পোহৰেৰে উদ্ভাসিত হৈ পৰিল সিহঁত। ফট'গ্ৰাফাৰজনে কেমেৰাৰে সিহঁতলৈ চাই ক'লে।

: এতিয়া তোমালোক সাগৰত। এক ..., অকণমান হাঁহি, অহ্‌হো জোৰকৈ যাবা হাঁহি, নহয় — স্বাভাৱিক, দুই, বহিয়া এনেকৈ, এনেকৈ থাকিবা, তিনি ...।

ক্লিককৈ এটা শব্দ হ'ল।

পূণিৰ জীৱনৰ এইখনেই প্ৰথম ফট'। কাৰত নন্দু। আচৰিত এক অনুভূতি তাইৰ মাজেৰে বৈ গ'ল। এনেকৈ এখন ফট' উঠিবৰ বাবে হঠাতে তাই কিয় প্ৰস্তাৱ দিলে নন্দুক। সিদিনাখন অলপ সোনকালেই তাই কাম সামৰিছিল। নন্দুৰ স'তে বজাৰখনলৈ খোজকাঢ়ি আগ বাঢ়িছিল। হঠাতে ৰাণী কিয়া এখন পাৰ হৈ যোৱা কাৰণে দুয়ো তাতেই উঠি বহিল। ইমান কাষত নন্দু। তাইৰ বিশ্বাসেই হোৱা নাছিল। বজাৰত ষ্টুডিও এটাৰ সন্মুখতেই দুয়ো নামিছিল। তাইৰ স'তে এখন ফট'ৰ প্ৰস্তাৱত নন্দুৱে লগে লগে সন্মতি জনাইছিল কিয়? ৰাতি ফট'গ্ৰাফাৰজনৰ কথা মনত পৰিল পূণিৰ - তোমালোক

এতিয়া সাগৰত।

তেনেহ'লে সেয়াই সাগৰ। সাগৰৰ পানী লুণীয়া। পানী নে চকুপানী। চকুপানী নে পানী। একেই পানী। অজানিতে তাই অনুভৱ কৰিলে তাইৰ মাজত কিবা এক আশংকা। চকু দুটা জোৰকৈ মুদি তাই টোপনি আহিবলৈ যত্ন কৰিলে। কিন্তু সিহঁতো অবাধ্য। চকু দুটা ডাঙৰকৈ মেলি মাকৰ দৰে পূণিয়ে চালখনৰ ফালে চাই থাকিল।

নন্দুই যেতিয়া ফট'খন তাইক দেখুৱাইছিল, নিজকেই তাইৰ কিবা আচহুৱা আচহুৱা যেন লাগিছিল। সঁচাকৈয়ে সিহঁত দুয়ো সাগৰত। তাই আৰু নন্দু। নন্দু আৰু তাই। নন্দু যোৱাৰ পিছত ফট'খন তাই আকৌ ভালকৈ চালে। ফট'খন হাতত লৈ তাই ঘৰৰ ভিতৰলৈ সোমাই গ'ল লাহে লাহে। ঘৰৰ বেৰখনত থকা অন্য এখন ফট'ৰ সমুখত তাই থিয় হ'ল। ভালকৈ চালে সেই ফট'খন। তাইৰ স্মৃতিত নথকা হ'লে সেইখন যে তাইৰ মাক আৰু দেউতাকৰ ফট' কেতিয়াও ধৰিব নোৱাৰিলে হয়। তাই ফট'খনৰ ফ্ৰেমটো খুলি তাৰ কাষতেই তাই আৰু নন্দুৰ ফট'খন থ'লে। বাহিৰত কিন্‌কিনিয়া ৰবৰুণজাক গভীৰ হৈ আহে। তাই উৎকণ্ঠাৰে শুনে ৰবৰুণৰ শব্দ। ৰবৰুণ ... ৰবৰুণ। পানী, বানপানী। সেই বানপানীতেই মাকে হেৰুৱাইছিল তাইৰ দেউতাকক। কিবা এক ভয় সাৰ পাই উঠে তাইৰ বুকুৰ মাজত। একেই বানপানী, একেই গল্প। তাই অনুভৱ কৰিলে, তাইৰ উশাহ-নিশাহ যেন বন্ধ হৈ গৈছে। মণি। পূণিয়ে চিঞৰিলে। মণি নাছিল তেতিয়া।

মাজৰাতি। টোপনি অহা নাই মণিৰ। যোৱা কেইদিনমান ধৰি তাই পূণিকেই লক্ষ্য কৰি আছে। বিজনী পূণিৰ স'তে তাই হাঁহিছিল, কান্দিছিল, মাছ ধৰিবলৈ গৈছিল, সেইজনী পূণি যেন এইজনী নহয়। বেছিভাগ সময় তাই মনে মনে থাকে। কথা নাপাতে, নাহাঁহে। তাই যে কি ভাবি থাকে সেয়া মণিয়ে ধৰিব নোৱাৰে। ইমানদিনে মণিয়ে ভাবিছিল তাইৰ বাহিৰে আন কোনেও ভালকৈ পূণিৰ কথা নাজানে। আৰু তায়েই যদি নাজানে আন কোনে জানিব? নন্দুই।

নন্দুৰ কি হ'ল। বহুতদিন হ'ল সি পূণিক লগ ধৰা নাই। পূণিৰ কপালত বিন্দু বিন্দু ঘামৰ টোপাল। সেয়া উদ্বিগ্নতাৰেই প্ৰকাশ নেকি। যেনে তেনে তাক লগ পোৱাৰ কথা। তাৰ মুখৰ পৰা শেষ কথা এটা শুনিব খোজে তাই। কিন্তু ক'ত সি। দফকাৰী কিবা কামত বন্দী হৈ আছে যদি কাৰোবাৰ আগত খবৰ এটা দি পঠাব পাৰিলে হয়। তাই আৰু বৈ থাকিব নোৱাৰে। ওলাই আহিল তাই। তাই অনুমান কৰা ঠাইখিনিৰ দুই এজনক সুধি অৱশেষত এটা ঘৰৰ সমুখত থিয় হ'ল। দুৱাৰত ভলা। কাষতে থকা

মালিকৰ ঘৰৰ দুৱাৰত টোকৰ মাৰিলে পূণিয়ে। এজনী তিৰোতা ওলাই আহিল। উৎকণ্ঠাৰে পূণিয়ে সুধিলে।

: নন্দু ... নন্দন ইয়াত থাকেনে?

: আছিল।

: আছিল মানে?

: মোৰ পাবলগীয়াখিনি দি সি গুচি গ'ল।

: ক'লৈ?

: মই নাজানো।

: কিবা ঠিকনা দি গৈছে নে?

: নাই। ... কিন্তু তুমি কোন?

তাই কোন, এনে এটা প্ৰশ্নৰ মুখামুখি হ'ব লাগিব বুলি তাই কেতিয়াও ভবা নাছিল। কোন তাই? নন্দু কোন? ক'ব নোৱাৰাকৈ ঘৰটোৰ সমুখৰ পৰা কেতিয়া যে ৰাস্তা পালে, তাই ধৰিব নোৱাৰিলে। তাই ঘৰলৈ বুলি খোজ দিলে। সেই একেই ৰাস্তা। নন্দুৰ স'তে খোজ কাঢ়ি আহোঁতে চুটি চুটি যেন লগা ৰাস্তাটো ক্ৰমশঃ দীঘল হৈ যোৱা যেন লাগিল। যেনিবা অন্তহীন এটা ৰাস্তা।

ঝিলীৰ মাতত ৰাতিটো আৰু গভীৰ হৈ আহিছিল। মণিৰ টোপনি অহা নাছিল। তাই পূণিৰ ফালে চালে। পূণিয়ে চালখনৰ ফালে চাই আছে। তাইৰ দুচকু সেমেকা। এটোপাল চকুলো হয়তো নামি আহিব এতিয়াই। তাইক কিবা এটা ক'ম বুলি ভাবি মনে মনে থাকিল মণি। তথাপি নভবাকৈ থাকিব নোৱাৰিলে তাই। পূণিৰ আৰু কি হৈছে? আগতে তাইৰ দুচকু এনেকৈ সেমেকি থকা নাছিল। ইমান পেঁতা পৰা নাছিল তাই কেতিয়াও। মণিৰ কাৰণে পূণিৰ দুখৰ সমভাগী হ'ব নোৱাৰা কথাটো আছিল কষ্টকৰ। তাই নিশ্চিত, পূণিৰ সমস্যা তাই সমাধান কৰিব নোৱাৰে। তথাপি ভগাই ল'ব পাৰিলে দুখবোৰ কমি যায়। আকৌ চালে তাই পূণিৰ ফালে। পূণিয়ে একেথৰে চাই আছে চালখনৰ ফালে।

: পূণি, তোৰ টোপনি অহা নাই?

: চেষ্টা কৰি আছোঁ।

: বিৰাইছে নেকি?

: বিৰ?

ঃ তই যে সিদিনা কৈছিলি, তোৰ গাটো ভাল নহয় ... ..., মণিয়ে সম্পূৰ্ণ কৰিব নোৱাৰিলে তাই ক'ব খোজা কথাখিনি। পূণিয়ে একো নক'লে। তেনেকৈয়ে চাই থাকিল চালখনৰ ফালে। তাইৰ নীৰৱতা মণিৰ বাবে এক অবুজ বেদনা।

হঠাতে আকাশখনে বিজুলীয়াই কিবা এটা ক'লে যেন। বৰষুণজাক নামি আহিল। অকণ ইতস্ততাৰে মণিয়ে নিজকেই ক'লে যেন।

ঃ ছয়মাহ হ'ল। নন্দুদাৰ খবৰ নাই। চাগে' নন্দুদাৰ গাঁৱতো বানপানী।

হঠাতে ঘপহকৈ উঠিল পূণি। বেৰত ওলমি থকা ফট'খনৰ সমুখত থিয় হ'ল আহি। তাইৰ দৃষ্টি অস্বাভাৱিক। ফট'খন আঁজুৰি আনিলে তাই। দুৱাৰখন খুলি ধুমুহাৰ গতিৰে ঘৰৰ পিছফালে থকা পুখুৰীটো পালে তাই। ফট'খন দেহৰ সমগ্ৰ শক্তিৰে দলিয়াই দিলে তাই পুখুৰীটোৰ মাজলৈ। একেই উন্মাসিকতাৰে উভতি আহি দুৱাৰখন বন্ধ কৰি পাটীখনৰ ওপৰত উভলা গছৰ দৰেই কাতি হৈ পৰিল। মণি উচপ খাই উঠিল। পূণিলৈ চালে। তাইৰ কি হৈছে ...! কিবা কৈছে তাই!

ঃ বানপানীতেই তাৰ ঘৈণীয়েক আৰু তাৰ কেঁচুৱাটিয়ে তাক হেৰুৱাব!

মণিয়ে একো নুবুজিলে। ভেবা লাগি পূণিৰ ফালে চাই মাথোঁ ভাবিলে — কোন তাৰ ঘৈণীয়েক, কোন তাৰ কেঁচুৱা?

ঃ সেয়া মই, সেয়া মোৰ ভিতৰত!

পূণিৰ মাত থোকাথুকি হৈ আহিল। পূণিয়ে কান্দোনত ভাঙি পৰিল। মণিয়ে তাইক একো নুসুধিলে। তাই চালখনলৈ চাই চাই মাথোঁ ভাবিলে — পূণিয়ে এতিয়া কন্দা উচিত।

বৰষুণজাক আৰু ডাঙৰকৈ আহিল। চালখনলৈ চাই চাই পূণিয়ে জানো বৰষুণজাকৰ শব্দকেই শুনিছে! বৰষুণ, নদী, বানপানী, সাগৰ। তাই এতিয়া সাগৰত! তাই আৰু নন্দু! ফট'খনৰ কথা মনত পৰিল পূণিৰ। নন্দু আৰু তাই! আৰু বৰষুণ ..., বৰষুণ! পুখুৰীটোৰ কথাও মনত পৰিল তাইৰ। পুখুৰীটোত থকা চেং, গৰৈ, গৰৈচিৰিকাজাকৰ কথাও। পুখুৰীত অকল সিহঁতেই সাঁতুৰি নাথাকে। তাত সাঁতুৰি থাকে আমাৰো স্মৃতি! আৰু সময়? কাৰোবাৰ জীৱন কিম্বা মৃত্যুৰ স'তে থমকি নৰয়। তথাপিও মানুহৰ প্ৰয়াস অন্তহীন। স্মৃতি নামৰ শব্দ এটাৰে বন্দী কৰি থ'ব খোজে সময়ক। সেইকাৰণেই নেকি, তাতেই সাঁতুৰি থাকে সকলো, ডাঙৰ-দীঘল হয় সিহঁত তেনেকৈয়ে জীৱনৰ পৌন-পুনিকতাৰ উৰ্ধত, আমাৰ জীৱন থকালৈকে।